UG EC S6-01 (DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এছ; এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

উন্নয়ন অৰ্থনীতি

অৰ্থ বিজ্ঞান



সূর্য কুমাৰ ভূঞা সমাজবিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক মাধুর্য প্রসাদ বেজবৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক ৰাতুল মহন্ত, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক ৰাজশ্রী বেদকণ্ঠ, মানৱিকী আৰু সমাজ বিজ্ঞান বিভাগ, আই আই টি, গুৱাহাটী

সমন্বয়ৰক্ষীঃ পৰাগ দত্ত, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৱিহণা যোগাইছে	ভাষান্তৰকাৰী
১	চন্দন শর্মা, মৰিগাওঁ মহাবিদ্যালয় চন্দ্রমা গোস্বামী, KKHSOU	ড° মনিশা ভট্টাচার্য্য, গোৱালপাৰা মহাবিদ্যালয়
২	চন্দ্রমা গোস্বামী, KKHSOU কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	আজিমুল হ'ক, অৰুণাচল ইউনিভাৰচিটি অফ ষ্টাদিচ
৩	চন্দ্রমা গোস্বামী, KKHSOU	কস্মিৰা শর্মা, ডিমাকুছি মহাবিদ্যালয়, ডিমাকুছি
৪	বিদ্যুৎ বিকাশ বৈশ্য, ড° পৰাগ দত্ত প্রাগজ্যোতিশ মহাবিদ্যালয়	আজিমুল হ'ক, অৰুণাচল ইউনিভাৰচিটি অফ ষ্টাদিচ
৫	বিদ্যুৎ বিকাশ বৈশ্য, প্রাগজ্যোতিশ মহাবিদ্যালয় ড° পৰাগ দত্ত, KKHSOU	কস্মিৰা শর্মা, ডিমাকুছি মহাবিদ্যালয়, ডিমাকুছি
৬	বিদ্যুৎ বিকাশ বৈশ্য,প্রাগজ্যোতিশ মহাবিদ্যালয় চন্দ্রমা গোস্বামী , KKHSOU	ড° মনিশা ভট্টাচার্য্য, গোৱালপাৰা মহাবিদ্যালয
৭	বিদ্যুৎ বিকাশ বৈশ্য, প্রাগজ্যোতিশ মহাবিদ্যালয় ড° পৰাগ দত্ত, KKHSOU	ড° মনিশা ভট্টাচার্য্য, গোৱালপাৰা মহাবিদ্যালয়
৮	আজিমুল হ'ক, অৰুণাচল ইউনিভাৰচিটি অফ ষ্টাদিচ	ড° বিপুল দাস, সহকাৰী গৱেষক, OKDISCD
৯	আজিমুল হ'ক, অৰুনাচল ইউনিভাৰচিটি অফ ষ্টাদিচ	কস্মিৰা শর্মা, ডিমাকুছি মহাবিদ্যালয়, ডিমাকুছি
১০	আজিমুল হ'ক, অৰুনাচল ইউনিভাৰচিটি অফ ষ্টাদিচ	আজিমুল হ'ক, অৰুনাচল ইউনিভাৰচিটি অফ ষ্টাদিচ
১১	আজিমুল হ'ক, অৰুনাচল ইউনিভাৰচিটি অফ ষ্টাদিচ	কস্মিৰা শর্মা, ডিমাকুছি মহাবিদ্যালয়, ডিমাকুছি
১২	বিদ্যুৎ বিকাশ বৈশ্য, প্রাগজ্যোতিষ মহাবিদ্যালয়	ড° মনিশা ভট্টাচার্য্য, গোৱালপাৰা মহাবিদ্যালয়
১৩	চন্দ্রমা গোস্বামী, KKHSOU	ড° মনিশা ভট্টাচার্য্য, গোৱালপাৰা মহাবিদ্যালয়
১৪	চন্দন গোস্বামী, মৰিগাওঁ মহাবিদ্যালয়	আজিমুল হ'ক, অৰুনাচল ইউনিভাৰচিটি অফ ষ্টাদিচ
১৫	চন্দন গোস্বামী, মৰিগাওঁ মহাবিদ্যালয়	ড° মনিশা ভট্টাচার্য্য, গোৱালপাৰা মহাবিদ্যালয়

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা ঃ জগদীশ গোস্বামী (অৱসৰপ্রাপ্ত), বি. বৰুৱা মহাবিদ্যালয়, চন্দ্রমা গোস্বামী, ড° পৰাগ দত্ত, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ভাষা সম্পাদনাঃ (মূল ইংৰাজী) ঃ ড° মানৱ মেধি ,বড়োলেণ্ড বিশ্ববিদ্যালয় , কোকৰাঝাৰ

(অসমীয়া) ঃ ড° মৃণময়ী ভট্টাচার্য্য, সহকাৰী অধ্যাপক, পশ্চিম গুৱাহাটী মহাবিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৮ ; **পুণৰ প্রকাশ ঃ** জুন, ২০২৬

গাঁঠনিৰ সম্পাদনা ঃ ড° পৰাগ দত্ত, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো,বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১০১৭,
উপ-মুখ্য কার্যালয় ঃ ৰেছম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২
Web : www.kkhsou.in

বিষয়সূচী

অধ্যায় ১ঃ	**অর্থনৈতিক উন্নয়নৰ ধাৰণাসমূহ** অর্থনৈতিক বিকাশ আৰু উন্নয়ন- ধাৰণা, উন্নয়ন আৰু অনুন্নত অৱস্থাৰ সংজ্ঞা, অর্থনৈতিক উন্নয়নৰ জোখ-মাখ- জনমুৰি আয় (PCI), মানৱ উন্নয়ন সূচ্যাংক (HDI)	৭ - ২০
অধ্যায় ২ঃ	**উন্নয়নৰ লিংগভিত্তিক বিষয়সমূহ** লিংগভিত্তিক উন্নয়ন সূচ্যাংক (GDI), লিংগভিত্তিক সবলীকৰণ সূচ্যাংক (GEM)	২১ - ৩১
অধ্যায় ৩ঃ	**উন্নয়নশীল দেশৰ মূল বক্তব্যসমূহ** উন্নয়নশীল দেশৰ সংৰচনা আৰু বৈশিষ্ট্য, বিকাশ আৰু উন্নয়নৰ বাধা- দৰিদ্রতা, নিবনুৱা সমস্যা আৰু অসমতাৰ উন্মাৰ্গ চক্র	৩২ - ৩৯
অধ্যায় ৪ঃ	**উন্নয়নৰ তত্ত্ব সমূহ ১** আদাম স্মিথ আৰু ৰিকার্ড'ৰ সংস্থাপিত উন্নয়ন তত্ত্বঃ ধাৰণা, আলোচনা, গুৰুত্ব সমালোচনা	৪০ - ৪৮
অধ্যায় ৫ঃ	**উন্নয়নৰ তত্ত্ব সমূহ ২** আর্থাৰ লিৱিচৰ উন্নয়ন তত্ত্ব, ৰ'ষ্ট'ৰ অর্থনৈতিক বিকাশৰ স্তৰ	৪৯ - ৫৭
অধ্যায় ৬ঃ	**সুসম আৰু অসম বিকাশ** সমতাপূর্ণ আৰু সমতাহীন বিকাশঃ ধাৰণা আৰু গুৰুত্ব (উন্নয়নশীল দেশবোৰত)	৫৮ - ৬৬
অধ্যায় ৭ঃ	**অর্থনৈতিক উন্নয়নত কৃষিৰ ভূমিকা** পঞ্চবার্ষিক পৰিকল্পনা কালৰ ভাৰতীয় কৃষি খণ্ড, কৃষিৰ আধুনিকীকৰণ, সেউজ বিপ্লৱ, উন্নয়নশীল দেশত কৃষিৰ ভূমিকা	৬৭ - ৭৭
অধ্যায় ৮ঃ	**অর্থনৈতিক উন্নয়নত উদ্যোগৰ ভূমিকা** পঞ্চবার্ষিক পৰিকল্পনা কালত ভাৰতীয় উদ্যোগৰ বিকাশ, উন্নয়নশীল দেশত উদ্যোগৰ ভূমিকা	৭৮ - ৮৭
অধ্যায় ৯ঃ	**জনসংখ্যা আৰু অর্থনৈতিক উন্নয়ন** জনসংখ্যা গাঁথনিৰ ৰূপান্তৰ তত্ত্ব, জনসংখ্যা আৰু উন্নয়নৰ দুটা পাৰস্পৰিক মতবিৰোধ থকা দৃষ্টিভংগী ঃ মালথাচীয় দৃষ্টিভংগী আৰু কাঝ্নেটচ্- চাইমন- ব'চেৰাপ দৃষ্টিভংগী	৮৮ - ৯৫
অধ্যায় ১০ঃ	**মূলধন গঠন আৰু অর্থনৈতিক উন্নয়ন** অর্থনৈতিক উন্নয়নত মূলধন গঠনৰ তাৎপর্য, উন্নয়নশীল দেশত মূলধন গঠনৰ হাৰ নিম্ন হোৱাৰ কাৰণ	৯৬ - ১০৩

অধ্যায় ১১ঃ	**প্রযুক্তিগত পৰিৱর্তন আৰু অর্থনৈতিক উন্নয়ন**	**১০৪ - ১০৯**
	অর্থনৈতিক উন্নয়নত প্রযুক্তিৰ ভূমিকা, উন্নয়নশীল দেশত প্রযুক্তিগত সমস্যা	
অধ্যায় ১২ঃ	**অর্থনৈতিক উন্নয়নত ৰাষ্ট্ৰৰ ভূমিকা**	**১১০ - ১১৬**
	অর্থনৈতিক উন্নয়নৰ পোষকতাকৰাত ৰাষ্ট্ৰৰ ভূমিকা-সমস্যা আৰু প্রত্যাহ্বান; উন্নয়নশীল দেশত ৰাজহুৱা খণ্ডৰ ভূমিকা	
অধ্যায় ১৩ঃ	**মানৱ শক্তি পৰিকল্পনা আৰু অর্থনৈতিক উন্নয়ন**	**১১৭ - ১২৪**
	উন্নয়নশীল দেশত মানৱ শক্তি পৰিকল্পনাৰ প্রয়োজনীয়তা, ভাৰতত মানৱ শক্তি পৰিকল্পনা	
অধ্যায় ১৪ঃ	**মানৱ সম্পদ উন্নয়ন**	**১২৫ - ১৩৩**
	মানৱ সম্পদ উন্নয়নঃ ধাৰণা আৰু তাৎপর্য, মানৱ সম্পদ উন্নয়নৰ সূচকসমূহ	
অধ্যায় ১৫ঃ	**সহস্রাব্দ উন্নয়ন অভিপ্রায়**	**১৩৪ - ১৪৪**
	সহস্রাব্দ উন্নয়ন অভিপ্রয়ঃ ধাৰণা আৰু গুৰুত্ব	

পাঠ্যবিষয়ৰ পৰিচয় ঃ

অৰ্থনীতি বিজ্ঞান বিষয়ৰ স্নাতক কাৰ্যসূচীৰ এইটো হ'ল পঞ্চম পাঠ্যবিষয়। এই পাঠ্যবিষয়ত উন্নয়নৰ অৰ্থনীতিৰ বিভিন্ন দিশৰ পৰিচয় সন্নিৱিষ্ট কৰা হৈছে। এই কাকতখন স্নাতক মেজৰ (গুৰুবিষয়) আৰু পাছ (সাধাৰণ) দুয়োটাৰে পঢ়িবললগীয়া উমৈহতীয়া কাকত। উন্নয়ন অৰ্থনীতি হ'ল অৰ্থনীতি বিজ্ঞানৰ এটা শাখা। ই উন্নয়নশীল / অনুন্নত দেশবোৰৰ সমস্যাসমূহ আলোচনা তথা বিশ্লেষণ কৰে। সম্পদ আৱণ্টন প্ৰক্ৰিয়া, মানৱীয় আচৰণ, আনুষ্ঠানিক সজ্জা তথা ব্যক্তিগত আৰু বাজহুৱা নীতিৰ আন্তঃক্ৰিয়াৰ আলোচনা হ'ল উন্নয়ন অৰ্থনীতিৰ ভিতৰুৱা বিষয়। উন্নয়ন অৰ্থনীতিৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল কিছুমান দেশ, সম্প্ৰদায় আৰু ব্যক্তি কিয় ধনী তথা আন কিছুমান কিয় দুখীয়া তাৰ কাৰ্যকাৰণ সম্বন্ধবোৰ বুজাৰ প্ৰয়াস কৰা। উন্নয়ন অৰ্থনীতিত ব্যষ্টিবাদী পৰ্যায় (ব্যক্তি, ঘৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান)ৰ আলোচনাৰ লগতে মধ্যবাদী পৰ্যায় (সম্প্ৰদায়, সমূহ, নেটৱৰ্ক, অঞ্চল আৰু গাওঁ) তথা সমষ্টিবাদী পৰ্যায় (জাতি ৰাষ্ট্ৰ আৰু মহাদেশ)ৰ বিভিন্ন দিশক সামৰি লোৱা হয়। বিভিন্ন দেশৰ সমস্যা সৃষ্টিকাৰী তুলনাবিহীন সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰকবোৰ বিচাৰি উলিয়াই সেইবোৰৰ আধাৰত দেশভেদে বিভিন্ন উন্নয়ন কৌশলৰ বিকাশ ঘটোৱাটো উন্নয়ন অৰ্থনীতিৰ কাম। ই উন্নয়নশীল দেশবোৰে মুখামুখি হোৱা প্ৰত্যাহ্বানবোৰৰ অন্বেষণ কৰে আৰু এনে দেশৰ অৱস্থা উন্নত কৰাৰ সমাধান সূত্ৰ বাহিৰ কৰে। অৰ্থাৎ , উন্নয়ন অৰ্থনীতি হ'ল উন্নয়ন প্ৰক্ৰিয়া বুজাৰ প্ৰয়াস আৰু আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য তথা প্ৰযুক্তি উন্নতৰ কৰি তোলাৰ পথ বিচাৰি উলিয়াবলৈ কৰা অধ্যয়ন।

খণ্ড পৰিচয়ঃ

পাঠ্য বিষয়টোক দুটা খণ্ডত ভাগ কৰাহৈছে- খণ্ড ১ আৰু খণ্ড ২। খণ্ড-১ ত মুঠ ৮ টা অধ্যায় আছে। অধ্যায় ১ ত অৰ্থনৈতিক উন্নয়নৰ ধাৰণাটো আলোচনা কৰা হৈছে। অধ্যায় ২ ৰ আলোচনাৰ বিষয় হ'ল উন্নয়নৰ সৈতে জড়িত লিংগভিত্তিক সমস্যাসমূহ। ইয়াত লিংগ বিষয়ক উন্নয়ন সূচ্যাংক আৰু লিংগ সৱলীকৰণ সূচ্যাংকৰ আলোচনাক স্থান দিয়া হৈছে। উন্নয়নশীল দেশবোৰত দেখা পোৱা বিভিন্ন সমস্যাৰ বিষয়ে অধ্যায় ৩ ত আলোচনা কৰা হৈছে। অধ্যায় ৪ আৰু অধ্যায় ৫ ত আদাম স্মিথ, ৰিকার্ড, লিৱিচ আৰু ৰোষ্ট'ৰ উন্নয়ন তত্ত্বকেইটা বহলাই আলোচনা কৰা হৈছে। সমতাপূৰ্ণ আৰু সমতাহীন বিকাশৰ ধাৰণা দুটা অধ্যায় ৬ত আলোচনা কৰা মূল বিষয়। অধ্যায় ৭ ত এখন দেশৰ অৰ্থনৈতিক বিকাশত কৃষিয়ে লোৱা ভূমিকা সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে। অধ্যায়টিত সেউজ বিপ্লৱ আৰু কৃষিৰ আধুনিকীকৰণৰ বিভিন্ন দিশো আলোচনা কৰা হৈছে। এখন উন্নয়নশীল দেশৰ উন্নয়নত উদ্যোগে লোৱা ভূমিকা অধ্যায় ৮ত আলোচিত মূল বিষয়।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰে। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জনা উচিত' বাকচবোৰৰ যোগে আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। 'অনুশীলনী' সমূহে আপোনাৰ অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে আপোনাক স্ব-পৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি অধ্যায়টিৰ শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান' ৰ উত্তৰসমূহৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব।

খণ্ড পৰিচয় ঃ

খণ্ড- ২ ত মুঠ ৭ টা অধ্যায় আছে। অধ্যায় ৯ ত জনসংখ্যা আৰু অৰ্থনৈতিক উন্নয়নৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায়টিত জনসংখ্যা গাঁথনিভিত্তিক ৰূপান্তৰ তত্ত্বটোৰ লগতে মালথাচীয় জনসংখ্যা তত্ত্বটো বহলাই আলোচনা কৰা হৈছে।

অধ্যায় ১০ ৰ আলোচনাৰ বিষয় হ'ল উন্নয়নশীল দেশবোৰত মূলধন সৃষ্টিৰ ভূমিকা। ইয়াত উন্নয়নশীল দেশবোৰত মূলধন সৃষ্টিৰ হাৰ কিয় কম সেই বিষয়েও আলোচনা কৰা হৈছে। কাৰিকৰী পৰিৱৰ্তন আৰু অৰ্থনৈতিক উন্নয়নৰ আলোচনাক মূল বিষয় হিচাপে লোৱা অধ্যায় ১১ ত আলোচিত অন্য বিষয়বোৰ হ'ল কাৰিকৰী পৰিৱৰ্তনৰ শ্ৰম-প্ৰাচুৰ্য আৰু মূলধন-প্ৰাচুৰ্য পদ্ধতি দুটাৰ আপেক্ষিক গুৰুত্ব তথা উন্নয়নশীল দেশবোৰত এই পদ্ধতিৰ প্ৰয়োগ সাধ্যতা। অধ্যায় ১২ ত অৰ্থনৈতিক উন্নয়নত ৰাষ্ট্ৰৰ ভূমিকা বহলাই ব্যাখ্যা কৰা হৈছে। অৰ্থনৈতিক উন্নয়ন সাধন কৰোঁতে ৰাষ্ট্ৰই সন্মুখীন হোৱা সমস্যা তথা প্ৰত্যাহ্বান, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ আপেক্ষিক ভূমিকা আদি হ'ল অধ্যায়টিত আলোচিত আন কেইটামান গুৰুত্বপূৰ্ণ বিষয়। অধ্যায় ১৩ ত স্থান পোৱা বিষয়টো হ'ল মানৱশক্তি পৰিকল্পনা আৰু অৰ্থনৈতিক উন্নয়ন। ইয়াত মানৱশক্তি পৰিকল্পনাৰ ধাৰণাটোৰ লগতে ভাৰততে মানৱ শক্তি পৰিকল্পনা ব্যৱস্থাটোৰ বিষয়ে আলোচনা কৰা হৈছে। মানৱ সম্পদ উন্নয়নৰ সৈতে জড়িত বিভিন্ন সমস্যাৰ আলোচনা হ'ল অধ্যায় ১৪ ৰ বিষয়। ইয়াত মানৱ সম্পদ উন্নয়নৰ তাৎপৰ্য, উদ্দেশ্য আৰু সূচকবোৰৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। অধ্যায় ১৫ ত সহস্ৰাব্দ উন্নয়ন লক্ষ্য সম্পৰ্কে আলোচনা কৰা হৈছে। সহস্ৰাব্দ উন্নয়ন লক্ষ্য ()ৰ সমালোচনাত্মক বিশ্লেষণ, সফলতা আৰু বিফলতাৰ আলোচনাকো অধ্যায়টিত অন্তৰ্ভুক্ত কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰে। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জনা উচিত' বাকচবোৰৰ যোগে আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। 'অনুশীলনী' সমূহে আপোনাৰ অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে আপোনাক স্ব-পৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি অধ্যায়টিৰ শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান' ৰ উত্তৰসমূহৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব।

অধ্যায় ১ ঃ অর্থনৈতিক উন্নয়নৰধাৰণাসমূহ

অধ্যায় গাঁথনি

১.১ শিক্ষণৰ উদ্দেশ্য

১.২ পৰিচয়

১.৩ অর্থনৈতিক বিকাশ

১.৩.১ অর্থ আৰু সংজ্ঞা

১.৪ অর্থনৈতিক উন্নয়ন

১.৪.১ অর্থ আৰু সংজ্ঞা

১.৪.২ অর্থনৈতিক উন্নয়নৰ বৈশিষ্ট্য সমূহ

১.৫ অর্থনৈতিক বিকাশ আৰু অর্থনৈতিক উন্নয়নৰ মাজৰ প্রভেদ

১.৬ উন্নয়ন আৰু অনুন্নত অৱস্থা

১.৬.১ অর্থনীতিৰ শ্রেণীবিভাজন

১.৬.২ অনুন্নত অর্থনীতিৰ অর্থ আৰু সংজ্ঞা

১.৬.৩ অনুন্নত নাইবা উন্নয়নশীল অর্থনীতিৰ বৈশিষ্ট্য

১.৬.৪ উন্নত অর্থনীতিৰ অর্থ আৰু সংজ্ঞা

১.৬.৫ উন্নত অর্থনীতিৰ বৈশিষ্ট্য

১.৭ অর্থনৈতিক উন্নয়নৰ পৰিমাপ

১.৭.১ জনমূৰি আয়

১.৭.২ মানৱ উন্নয়ন সূচাংক

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৯ অধিক জানিবলৈ

১.১০ অগ্রগতি খতিয়ান

১.১১ আৰ্হি প্রশ্ন

১.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উন্নয়ন অর্থনীতি কি সেয়া জানিব পাৰিব
- বিকাশ আৰু উন্নয়নৰ প্রধান ধাৰণাবোৰৰ সংজ্ঞা আগবঢ়াব পাৰিব
- বিকাশ আৰু উন্নয়নৰ মাজৰ প্রভেদ চিনাক্ত কৰিব পাৰিব
- উন্নত আৰু উন্নয়নশীল অর্থনীতিৰ বৈশিষ্ট্যসমূহ চিনাক্ত তথা বহলাই বর্ণনা কৰিব পাৰিব
- অর্থনৈতিক উন্নয়ন কেনেদৰে পৰিমাণ কৰা হয় বুজি পাব
- অর্থনৈতিক উন্নয়ন বিভিন্ন পৰিমাপৰ বিষয়ে জানিব পাৰিব
- অর্থনৈতিক বিকাশৰ এক জোখ হিচাপে মানৱ উন্নয়ন সূচ্যাংক (HDI)ৰ গুৰুত্ব বুজি পাব।

১.২ পৰিচয়

উন্নয়ন অর্থনীতি (Development Economics) হ'ল অর্থনীতি বিজ্ঞানৰ এটা শাখা। ই উন্নয়নশীল দেশবোৰৰ অর্থনীতি উন্নত কৰি তোলাৰ দিশটোত মনোনিৱেশ কৰে। উন্নয়ন অর্থনীতি এনে তত্ত্ব আৰু পদ্ধতি উদ্ভাৱনৰ সৈতে জড়িত যিবোৰে নানা নীতি তথা কার্যব্যৱস্থা নির্ধাৰণত সহায় কৰে। এনে তত্ত্ব পদ্ধতিবোৰ ঘৰুৱা নাইবা আন্তঃৰাষ্ট্রীয় পর্যায়ত প্রয়োগ কৰিব পৰা যায়। দুখীয়া দেশবোৰক কেনেকৈ সমৃদ্ধিশালী দেশত পৰিণত কৰিব পাৰি উন্নয়ন অর্থনীতিয়ে সেয়া নির্ধাৰণ কৰাৰ চেষ্টা চলায়। উন্নয়নশীল অর্থনীতিৰ ৰূপান্তৰ ঘটোৱা কৌশলবোৰ অনন্য ধৰণৰ হ'ব লাগে বুলি উন্নয়ন অর্থনীতিয়ে মত পোষণ কৰে। কাৰণ, এনেবোৰ দেশৰ সামাজিক তথা ৰাজনৈতিক পৃষ্ঠভূমিবোৰ উন্নত দেশতকৈ পৃথক। উন্নয়ন অর্থনীতিয়ে অর্থনৈতিক বিকাশক বাস্তৱ ৰূপ দিবলৈ উন্নয়নশীল দেশবোৰৰ স্বাস্থ্য শিক্ষা, কর্ম পৰিস্থিতি আৰু বজাৰৰ পৰিবেশ আদিৰ দৰে কাৰকবোৰ উন্নত কৰাৰ ক্ষেত্রত গুৰুত্ব প্রদান কৰে।

পূর্বতে, বাণিজ্যিকতাবাদৰ আৰম্ভণিৰে পৰা পশ্চিমীয়া উন্নত অর্থনীতিবোৰে প্রধানতঃ উন্নয়নমূলক দিশটোলৈহে মনোযোগ দিছিল। কিন্তু বিংশ শতিকাৰ ত্রিশৰ দশকত হোৱা গুৰুতৰ মন্দাকাল (great depression) আৰু তাৰ পৰৱর্তী সময়ত আৰম্ভ হোৱা দ্বিতীয় বিশ্বযুদ্ধৰ পাচত অর্থনীতিবিদসকলে অনুন্নত দেশবোৰৰ সমস্যা বিশ্লেষণ কৰাত মনোযোগ দিবলৈ ল'লে। তেওঁলোকে এনে দেশবোৰৰ উন্নয়ন আৰু বিকাশৰ বাবে নানা তত্ত্বৰ উদ্ভাৱন আৰু আর্হি প্রস্তুতৰ কাম আৰম্ভ কৰিলে। এই সময়ছোৱাতে এছিয়া আৰু আফ্রিকাৰ অধিকাংশ দেশেই ঔপনিৱেশিক শাসকৰ পৰা স্বাধীন হ'বলৈ ধৰিলে। কিন্তু ঔপনিৱেশিক শোষণ, যুদ্ধৰ ধ্বংসলীলা, যুদ্ধই জাপি দিয়া মুদ্রাস্ফীতি আদিৰ দৰে সমস্যাৰ বাবে এই দেশবোৰে চৰম দৰিদ্রতা আৰু অনগ্রসৰতাত ভূগিছিল। সেয়েহে, অর্থনীতিবিদসকলে অনুন্নত দেশবোৰত উন্নয়ন ত্বৰান্বিত কৰাৰ লগতে বিশ্বৰ উন্নত দেশবোৰৰ উন্নয়ন অটুট ৰাখিবলৈ বিভিন্ন সমস্যাৰ অধ্যয়নত মনোনিৱেশ কৰিছিল।

এই কথা সকলোৰে জ্ঞাত যে বিশ্বৰ আটাইবোৰ দেশৰেই প্রধান উদ্দেশ্য হ'ল অর্থনৈতিক উন্নয়ন সাধন কৰা। প্রতিখন দেশেই নাগৰিকৰ উপার্জনৰ স্তৰ, জীৱন যাপনৰ মান আৰু সামর্থ বৃদ্ধিৰ প্রয়াস কৰে। প্রতিটো বিনিয়োগ, প্রতিটো নীতিৰেই উদ্দেশ্য হ'ল এই লক্ষ্যক বাস্তৱ ৰূপ দিয়া। অর্থনৈতিক উন্নয়ন পৰিমাণৰ বিভিন্ন পদ্ধতি আছে। কিন্তু বর্তমানলৈকে অর্থনৈতিক উন্নয়নৰ কোনো সার্বজনীনভাৱে গ্রহণযোগ্য সূচ্যাংক (Index) নাই।

১.৩ অর্থনৈতিক বিকাশ

বর্তমানৰ প্রতিখন অর্থনীতিয়েই অর্থনৈতিক বিকাশ (Economic growth) ক লৈ চিন্তিত। প্রতিখন উন্নত নাইবা অনগ্রসৰ দেশেই নিজৰ বার্ষিক বিকাশ হাৰ (annual growth rate) ৰ সঠিক স্তৰ এটা বর্তাই ৰাখিব খোজে। অনগ্রসৰ দেশবোৰে উন্নত দেশবোৰৰ তুলনাত এক উচ্চ বিকাশ হাৰত উপনীত হোৱাৰ লক্ষ্য বান্ধি লয়। ইয়াৰ দ্বাৰা অনগ্রসৰ দেশবোৰে নাগৰিকৰ জীৱন যাপনৰ মান উন্নত কৰাৰ লগতে কর্মসংস্থাপন সুবিধা বৃদ্ধিৰ প্রয়াস কৰে।

১.৩.১ অর্থ আৰু সংজ্ঞা

অর্থনৈতিক বিকাশ কোনো এক অর্থনীতিৰ এক নির্দিষ্ট সময়ৰ তুলনাত আন এক নির্দিষ্ট সময়ত সামগ্রী তথা সেৱা উৎপাদনৰ সামর্থ বৃদ্ধি হোৱাটোক বুজায়। ইয়াৰ দ্বাৰা এখন দেশৰ সামগ্রী তথা সেৱাৰ উৎপাদনত ঘটা অবিৰত বৃদ্ধি নাইবা জনমূৰি উৎপাদন (Product per capita) বৃদ্ধিৰ কথা বুজোৱা হয়। অর্থনৈতিক বিকাশে এখন দেশৰ সামগ্রিক উৎপাদনশীলতা (agregate productivity) ৰ বৃদ্ধি প্রদর্শন কৰে। এক বর্দ্ধিত অর্থনীতিয়ে আগতকৈ অধিক সামগ্রী উৎপাদনৰ লগতে সেৱা আগবঢ়াব পৰা হয়। কিণ্ডল্‌বার্জাৰৰ মতে, "অর্থনৈতিক বিকাশ মানে হ'ল অধিক উৎপাদন। " অধ্যাপক মেডিচনৰ ভাষাত, "ধনী দেশবোৰত বর্দ্ধিত উপার্জন স্তৰটোকে সাধাৰণতে অর্থনৈতিক বিকাশ বুলি কোৱা হয়।"

অর্থনৈতিক বিকাশৰ হাৰে কোনো এখন দেশৰ সামগ্রিক অর্থনীতিৰ অর্ন্তনিহিত সাধাৰণ দিশ আৰু বিকাশৰ ব্যাক্তিৰ সম্পর্কে জনাৰ সুযোগ দিয়ে। অতি উচ্চ স্তৰৰ ঔদ্যোগিকীকৰণ ঘটা দেশবোৰত নিম্ন অর্থনৈতিক বিকাশ হাৰ পৰিলক্ষিত হয়। কাৰণ, এনে দেশবোৰৰ অর্থনৈতিক কাম-কাজৰ আধাৰ ইতিমধ্যেই অতি বিশাল হৈ পৰিছে যেনে- আমেৰিকা যুক্তৰাষ্ট্রৰ দীর্ঘম্যাদী অর্থনৈতিক বিকাশ হাৰ হ'ল প্রায় ২ ৰ পৰা ৫% । ইয়াৰ বিপৰীতে ভাৰত আৰু চীনৰ দৰে দ্রুত বিকশিত অর্থনীতিৰ দেশবোৰত এই হাৰ ১০% লৈকে হ'ব পাৰে। অৱশ্যে দীর্ঘকালৰ বাবে এনে উচ্চ বিকাশৰ হাৰ বর্তি নাথাকিবও পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তলৰ উক্তিবোৰ সঁচানে মিছা কওক-

(ক) এক বর্দ্ধিত অর্থনীতিয়ে আগতকৈ অধিক সামগ্রী উৎপাদন কৰিব নোৱাৰে। (সঁচা/মিছা)

(খ) মানৱ সম্পদে কর্মশক্তিৰ গুণ আৰু পৰিমাণে দুয়োটাকে সামৰি লয়। (সঁচা/মিছা)

(গ) অর্থনৈতিক বিকাশ অবিৰত কৰি ৰাখিবলৈ ঘৰুৱা চাহিদা বৃদ্ধি কৰিব লাগিব। (সঁচা/মিছা)

প্রশ্ন ২ ঃ উন্নয়নশীল অর্থনীতি বোৰতকৈ ঔদ্যোগিক দিশেৰে উন্নত অর্থনীতিবোৰৰ বিকাশ হাৰ নিম্ন কিয় বর্ণনা কৰক।

.....

.....

.....

১.৪ অর্থনৈতিক উন্নয়ন

অর্থনৈতিক বিকাশে এক অর্থনীতিৰ উৎপাদন স্তৰত ঘটা পৰিৱর্তন জোখে। অর্থনৈতিক বিকাশৰ প্রকৃতি পৰিমাণগত। ই কোনো এক অর্থনীতিৰ গুণগত পৰিৱর্তনবোৰ সূচাব নোৱাৰে। যদি কোনো এখন দেশৰ উচ্চ বিকাশৰ হাৰৰ লক্ষ্যত উপনীত হোৱাৰ সময়তে দেশখনত অসমতা বৃদ্ধি পায় তেন্তে সেই দেশখনক এখন আদর্শ

ৰাষ্ট্ৰ (good state) বুলি ক'ব পৰা নাযায়। দেশ এখনৰ গুণগত পৰিৱৰ্তন জুখিবলৈ অর্থনৈতিক উন্নয়ন (Economic development) বোলা অভিধাটো ব্যৱহাৰ কৰা হয়।

১.৪.১ অর্থ আৰু সংজ্ঞা

অর্থনৈতিক উন্নয়ন মানে হ'ল কোনো এখন দেশৰ নাগৰিকৰ জীৱন যাপনৰ মানত ঘটা অবিৰত পৰিৱৰ্তন। ই এনে এক প্ৰক্ৰিয়াৰ কথা সূচায় যিটোৰ জৰিয়তে এখন দেশে ইয়াৰ নাগৰিকৰ অর্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক কল্যাণৰ মান উন্নত কৰে। অর্থনৈতিক উন্নয়নে কোনো এক অর্থনীতিৰ বর্দ্ধিত উৎপাদনৰ লগতে দেশৰ নাগৰিকৰ সামাজিক তথা ৰাজনৈতিক কল্যাণৰ দিশত হোৱা উন্নতিকো সামৰি লয়। অর্থনৈতিক উন্নয়নে সাধাৰণতে কর্মংস্থাপন আৰু উপার্জনৰ ক্ষেত্ৰত হোৱা উন্নতিৰ জোখ আগবঢ়ায় যদিও ই মানৱ উন্নয়ন, শিক্ষা, স্বাস্থ্য, মানুহৰ পচন্দ আৰু পাৰিপার্শ্বিকতাৰ বহনক্ষমতা দিশত হোৱা উন্নতি আদিৰ দৰে বিষয়কো সামৰি লয়। সংস্থাপিত অর্থনীতিবিদসকলে ৰাষ্ট্ৰীয় আয় (National Income) আৰু বাস্তৱ জনমুৰি আয় (real per capita income) ত হোৱা বৃদ্ধিৰ আধাৰত অর্থনৈতিক উন্নয়নৰ সংজ্ঞা দাঙি ধৰে। আনহাতে, আধুনিক অর্থনীতিবিদসকলে অর্থনৈতিক কল্যাণ (economic welfare)ৰ আধাৰত অর্থনৈতিক উন্নয়নৰ সংজ্ঞা আগবঢ়ায়। অধ্যাপক মীয়েৰ আৰু অধ্যাপক বল্ডৱিনৰ মতে, 'অর্থনৈতিক উন্নয়ন হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ জৰিয়তে এক দীঘলীয়া সময়ৰ অন্তত কোনো এক অর্থনীতিৰ বাস্তৱ ৰাষ্ট্ৰীয় আয় বৃদ্ধি পায়।" চালভেট'ৰৰ মতে, "অর্থনৈতিক উন্নয়ন হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ জৰিয়তে এছোৱা অবিৰত কালৰ ভিতৰত জনমুৰি উৎপাদনশীলতাৰ অবিৰত উন্নতিৰ সহায়ত এখন দেশৰ বাস্তৱ জনমুৰি সর্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন (GNP) নাইবা আয় বৃদ্ধি কৰা হয়।"

১.৪.২ অর্থনৈতিক উন্নয়নৰ বৈশিষ্ট্য সমূহ

ওপৰৰ আলোচনাৰ পৰা উপভোক্তৰ ভাৰসাম্যৰ অর্থ আৰু তাৰ আহৰণ সম্পর্কে স্পষ্ট হৈছে। এই অধ্যায়ৰ এই খণ্ডটিত চাহিদা সম্পর্কে আলোচনা। কৰা হ'ল। পাতনিতে উল্লেখ কৰা অনুসৰি উপভোক্তাৰ ক্ৰয় ক্ষমতাৰ ভিতৰত কোনো এটা সামগ্ৰী ক্ৰয়ৰ যি ইচ্ছা বা আকাংক্ষাই হৈছে সামগ্ৰীটোৰ চাহিদা।

১.৪.২ অর্থ আৰু সংজ্ঞা

অর্থনৈতিক উন্নয়নৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল-

১। ই এক গতিশীল প্ৰক্ৰিয়া।

২। ই এক দীর্ঘম্যাদী পৰিঘটনা।

৩। ই উন্নয়ন চলকবোৰৰ পৰিমাণগত তথা গুণগত দুয়োধৰণৰ উন্নতিৰ কথা সূচায়।

৪। অর্থনৈতিক উন্নয়নৰ এক অপৰিহার্য চর্ত হ'ল বিতৰণশীল ন্যায় (Distributive Justice)। অর্থাৎ, সম্পদৰ ন্যায্য তথা সমান বিতৰণ।

৫। আধুনিক অর্থনৈতিক উন্নয়নৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল মানৱীয় দৃষ্টিভংগী অৱলম্বন।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তলৰ উক্তিবোৰ সঁচানে মিছা কওক-

(ক) অর্থনৈতিক উন্নয়নে কোনো এক অর্থনীতিৰ উৎপাদন বৃদ্ধিৰ কথাটোহে সূচায়। (সঁচা/মিছা)

(খ) আধুনিক অর্থনীতিবিদসকলে কল্যাণৰ আধাৰত অর্থনৈতিক উন্নয়ন এক স্থিৰ প্রক্রিয়া । (সঁচা/মিছা)

(গ) অর্থনৈতিক উন্নয়ন এক স্থিৰ প্রক্রিয়া (সঁচা/মিছা)

প্রশ্ন ৪ ঃ ..... অর্থনৈতিক উন্নয়ন মানে কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....

১.৫ অর্থ নৈতিক বিকাশ আৰু অর্থনৈতিক উন্নয়নৰ মাজৰ প্রভেদ

বহুদিন ধৰি অর্থনৈতিক বিকাশ আৰু অর্থনৈতিক উন্নয়নক একে অর্থত ব্যৱহাৰ কৰা হৈছিল। কিন্তু অধ্যাপক শ্বামপিটাৰে ১৯১১ চনত প্রকাশিত গ্রন্থ (অর্থনৈতিক উন্নয়নৰ তত্ত্ব) ত দুয়োটা ধাৰণাৰ মাজত থকা প্রভেদবোৰ স্পষ্টকৈ উল্লেখ কৰিছে। অর্থনৈতিক বিকাশতকৈ অর্থনৈতিক উন্নয়নৰ ধাৰণাটো বহল। উন্নয়নে সামাজিক তথা অর্থনৈতিক দুয়ো ধৰণৰ অগ্রগতিকে প্রতিফলিত কৰে। উন্নয়ন ঘটিবলৈ অর্থনৈতিক বিকাশ ঘটাৰ প্রয়োজন। সহজ অর্থত, অর্থনৈতিক উন্নয়নে অর্থনৈতিক বিকাশক সামৰি লয়। বিকাশ উন্নয়নৰ এক অত্যাৱশ্যকীয় আৰু অপৰিহার্য চর্ত। কিন্তু বিকাশে উন্নয়নৰ নিশ্চয়তা প্রদান কৰিব নোৱাৰে বাবে ইয়াক এক পর্যাপ্ত চর্ত বুলি ধৰা নহয়। তলৰ তালিকাখনত অর্থনৈতিক বিকাশ আৰু অর্থনৈতিক উন্নয়নৰ মাজত থকা প্রভেদবোৰ তুলি দিয়া হ'ল-

ভিত্তি	অর্থনৈতিক বিকাশ	অর্থনৈতিক উন্নয়ন
অর্থ	এখন দেশৰ উৎপাদন স্তৰত হোৱা বৃদ্ধি	এখন দেশৰ উৎপাদন স্তৰত হোৱা হোৱা বৃদ্ধিৰ লগতে নাগৰিকৰ সামাজিক আৰু ৰাজনৈতিক কল্যাণৰ দিশত হোৱা উন্নতি
ধাৰণা	একমাত্রিক, অর্থাৎ কেৱল উৎপাদন বৃদ্ধি	বহুমাত্রিক, অর্থাৎ উৎপাদন বৃদ্ধিৰ লগতে কাৰিকৰী তথা প্রতিষ্ঠানগত ব্যৱস্থাপনা প্রণালীবোৰৰ পৰিৱর্তন
পৰিসৰ	মুঠ জনমূৰি আয় আৰু মুঠ ঘৰুৱা উৎপাদন সূচকবোৰৰ স্থিতি উন্নত কৰা	আয়ুসৰ হাৰ বৃদ্ধি সদ্যোজাতৰ মৃত্যুহাৰ হ্রাস, সাক্ষৰতাৰ হাৰ বৃদ্ধি, দৰিদ্রতাৰ হাৰ হ্রাস ইত্যাদি
সম্পর্ক	উন্নয়ন অবিহনেও বিকাশ সম্ভৱ	উন্নয়নৰ বাবে বিকাশ প্রয়োজনীয় কিন্তু পর্যাপ্ত নহয়

ম্যাদ জোখ	হ্ৰস্বম্যাদী প্ৰক্ৰিয়া ৰাষ্ট্ৰীয় আয়ৰ উৰ্দ্ধগামী গতি	দীৰ্ঘম্যাদী প্ৰক্ৰিয়া জীৱন যাপনৰ মানৰ উৰ্দ্ধগামী গতি

পৰিৱৰ্তন প্ৰাসংগিকতা	পৰিমাণগত পৰিৱৰ্তন উন্নত দেশৰ বাবে প্ৰাসংগিক	পৰিমাণগত আৰু গুণগত পৰিৱৰ্তন অনুন্নত দেশৰ বাবে প্ৰাসংগিক

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ তলৰ উক্তিবোৰ সঁচানে মিছা কওক-

(ক) জীৱনৰ প্ৰত্যাশিত আয়ুস অৰ্থনৈতিক বিকাশৰ এক সূচক। (সঁচা/মিছা)

(খ) বিকাশে জীৱনৰ যাপনৰ মান জোখে। (সঁচা/মিছা)

(গ) অৰ্থনৈতিক উন্নয়নৰ ধাৰণাটো অৰ্থনৈতিক বিকাশৰ ধাৰণাতকৈ বহল। (সঁচা/মিছা)

প্ৰশ্ন ৬ ঃ অৰ্থনৈতিক বিকাশৰ উচ্চ হাৰে অৰ্থনৈতিক উন্নয়ন নিশ্চিত কৰেণে? আলোচনা কৰক।

(প্ৰায় ৪০ টা শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ৭ ঃ অৰ্থনৈতিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ মাজত থকা মৌলিক প্ৰভেদবোৰ কি কি?

(প্ৰায় ৪০ টা শব্দত উত্তৰ দিয়ক)

১.৬ উন্নয়ন আৰু অনুন্নত অৱস্থা

পৃথিৱীৰ সকলো দেশেই সমানে উন্নত নহয়। কিছুমান দেশ অন্যতকৈ অধিক উন্নত আৰু আগবঢ়া। সেইমতে অৰ্থনীতিকো দুটা ভাগত ভগোৱা হয়- উন্নত অৰ্থনীতি আৰু অনুন্নত অৰ্থনীতি। অনুন্নত অৰ্থনীতিৰ দেশবোৰক উন্নয়নশীল নাইবা কম উন্নত দেশ বুলিও কোৱা হয়।

১.৬.১ অৰ্থনীতিৰ শ্ৰেণীবিভাজন

এখন দেশৰ অৰ্থনীতি উন্নত নে অনুন্নত তাক ঠাৱৰ কৰাৰ সবাতোকৈ সাধাৰণ উপায়টো হ'ল দেশখনৰ জনমূৰি সৰ্বমুঠ ঘৰুৱা উৎপাদন উলিওৱা। দেশবোৰৰ জনমূৰি আয়ৰ আধাৰত বিশ্ববেংকে পৃথিবীৰ দেশবোৰত প্ৰচলিত অৰ্থনীতিবোৰক তিনিভাগত ভগাইছে-

(১) নিম্ন আয় অৰ্থনীতি (Low income economies)

(২) মধ্য আয় অৰ্থনীতি (Middle income economies)

(৩) উচ্চ আয় অৰ্থনীতি (High income economies)

নিম্ন আয় অৰ্থনীতিক সাধাৰণতে উন্নয়নশীল অৰ্থনীতি ( ) বুলিও কোৱা হয়। উচ্চ আয় অৰ্থনীতিক আকৌ উন্নত অৰ্থনীতি বোল হয়। ২০১৫ চনৰ জুলাই মাহত সেইবোৰ দেশক নিম্ন আয় অৰ্থনীতিৰ শিতানত ৰখা হৈছিল যিবোৰৰ নাগৰিকৰ জনমূৰি আয় ১০৪৫ আমেৰিকান ডলাৰ নাইবা তাতোকৈ কম আছিল। ঠিক সেইদৰে, ১০৪৫ আমেৰিকান ডলাৰতকৈ অধিক কিন্তু ১২,১৩৬ আমেৰিকান ডলাৰতকৈ

কম জনমূৰি আয়ৰ দেশবোৰক মধ্য আয়ৰ দেশ বোলা হৈছিল। বিশ্বৰ কেইখনমান উচ্চ আয় কৰা উন্নত ৰাষ্ট্ৰ হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰ, গ্ৰেট বৃটেইন, অষ্ট্ৰেলিয়া, কানাডা, ফ্ৰান্স, জাপান আৰু জাৰ্মেনী। এই দেশবোৰৰ জনমূৰি আয় ১২,১৩৬ আমেৰিকান ডলাৰ নাইবা তাতোধিক।

১.৬.২ অনুন্নত অর্থনীতিৰ অর্থ আৰু সংজ্ঞা

অনুন্নত বুলিলে কোনো এক অর্থনীতিৰ সেই স্তৰটোৰ কথা বুজোৱা হয় য'ত মানুহৰ জীৱন ধাৰণৰ মান অতি নিম্ন। উৎপাদনৰ নিম্ন হাৰ আৰু জনসংখ্যা উচ্চ হাৰত হোৱা বৃদ্ধিৰ ফলত জনমূৰি আয়ৰ স্তৰ অতি নিম্ন হোৱা বাবেই অর্থনীতি অনুন্নত হয়। অনুন্নত দেশবোৰ উন্নত দেশৰ তুলনাত ঔদ্যোগিকীকৰণ, শিক্ষা, জীৱন যাপনৰ মান, স্বাস্থ্যযত্ন, আয়ুস, অন্য প্ৰযুক্তিগত ক্ষেত্ৰ তথা সাংস্কৃতিক ৰীতি-নীতিৰ দিশত পিচপৰা হয়। ৰাষ্ট্ৰসংঘৰ মতে, "আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা, অষ্ট্ৰেলিয়া আৰু পশ্চিম ইউৰোপৰ বাস্তৱ জনমূৰি আয়ৰ তুলনাত নিম্ন বাস্তৱ জনমূৰি আয়ৰ দেশবোৰকে অনুন্নত দেশ বুলি গণ্য কৰা হয়।" অধ্যাপক ৰেগ্নাৰ নার্ক্চেই অনুন্নত দেশৰ আন এক সংজ্ঞা দাঙি ধৰিছে। তেওঁৰ মতে, "আগবঢ়া দেশৰ তুলনাত সেইবোৰ দেশকেই অনুন্নত দেশ বোলা হয় যিবোৰে জনসংখ্যা আৰু প্ৰাকৃতিক সম্পদৰ সৈতে জড়িত মূলধন কমকৈ আহৰণ কৰে।"

১.৬.৩ অনুন্নত নাইবা উন্নয়নশীল অর্থনীতিৰ বৈশিষ্ট্য

তলত উন্নয়নশীল দেশবোৰত দেখা পোৱা কিছুমান উমৈহতীয়া বৈশিষ্ট্য উল্লেখ কৰা হ'ল।-

- **নিম্ন স্তৰৰ জনমুৰি আয় ঃ** উন্নত দেশবোৰৰ তুলনাত অনুন্নত দেশবোৰৰ আয়ৰ স্তৰ অতি নিম্ন। এই স্তৰ জনমূৰি বাস্তৱ সর্বমুঠ ৰষ্ট্ৰীয় উৎপাদন (GNP)ৰ দ্বাৰা জোখা হয়।
- **সর্বব্যাপি দৰিদ্ৰতা ঃ** উন্নয়নশীল দেশবোৰৰ জীৱন যাপনৰ মান অতি নিম্ন। এনেবোৰ দেশত খাদ্য, বস্ত্ৰ, গৃহ, শিক্ষা আৰু চিকিৎসা সুবিধাৰ দৰে মৌলিক প্ৰয়োজনবোৰ পূৰাব পৰা ব্যৱস্থাৰ অভাৱ দেখা যায়। এনে দেশৰ নাগৰিকে অতি শোচনীয়ভাৱে জীৱন যাপন কৰে।
- **নিম্ন মাত্ৰাৰ ঔদ্যোগিকীকৰণ ঃ** উন্নয়নশীল দেশবোৰৰ ঔদ্যোগিকীকৰণ প্ৰক্ৰিয়াটো অতি মন্থৰ। ইয়াৰ প্ৰধান কাৰণ হ'ল মূলধনৰ অভাৱ আৰু উদ্যমিতা দক্ষতা (enterpreneurial skills) ৰ নাটনি।
- **কৃষি নির্ভৰশীলতা_ঃ** উন্নয়নশীল দেশবোৰৰ অধিক সংখ্যক বাসিন্দাই কৃষিকার্যত জড়িত। কিন্তু দুর্ভাগ্যজনকভাৱে এই দেশবোৰত প্ৰচলিত কৃষিপদ্ধতিবোৰ আওপুৰণি। ইয়াৰ উপৰি গড় কৃষিউপযোগী মাটিৰ দখলিস্বত্ব আৰু গড় একৰ মাটিত উৎপাদিত শস্যৰ পৰিমান নিচেই কম।
- **জনসংখ্যাৰ হেচাঁ ঃ** উন্নয়নশীল দেশবোৰত অর্থনৈতিক বিকাশতকৈ জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক। এনেবোৰ দেশত জন্মহাৰ অতি উচ্চ হৈয়েই আছে।
- **কর্মসংস্থাপনহীনতা ঃ** অনুন্নত দেশবোৰত নিবনুৱাৰ সংখ্যা যথেষ্ট বেছি। এনেবোৰ দেশত ছদ্মবেশী নিবনুৱাৰ অস্তিত্বও দেখা পোৱা যায়।
- **প্ৰযুক্তিৰ অভাৱ ঃ** উন্নয়নশীল দেশবোৰত প্ৰযুক্তি স্থিতি দুর্বল। এনে দেশে বিভিন্ন খণ্ডত নিম্ন পর্যায়ৰ প্ৰযুক্তি ব্যৱহাৰ কৰে। ইয়াৰ ফলত খৰছৰ পৰিমাণ বাঢ়ে কিন্তু উৎপাদনৰ হাৰ কমে।

- **সীমিত ঘৰুৱা বজাৰ ঃ** অনুন্নত দেশৰ নাগৰিকৰ ক্রয় ক্ষমতা অতি কম। নিম্ন চাহিদাৰ বাবে উৎপাদকসকলে বিভিন্ন সামগ্রীৰ যোগানৰ পৰিমাণ বৃদ্ধি কৰিব নোৱাৰে। সীমিত ঘৰুৱা বজাৰে অর্থনৈতিক উন্নয়নত বাধাৰ সৃষ্টি কৰে।
- **মূলধন সৃষ্টিৰ নিম্ন হাৰ ঃ** অনুন্নত অর্থনীতিৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল মূলধনৰ নাটনি। এনেবোৰ দেশত মূলধন সৃষ্টি নাইবা বিনিয়োগৰ পৰিমাণ নিম্ন। মূলধন সৃষ্টিৰ নিম্ন হাৰে উৎপাদনশীলতা নিম্নগামী কৰে। ইয়াৰ ফলত নিম্ন উপার্জনৰ সৃষ্টি হয়। উপার্জন কম হ'লে সঞ্চয়ৰ পৰিমাণো কমি যায়। সঞ্চয়ৰ পৰিমাণ কমি যোৱা মানে হ'ল মূলধন সৃষ্টিৰ হাৰ নিম্ন হৈ পৰা। এইবোৰ কাৰণতে অনুন্নত দেশত দৰিদ্রতাৰ অন্তহীন পাকচক্র একোটা সক্রিয় হৈ থাকে।
- **আন্তঃগাঁথনিৰ অভাৱ ঃ** উন্নয়নশীল দেশবোৰৰ আন্তঃগাঁথনিমূলক সা-সুবিধাবোৰ পর্যাপ্ত নহয়। ইয়াৰ ফলত এনেবোৰ দেশে বিদেশী বিনিয়োগকাৰীক আকর্ষিত কৰিব নোৱাৰে।

১.৬.৪ উন্নত অর্থনীতিৰ অর্থ আৰু সংজ্ঞা

'উন্নয়ন' অভিধাটোৱে অর্থনীতিৰ এনে এটা দশাৰ কথা বুজায় য'ত নাগৰিকে এক উন্নত মানৰ জীৱন যাপন কৰাৰ সুযোগ পায়। উন্নত অর্থনীতি বুলিলে এনে একোখন দেশৰ কথা বুজা যায় য'ত অর্থনৈতিক বিকাশ তথা সুৰক্ষাৰ স্তৰ আপেক্ষিক ভাৱে উচ্চ। ৰাষ্ট্রসংঘৰ প্রাক্তন সচিব প্রধান কোফি আন্নানৰ মতে, "সেইখন দেশকেই এখন উন্নত দেশ বোলা হয় যিখনে ইয়াৰ নাগৰিকক এক সুৰক্ষিত পৰিৱেশত মুক্ত আৰু স্বাস্থ্যবান জীৱন একোটা উপভোগ কৰাৰ সুযোগ দিয়ে।"

১.৬.৫ উন্নত অর্থনীতিৰ বৈশিষ্ট্য

উন্নত অর্থনীতিৰ কেইটামান উমৈহতীয়া বৈশিষ্ট্য হ'ল-

- **ঔদ্যোগিক খণ্ডৰ আধিপত্য ঃ** ঔদ্যোগিক আৰু সেৱা খণ্ডই উন্নত অর্থনীতিত আধিপত্য বিস্তাৰ কৰে। কৃষি এক গৌণ বৃত্তি হৈ পৰে। ঔদ্যোগিক উৎপাদনৰ জৰিয়তে ৰাষ্ট্রীয় আয়ৰ অধিক অংশ আহৰণ কৰা হয়।
- **জীৱনৰ প্রত্যাশিত আয়স অধিক ঃ** উন্নত দেশত মানুহ দীর্ঘজীৱি হয় বুলি ভবা হয়। কাৰণ এনে দেশৰ নাগৰিক খাদ্য তথা চিকিৎসা সুবিধাবোৰ লাভ উপভোগ কৰিব পাৰে।
- **শিক্ষিতৰ হাৰ অধিক ঃ** উন্নত দেশবোৰত সার্বজনীনভাৱে অধিক শিক্ষিত লোক পোৱা যায়। এনে দেশৰ চৰকাৰবোৰে সর্বমুঠ ঘৰুৱা উৎপাদনৰ এক বৃহৎ শতাংশ শিক্ষা খণ্ডত খৰছ কৰে।
- **সুপ্রশিক্ষণপ্রাপ্ত কর্মশক্তি ঃ** উন্নত দেশবোৰৰ আন এক বৈশিষ্ট্য হ'ল পর্যাপ্ত পৰিমাণৰ সুপ্রশিক্ষণপ্রাপ্ত কর্মশক্তি। শিক্ষা আৰু প্রশিক্ষণৰ জৰিয়তে শ্রমিকসকলক দক্ষ কৰি তোলা হয়। এনে শিক্ষিত আৰু দক্ষ শ্রমিকে উন্নয়নত একোটা গুৰত্বপূর্ণ ভূমিকা পালন কৰে।
- **সর্বত্র ব্যাপ্ত উপযুক্ত আন্তঃগাঁথনি ঃ** উন্নত দেশবোৰৰ আন্তঃগাঁথনিমূলক সা-সুবিধাবোৰো উন্নত মানৰ। আন্তঃগাঁথনিৰ সহজলভ্যতাই বিনিয়োগৰ পথ সুচল কৰি তোলে।
- **উচ্চ মানবিশিষ্ট সামগ্রীৰ ৰপ্তানি ঃ** উন্নত দেশবোৰ প্রধানতঃ উচ্চ মানবিশিষ্ট্য, অধিক চাহিদা থকা

ঔদ্যোগিক সামগ্রী নির্মাণকাৰী তথা ৰপ্তানীকর্তা। এনে দেশে বিভিন্ন ধৰণৰ সেৱাও আগবঢ়ায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ অনুন্নত দেশ বুলিলে কি বুজে? (প্রায় ৪০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

.....

প্রশ্ন ৯ ঃ এখন উন্নত দেশৰ প্রধান বৈশিষ্ট্যবোৰ কি কি? (প্রায় ৪০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

.....

১.৭ অর্থনৈতিক উন্নয়নৰ জোখ

আগতেই কোৱা হৈছে যে অর্থনৈতিক উন্নয়নৰ সংজ্ঞা দাঙি ধৰাটো সহজ কাম নহয়। বিভিন্ন সময়ত উন্নয়নৰ মাত্রা জুখিবৰ বাবে বিভিন্ন পদ্ধতি আৰু পন্থা প্রয়োগ কৰা হৈছে। অধ্যাপক চাইমন কাৱ্নেটচ্ প'ল এলবার্ট, মীয়েৰ আৰু বল্ডৱিনৰ দৰে অর্থনীতিবিদসকলে ৰাষ্ট্রীয় আয়ক উন্নয়নৰ এক সূচ্যাংক বুলি বিবেচনা কৰিছিল। আনহাতে, অধ্যাপক বেঞ্জামিন হিগিনচ্, আর্থাৰ লিৱিচ, ভিনিয়েৰ আৰু হার্ভে, লেইবেনষ্টাইনৰ দৰে অর্থনীতিবিদসকলে জনমূৰি উৎপাদন (Per capita output)ক অর্থনৈতিক উন্নয়নৰ এক সূচ্যাংক হিচাপে ব্যৱহাৰ কৰাৰ পোষকতা কৰিছিল। আকৌ, ক'লিন ক্লার্ক, কিণ্ডল্বাজৰি, হেৰচিক আদিৰ দৰে অর্থনীতিবিদসকলৰ মতে অর্থনৈতিক কল্যাণ হ'ল অর্থনৈতিক উন্নয়ন জোখাৰ পদ্ধতি। তলত আমি অর্থনৈতিক উন্নয়ন জোখাৰ দুটা সূচকৰ বিষয়ে আলোচনা কৰিম। ইয়াৰে এটা হ'ল জনমূৰি আয় (Per Capita Income) আৰু মানৱ উন্নয়ন সূচ্যাংক (Human Development Index)

১.৭.১ জনমূৰি আয়

যদি অর্থনৈতিক উন্নয়নে সাধাৰণ লোকৰ জীৱন যাপনৰ মান উন্নত কৰি তুলিব নোৱাৰে তেন্তে এনে উন্নয়ন অর্থহীন হৈ পৰিব। হার্ভে' লেইবেনষ্টাইন, ৰ'ষ্ট', বাৰান আৰু বুকাননৰ দৰে অর্থনীতিবিদসকলে জনমূৰি আয়ক অর্থনৈতিক উন্নয়নৰ এক সূচ্যাংক ৰূপে গ্রহণ কৰাৰ পোষকতা কৰিছিল। অর্থনৈতিক উন্নয়নৰ লক্ষ্য হ'ল মানুহৰ জীৱন যাপনৰ মান উন্নত কৰা। পণ্যদ্রব্য উপভোগৰ স্তৰ (consumption level) ঊর্দ্ধগামী হ'লেহে অর্থনৈতিক উন্নয়ন ঘটা বুলি কোৱা হয়। এনেদৰে, জনমূৰি আয় বৃদ্ধি হ'লেহে পণ্যদ্রব্য উপভোগৰ স্তৰঊর্দ্ধগামী হ'ব। এই কথাটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া এখন দেশত জনসংখ্যা বঢ়াতকৈ অধিক

দ্রুততাৰে দেশখনৰ ৰাষ্ট্রীয় আয় (National Income /NI) বাঢ়িব।

জনমূৰি আয় বৃদ্ধি অর্থনৈতিক উন্নয়ন জোখাৰ এক উপযুক্ত পদ্ধতি। কাৰণ, জনমূৰি আয় বৃদ্ধি হোৱা মানে হ'ল মানুহৰ কল্যাণৰ মাত্রা বৃদ্ধি হোৱা।

অর্থনৈতিক উন্নয়ন জোখাৰ মাধ্যম হিচাপে জনমূৰি আয় ব্যৱহাৰ কৰাটোক জেক'ব ভিনেৰ আৰু কাৱ্‌নেটচ্‌ৰ দৰে অর্থনীতিবিদসকলে সমালোচনা কৰিছে। মীয়েৰ আৰু বল্ডৱিনেও ইয়াৰ সমালোচনা কৰি কৈছে যে যদি এখন দেশৰ ৰাষ্ট্রীয় আয় বৃদ্ধিৰ প্রক্রিয়াটোক দেশখনৰ বর্দ্ধিত জনসংখ্যাই স্থবিৰ কৰি তোলে, তেন্তে কোনো উন্নয়ন সাধন নোহোৱা যেন বোধ হ'ব পাৰে । একেদৰে, যদি দেশ এখনৰ ৰাষ্ট্রীয় আয় বৃদ্ধি হয় কিন্তু কোনো মহামাৰী নাইবা যুদ্ধৰ বাবে জনসংখ্যা হ্রাস পায়, তেতিয়া অর্থনৈতিক উন্নয়ন সাধন হোৱা যেন বোধ হ'ব পাৰে। এই পদ্ধতিটোৱে সমাজৰ বিভিন্ন শ্রেণীৰ মাজত আয়ৰ বিতৰণ কেনেদৰে কৰা হ'ব সেই বিষয়ে একো আলোচনা কৰা নাই। অর্থনৈতিক বিকাশ /উন্নয়ন হ'ল এটা বহুমাত্রিক ধাৰণা। ই কেৱল মুদ্রাৰ ৰূপত উপার্জন বৃদ্ধিৰ কথা নকয়। শিক্ষা,জন স্বাস্থ্য, অধিক জিৰণিৰ কাল আদিৰ দৰে সামাজিক কার্যকলাপবোৰৰ ক্ষেত্রত ঘটা উন্নতিও ইয়াৰ অন্তর্ভুক্ত বিষয়। এনে পৰিৱর্তনবোৰ জনমূৰি আয়ত হোৱা পৰিৱর্তনৰ আধাৰত জুখিব পৰা নাযায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১০ঃ ৰাষ্ট্রীয় আয়ক অর্থনৈতিক উন্নয়ন জোখাৰ এক পন্থা বুলি বিবেচনা কৰা দুগৰাকী অর্থনীতিবিদৰ নাম লিখক।

.....

.....

.....

প্রশ্ন ১১ ঃ জনমূৰি আয়ৰ ভিত্তিত কৰা অর্থনৈতিক উন্নয়নৰ জোখক কিয় উন্নয়ন জোখাৰ এটা উপযুক্ত পন্থা বুলি বিবেচনা কৰা হয়?

.....

.....

.....

১.৭.২ মানৱ উন্নয়ন সুচক (Human Development Index)

মানৱ উন্নয়ন সূচক (HDI) হ'ল মানুহৰ আর্থ-সামাজিক উন্নয়নৰ তুলনামূলক প্রস্থিতিৰ প্রণালীৱদ্ধ বিশ্লেষণৰ বাবে ৰাষ্ট্রসংঘৰ উন্নয়ন কার্যসূচী UNDP ৰ অধীনত চলোৱা এক অভিলাষী প্রচেষ্টা। এই সূচক UNDP -এ ইয়াৰ মানৱ উন্নয়ন প্রতিবেদনৰ বার্ষিক শৃংখলাত উল্লেখ কৰি আহিছে। অর্থনৈতিক উন্নয়ন জোখাৰ এক পন্থা হিচাপে HDI ৰ প্রয়োগ আৰম্ভ হৈছিল ১৯৯০ চনৰ পৰা। তিনিটা বহল দিশ বিশ্লেষণ কৰি এই সূচক নির্ধাৰণ কৰা হয়- (i) আয়ুস ঃ জন্মৰ সময়কাল প্রত্যাশাৰ দ্বাৰা জোখা হয়; (ii) শিক্ষা ঃ

প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ (দুই তৃতীয়াংশ)ভৰ গড়ৰ সহায়ত (দুই তৃতীয়াংশ) আৰু বিদ্যালয়ত কটোৱা গড় শিক্ষা বর্ষ বোৰৰ (এক তৃতীয়াংশ) সহায়ত জোখা হয়; আৰু (iii) জীৱন যাপনৰ মান- প্ৰতিখন দেশত প্ৰচলিত নগদ মুদ্ৰাৰ সৈতে সামঞ্জস্য থকাকৈ দেশবোৰৰ নাগৰিকৰ ভিন্ন ক্ৰয় ক্ষমতা সৈতে খাপ খোৱা বাস্তৱ জনমূৰি সর্বমুঠ ঘৰুৱা উৎপাদনৰ দ্বাৰা জোখা হয়; ইয়াৰ দ্বাৰা জীৱন যাপনৰ নামত হোৱা ব্যয় আৰু আয়ৰ ক্ৰমহ্ৰাসমান প্ৰান্তীয় উপযোগিতাৰ (diminishing marginal utility of income) ৰ অনুমান কৰা হয়। দেশবোৰত নির্দিষ্ট সময়ৰ ব্যৱধানত উন্নয়নৰ স্তৰত হোৱা পৰিৱর্তনৰ খতিয়ান ৰখাটোও মানৱ উন্নয়ন সূচকৰ কাম। ওপৰত উল্লেখ কৰা দিশ তিনিটাৰ পৰা বাহিৰ কৰা হিচাপে আৰু ১৭৭ খন দেশৰ তথ্য সংগ্ৰহ কৰিবলৈ প্ৰয়োগ কৰা এটা বিশেষ সূত্ৰৰ সহায়ত মানৱ উন্নয়ন সূচকে দেশবোৰৰ এক ক্ৰমিক তালিকা প্ৰস্তুত কৰে। শূন্য (সর্বনিম্ন / উন্নয়বিহীন)ৰ পৰা এক (সর্বোচ্চ / সম্পূর্ণ উন্নত)ৰ স্কেল ধৰি দেশবোৰক তিনিটা ভাগত ভগোৱা হয়ঃ নিম্ন মানৱ উন্নয়ন (০.০ ৰ পৰা ০.৪৯৯ লৈ), মধ্যমীয়া মানৱ উন্নয়ন (০.৫০ ৰ পৰা ০.৭৯৯ লৈ) আৰু উচ্চ মানৱ উন্নয়ন (০.৮০ ৰ পৰা ১০০ লৈ)

বিশ্বৰ দেশবোৰৰ উন্নয়নৰ স্তৰ তুলনা কৰাৰ এক অতি উপযোগী পন্থা হ'ল মানৱ উন্নয়ন সূচকৰ প্ৰয়োগ। সর্বমুঠ ৰাষ্ট্ৰীয় উৎপাদন (GNP) নাইবা জনমুৰি সর্বমুঠ- ঘৰুৱা উৎপাদন (GDP) হ'ল অর্থনৈতিক উন্নয়ন সূচাব পৰা অতি সংকীর্ণ পন্থা। ই বিদ্যালয়ত নামভর্তি তথা আয়ুসকালৰ দৰে উন্নয়নৰ গুণগত দিশবোৰ সূচোৱাত ব্যর্থ হয়। সেই দিশলৈ বিচাৰ কৰি চালে উন্নয়নৰ উপাদানবোৰ অধিক পৰিস্কাৰকৈ বুজাত মানৱ উন্নয়ন সূচকে এক গুৰুত্বপূর্ণ অৱদান আগবঢ়াই আহিছে। সামাজিক তথা অর্থনৈতিক তথ্যবোৰ সংলগ্ন কৰি HDI এ ৰাষ্ট্ৰবোৰক আপেক্ষিক আৰু যথার্থ, দুয়োটা দিশেৰে উন্নয়নমূলক পাৰদর্শিতা জুখি চোৱাৰ সুযোগ দিছে। ইয়াৰ সহায়ত দেশবোৰে উন্নতিৰ থল থকা ক্ষেত্ৰবোৰৰ বাবে প্ৰত্যক্ষভাৱে অর্থনৈতিক আৰু সামাজিক নীতি গ্ৰহণত মনোনিৱেশ কৰিব পৰা হৈছে।

যদিও উন্নয়ন জোখাৰ এক পন্থা হিচাপে মানৱ উন্নয়ন সূচক বহুলভাৱে প্ৰয়োগ কৰা হয়, তথাপিও ইয়াক সমালোচনা কৰা হয়। 'উন্নয়ন মূলকঃ স্বাধীনতা বিষয়ক'- এই যুক্তিৰ আধাৰত এচামে মানৱ উন্নয়ন সূচক সমালোচনা কৰি আহিছে। কাৰণ, মানৱ উন্নয়ন সূচকে মানুহৰ স্বাধীনতাক প্ৰত্যক্ষভাৱে জুখি নাচায়। ইয়াৰ উপৰি মানৱ উন্নয়ন সূচকেআয়ৰ বিতৰণ সম্পর্কে একো নকয়। আন এচাম সমালোচকৰ মতে উন্নয়নৰ এক সূচক মানৱ উন্নয়ন সূচকে অর্থনৈতিক তথা সামাজিক জীৱনৰ বহুতো দিশ বাদ দিয়ে। অপৰাধ, দূর্নীতি, দৰিদ্ৰতা, বঞ্চনা আৰু নেতিবাচক বাহ্যিক কাৰকবোৰে এখন দেশৰ অর্থনৈতিক আৰু সামাজিক জীৱনলৈ অৱদান আগবঢ়াব / প্ৰতিবন্ধকতা কঢ়িয়াই আনিব পাৰে।

জানি থোৱা ভাল

- ২০১৬ চন মানৱ উন্নয়ন সূচক (HDI) তালিকাত ভাৰতে পৃথিৱীৰ ১৮৮ খন দেশৰ ভিতৰত ১৩১ নম্বৰ স্থান দখল কৰিছিল। ভাৰতে লাভ কৰা মূল্যায়ন আছিল ০.৬২৮ । মূল্যায়নৰ আধাৰত ভাৰতক মধ্যমীয়া মানৱ উন্নয়নৰ ভাগত ৰখা হৈছিল।
- তালিকাত শীর্ষ স্থান দখল কৰা দেশ কেইখন হ'ল নৰৱে' (০.৯৪৯), অষ্ট্ৰেলিয়া(০.৯৩৯) আৰু চুইজাৰলেণ্ড (০.৯৩৯)।

- 'চার্ক' (SAARC) দেশবোৰৰ ভিতৰত তালিকাত শীর্ষস্থান লাভ কৰা দেশ দুখন হ'ল শ্রীলংকা (৭৩ নম্বৰ স্থান) আৰু মলদিভচ্ (১০৫ নম্বৰ স্থান)। বাকী দেশবোৰৰ ক্রম হ'ল ভাৰত (১৩১ নম্বৰ স্থান), ভূটান (১৩২ নম্বৰ স্থান), বাংলাদেশ (১৩৯ নম্বৰ স্থান), নেপাল (১৪৪ নম্বৰ স্থান), পাকিস্তান (১৪৭ নম্বৰ স্থান) আৰু আফগানিস্তান (১৬৯ নম্বৰ স্থান)।
- 'ব্রিকচ্' (BRICS) দেশবোৰৰ (HDI) তালিকাত ভাৰতৰ স্থান একেবাৰে তলত। এই তালিকাত স্থান পোৱা 'ব্রিকচ্ দেশকেইখনৰ ক্রম হ'ল- ৰাছিয়া (৪৯ নম্বৰ স্থান), ব্রাজিল (১১৯ নম্বৰ স্থান) আৰু ভাৰত (১৩১ নম্বৰ স্থান) ।

১.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- 'উন্নয়ন অর্থনীতি' হ'ল অর্থনীতি বিজ্ঞানৰ এটা শাখা। ই উন্নয়শীল দেশবোৰৰ অর্থনীতি উন্নত কৰি তোলাৰ দিশটোত মনোনিবেশ কৰে। উন্নয়ন অর্থনীতি এনে তত্ত্ব আৰু পদ্ধতি উদ্ভাৱনৰ সৈতে জড়িত যিবোৰে নানা নীতি তথা কার্য্যৱস্থা নির্ধাৰণত সহায় কৰে।
- এনে তত্ত্ব আৰু পদ্ধতিবোৰ ঘৰুৱা নাইবা আন্তঃৰাষ্ট্রীয় পর্যায়ত প্রয়োগ কৰিব পৰা যায়।
- 'অর্থনৈতিক বিকাশ'-এ কোনো এক অর্থনীতিৰ এক নির্দিষ্ট সময়ৰ তুলনাত আন এক নির্দিষ্ট সময়ত সামগ্রী তথা সেৱা উৎপাদনৰ সামর্থ বৃদ্ধি হোৱাটোক বুজায়। ইয়াৰ দ্বাৰা এখন দেশৰ সামগ্রী তথা সেৱাৰ উৎপাদনত ঘটা অবিৰ বৃদ্ধি নাইবা জনমূৰি উৎপাদন বৃদ্ধিৰ কথা বুজোৱা হয়।
- 'অর্থনৈতিক উন্নয়ন'- এ এনে এক প্রক্রিয়াৰ কথা সূচায় যিটোৰ জৰিয়তে এখন দেশে ইয়াৰ নাগৰিকৰ অর্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক কল্যাণৰ মান উন্নত কৰে। ই সাধাৰণতে কর্মসংস্থাপন আৰু উপার্জনৰ ক্ষেত্রত হোৱা উন্নতিৰ জোখ আগবঢ়ায় যদিও মানৰ উন্নয়ন, শিক্ষা, স্বাস্থ্য, মানুহৰ পচন্দ আৰু পৰিপার্শ্বিকতাৰ বহনক্ষমতাৰ দিশত হোৱা উন্নতি আদিৰ দৰে বিষয়ো ইয়াৰ অন্তর্গত।
- দেশবোৰৰ জনমূৰি আয়ৰ ভিত্তিত প্রচলিত অর্থনীতিবোৰক তিনি ভাগত ভগোৱা হয়- নিম্ন আয় অর্থনীতি, মধ্য আয় অর্থনীতি আৰু উচ্চ আয় অর্থনীতি। যিবোৰ দেশৰ নাগৰিকৰ জনমূৰি আয় ১০৪৫ আমেৰিকান ডলাৰ নাইবা তাতোকৈ কম তেনেবোৰ দেশক নিম্ন আয় অর্থনীতিৰ দেশবোলা হয়। একেদৰে, ১০৪৫ আমেৰিকান ডলাৰতকৈ অধিক কিন্তু ১২১৩৬ আমেৰিকান ডলাৰতকৈ কম জনমূৰি আয়ৰ দেশবোৰক মধ্য আয় অর্থনীতি আৰু ১২১৩৬ আমেৰিকান ডলাৰতকৈ অধিক জনমূৰি আয়ৰ দেশবোৰক উচ্চ আয় অর্থনীতিৰ দেশ বোলা হয়।
- অনুন্নত দেশবোৰৰ বৈশিষ্ট্য হ'ল নিম্ন স্তৰৰ জনমূৰি আয়,সর্বব্যাপি থকা দৰিদ্রতা, জনসংখ্যাৰ অত্যাধিক বোজা, কৃষি নির্ভৰশীলতা, ঔদ্যোগিকীকৰণৰ অভাৱ, আন্তঃগাঁথনিমূলক সা-সুবিধাৰ অভাৱ ইত্যাদি।
- উন্নত দেশবোৰৰ বৈশিষ্ট্য হ'ল ঔদ্যোগিক খণ্ডৰ আধিপতা, মানুহৰ অধিক আয়ুস, শিক্ষিতৰ হাৰ অধিক, সুপ্রশিক্ষণপ্রাপ্ত কর্মশক্তি, উচ্চ মানবিশিষ্ট সামগ্রীৰ ৰপ্তানি ইত্যাদি।
- যদি অর্থনৈতিক উন্নয়নে সাধাৰণ লোকৰ জীৱন যাপনৰ মান উন্নত কৰি তুলিব নোৱাৰে তেন্তে এনে উন্নয়ন অর্থহীন হৈ পৰিব। ইয়াৰ লক্ষ্য হ'ল মানুহৰ জীৱন যাপনৰ মান উন্নত কৰা। পণ্যদ্রব্য উপভোগৰ স্তৰ উর্দ্ধগামী হ'লেহে অর্থনৈতিক উন্নয়ন ঘটা বুলি কোৱা হয়। একেদৰে, জনমূৰি আয় বৃদ্ধি হ'লেহে

পণ্যদ্রব্য উপভোগৰ স্তৰ ঊৰ্দ্ধগামী হ'ব। এই কথাটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া এখন দেশত জনসংখ্যা বঢ়াতকৈ অধিক দ্রুততাৰে দেশখনৰ ৰাষ্ট্ৰীয় আয় বাঢ়িব।

- অর্থনৈতিক উন্নয়ন জোখাৰ এক পন্থা হিচাপে মানৱ উন্নয়ন সূচকৰ প্ৰয়োগ আৰম্ভ হৈছিল ১৯৯০ চনৰ পৰা। তিনিটা বহল দিশ বিশ্লেষণ কৰি এই সূচ্যাংক নির্ধাৰণ কৰা হয়- (i) আয়ুসঃ জন্মৰ সময়ত কৰা জীৱনকাল প্ৰত্যাশাৰ দ্বাৰা জোখা হয়; (ii) শিক্ষাঃ প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ ভৰ গড়ৰ সহায়ত (দুই তৃতীয়াংশ) আৰু বিদ্যালয়ত কটোৱা শিক্ষাবর্ষবোৰৰ গড় (এক তৃতীয়াংশ) সহায়ত জোখা হয়; আৰু (iii) জীৱন যাপনৰ মান- প্ৰতিখন দেশত প্ৰচলিত নগদ মুদ্ৰাৰ সৈতে সামঞ্জস্য থকাকৈ দেশবোৰৰ নাগৰিকৰ ভিন্ন ক্ৰয় ক্ষমতাৰ সৈতে খাপ খোৱা বাস্তৱ জনমূৰি সর্বমুঠ ঘৰুৱা উৎপাদনৰ দ্বাৰা জোখা হয়; ইয়াৰ দ্বাৰা জীৱন যাপনৰ নামত হোৱা ব্যয় আৰু আয়ৰ প্ৰান্তীয় উপযোগিতাৰ অৱমূল্যনৰ অনুমান কৰা হয়।

১.৯ অধিক জানিবলৈ

1. Lekhi, R. K. & Aarti Nayar (2005). *Development and Environmental Economics,* New Delhi : Kalyani Publishers.
2. Jhingam, M.L. (1992). *Economics of Development and Planning,* Delhi: Kanark Publishers Pvt. Ltd.
3. Ray, Debraj (1998). *Development Economics,* New Jersey: Pinceton University Press.

১.১০ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহঃ

১। (ক) মিছা (খ) সঁচা (গ) সঁচা

২। অর্থনৈতিক বিকাশ হাৰে কোনো এখন দেশৰ সামগ্ৰিক অর্থনীতিটোৰ সাধাৰণ দিশ আৰু বিকাশৰ ব্যাক্তিৰ সম্পর্কে জনাৰ সুযোগ দিয়ে। অতি উচ্চস্তৰৰ ঔদ্যোগিকীকৰণ ঘটা দেশবোৰত নিম্ন অর্থনৈতিক বিকাশ হাৰ দেখা পোৱাৰ কাৰণ হ'ল এনে দেশবোৰৰ অর্থনৈতিক কাম-কাজৰ আধাৰ ইতিমধ্যেই অতি বিশাল হৈ পৰিছে।

৩। (ক) মিছা (খ) সঁচা (গ) মিছা

৪। অর্থনৈতিক উন্নয়নে কোনো এক অর্থনীতিৰ বর্দ্ধিত উৎপাদনৰ লগতে দেশৰ নাগৰিকৰ সামাজিক তথা ৰাজনৈতিক কল্যাণৰ দিশত হোৱা উন্নতিকো সামৰি লয়। অর্থনৈতিক উন্নয়নে সাধাৰণতে কর্মসংস্থাপন আৰু উপার্জনৰ ক্ষেত্ৰত হোৱা উন্নতিৰ জোখ আগবঢ়ায় যদিও ই মানৱ উন্নয়ন, শিক্ষা, স্বাস্থ্য, মানুহৰ পচন্দ আৰু পৰিপার্শ্বিকতাৰ বহনক্ষমতাৰ দিশত হোৱা উন্নতি আদিৰ দৰে বিষয়কো সামৰি লয়।

৫। (ক) মিছা (খ) মিছা (গ) সঁচা

৬। বিকাশ উন্নয়নৰ এক অত্যাৱশ্যকীয় আৰু অপৰিহার্য চর্ত। কিন্তু ই এক পর্যাপ্ত চর্ত নহয়। উৎপাদন বৃদ্ধি হ'লে অর্থনৈতিক বিকাশৰ স্তৰ উচ্চ হয়। কিন্তু যদি শ্ৰমিকৰ শোষণ, পাৰিপার্শ্বিকতাৰ অৱনতি আদিৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰা হয় তেন্তে সমাজখনৰ অৱস্থা শোচনীয় হৈ পৰিব। সেয়েহে ক'ব পাৰি, অর্থনৈতিক বিকাশৰ উচ্চ হাৰে সকলো সময়তে অর্থনৈতিক উন্নয়ন নিশ্চিত নকৰে।

৭। অর্থনৈতিক বিকাশতকৈ অর্থনৈতিক উন্নয়নৰ ধাৰণাটো বহল। অর্থনৈতিক বিকাশে কোনো এক অর্থনীতিত বিগত সময় এছোৱাত হোৱা উৎপাদন বৃদ্ধিৰ জোখ আগবঢ়ায়। কিন্তু অর্থনৈতিক উন্নয়নে উৎপাদন বৃদ্ধিৰ লগতে জীৱনকাল দীর্ঘ হোৱাৰ হাৰ, শিশুৰ মৃত্যুহাৰ হ্রাস, সাক্ষৰতাৰ হাৰ বৃদ্ধি, দৰিদ্রতাৰ হাৰ হ্রাস আদি বিষয়কো সামৰি লয়।

৮। অনুন্নত দেশ বুলিলে এনে এক অর্থনীতিৰ কথা বুজোৱা হয় য'ত মানুহৰ জীৱনধাৰণৰ মান অতি নিম্ন। উৎপাদনৰ নিম্ন হাৰ আৰু জনসংখ্যাৰ উচ্চ হাৰত হোৱা বৃদ্ধিৰ ফলত জনমূৰি আয়ৰ স্তৰ অতি নিম্ন হয়। অনুন্নত দেশবোৰ উন্নত দেশৰ তুলনাত ঔদ্যোগিকীকৰণ, শিক্ষা, জীৱন যাপনৰ মান, স্বাস্থ্য সেৱা প্রত্যাশিত, আয়ুস, অন্য প্রযুক্তিগত ক্ষেত্র তথা সাংস্কৃতিক ৰীতি-নীতিৰ দিশত পিচপৰা হয়।

৯। উন্নত দেশ বুলিলে এনে একোখন দেশৰ কথা বুজা যায় যিখন দেশত উদ্যোগ আৰু সেৱা খণ্ডই আধিপত্য বিস্তাৰ কৰিছে। কৃষি একগৌণ বৃত্তি হৈ পৰিছে। ৰাষ্ট্রীয় আয়ৰ অধিকাংশই ঔদ্যোগিক উৎপাদনৰ জৰিয়তে আহৰণ কৰা হয়। এনে দেশে সাধাৰণতে উচ্চ মানবিশিষ্ট, অধিক চাহিদা থকা ঔদ্যোগিক সামগ্রী নির্মাণ আৰু ৰপ্তানি কৰে।

১০। অধ্যাপক চাইমন কাৱ্নেটচ্ আৰু অধ্যাপক প'ল এলবার্ট।

১১। অর্থনৈতিক উন্নয়নৰ লক্ষ্য হ'ল মানুহৰ জীৱন যাপনৰ মান উন্নত কৰা। পণ্যদ্রব্য উপভোগৰ স্তৰ উর্দ্ধগামী হ'লেহে অর্থনৈতিক উন্নয়ন ঘটা বুলি কোৱা হয়। একেদেৰ, জনমূৰি আয় বৃদ্ধি হ'লেহে পণ্যদ্রব্য উপভোগৰ স্তৰ উর্দ্ধগামী হ'ব। এই কথাটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া এখন দেশত জনসংখ্যা বঢ়াতকৈ অধিক দ্রুততাৰে দেশখনৰ ৰাষ্ট্রীয় আয় বাঢ়িব। জনমূৰি আয় বৃদ্ধি হোৱাটো অর্থনৈতিক উন্নয়ন জোখাৰ এক উপযুক্ত পন্থা। জনমূৰি আয় বৃদ্ধি হোৱা মানেই মানুহৰ কল্যাণৰ দিশটো উন্নত হোৱা।

? ১.১১ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (প্রায় ১৫০ টা শব্দত উত্তৰ দিয়ক)

(১) উন্নত অর্থনীতি মানে কি? ই কিহত মনোবিৰেশ কৰে?

(২) অর্থনৈতিক বিকাশ সম্পর্কে চমুকৈ বর্ণনা কৰক। অর্থনৈতিক বিকাশ কেনেকৈ জোখা হয়?

(৩) "উন্নয়ন অবিহনেও বিকাশ সম্ভৱ"- মতামত আগবঢ়াওক।

(৪) উন্নয়ন আৰু অনুন্নত অৱস্থা বুলিলে কি বুজে?

(৫) মানৱ উন্নয়ন সূচ্যাংক মতে উন্নয়ন জোখাৰ বাবে ব্যৱহাৰ কৰা শিতান তিনিটা কি কি?

ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

(১) অর্থনৈতিক বিকাশ আৰু অর্থনৈতিক উন্নয়নৰ মাজৰ প্রভেদ নির্ধাৰণ কৰক।

(২) এখন অনুন্নত দেশৰ অর্থনৈতিক বিকাশক প্রভাৱিত কৰা কাৰকবোৰ ব্যাখ্যা কৰক।

(৩) অর্থনৈতিক উন্নয়নৰ সংজ্ঞা দিয়ক। অর্থনৈতিক উন্নয়নৰ বৈশিষ্ট্যবোৰ কি কি?

(৪) উন্নয়নশীল আৰু উন্নত দেশৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

(৫) এখন দেশে উন্নয়ন অবিহনে অর্থনৈতিক বিকাশৰ অভিজ্ঞতা লাভ কৰিব পাৰেনে?

*****

অধ্যায় ২ ঃ উন্নয়নৰ লিংগভিত্তিক বিষয়সমূহ

অধ্যায় গাঁথনি

২.১ শিক্ষণৰ উদ্দেশ্য
২.২ পাতনি
২.৩ উন্নয়নৰ লিংগভিত্তিক বিষয়সমূহ
২.৩.১ লিংগানুষংগিক উন্নয়ন সূচাংক
২.৩.২ লিংগানুপতিক সবলীকৰণ সূচাংক
২.৪ অধ্যায়টো সামৰো আহাঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্রগতিৰ খতিয়ান
২.৭ আৰ্হি প্রশ্নাৱলী

২.১ শিক্ষণৰ উদ্দেশ্যসমূহ

অধ্যায়টো পঢ়াৰ পিছত তুমি তলত দিয়া কথাবোৰ জানিবলৈ সক্ষম হ'বা ঃ—

- উন্নয়ন প্রক্রিয়া লিংগসম্পর্কীয় বিষয়সমূহ সংলগ্ন কেনেকৈ কৰা হৈছে সেই সম্পর্কে সম্যক জ্ঞান
- লিংগভিত্তিক উন্নয়নৰ বিভিন্ন পৰিমাপবোৰৰ বিষয়ে জ্ঞান
- লিংগ আনুষংগিক উন্নয়ন সূচাংক আৰু লিংগানুপতিক সবলীকৰণ সূচাংকৰ অর্থৰ ব্যাখ্যা

২.২ পাতনি

অর্থনৈতিক উন্নয়ন পৃথিৱীৰ সকলোবোৰ দেশৰে প্রাথমিক লক্ষ্য। প্রতিখন দেশেই নিজৰ নাগৰিক সকলোৰ আয় আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ চেষ্টা কৰে। ইয়াৰ উপৰিও সামগ্রিক উন্নয়নৰ লগতে এখন দেশে উন্নয়ন প্রক্রিয়াত পুৰুষ আৰু মহিলাৰ মাজত সমতাও আনিব বিচাৰে। এই বৈষম্যবোৰ দেখা যায় সাধাৰণতে লিংগ অনুপাত, স্বাক্ষৰতাৰ হাৰ, কন্যা শিশুৰ হত্যা, মজুৰিৰ ক্ষেত্রত বৈষম্য ইত্যাদিৰ ক্ষেত্রত।

ৰাষ্ট্রসংঘৰ সফলতাৰে উন্নয়নৰ বিতর্কসমূহ আয় বা মুঠ ঘৰুৱা উৎপাদনৰ পৰা এক বহুমুখী পৰিমাপ মানৰ উন্নয়ন সূচাংকলৈ পর্য্যৱসিত কৰিছে। তদুপৰি, ১৯৯৫ চনত ৰাষ্ট্রসংঘৰ উন্নয়ন আচঁনিৰ অধীনত উন্নয়নৰ লগত লিংগৰ দিশটো সামৰিবলৈ লিংগ আনুষংগিক উন্নয়ন সূচাংক আৰু লিংগানুপাতিক সবলীকৰণ পৰিমাপৰ আৰম্ভণি কৰে।

২.৩ উন্নয়নৰ লিংগভিত্তিক বিষয়সমূহ

উন্নয়নৰ লিংগভিত্তিক বিষয়সমূহ মূলতঃ দুটা ভাগত অধ্যয়ন কৰিব পাৰি — লিংগানুষংগিক উন্নয়ন সূচাংক আৰু লিংগানুপাতিক সবলীকৰণ সূচাংক। এই ধাৰণাদুটিৰ বিষয়ে তলত আলোচনা কৰা হ'ল।


২.৩.১ লিংগানুষংগিক উন্নয়ন সূচাংক

আমি ইতিমধ্যে আগৰ অধ্যায়ত মানৱ উন্নয়ন সূচাংকৰ বিষয়ে আলোচনা কৰিছো। মানৱ উন্নয়ন সূচাংকই প্ৰথমাৱস্তাত আয়ু কাল, শিক্ষাগত সফলতা আৰু আয়ৰ দিশসমূহ উন্নয়নৰ জোখত সংলগ্ন কৰিছিল। অৱশ্যেই মানৱ উন্নয়ন সূচাংকই বিভিন্ন সা-সুবিধাৰ ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ মাজত থকা অসমতাক সামৰি লোৱা নাছিল। সাধাৰণতে দেখা যায় যে স্বাস্থ্যৰ ক্ষেত্ৰত লিংগ বৈষম্যতাৰ কাৰণে পুৰুষৰ তুলনাত নাৰীৰ মৃত্যুৰ হাৰ অধিক। প্ৰতিকুল লিংগানুপাতেই নিৰুদ্দিষ্ট নাৰী (missing woman)ৰ ধাৰণাৰ জন্ম দিছে। স্বাস্থ্য সেৱা, শিক্ষা আহৰণৰ ব্যৱস্থা, আহাৰ আৰু পুষ্টি আদি বিষয়বোৰৰ ক্ষেত্ৰত নাৰী অৱহেলিত হৈ থকাদেখা যায়।

লিংগ আনুষংগিক উন্নয়ন সূচাংক ৰাষ্ট্ৰসংঘৰ মানৱ উন্নয়ন প্ৰতিবেদন ১৯৯৫ত সংযোজন কৰা হয় মানৱ উন্নয়ন সূচাংকৰ দৰে মূলতঃ কেতবোৰ দিশ আৰু চলকৰ ক্ষেত্ৰত আহৰণ কৰা সাফল্যৰ পৰিমাপৰ কাৰণে যিয়ে নাৰী আৰু পুৰুষৰ মাজত অসমতাকো সামৰি লয়। দেশ এখনৰ মানৱ উন্নয়নৰ ক্ষেত্ৰত বৈষম্য যিমানেই অধিক হ'ব, দেশখনৰ মানৱ উন্নয়ন সূচাংকৰ তুলনাত লিংগানুষাংগিক সূচাংক সিমানেই কম হ'ব। অৰ্থনৈতিক তথা সামাজিক প্ৰগতিৰ লগে লগে নাৰী বিৰুদ্ধে থকা পক্ষপাতিত্বও হ্ৰাস পাব লাগিব। কিন্তু এয়া হোৱা দেখা নাযায়। বহুতো পৰিয়ালত মহিলাসকলে বাকীবোৰৰ স্বাৰ্থত কমকৈ খায় আৰু প্ৰয়োজনীয় স্বাস্থ্য সেৱাও নেপায়। শিক্ষাৰ ক্ষেত্ৰতো বহুত পাৰ্থক্য দেখা যায়। পৰিয়ালৰ যিকোনো কথাত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত কোনো ক্ষমতা নাই বুলিয়েই ক'ব পাৰি। এওঁলোক ৰাজনৈতিক ভাবেও একাষৰীয়া।

২০০৫ চনৰ মানৱ উন্নয়ন প্ৰতিবেদনে লিংগানুষংগিক উন্নয়ন সূচাংকৰ ১৪০ খন দেশৰ তালিকা প্ৰস্তুত কৰিছে, য'ত নৰ'ৱে শীৰ্ষত, অষ্ট্ৰেলিয়া দ্বিতীয় আৰু আইচলেণ্ড তৃতীয় স্থানত আছে।

সম্প্ৰতি ১৬০ খন দেশৰ কাৰণে লিংগানুষংগিক উন্নয়ন সূচাংক গণনা কৰা হয়। লিংগানুষংগিক উন্নয়ন সূচাংক গণনা কৰাৰ উদ্দেশ্য হ'ল মানৱ উন্নয়ন সূচাংকত লিংগ সংবেদনশীল বিষয়সমূহ সামৰি লোৱা। এই লিংগানুষংগিক উন্নয়ন সূচাংকই দেখুৱায় নাৰীসকল পুৰুষৰ তুলনাত কিমান পিছ পৰা আৰু মানৱ উন্নয়নৰ বাবে তেওঁলোকক প্ৰতিটো ক্ষেত্ৰত কিমানখিনি অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন। (ই প্ৰকৃত মানৱ উন্নয়নৰ সাফল্যৰ বাবে লিংগভিত্তিক ব্যৱধান আছে তাক বোধগম্য কৰা তথা এই ব্যৱধান যৎপৰোনাস্তি, নোহোৱা কৰিবলৈ উপযুক্ত নিৰ্দ্ধাৰণৰ বাবে কামত অহা উপায় আৰু তথ্য যোগান ধৰিব পৰা)।



ৰাষ্ট্রসমূহৰ মাজত লিংগসমানুপাতিক উন্নয়নৰ তুলনা আৰু লিংগ সমতাক উদগনি দিয়াৰ ক্ষেত্রত লিংগানুষাংগিক উন্নয়ন সূচাংকৰ ব্যৱহাৰযোগ্যতা সম্পর্কে যথেষ্ট বিতর্ক আছে। যিয়েই নহওঁক, এইটো মনত ৰখা উচিত যে লিংগানুষাংগিক উন্নয়ন সূচাংক পুৰুষ-মহিলাৰ ব্যৱধানৰ স্বতন্ত্র পৰিমাপ হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। কেৱল মানৱ উন্নয়ন সূচাংকৰ মানৰ লগত সংযুক্ত কৰিহে ব্যৱহাৰ কৰিব পাৰি।

লিংগানুষংগিক উন্নয়ন সূচাংক অনুসৰি দেশসমূহৰ তালিকাৰ পৰা এইটো স্পষ্ট হয় যে প্রায় কোনো সমাজতে পুৰুষ আৰু মহিলাক সম দৃষ্টিৰে নাচায়। তথ্যৰ পৰা দেখা যায় যে প্রায় প্রতিখন দেশৰে লিংগানুষংগিক উন্নয়ন সূচাংকৰ মান মানৱ উন্নয়ন সূচাংকৰ মানতকৈ কম। লিংগ বৈষম্য আনকি মানৱ দাৰিদ্র্য লগতো জড়িত। নিজাৰ, ইথিয়পিয়া, ম'জাম্বিক আদিৰ দৰে নিম্ন লিংগানুষংগিক উন্নয়ন সূচাংকৰ দেশ সমূহৰ মানৱ উন্নয়ন সূচাংকও কম।

ভাৰতবর্ষত মানৱ উন্নয়ন সূচাংক আৰু লিংগানুষংগিক উন্নয়নৰ গণনা ঃ

তলৰ তালিকাত ১৯৯৬ আৰু ২০০৬ ত ভাৰতবর্ষৰ মানৱ উন্নয়ন আৰু লিংগানুষংগিক উন্নয়ন সূচাংকৰ মান দেখুওৱা হৈছে। সেই মতে বিশ্লেষণ কৰিলে দেখা যায় যে —

- ১৯৯৬ চনত কেৰেলা ০.৭৩৬ মানৱ উন্নয়ন সূচাংকৰ মান আৰু ০.৭২১ লিংগানুষংগিক উন্নয়নৰ মানেৰে দেশৰ ভিতৰত শীর্ষত আছিল। অৱশ্যে ২০০৬ চনত ৰাজ্যখন ০.৭৬৪ মূল্যৰে মানৱ উন্নয়ন সূচাংকত দ্বিতীয় আৰু ০.৭৪৫ মানেৰে তৃতীয় স্থানত থাকে।
- চণ্ডীগড় ১৯৯৬ চনত মানৱ উন্নয়ন আৰু লিংগভিত্তিক উন্নয়ন আৰু লিংগভিত্তিক উন্নয়ন উভয়তে দ্বিতীয় স্থানত আছিল যদিও ২০০৬ চনত দুয়োটা সূচাংকত ক্রমে ০.৭৮৪ আৰু ০.৭৬৩ মান লৈ শীর্ষস্থানত উপনীত হ'বলৈ সক্ষম হয়।
- মানৱ উন্নয়ন আৰু লিংগভিত্তিক উন্নয়ন উভয়তে অবিৰতভাৱে নিম্ন সাফল্য দেখুৱাই অহা ৰাজ্যকেইখন হ'ল বিহাৰ, উত্তৰ প্রদেশ, মধ্যপ্রদেশ, ৰাজস্থান আৰু উৰিষ্যা।
- মানৱ উন্নয়ন আৰু লিংগভিত্তিক উন্নয়নত ৩৫ খন ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলৰ ভিতৰত ১৯৯৬ আৰু ২০০৬ উভয়ে বর্ষতে সর্বনিম্ন স্থানত আছিল বিহাৰ।
- দশকটোত মানৱ উন্নয়ন সূচাংকত বৃদ্ধি অর্জন কৰে উত্তৰখণ্ড (০.১৬৫), ঝাৰখণ্ড (০.১৪০), দমন আৰু ডিউ (০.১৩১) দাদৰা আৰু নগৰ হাৱেলী (০.১০৪), ছত্তিছগড় (০.০৯৮), আৰু অৰুণাচল প্রদেশ (০.০৯৮)।
- অইন ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চল যিবোৰ সর্বভাৰতীয় গড় - (০.০৭৫)তকৈ বেছি বৃদ্ধি অর্জন কৰিছে তাৰ ভিতৰত আছে মধ্যপ্রদেশ, মণিপুৰ, ত্রিপুৰা, ছিক্কিম, হিমাচল প্রদেশ, তামিলনাড়ু, বিহাৰ আৰু উৰিষ্যা।
- নতুনকৈ গঠিত ৰাজ্য উত্তৰখণ্ড,ঝাৰখণ্ড আৰু ছত্তিছগড়ে দশকটোত আটাইতকৈ অধিক বৃদ্ধি আহৰণ কৰিবলৈ সক্ষম হৈছে আৰু লিংগভিত্তিক উন্নয়নত উন্নত পাৰদর্শিতা দেখুৱাবলৈ সক্ষম হৈছে। ১৯৯৬ ৰ পৰা ২০০৬ চনলৈ এই তিনিখন ৰাজ্যই তেওঁলোকৰ লিংগানুষংগিক স্থান ক্রমে ১১, ৫ আৰু ১ স্থান আগুৰাইছে আৰু মানৰ ক্ষেত্রত ক্রমে ০.১৯০, ০.১৫৪ আৰু ১.১০৮ কৈ বঢ়াইছে।
- ২০০৬ চনত বিহাৰৰ বাহিৰে কোনো ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলৰে লিংগানুষংগিক সূচাংকৰ মান ০.৫

ৰ তলত নাই।

- ২০০৬ চনত মানৱ উন্নয়ন সূচাংকৰ সর্বনিম্ন মান হ'ল বিহাৰৰ ০.৫০৭ (১৯৯৬ ত ০.৪৩০ ৰ পৰা)। লিংগানুযাংগিক উন্নয়ন সূচাংকৰ সর্বনিম্ন মানো বিহাৰৰ ০.৪৭৯ (১৯৯৬ চনত ০.৩৯৯ ৰ পৰা)।
- ২০০৬ চনত মুঠ ১৪ খন ৰাজ্য মানৱ উন্নয়নকৈ লিংগানুযাংগিক উন্নয়ন সূচাংকত উচ্চ স্থানত আছে। ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলসমূহ হ'ল — অন্ধ্র প্রদেশ, গুজৰাট, হাৰিয়ানা, মহাৰাষ্ট্র, মণিপুৰ, মেঘালয়, নাগালেণ্ড, দাদৰা আৰু নগৰ হাৱেলী, আৰু পণ্ডিচেৰী (প্রত্যেকেই ১ স্থান কৈ); অৰুণাচল প্রদেশ, হিমাচল প্রদেশ, চিকিম আৰু উত্তৰখণ্ড (প্রত্যেকেই ২ স্থানকৈ) আৰু মিজোৰাম (৩ স্থান)।
- ৮ ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলত ২০০৬ চনত মানৱ উন্নয়ন সূচাংকতকৈ লিংগানুযংগিক সূচাংকৰ স্থান তলত আছিল। এই কেইখন হ'ল ১ স্থানকৈ জম্মু আৰু কাশ্মীৰ, কেৰেলা আৰু দিল্লী, ২ টা স্থানকৈ পশ্চিমবংগ, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, লাক্ষাদ্বীপ, ত্রিপুৰা তথা অধিক ব্যৱধানেৰে দমন আৰু দিউ।
- ১৩ খন ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলে ২০০৬ চনত তেওঁলোকৰ মানৱ উন্নয়ন সূচাংক আৰু লিংগানুযংগিক সূচাংকৰ স্থানৰ সমতা বাহাল ৰাখিছিল। ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলকেইখন হ'ল অসম, বিহাৰ, গোৱা, কর্ণাটক, মধ্যপ্রদেশ, উৰিষ্যা,পঞ্জাৰ, ৰাজস্থান, তামিলনাড়ু, উত্তৰপ্রদেশ, ছত্তিছগড়, ঝাৰখণ্ড আৰু চণ্ডীগড়।

তালিকা ২.১ঃ ভাৰতৰ ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলসমূহৰ মানৱ উন্নয়ন সূচাংক আৰু লিংগানুযংগিক সূচাংকৰ মান — ২০০৬ আৰু ১৯৯৬

ক্রমিক নং	ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চল	মানৱ উন্নয়ন সূচাংক	লিংগানুযংগিক উন্নয়ন সূচাংক	মানৱ উন্নয়ন সূচাংক	লিংগানুযংগিক উন্নয়ন সূচাংক
		২০০৬	২০০৬	২০০৬	২০০৬
১	অন্ধ্রপ্রদেশ	০.৫৮৫	০.৫৭৪	০.৫১৯	০.৫০৯
২	অৰুণাচল প্রদেশ	০.৬৪৭	০.৬৪২	০.৫৪৯	০.৫৪৪
৩	অসম	০.৫৯৫	০.৫৮৫	০.৫৪৩	০.৫২৩
৪	বিহাৰ	০.৫০৭	০.৪৭৯	০.৪৩০	০.৩৯৯
৫	গোৱা	০.৭৬৪	০.৭৪৭	০.৭০৯	০.৬৯১
৬	গুজৰাট	০.৬৩৪	০.৬২৪	০.৫৭৪	০.৫৫৯
৭	হাৰিয়ানা	০.৬৪৩	০.৬৩২	০.৫৭০	০.৫৫৫
৮	হিমাচল প্রদেশ	০.৬৬৭	০.৬৬৪	০.৫৯০	০.৫৮৫
৯	জম্মু আৰু কাশ্মীৰ	০.৫৯০	০.৫৬৮	০.৫৪২	০.৫২৫
১০	কর্ণাটক	০.৬২২	০.৬১১	০.৫৫৮	০.৫৪৫
১১	কেৰেলা	০.৭৬৪	০.৭৪৫	০.৭৩৬	০.৭২১
১২	মধ্যপ্রদেশ	০.৫২৯	০.৫১৬	০.৪৩৩	০.৪১৭
১৩	মহাৰাষ্ট্র	০.৬৮৯	০.৬৭৭	০.৬২৯	০.৬১৬
১৪	মিজোৰাম	০.৭০২	০.৬৯৯	০.৬১০	০.৬০০

১৫	মেঘালয়	০.৬২৯	০.৬২৪	০.৫৯৫	০.৫৯২
১৬	মণিপুৰ	০.৬৮৮	০.৬৮৭	০.৬১৮	০.৬১২
১৭	নাগালেণ্ড	০.৭০০	০.৬৯৭	০.৬৫৩	০.৬২৬
১৮	উৰিষ্যা	০.৫৩৭	০.৫২৪	০.৪৬১	০.৪৪৫
১৯	পঞ্জাৰ	০.৬৬৮	০.৬৬৩	০.৬২১	০.৬০৫
২০	ৰাজস্থান	০.৫৪১	০.৫২৬	০.৪৭২	০.৪৪৮
২১	চিকিম	০.৬৬৫	০.৬৫৯	০.৫৮২	০.৫৬৬
২২	তামিলনাড়ু	০.৬৬৬	০.৬৫৫	০.৫৮৯	০.৫৭৬
২৩	ত্রিপুৰা	০.৬৬৩	০.৬২৬	০.৫৭৯	০.৫৪৬
২৪	উত্তৰ প্ৰদেশ	০.৫২৮	০.৫০৯	০.৪৫৮	০.৪২৯
২৫	পশ্চিমবংগ	০.৬৪২	০.৬২২	০.৫৭৩	০.৫৫৩
২৬	ছত্তিছগড়	০.৫৪৯	০.৫৪২	০.৪৫১	০.৪৩৪
২৭	ঝাৰখণ্ড	০.৫৭৪	০.৫৫৮	০.৪৩৪	০.৪০৪
২৮	উত্তৰাঞ্চল	০.৬৫২	০.৬৪৭	০.৪৮৭	০.৪৫৭
২৯	আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ	০.৭০৮	০.৬৯২	০.৬৭৮	০.৬৬৯
৩০	চণ্ডীগড়	০.৭৮৪	০.৭৬৩	০.৭২৩	০.৭০৬
৩১	দাদৰা আৰু নগৰ হাৱেলী	০.৬৭৭	০.৬৭৩	০.৫৭৩	০.৫৬৯
৩২	দমন আৰু দিউ	০.৭০০	০.৬৭৭	০.৫৬৯	০.৫৪৩
৩৩	দিল্লী	০.৭৪০	০.৭০১	০.৬৮৭	০.৬৬৩
৩৪	লাক্ষাদ্বীপ	০.৬৯৭	০.৬৩৫	০.৬৮৬	০.৬৬০
৩৫	পণ্ডিচেৰী	০.৭২৫	০.৭০৬	০.৬৭৬	০.৬৬১
৩৬	সৰ্ব ভাৰতীয়	০.৬০৫	০.৫৯০	০.৫৩০	০.৫১৪

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ লিংগানুষংগিক উন্নয়ন সূচাংক বুলিলে কি বুজা? (৩০ টা মান শব্দত উত্তৰ দিয়া)

.....

.....

.....

প্ৰশ্ন ২ ঃ নিৰুদ্দিষ্ট মহিলাৰ (missing womwn) ধাৰণাটো চমুকৈ ব্যাখ্যা কৰা।(৩০ টা মান শব্দত উত্তৰ দিয়া)

.....

.....

.....

২.৩.২ লিংগানুপতিক সবলীকৰণ সূচাংক

লিংগানুপাতিক সবলীকৰণ সূচাংকও ১৯৯৫ চনত মানৱ উন্নয়ন প্ৰতিবেদনৰ দ্বাৰা আৰম্ভ কৰা হৈছিল। লিংগানুপাতিক সবলীকৰণ সূচাংক হ'ল ৰাষ্ট্ৰ সংঘৰ দ্বাৰা দেশ সমূহত লিংগ বৈষম্যৰ গভীৰতাৰ পৰিমাপৰ উদ্দেশ্যে লোৱা এক পদক্ষেপ, যাক মহিলাসকলোৰ তুলনামূলক অৰ্থনৈতিক ক্ষমতা, অৰ্থনৈতিক ক্ষমতাৰ লগতে উচ্চ মাননি সম্পন্ন কৰ্মত স্থান, আৰু বৃত্তিগত তথা সংসদীয় স্থানৰ ক্ষেত্ৰত মহিলাৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হয়। যদিও ইয়াক লিংগানুষংগিক উন্নয়ন সূচাংকৰ লগত একেলগে আৰম্ভ কৰা হৈছিল। ই লিংগানুষংগিক উন্নয়ন সূচাংকৰ পৰা এক পৃথক সূচাংক। লিংগানুষংগিক উন্নয়ন সূচাংক হ'ল প্ৰাথমিক সামৰ্থ্যতাৰ ক্ষেত্ৰত নাৰী পুৰুষৰ ব্যাৱধান দেখুওৱা এক সূচাংক। আনহাতে, লিংগানুপাতিক সবলীকৰণ সূচাংক এই দুটাৰ মাজত অধিক বিশেষীকৃত আৰু ই কোনো এখন দেশৰ মহিলাসকলোৰ তুলনামূলক সবলীকৰণৰ গুৰুত্ব আৰোপ কৰে। লিংগানুপাতিক সবলীকৰণ সূচাংকই কেতবোৰ দিশত ৰাষ্ট্ৰসমূহৰ মাজত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তুলনা কৰিছে, যিটো পূৰ্বতে কৰা হোৱা নাছিল।

লিংগ সচেতন উন্নয়নক উদগণি দিয়াৰ ক্ষেত্ৰত লিংগানুপাতিক সবলীকৰণ সূচাংক আৰু লিংগানুষংগিক উন্নয়ন সূচাংকৰ ব্যৱহাৰৰ কাৰ্যকাৰিতাৰ ওপৰত সম্প্ৰতি বিতৰ্কৰ সূচনা হৈছে। এই পৰিমাপসমূহ সমালোচিত হোৱাৰ ভিত্তি হৈছে যে এইবোৰ বেছি পৰিমাণে বিশিষীকৃত আৰু ব্যাখ্যা কৰিবলৈ জটিল। লগতে এইবোৰ তথ্য ব্যৱধান বা অভাৱতো ভোগে। লিংগানুপাতিক সবলীকৰণ সূচাংকও এইটো ভিত্তিত সমালোচিত হয় যে ই কেৱল উচ্চ শিক্ষিত আৰু অৰ্থনৈতিকভাৱে সূচল মহিলাসকলোৰ মাজতহে অসমতা জোখে। লিংগানুপাতিক সবলীকৰণ সূচাংকত তৃণমূল পৰ্য্যায় বা স্থানীয় ৰাজনৈতিক ক্ষেত্ৰ অথবা অসংগঠিত খণ্ডত থকা মহিলাসকল প্ৰতিফলিত নহয়। এইবোৰেই হ'ল প্ৰকৃত খণ্ড য'ত উন্নয়নশীল দেশসমূহৰ অধিকসংখ্যক মহিলাই কাম কৰে। উন্নয়নশীল দেশসমূহত মহিলাসকল শ্ৰম বজাৰত জড়িত হোৱা বা অৰ্থনৈতিক কাম-কাজত অংশ গ্ৰহণকাৰিতাৰ ওপৰত পৰিসাংখ্যিকীয় তথ্য উপলব্ধ নহয়। সেয়ে এই পৰিমাপ কেৱল উন্নত দেশসমূহতহে প্ৰযোজ্য য'ত এনেধৰণৰ পৰিসংখ্যা সংগ্ৰহ সংগ্ৰহ কৰা হয়।

ভাৰতবৰ্ষত লিংগানুপতিক সবলীকৰণ সূচাংক ঃ

২০০৬ চনত ভাৰতবৰ্ষত লিংগানুপাতিক সবলীকৰণ সূচাংক আছিল ০.৪৯৭আৰু ১৯৯৬ চনত ০.৪১৬ আছিল। ৰাজ্যিক পৰ্যায়ৰ বিশ্লেষণ তলৰ তালিকাত দেখুওৱা হ'ল।

তালিকা ২.২ঃ ভাৰতবৰ্ষৰ ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ লিংগানুপাতিক সবলীকৰণ সূচাংক আৰু মানৱ উন্নয়ন সূচাংকৰ মান — ২০০৬ আৰু ১৯৯৬।

ক্রমিক নং	ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চল	মানৰ উন্নয়ন সূচাংক ২০০৬	লিংগানুষংগিক উন্নয়ন সূচাংক ২০০৬	মানৰ উন্নয়ন সূচাংক ২০০৬	লিংগানুষংগিক উন্নয়ন সূচাংক ২০০৬
১	অন্ধ্রপ্রদেশ	০.৫৮৫	০.৫৪৭	০.৫১৯	০.৪৬৭
২	অৰুণাচল প্রদেশ	০.৬৪৭	০.৪৬৯	০.৫৪৯	০.৩০৭
৩	অসম	০.৫৯৫	০.৪১৭	০.৫৪৩	০.৩১৩
৪	বিহাৰ	০.৫০৭	০.৩৭৯	০.৪৩০	০.২৭৮
৫	গোৱা	০.৭৬৪	০.৫৫১	০.৭০৯	০.৪৯৪
৬	গুজৰাট	০.৬৩৪	০.৪৮৫	০.৫৭৪	০.৪০৯
৭	হাৰিয়ানা	০.৬৪৩	০.৫৩২	০.৫৭০	০.৪৫৫
৮	হিমাচল প্রদেশ	০.৬৬৭	০.৫৪০	০.৫৯০	০.৩৯৩
৯	জম্মু আৰু কাশ্মীৰ	০.৫৯০	০.৩৫৫	০.৫৪২	০.৩২৬
১০	কর্ণাটক	০.৬২২	০.৫২৬	০.৫৫৮	০.৪২২
১১	কেৰেলা	০.৭৬৪	০.৫২৫	০.৭৩৬	০.৪৮৬
১২	মধ্যপ্রদেশ	০.৫২৯	০.৪৬৩	০.৪৩৩	০.৪০৬
১৩	মহাৰাষ্ট্ৰ	০.৬৮৯	০.৫১৬	০.৬২৯	০.৪৩৮
১৪	মিজোৰাম	০.৭০২	০.৪১৮	০.৬১০	০.৩৮০
১৫	মেঘালয়	০.৬২৯	০.৩৪৬	০.৫৯৫	০.২৩১
১৬	মণিপুৰ	০.৬৮৮	০.৩৭৪	০.৬১৮	০.৩১২
১৭	নাগালেণ্ড	০.৭০০	০.২৮৯	০.৬৫৩	০.১৬৫
১৮	উৰিষ্যা	০.৫৩৭	০.৩৯৩	০.৪৬১	০.৩২৯
১৯	পঞ্জাৰ	০.৬৬৮	০.৫১৪	০.৬২১	০.৪৫১
২০	ৰাজস্থান	০.৫৪১	০.৪৪২	০.৪৭২	০.৪০৩
২১	চিকিম	০.৬৬৫	০.৪৪৭	০.৫৮২	০.৩০০
২২	তামিলনাড়ু	০.৬৬৬	০.৪৯৮	০.৫৮৯	০.৪৫৯
২৩	ত্রিপুৰা	০.৬৬৩	০.৩৮২	০.৫৭৯	০.৩৩৫
২৪	উত্তৰ প্রদেশ	০.৫২৮	০.৪৫২	০.৪৫৮	০.৩৩৪
২৫	পশ্চিমবংগ	০.৬৪২	০.৪৩৫	০.৫৭৩	০.৩৫০
২৬	ছত্তিছগড়	০.৫৪৯	০.৪৬৪	০.৪৫১	০.৪০৭
২৭	ঝাৰখণ্ড	০.৫৭৪	০.৪৩৫	০.৪৩৪	০.২৭৮
২৮	উত্তৰাঞ্চল	০.৬৫২	০.৪৬৬	০.৪৮৭	০.৩৩৪
২৯	আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ	০.৭০৮	০.৫৬০	০.৬৭৮	০.৪৩৭

৩০	চণ্ডীগড়	০.৭৮৪	০.৫০০	০.৭২৩	০.৪৪৯
৩১	দাদৰা আৰু নগৰ হাৱেলী	০.৬৭৭	০.৪৭৯	০.৫৭৩	০.৩৮৫
৩২	দমন আৰু দিউ	০.৭০০	০.৫০৩	০.৫৬৯	০.৪১৩
৩৩	দিল্লী	০.৭৪০	০.৫৬৪	০.৬৮৭	০.৪৭৯
৩৪	লাক্ষাদ্বীপ	০.৬৯৭	০.৪৬৩	০.৬৮৬	০.৪১৮
৩৫	পণ্ডিচেৰী	০.৭২৫	০.৫৫৮	০.৬৭৬	০.৪০৬
	সৰ্ব ভাৰতীয়	০.৬০৫	০.৪৯৭	০.৫৩০	০.৪১৬

উৎস ঃ Gendering Human Development Indices: Recasting the Gender Development Index and Gender Empowerment Measure for India, MINISTRY OF WOMEN AND CHILD DEVELOPMENT GOVERNMENT OF INDIA 2009.

উক্ত তালিকাই দেখুৱায় যে ঃ

- দশকটোত সৰ্বভাৰতীয় আৰু ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চল উভয়তে লিংগানুপাতিক সবলীকৰণৰ মানৰ ক্ষেত্রত পাৰদর্শিতা উন্নত হৈছে। ১৪ খন ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলে ২০০৬ চনত ০.৪৮৫ ত কৈ ওপৰত লিংগানুপাতিক সবলীকৰণ মান অর্জন কৰিছে আৰু ২ খন ৰাজ্যই ১৯৯৬ ত কৈ অধিক মান অর্জন কৰিছে।
- ১৯৯৬ আৰু ২০০৬ দুয়োটা বর্ষতে ০.৪৮৫ ত কৈ অধিক লিংগানুপাতিক সবলীকৰণ মান অর্জন কৰা ৰাজ্য দুখন আছিল গোৱা আৰু কেৰেলা।
- ২০০৬ চনত লিংগানুপাতিক সবলীকৰণ সর্বাধিক মান আছিল দিল্লীৰ। ই গুৰুত্বপূর্ণ অগ্রগতিৰে ১৯৯৬ চনৰ ৩য় স্থানৰ পৰা ২০০৬ চনত ১ম স্থানলৈ যাব সক্ষম হৈছিল। ০.২৮৯ আৰু ০.১৬৫ মানেৰে নাগালেণ্ড লিংগানুপাতিক সবলীকৰণ সূচাংকৰ মানৰ ক্ষেত্রত ২০০৬ ও ১৯৯৬ উভয় বর্ষতে সর্বনিম্ন স্থানত আছিল।
- নৱগঠিত ৰাজ্য ঝাৰখণ্ড আৰু উত্তৰাখণ্ডে ক্রমে ০.২৮৯ আৰু ০.১৬৫ মানকৈ বৃদ্ধিৰে প্রচুৰ অগ্রগতি লাভ কৰিছিল আৰু দশকটোত লিংগানুপাতিক সবলীকৰণ সূচাংকৰ তালিকাত তেওঁলোকৰ ক্রমাংক ৬ স্থান আগুৱাবলৈ সক্ষম হৈছিল।
- অইন অইন ৰাজ্য/ কেন্দ্রীয় শাসিত অঞ্চল যিয়ে লিংগানুপাতিক সবলীকৰণ সূচাংকৰ সর্বভাৰতীয় মানৰ বৃদ্ধি ০.০৮১ অংকতকৈ অধিক বৃদ্ধি কৰিছিল তাৰ ভিতৰত আছে অৰুণাচল প্রদেশ, পণ্ডিচেৰী, হিমাচল প্রদেশ, চিকিম, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, নাগালেণ্ড, দাদৰা আৰু নগৰ হাৱেলি, মেঘালয়, দমন আৰু দিউ, অসম, কর্ণাটক, পশ্চিমবংগ আৰু দিল্লী।
- লিংগানুপাতিক সবলীকৰণ সূচাংকৰ ক্রমাংকত ৫ ৰ পৰা ৯ টা স্থান পিছু�ৱাই দশকটোত সর্বাধিক ক্ষতিগ্রস্থ ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চল হ'ল জম্মু আৰু কাশ্মীৰ, কেৰেলা, মধ্যপ্রদেশ, মণিপুৰ, ৰাজস্থান, তামিলনাড়ু, ত্রিপুৰা, চণ্ডীগড়, আৰু লাক্ষাদ্বীপ।

অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ৩ঃ লিংগানুপাতিক সবলীকৰণ সূচাংক বুলিলে কি বুজা? (৩০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়া)

.....

.....

প্ৰশ্ন ৪ঃ মানৱ উন্নয়ন প্ৰতিবেদনত লিংগানুপাতিক সবলীকৰণ সূচাংক কেতিয়াৰ পৰা সংযোজন কৰা হয়? (৩০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়া)

.....

.....

প্ৰশ্ন ৫ঃ লিংগানুষংগিক উন্নয়ন সূচাংক আৰু লিংগানুপাতিক সবলীকৰণ সূচাংকৰ মাজত প্ৰাথমিক পাৰ্থক্য কি? (২০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়া)

.....

.....

২.৪ অধ্যায়টো সামৰো আহাঁ

- প্ৰতিখন দেশেই তেওঁলোকৰ নাগৰিকসকলোৰ আয় আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব চেষ্টা কৰে। সামগ্ৰিক উন্নয়নৰ উপৰিও এখন দেশে ইয়াৰ উন্নয়ন প্ৰক্ৰিয়াত পুৰুষ আৰু মহিলাৰ সমতাও আনিব চেষ্টা কৰে।
- ১৯৯৫ চনত ৰাষ্ট্ৰ সংঘৰ উন্নয়ন কাৰ্যসূচীয়ে উন্নয়ন প্ৰক্ৰিয়াত লিংগ বিষয়ক দিশ সমূহ গুৰুত্ব দিবলৈ লিংগানুষংগিক উন্নয়ন সূচাংক আৰু লিংগানুপাতিক সবলীকৰণ সূচাংকৰ সূচনা কৰিছিল।
- প্ৰতিকূল লিংগ অনুপাতে 'নিৰুদ্দিষ্ট মহিলা'ৰ ধাৰণাৰ জন্ম দিছে। স্বাস্থ্য সেৱাৰ ব্যৱস্থাপনা, শিক্ষাৰ ব্যৱস্থা, খাদ্য আৰু পুষ্টি আদি দিশৰ ক্ষেত্ৰত মহিলাসকল অৱহেলিত হৈ অহা দেখা যায়।
- লিংগ আনুষংগিক উন্নয়ন সূচাংক ৰাষ্ট্ৰসংঘৰ মানৱ উন্নয়ন প্ৰতিবেদন ১৯৯৫ ত সংযোজন কৰা হয় মানৱ উন্নয়ন সূচাংকৰ দৰেই মূলতঃ কেতবোৰ দিশ আৰু চলকৰ ক্ষেত্ৰত আহৰণ কৰা সাফল্যৰ পৰিমাপৰ কাৰণে যিয়ে নাৰী আৰু পুৰুষৰ মাজত অসমতাকো সামৰি লয়। দেশ এখনৰ মানৱ উন্নয়নৰ ক্ষেত্ৰত লিংগ বৈষম্য যিমানেই অধিক হ'ব, দেশখনৰ মানৱ উন্নয়ন সূচাংকৰ তুলনাত লিংগানুষংগিক সূচাংক সিমানেই কম হ'ব।
- সম্প্ৰতি ১৬০ খন দেশৰ বাবে লিংগানুষংগিক উন্নয়ন সূচাংক গণনা কৰা হয়।
- ০.৬২৪ মানৱ উন্নয়ন সূচাংক মানেৰে ভাৰত 'মধ্যম মানৱ উন্নয়ন' শ্ৰেণীত পৰে।
- লিংগানুপাতিক সবলীকৰণ সূচাংকও ১৯৯৫ চনৰ মানৱ উন্নয়ন প্ৰতিবেদনতে আৰম্ভ কৰা হয়। লিংগানুপাতিক সবলীকৰণ সূচাংক ৰাষ্ট্ৰ সংঘৰ উন্নয়ন আচনিৰ দেশসমূহ লিংগ বৈষম্যতাৰ গভীৰতা জুখিবলৈ লোৱা এক পদক্ষেপ।

- ভাৰতবৰ্ষৰ লিংগানুপাতিক সবলীকৰণ সূচাংকৰ মান ২০০৬ চনত ০.৪৯৭ আৰু ১৯৯৬ চনত ০.৪১৬ আছিল।

২. ৫ অধিক জানিবলৈ

1. Lekhi, R.K. & Aarti Nayar (2005). *Development and Environmental Economics*. New Delhi: Kalyani Publishers
2. Jhingan, M. L. (1992). *Economics of Development and Planning*, Delhi: Konark Publishers Pvt. Ltd.
3. Ronald, G (2014). *Development Economics*, New York: Routledge
4. Dreze, J. & Amartya Sen (2013). *An Uncertain Glory*: India and its Contradictions, UK: Penguin
5. Ghatak, S. (2003). *Introduction to Development Economics*, New York: Routledge
6. Ray, Debraj (1998). *Development Economics*, New Jursey: Princeton University Press
7. Lekhi, R, K (2008): *The Economics of Development and Planning,* Kalyani Publishers

8 Misra, S, K & V K Puri (2006): *Economics of Development and Planning*, Himalaya Publishing House

২.৬ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহঃ

১। লিংগানুষংগিক উন্নয়ন সূচাংক মানৰ উন্নয়ন সূচাংকই পৰিমাপ কৰা কেতবোৰ দিশ আৰু চলক অর্থাৎ প্রত্যাশিত আয়ুস শিক্ষাগত সাফল্য আৰু আয়ৰ ক্ষেত্রত আহৰণ কৰা সাফল্যৰ পৰিমাপৰ সূচক অর্থাৎ যিয়ে নাৰী আৰু পুৰুষৰ মাজত অসমতাকো সামৰি লয়। দেশ এখনৰ মানৰ উন্নয়নৰ ক্ষেত্রত লিংগ বৈষম্য যিমানেই অধিক হ'ব, দেশখনৰ মানৰ উন্নয়ন সূচাংকৰ তুলনাত লিংগানুষংগিক সূচাংক সিমানেই কম হ'ব।

২। লিংগভিত্তিক গর্ভপাতৰ জৰিয়তে কন্যা সন্তানৰ ভ্রণ হত্যা কৰি কন্যা সন্তান জন্ম হ'ব দিয়াই নহয়। ১৯৯৮ চনৰ তথ্য মতে পুৰুষৰ তুলনাত নাৰীৰ সংখ্যা ১০০ নিযুত কম। পুৰুষৰ বিপৰীতে নাৰীৰ সংখ্যাৰ এই নাটনিকে নিৰুদ্দিষ্ট নাৰী বুলি কোৱা হয়।

৩। লিংগানুপাতিক সবলীকৰণ সূচাংক হ'ল ৰাষ্ট্র সংঘৰ দ্বাৰা দেশ সমূহত লিংগ বৈষম্যৰ গভীৰতাৰ পৰিমাপৰ উদ্দেশ্যে লোৱা এক পদক্ষেপ, যাক মহিলাসকলোৰ তুলনামূলক অর্থনৈতিক ক্ষমতা, অর্থনৈতিক ক্ষমতাৰ

লগতে উচ্চ মাননি সম্পন্ন কর্মত স্থান, আৰু বৃত্তিগত তথা সংসদীয় স্থানৰ ক্ষেত্রত মহিলাৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি প্রস্তুত কৰা হয়।

৪। লিংগানুপাতিক সবলীকৰণ সূচাংক মানৱ উন্নয়ন প্রতিবেদন, ১৯৯৫ ত আৰম্ভ কৰা হৈছিল। এই সূচাংকই এখন দেশৰ মহিলাসকলোৰ তুলনামূলক সবলীকৰণৰ ওপৰত গুৰুত্বাৰোপ কৰে।

৫। লিংগানুষংগিক উন্নয়ন সূচাংক হ'ল কেতবোৰ প্রাথমিক সামর্থ্যতা মূলত প্রত্যাশিত আয়ুস শিক্ষাগত অর্হতা আৰু আয়ৰ ক্ষেত্রত পুৰুষ আৰু মহিলাৰ মাজত অসমতাৰ পৰিমাপ দুয়োটা সূচাংকৰ ভিতৰত লিংগানুপাতিক সবলীকৰণ সূচাংক অধিক বিশেষীকৃত আৰু ই এখন দেশৰ মহিলাৰ তুলনামূলক সবলীকৰণৰ ওপৰত গুৰুত্ব প্রদান কৰে। লিংগানুপাতিক সবলীকৰণ সূচাংকই পূর্বতে নোহোৱা কেতবোৰ বিশেষ দিশত আন্তঃৰাষ্ট্রীয় পর্যায়ৰ তুলনা কৰিছে।

? ২.৭ আৰ্হি প্রশ্ন

চমু উত্তৰৰ প্রশ্ন ঃ—

প্রশ্ন নং ১ঃ মানৱ উন্নয়ন সূচাংক লিংগানুষংগিক উন্নয়ন সূচাংকতকৈ কিদৰে বেলেগ?

প্রশ্ন নং ২ঃ লিংগানুপাতিক উন্নয়ন সূচাংক আৰু লিংগানুপাতিক সবলীকৰণ সূচাংকৰ মাজত মূল পার্থক্য কি?

প্রশ্ন নং ৩ঃ ভাৰতৰ কোনখন ৰাজ্যৰ লিংগানুষংগিক উন্নয়ন সূচাংকৰ মান সর্বোচ্চ?

দীঘলীয়া উত্তৰৰ প্রশ্ন ঃ—

প্রশ্ন নং ১ঃ লিংগ সচেতন উন্নয়নক উদগনি দিয়াৰ ক্ষেত্রত লিংগানুষংগিক উন্নয়ন সূচাংক বা লিংগানুপাতিক সবলীকৰণ সূচাংক ব্যৱহাৰৰ কার্যকাৰিতাৰ ওপৰত এটি চমু টোকা লিখা।

প্রশ্ন নং ২ঃ ভাৰতবর্ষৰ ৰাজ্যসমূহৰ লিংগানুষংগিক উন্নয়ন সূচাংকৰ বিষয়ে চমুকৈ আলোচনা কৰা।

প্রশ্ন নং ৩ঃ লিংগানুপাতিক সবলীকৰণ সূচাংক আৰু লিংগানুষংগিক উন্নয়ন সূচাংকৰ ওপৰত আৰোপিত সমালোচনা সমূহ লিখা।

** ***** **

অধ্যায় ৩ ঃ উন্নয়নশীল দেশৰ মূল বক্তব্য সমূহ

অধ্যায় গাঁথনি

৩.১ শিক্ষণৰ উদ্দেশ্য

৩.২ পৰিচয় /পাতনি

৩.৩ উন্নয়ন শীল দেশৰ গাথঁনি

৩.৪ উন্নয়ন শীল দেশৰ বৈশিষ্ট্য

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্রশ্ন

৩.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি—

- উন্নত আৰু উন্নয়নশীল দেশৰ পার্থক্য সমূহ জানিবলৈ
- উন্নয়নশীল দেশৰ গঠন সম্পর্কে বুজিবলৈ
- উন্নয়নশীল দেশৰ বৈশিষ্ট্য সমূহ শিকিবলৈ সক্ষম হব।

৩.২ পৰিচয়

তৃতীয় বিশ্বৰ দুখীয়া দেশ সমূহকে সাধাৰণতে উন্নয়নশীল দেশ বুলি অভিহিত কৰা হয়। এই দেশ সমূহক অনুন্নত, পিছ পৰা বা উন্নয়নশীল দেশ বুলিও অভিহিত কৰা হয়। এই সকলো বিলাক দেশৰে কিছুমান সাধাৰণ অর্থনৈতিক বৈশিষ্ট্য আছে যদিও প্রত্যেক দেশৰে বৈশিষ্ট্য সমূহ একেহাৰৰ নহয়। এই সাধাৰণ বৈশিষ্ট সমূহ হ'ল- দৰিদ্রতা নিম্ন আয়, অব্যৱহাৰিত প্রাকৃতিক সম্পদ, প্রাথমিক পর্য্যয়ৰ বস্তু উৎপাদিত অর্থনীতি, মূলধনৰ অভাৱ দ্বৈত অর্থনীতি, প্রযুক্তি বিদ্যাৰ অভাৱ ইত্যাদি। এই উন্নয়নশীল দেশ সমূহে অর্থনৈতিক উন্নয়ন সংগঠিত কৰিবৰ বাবে যথেষ্ট অসুবিধাৰো সন্মুখীন হ'ব লগাত পৰিছে, এই অসুবিধা সমূহ অর্থনৈতিক, সামাজিক, ৰাজনৈতিক, ধর্মীয় আৰু আনুষ্ঠানিক কাৰকৰ বাবে উদ্ভব হৈছে। দেশৰ অর্থনৈতিক উন্নয়নত ব্যাঘাত জন্মোৱা বিভিন্ন আর্থিক কাৰকৰ ভিতৰত- দৰিদ্রতাৰ কূট চক্র, মূলধনৰ অভাৱ, অপৰিপক্ক বজাৰ, আন্তজার্তিক শক্তি, নিম্ন মানৰ প্রযুক্তি বিদ্যা, নিম্ন কৃষি উৎপাদিক। ইত্যাদি। অইনহাতে অনা আর্থিক কাৰকৰ ভিতৰত অনুন্নত মানব সম্পদ ৰাজনৈতিক অস্থিৰতা, সামাজিক সাংস্কৃতিক বাধা আৰু ধর্মীয় কাৰক সমূহেই প্রধান।

৩.৩ উন্নয়নশীল দেশৰ গঠন

উন্নয়নশীল দেশৰ গঠন সর্ম্পকে বুজিবলৈ হলে তলত দিয়া উপাদান সমূহৰ সমালোচনাত্মক বিশ্লেষণ কৰা প্রয়োজন।

● **দেশৰ আকাৰ (ভৌগলিক অৱস্থান, জনসংখ্যা, আয়)ঃ** উন্নয়নশীল দেশৰ উন্নয়ন কৌশল প্রধানকৈ এখন দেশৰ ভৌগলিক আকাৰ, জনসংখ্যাৰ আকাৰ আৰু আয় স্তৰে নির্ণয় কৰে। বৃহৎ আকাৰৰ দেশ এখনে সাধাৰণতে সম্পদৰ বৈচিত্রতা, বৃহৎ আকাৰৰ বজাৰ আৰু কম বৈদেশিক উৎসৰ নির্ভৰশীলতাৰ সুবিধা লাভ কৰে, চীন, ভাৰত, ইন্দোনেচীয়া, নাইজেৰীয়া আদি দেশ সমূহৰ ভৌগলিক আকাৰ বৃহৎ যাৰ বাবে তেওঁলোকৰ উন্নয়নৰ পৰিসৰো বহল। একেদৰে মধ্যপূৱৰ কিছু সৰু দেশে তেওঁলোকৰ উন্নয়ন কিছু নিদিষ্ট সম্পদৰ ওপৰত নির্ভৰ কৰিয়েই সীমিত কৰিব লগা হয়। কিয়নো তেওঁলোক ব্যতিক্রমী ভাবে তেনে উৎপাদনত চহকী।

● **ঐতিহাসিক উপনিবেশিক পটভূমি ঃ** সকলো উন্নয়নশীল দেশৰে ঐতিহাসিক পটভূমি একে নহয়। এইবোৰৰ ভিতৰত কিছুমান একে আৰু অন্য কিছুমান বেলেগ পশ্চিম ইউৰোপীয় দেশ সমূহৰ উপনিবেস সমূহ তেওঁলোকৰ অর্থনৈতিক গাঠনি, শৈক্ষিক আৰু সামাজিক অনুষ্ঠান বোৰ তেওঁলোকৰ উপনিবেশিক নীতিৰ ওপৰত প্রতিষ্ঠিত অইনহাতে সদ্য স্বাধীনতা অর্জন কাৰী দেশ সমূহে আর্থিক উন্নয়ন ত্বৰায়িত কৰাতকৈ তেওঁলোকৰ জাতীয় চেতনাবোধক নীতি আৰু নিজা ৰাজনৈতিক পৃষ্ঠপোষক তাৰ সৃষ্টিৰ ওপৰত হে বেচি গুৰুত্ব দিয়ে।

● **সম্পদৰ প্রাচুর্য্যতাঃ (প্রাকৃতিক আৰু মানব সম্পদ)ঃ** এখন দেশৰ প্রাকৃতিক (ভূমি, খনিজ, বনজ আৰু অন্যান্য কেচাঁ সামগ্রী) আৰু মানব সম্পদে (মানুহ আৰু প্রতিভা বিকাশ) সেই দেশখনৰ অর্থনৈতিক উন্নয়নত বাৰুকৈয়ে প্রভাৱ পেলায়। আমি যদি বিভিন্ন দেশৰ সম্পদৰ প্রাচুর্য্যতা সমন্ধে তুলনা কৰো, তেন্তে দেখা পাম যে ভগবানে প্রত্যেক দেশক সম্পদৰ প্রাচুর্যতাৰ উপহাৰ সমানে বিতৰণ কৰা নাই। লেটিন আমেৰিকা (যাৰ বৃহৎ পৰিমানৰ পেট্রোল, খনিজ আৰু প্রাকৃতিক গেছৰ আকৰ আছে) আৰু আফ্রিকান দেশ সমূহৰ (যিবোৰ ইৰোনিয়াম, সীহ, কবাল্ট, বক্সাইত, ফচফৰাচ লোহমেঙ্গানিজ আদিৰ জমা থকা ধনী দেশ অইন দেশৰ তুলনাত উন্নয়ন ক্ষমতা অধিক। ইয়াৰ ওপৰত নির্ভৰ কৰি ভূটান বাংলাদেশ আৰু নেপাল আদিৰ উন্নয়ন ক্ষমতা যথেষ্ট কম। মানৱ মূলধনৰ প্রাচুর্য্যতাৰ ক্ষেত্রত মানুহৰ পৰিমানতকৈ প্রতিভা বিকাশ, সাংস্কৃতিক দৃষ্টিভংগী কাম কৰাৰ প্রবণতা, নিজক উন্নত কৰাৰ ইচ্ছা আদি গুৰুত্বপূর্ণ।

● **অর্থনৈতিক পৰিকল্পনা আৰু ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ তুলনামূলক গুৰুত্বঃ** বেচিভাগ উন্নয়নশীল দেশেই মিশ্র অর্থনৈতিক ব্যৱস্থা গ্রহণ কৰিছে। ফলস্বৰূপে সম্পদৰ ব্যৱহাৰৰ ক্ষেত্রত ব্যক্তিগত আৰু ৰাজহুৱা মালিকীস্বত্ব প্রযোজ্য। অৱশ্যে কিছু সংখ্যক দেশ যেনে চীন, ভিয়েটনাম, কিউবা, উত্তৰ কোৰিয়া এংগোনা আদিয়ে সমাজবাদী অর্থনীতি গ্রহণ কৰিছে। ব্যক্তিগত খণ্ডৰ অৱস্থিতি এই দেশ সমূহত নাই। কিছুমান আফ্রিকা আৰু এচিয়াৰ দেশে অর্থনৈতিক উন্নয়নৰ গতি খৰতকীয়া কৰিবলৈ ৰাজহুৱা খণ্ডৰ অৱস্থিতিৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। অৱশ্যে উদাৰীকৰণৰ নীতি গ্রহণৰ লগে লগে (ঘানা, চেনগাল, বকনীয়া, তানজানিয়া আদি দেশৰ পতনৰ ফলত) ৰাজহুৱা খণ্ডৰ গুৰুত্ব যথেষ্ট পৰিমানে কমি গৈছে।

● **বৃত্তিগত গাঠনিৰ প্রকৃতিঃ** বেচিভাগ- উন্নয়ন দেশেই কৃষিৰ লগত জড়িত কিন্তু প্রত্যেক দেশৰে বৃত্তিগত গাঠনি বেলেগ-বেলেগ হয়। আধুনিক আৰু পৌৰানিক দুয়োবিধ কৃষিয়েই শ্রমিকৰ প্রধান আর্থিক উপার্জনৰ উৎস যদিও ইয়াৰ পৰা জাতীয় আয়লৈ যোগোৱা বৰঙণিৰ পৰিমান বেলেগ-বেলেগ হয়। কিছুমান দেশ যেনে- নাইজেৰীয়া আৰু ইণ্ডোনেছিয়াৰ শ্রমিকৰ এক বৃহৎ অংশ- (প্রায় ৪৫ %) কৃষিৰ লগত জড়িত অইনহাতে দক্ষিণকোৰিয়া আৰু ভেনিজুৱেলত ইয়াৰ পৰিমান প্রায় ১০% । ইয়াৰ উপৰিও কৃষি ভূমিৰ প্রকাৰ, গঠন, মালিকীস্বত্ব আদিবো বিভিন্নতা পৰিলক্ষিত হয়। উন্নয়নশীল দেশৰ গৌন আৰু সেৱাখণ্ডৰ গুৰুত্বতাৰ তুলনামুলক

অধ্যয়ন কৰিলে ইয়াতো বিভিন্নতা দেখিবলৈ পোৱা যায় এই দেশ বোৰৰ ভিতৰত উৎপাদনকাৰী আৰু সেৱাখণ্ডত ভাৰতেই আটাইতকৈ শক্তিশালী দেশ হিচাপে পৰিগনিত হৈছে আনহাতে জনসংখ্যাৰ পৰিমানৰ ক্ষেত্ৰত ভাৰত বৰ্ষ তুলনামূলক ভাবে তলৰ স্থানত আছে।

● **আৰ্ন্তজাতীয় আৰ্থিক আৰু ৰাজনৈতিক নির্ভৰশীলতাৰ হাৰ ঃ** উন্নত দেশৰ ওপৰত উন্নয়নশীল দেশৰ নির্ভৰশীলতাৰ হাৰ বিভিন্ন দিশ ওপৰত নির্ভৰ কৰে আৰু ইয়াৰ মূল প্ৰকৃতি দেশখনৰ নিদিষ্ট ইতিহাসৰ ওপৰত নির্ভৰশীল। দেশ এখনৰ আকাৰ, সম্পদৰ প্ৰাচুর্য্যতা আৰু ৰাজনৈতিক ইতিহাসৰ লগত আন্তজাতীয় ৰাজনৈতিক, সামাজিক আৰু আৰ্থিক খণ্ডৰ নির্ভৰতাৰ হাৰ জড়িত, উন্নত দেশৰ পৰা পোৱা বৃহৎ পৰিমানৰ বিত্তীয় আৰু প্ৰযুক্তিগত সহায় অবিহনে উন্নয়নশীল দেশৰ বহুতেই কেতিয়াও উন্নয়নৰ আশা কৰিব নোৱাৰে। বেচিভাগ উন্নয়শীল দেশেই উন্নত দেশৰ লগত কৰা আন্তঃৰ্জাতিক বানিজ্যৰ ওপৰত বৃহৎ পৰিমানে নির্ভৰ কৰে। যিমানেই এখন দেশে অইন এখন দেশৰ মূলধন, প্ৰযুক্তি উদ্যোগিক কেঁচামাল, বজাৰৰ শেহান্ত দ্ৰব্যৰ ওপৰত নির্ভৰ কৰিব সিমানেই সেই দেশখন অনুন্নত দেশৰ তালিকাৰ শীৰ্ষস্থানত উপনীত হব। দেশ এখনৰ আৰ্থিক আৰু সামাজিক কৰ্মৰাজিৰ সক্ষমতা প্ৰধানকৈ নির্ভৰ কৰে সেই দেশখনৰ আন্তৰ্জাতিক নির্ভৰশীলতাৰ হাৰৰ ওপৰত।

● **শক্তি বিতৰণ আৰু আনুষ্ঠানিক তথা ৰাজনৈতিক গাথঁনিঃ** এখন দেশৰ অর্থনৈতিক নীতিয়ে সদায় দেশখনৰ কুটনৈতিক সমস্যা সমূহৰ সমাধানৰ পথ নেদেখুৱায় সাধাৰণ মানুহৰ শক্তি আৰু আগ্রহেহে চৰকাৰৰ নীতি আৰু কর্মপদ্ধতি নির্ণয় কৰিব। ৰাজনৈতিক গাথঁনি আৰু নিদ্দিষ্ট গণ্ডিৰ বিভিন্ন শ্রেণী যেনে বৃহৎ ভূমিৰ গৰাকী, নগৰৰ উদ্যোগপতি, বেংকৰ গৰাকী, বৈদেশিক উদ্যোগ-পতি শ্রমিক সন্থ। আদিৰ নিজা আগ্রহহে আৰ্থিক আৰু সামাজিক পৰিপন্থী বাধাসমূহ আতৰাই দেশখনৰ অর্থনৈতিক গতি ত্বৰান্বিত কৰিব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ অর্থনৈতিক উন্নয়নত ব্যাঘাত জনোৱা আৰ্থিক উপাদানবোৰ কি কি?
(২০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

.....

.....

প্রশ্ন ২ ঃ মানৰ সম্পদে কি ধৰণে অর্থনৈতিক উন্নয়নত সহায় কৰে? (২০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

.....

.....

প্রশ্ন ৩ ঃ উন্নয়নৰ ক্ষেত্ৰত আৰ্থিক আৰু ৰাজনৈতিক আন্তৰ্জাতিক নির্ভৰতাৰ হাৰ সম্পর্কে চমুকৈ বাখ্যা কৰা। (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

.....

.....

৩.৪ উন্নয়নশীল দেশৰ বৈশিষ্ট

ওপৰত আলোচনা কৰা উন্নয়নশীল দেশৰ গঠন গত বৈচিত্রতাৰ পৰা তোমালোকে এটা কথা বুজিব পাৰিছা যে উন্নয়নশীল দেশৰ কোনো সার্বজনীন বৈশিষ্ট্য নাই। তথাপিও প্রত্যেক উন্নয়নশীল দেশৰে কিছুমান সাধাৰণ বৈশিষ্ট্য আছে যি বোৰ উন্নত দেশ সমূহতকৈ পৃথক। তলত সেইবোৰ আলোচনা কৰা হ'ল-

● **নিম্ন জনমূৰি আয়ঃ** এই বৈশিষ্টতো উন্নয়শীল দেশৰ এক নির্ণয়কাৰী বৈশিষ্ট্য। উন্নয়নশীল দেশসমূহৰ জনমূৰি হিচাপত শুদ্ধ জাতীয় আয় (GNI) যথেষ্ট কম ফলস্বৰূপে সঞ্চয় আৰু বিনিয়োগৰ হাৰো কম। ২০১৬ চনৰ (IMF) ৰ তথ্য অনুশৰি ১০২,২১১ ডলাৰ জনমূৰি আয় অর্জনেৰে Qtarয়ে পৃথিৰীৰ ভিতৰত ১ ম স্থান অধিকাৰ কৰিছে আৰু ৭৯,৭৮৫ ডলাৰ জনমূৰি আয় অর্জনেৰে Luxemburgয়ে ২য় স্থান অধিকাৰ কৰিছে। USAৰ শুদ্ধ ঘৰুৱা জনমূৰি আয় ৫৭,৩০০ ডলাৰ, আনহাতে ভাৰতে জনমূৰি আয় ৩,৮৩০ ডলাৰেৰে ১৩২ নম্বৰ স্থান অর্জন কৰিছে।

● **বৃহৎ আয় অসমতা ঃ** উন্নয়নশীল দেশ সমূহত কেৱল যে জনমূৰি আয়েই উন্নত দেশতকৈ কম এনে নহয় এই দেশ সমূহত আয়ৰ অসমতাও পৰিলক্ষিত হয়। UNDPৰ ("Humanity Diuided: Confronting iniquality in Developing countries" 2014) শীর্ষক তথ্য অনুশৰি ১৯৯০ চনৰ পৰা ২০১০ চনৰ ভিতৰত উন্নয়নশীল দেশত গড় আয় আসমতা ১১% বৃদ্ধি পাইছিল বর্ধিত অসমতা এটা ভয়াবহ দীর্ঘকালীন সামাজিক আৰু অর্থনৈতিক সমস্যা। দুখীয়া শিশু সকলৰ ৫ বছৰ নহওতেই হোৱা মৃত্যুৰ হাৰ ধনী শিশুসকলতকৈ ৩ গুণ বেচি। ইয়াৰ উপৰিও যদিও উন্নয়নশীল দেশত প্রসবত মৃত্যু হোৱা মহিলাৰ সংখ্যা কমিছে তথাপিও এতিয়াও নগৰৰ তুলনাত গাঁও অঞ্চলৰ মহিলাৰ মৃত্যু হাৰ এতিয়াও ৩ গুণ বেচি।

● **কৃষিৰ ওপৰত নির্ভৰশীল আৰু অনুন্নত উদ্যোগিক ব্যৱস্থাঃ** কৃষিয়েই উন্নয়নশীল দেশৰ আয়ৰ প্রধান উৎস। এই দেশ সমূহৰ মুঠ শ্রমিকৰ ৩০ ৰ পৰা ৮০ শতাংশ লোকেই কৃষি আৰু আনুসাংগিক খণ্ডত নিয়োজিত হৈ আছে। যিহেতু কৃষিৰ ওপৰত শ্রমৰ প্রাধান্য বেচি, গতিকে জাতীয় আয়ৰ বেচি অংশও কৃষিৰ পৰাই আহে। অৱশ্যে উন্নয়নশীল দেশৰ কৃষিখণ্ডত নিয়োজিত শ্রমৰ উৎপাদিকা শক্তি উন্নত দেশৰ তুলনাত যথেষ্ট কম। উন্নয়নশীল দেশৰ উদ্যোগিক খণ্ডৰ অৱস্থাও যথেষ্ট পিছ পৰা আৰু অনুন্নত। বহুকেইখন উন্নয়নশীল দেশৰ উদ্যোগিক খণ্ডত ক্ষুদ্র আৰু কুটিৰ শিল্প আৰু হস্তঁতাত শিল্পও অন্তভুক্ত কৰা হয়। উদ্যোগিক খণ্ডৰ উৎপাদিত সামগ্রীৰ গাথঁনিৰ পৰাই উদ্যোগ খণ্ডৰ অনুন্নত অৱস্থাৰ কথা গম পোৱা যায় । এই দেশসমূহত উদ্যোগিক উৎপাদনৰ আধা অংশই খাদ্য আৰু বস্ত্রশিল্পৰ পৰা আহে। বহুত সংখ্যক উন্নয়ন দেশে এতিয়াও মূলধনী সামগ্রী বিশেষকৈ যন্ত্রপাতি, সা- সৰঞ্জাম আদি উৎপাদন কৰিবলৈ এতিয়াও সক্ষম নহয়।

তালিকা ৩.১ঃ নির্বাচিত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ খণ্ড অংশ (শতাংশ হিচাপত)

ক্রমিক নং	দেশ	মুঠ ঘৰুৱা উৎপাদনত	মুঠ ঘৰুৱা উৎপাদনত উদ্যোগৰ অংশ কৃষি অংশ	মুঠঘৰুৱা উৎপাদনত সেৱাখণ্ডৰ অংশ
১	আফ্রিকা ইজিপ্ত	১৫	৪৬	৩৯

	ঘাণা	৩৪	২৩	৩৯
		মাদাগাস্কাৰ	২৮	১৬ ৫৬
		দঃআফ্রিকা	০৩	৩০ ৬৭
		উপেনদা	৩৩	২৫ ৪৩
	২	এচিয়া		
		বাংলাদেশ	২০	২৭ ৫৩
		ইণ্ডনেছিয়া	১৩	৪৬ ৪১
		মালয়েচিয়া	০৯	৫২ ৪০
		পাকিস্তান	২২	২৫ ৫৩
		দক্ষিণ কোৰিয়া	০৩	৪০ ৫৬
		ফিলিপাইন	১৪	৩২ ৫৩
		থাইলেণ্ড	১০	৪৪ ৪৬
		ভিয়েটনাম	২১	৪১ ৩৮
ক্রমিক নং	দেশ	মুঠ ঘৰুৱা উৎপাদনত কৃষি অংশ	মুঠ ঘৰুৱা উৎপাদনত উদ্যোগৰ অংশ	মুঠঘৰুৱা উৎপাদনত সেৱাখণ্ডৰ অংশ
	৩	লেটিন আমেৰিকা		
		কলম্বিয়া	১৩	৩৪ ৫৩
		কষ্টৰিকা	০৯	৩০ ৬২
		মেক্সিক’	০৪	২৬ ৭০
		নাইকেৰেগুৱা	১৯	২৮ ৫৩
	৪	উন্নত দেশ ইউনাইটেড কিংদম	০১	২৬ ৭৩
		ইউনাইটেড ষ্টেত	০১	২২ ৭৭

উৎস ঃ বিশ্ব বেংক, বিশ্ব উন্নয়ন উপাদান ২০০৭

● **নিজস্ব ভোগৰ বাবে উৎপাদন ঃ** উন্নয়নশীল দেশৰ কৃষক সকলে বজাৰত বিক্রীৰ বাবে নহয়, নিজৰ ভোগ কার্য্য সমাধাৰ বাবেহে শষ্য উৎপাদন কৰে। আচলতে তেওঁলোকে নিম্নমানৰ খেতিৰ অনুশীলন কৰে ইয়াৰ প্রধান কাৰণ হ’ল তেওঁলোক দুখীয়া আৰু জনমুৰী হিচাপত খেতি মাটি কম।

● **উচ্চ হাৰত নিবনুৱা আৰু অর্ধনিবনুৱাঃ** উন্নয়ন শীল দেশৰ গাওঁ চহৰ উভয়তে নিবনুৱা সমস্যাই বিয়পি

আছে। এইবোৰ দেশত সৃষ্টি হোৱা নিবনুৱা সাধাৰণতে অনিচ্ছাকৃত নিবনুৱা। পৰম্পৰাগত কৃষিকার্য্য, পুৰণি প্রযুক্তি কৌশল আদি নানা সমস্যাই কৃষি খণ্ডত শ্রমিকৰ অর্ন্তভূক্তি কম কৰিছে। সেয়েহে জনসংখ্যাৰ দ্রুত বৃদ্ধিৰ লগে লগে কৃষিৰ আধিক্য (উদ্যোগিক খণ্ডৰ ব্যাপক প্রসাৰ নোহোৱা বাবে) বাঢ়িছে যদিও ছদ্মবেশী নিবনুৱাৰো সৃষ্টি হৈছে।

● **নিম্ন মানৰ প্রযুক্তি বিদ্যাঃ** উন্নয়নশীল দেশ সমূহে সদায়েই অদক্ষ আৰু অপর্য্যাপ্ত উৎপাদন কৌশল ব্যৱহাৰ কৰিব লগা হয়। গৱেষণাৰ অভাৱ, মূলধনৰ অভাব, গৱেষণা কেন্দ্র আৰু উদ্যোগৰ মাজত দুর্বল যোগাযোগ ব্যৱস্থা আদিয়েই এই অৱস্থাৰ প্রধান কাৰণ। ইয়াৰ ফলস্বৰূপে জনমূৰি হিচাপত শ্রমিকৰ উৎপাদনশীলতা কম আৰু উৎপাদন ব্যয় বৃদ্ধি হয়।

● **উচ্চহাৰৰ জনসংখ্যা আৰু নির্ভৰশীলতাৰ বোজা ঃ** উন্নয়নশীল দেশ সমূহে শতকৰা বছৰি ২ ৰ পৰা ৩.৫% জনসংখ্য বৃদ্ধি সমস্যাৰ সন্মুখীন হব লগাত পৰিছে , স্বাস্থ্যখণ্ডৰ উন্নতিৰ লগে লগে মৃত্যুহাৰ কমিছে কিন্তু জন্ম হাৰ একেইগতিত বাঢ়ি আছে। ফলস্বৰূপে জনসংখ্যা বৃদ্ধি হৈছে। উন্নয়নশীল দেশত উচ্চ হাৰৰ এই জনসংখ্যা বৃদ্ধিয়ে পৰনির্ভৰশীলতাৰ সৃষ্টি কৰিছে আৰু ইয়াৰ অর্থনৈতিক পৰিঘটনা এইটোৱেই যে উৎপাদনক্ষম জনসংখ্যা আৰু উৎপাদনৰহিত জনসংখ্যাৰ অনুপাত উন্নত দেশৰ তুলনাত অনুন্নত দেশৰ যথেষ্ট কম।

● **দ্বৈত অর্থনীতিঃ** দ্বৈত অর্থনীতি উন্নয়নশীল দেশৰ অইন এটা উল্লেখযোগ্য বৈশিষ্ট্য। দ্বৈত অর্থনীতি মানে বজাৰ আৰু পৰম্পৰা-অনুন্নত খণ্ডৰ যুটীয়া উপস্থিতি। বজাৰ খণ্ড সাধাৰণতে চহৰ অঞ্চলত দেখা যায় য'ত যাতায়ত, যোগাযোগ, বেংক আদিৰ সু-ব্যৱস্থা আছে আনহাতে পৰম্পৰা খণ্ডটো সম্পূর্ণ অনুন্নত আৰু প্রাচীন।

● **নিম্নখাপৰ মানব মূলধনঃ** উন্নয়নশীল দেশৰ মানব মূলধন সূচক যথেষ্ট নিম্নমানৰ। নিম্নজনমূৰি আয় আৰু স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ উন্নয়ন নিম্ন মানৰ হোৱাই ইয়াৰ প্রধান কাৰণ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ আনুসাংগিক বা জীৱিকা প্রর্বতনৰ কৃষি বুলিলে কি বুজা? (প্রায় ২০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন ৫ ঃ দ্বৈত অর্থনীতিৰ বৈশিষ্ট্য উল্লেখ কৰা (প্রায় ৩০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন ৬ ঃ এটা অঞ্চলৰ অর্থনৈতিক উন্নয়নত জনসংখ্যা বৃদ্ধিয়ে কি ধৰণে প্রভাৱ পেলায় (প্রায় ৩০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

৩.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- তৃতীয় বিশ্বৰ দুখীয়া দেশ সমূহক সাধাৰণতে উন্নয়নশীল দেশ বুলি কোৱা হয়। এই দেশবোৰক অনুন্নত, পিচপৰা আৰু উন্নয়নশীল দেশ বুলিও অভিহিত কৰা হয়।
- এই দেশ সমূহৰ সাধাৰণ বৈশিষ্ট সমূহ হ'ল সর্ব্যাপি- দৰিদ্রতা, নিম্ন আয়, অব্যৱহৃত প্রাকৃতিক সম্পদ, প্রাথমিক উৎপাদক অর্থনীতি, মূলধনৰ অভাৱ, দ্বৈত অর্থনীতি, প্রযুক্তি বিদ্যাৰ অভাব ইত্যাদি।
- জাতীয় অর্থনৈতিক উন্নয়নত ব্যাঘাত জন্মোৱা মূল আর্থিক উপাদান বোৰৰ ভিতৰত- দৰিদ্রতাৰ কূট চক্র, মূলধনৰ অভাৱ, বজাৰৰ অপূর্ণতা, আর্ন্তজাতিক শক্তি, পুৰণি কলীয়া প্রযুক্তি বিদ্যা আৰু নিম্ন কৃষি উৎপাদনশীলতা।
- অনা আর্থিক উপাদান বোৰ হ'ল- অনুন্নত মানৰ সম্পদ, ৰাজনৈতিক অস্থিৰতা, সামাজিক সাংস্কৃতিক আন্তৰায় ধর্মীয় উপাদান ইত্যাদি।
- এখন দেশৰ আকাৰ, ইয়াৰ ঐতিহাসিক আৰু উপনিবেশিক পটভূমি, দেশ এখনৰ সম্পদৰ প্রাচুর্য্যতা অর্থনৈতিক পৰিকল্পনা, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ তুলনামূলক গুৰুত্ব জীৱিকা নির্বাহৰ প্রকৃতি, বর্হিদেশীয় আর্থিক আৰু ৰাজনৈতিক শক্তিৰ নির্ভৰশীলতাৰ হাৰ। আনুষ্ঠানিক আৰু ৰাজনৈতিক ক্ষেত্রত শক্তি বিতৰণৰ হাৰ আদিয়ে ৰাষ্ট্রীয় উন্নয়নৰ প্রকৃতি নির্ণয় কৰে।
- উন্নয়নশীল দেশৰ মূল বিষয় বস্তুবোৰ হ'ল- নিম্ন জনমুৰি আয়, বৃহৎ আয় অসমতা, কৃর্ষিৰ ওপৰত প্রাধান্য, উচ্চ হাৰৰ নিবনুৱা, নিম্নমানৰ প্রযুক্তি কৌশল, উচ্চ হাৰত জন্ম সংখ্যা বৃদ্ধি, নিম্ন মানৰ মূলধন ইত্যাদি।

৩.৬ অধিক জানিবলৈ

1. Lekhi, R.K.S Arati Nayar (2005): Development and Enuirnmental Economics, New Delhi, Kalyani Publishers.
2. Jhingan. M.L. (1992): Economics of Development and Planning, Delhi, Konark Publishers Pvt. Ltd.
3. Ronald. G. (2014): Development Economics, New York: Routhdge
4. Dreze: J & Amartya Sen (2013) An Unertain Glary: India and its contraditions, U.K. Penguin
5. Ghataks (2003): Introduction to Development economies, New York, Routledge
6. Ray, Debraj (1998) : Development Economies, New Jurney: Princuton University Press.

✓ ১.৯ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহঃ

১। জাতীয় অর্থনৈতিক উন্নয়নত ব্যাঘাত জন্মোৱা মূল আর্থিক উপাদান বোৰ হ'ল- দৰিদ্রতাৰ কূট চক্র, মূলধনৰ অভাব বজাৰৰ অপূর্ণতা, আন্তজাতিক শক্তি, পুৰণি প্রযুক্তি বিদ্যা আৰু নিম্ন কৃষি উৎপাদনশীলতা।

২। মানৱ সম্পদৰ প্রাচুর্য্যতা তেওঁলোকৰ দক্ষতা বা পাৰদর্শিতাৰ হাৰ, সাংস্কৃতিক দৃষ্টিভংগী কাম কৰাৰ ধাওতি, নিজক উন্নত কৰাৰ ইচ্ছা আদিৰ ওপৰত নির্ভৰ কৰে আৰু ই উৎপাদশীলতা বৃদ্ধি কৰি অর্থনৈতিক উন্নয়ন হোৱাত সহায় কৰে।

৩। এখন দেশৰ উন্নয়ন স্তৰ নির্ণয় কৰে সেই দেশৰ বহিদেশীয় আর্থিক আৰু ৰাজনৈতিক শক্তিৰ নির্ভৰতাৰ হাৰৰ ওপৰত। কিছুমান দেশে উন্নয়নৰ হাৰ তেতিয়ালৈকে আশা নকৰে যেতিয়লৈকে তেওঁলোকে অইন দেশৰ পৰা বিত্তীয় আৰু প্রযুক্তিগত সুবিধা লাভ নকৰে। বেছিভাগ উন্নয়নশীল দেশেই উন্নত দেশৰ বৈদেশিক বাণিজ্যৰ ওপৰত নির্ভৰ কৰে। এখন দেশে যিমানেই অইন এখন দেশৰ ওপৰত নির্ভৰ কৰিব সেইয়া লাগে মূলধন, প্রযুক্তি বিদ্যা, উদ্যোগিক কেঁচামাল, বা চুড়ান্ত সামগ্রীয়েই হওক সিমানেই অনুন্নত হোৱাৰ প্রবণতা বেচি হব।

৪। এতিয়াও উন্নয়নশীল দেশৰ কৃষকে নিজৰ ভোগৰ বাবেহে শষ্য উৎপাদন কৰে বজাৰত বিক্রী কৰিবলৈ নহয়। ইয়াকেই আনুষাংগিক বা জীৱিকা প্রবর্তনৰ কৃষি বোলা হয়।

৫। দ্বৈত অর্থনীতি মানে দুটা খণ্ডৰ অৱস্থিতি বজাৰ আৰু পৰাম্পৰাগত খণ্ড। বজাৰ খণ্ডতো চহৰ অঞ্চলত অৱস্থিত য'ত যাতায়ত, যোগাযোগ আৰু বেংক ব্যৱস্থা যথেষ্ট উন্নত। অন্যহাতে পৰম্পৰাগত খণ্ড সম্পূর্ণৰূপে অনুন্নত আৰু প্রাচীন।

৬। উচ্চ জন্ম হাৰে বৃহৎ নির্ভৰশীলতাৰ সমস্যাৰ সৃষ্টি কৰে। উচ্চ হাৰৰ নির্ভৰশীলতা সমস্যাৰ আর্থিক পৰিঘটনা এয়ে যে উৎপাদনশীল জনসংখ্যা আৰু উৎপাদনৰহিত জনসংখ্যাৰ অনুপাত তুলনামূলক ভাবে উন্নত দেশতকৈ অনুন্নত দেশত কম যিতো উন্নয়নৰ পৰিপন্থী।

? ৩.৮ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (প্রতিটো প্রশ্নৰে ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। উন্নয়নশীল দেশৰ প্রধান বৈশিষ্ট্য সমূহ কি কি?

২। সমাজবাদী অর্থনীতি বা সমাজবাদ অনসৰণ কৰা কেইখন মান দেশৰ নাম লিখা ?

৩। ছদ্মবেশী নিবনুৱা কি?

ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰে ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

১। উন্নয়নশীল দেশৰ কেইটিমান বৈশিষ্ট্য চমুকৈ আলোচনা কৰক।

২। নিম্নমানৰ প্রযুক্তি বিদ্যাই এখন দেশৰ আর্থিক উন্নয়নত কেনে ধৰণে প্রভাব পেলায়।

৩। ইউ কে (UK) ইউ এচ এ (USA) বাংলাদেশ আৰু পাকিস্থানৰ মুঠ ঘৰুৱা আয়ৰ ক্ষেত্র ভিত্তিক আলোচনা কৰক।

*****

অধ্যায় ৪ ঃ উন্নয়নৰ তত্ত্বসমূহ ১

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্যসমূহ

৪.২ আদাম স্মিথৰ উন্নয়নৰ সংস্থাপিত তত্ত্ব

৪.৩ আদাম স্মিথৰ তত্ত্বৰ মূল দফাসমূহ

- ৪.৩.১ প্ৰাকৃতিক নিয়ম
- ৪.৩.২ অবাধ নীতি বা অনিয়ন্ত্ৰিত অৰ্থনীতি (Laissez-Faire)
- ৪.৩.৩ উৎপাদন ফলন
- ৪.৩.৪ শ্ৰমৰ শ্ৰেণী বিভাজন
- ৪.৩.৫ মূলধন আহৰিতসঞ্চয়
- ৪.৩.৬ বিকাশৰ প্ৰতিনিধি

৪.৪ আদাম স্মিথৰ তত্ত্বৰ সমালোচনা

৪.৫ ডেভিড ৰিকার্ডৰ উন্নয়নৰ সংস্থাপিত তত্ত্ব

৪.৬ ৰিকার্ড'ৰ তত্ত্বৰ মূল দফাসমূহ

- ৪.৬.১ মূলধন আহৰিতসঞ্চয়
- ৪.৬.২ লাভৰ হাৰ
- ৪.৬.৩ মজুৰিৰ বৃদ্ধি
- ৪.৬.৪ মূলধন আহৰণৰ উৎসসমূহ
- ৪.৬.৫ স্থিতিশীল অৱস্থা

৪.৭ ৰিকার্ড'ৰ তত্ত্বৰ সমালোচনা

৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৯ অধিক জানিবলৈ

৪.১০ অগ্ৰগতিৰ খতিয়ান

৪.১১ আৰ্হি প্ৰশ্নাৱলী

৪.১ শিক্ষণৰ উদ্দেশ্যসমূহ

অধ্যায়টো পঢ়াৰ পিছত আপুনি তলত দিয়া কথাবোৰ জানিবলৈ সক্ষম হ'ব —

- আডাম স্মিথ আৰু ডেভিড ৰিকার্ড'ই ব্যাখ্যা কৰা উন্নয়নৰ ধাৰণা বুজি পাবা
- বিকাশ প্ৰক্ৰিয়াত অৰিহনা যোগোৱা উপাদানসমূহৰ বিষয়ে জানিবা
- আডাম স্মিথ আৰু ৰিকার্ড'ৰ দৃষ্টিকোণৰ পৰা অনিয়ন্ত্ৰিত অৰ্থনীতি বা অবাধ অথনীতি, উৎপাদন ফলন, মূলধন সঞ্চয়ন, আদি কেতবোৰ বিস্তৃত ধাৰণা
- আডাম স্মিথ আৰু ৰিকার্ড'ৰ উন্নয়নৰ তত্ত্বৰ সীমাবদ্ধতাসমূহৰ চমু ব্যাখ্যা

৪.২ আদাম স্মিথৰ উন্নয়নৰ সংস্থাপিত তত্ত্ব

ধ্রুপদী অর্থনীতিবিদসকলোৰ মতে, পুঁজিবাদী অর্থনীতিৰ বিকাশ হৈছে প্রযুক্তিগত প্রগতি আৰু জনসংখ্যা বৃদ্ধিৰ মাজৰ প্রতিযোগীতাৰ পৰা। সংস্থাপিত অর্থনীতিবিদসকলোৰ মত উন্নয়নৰ বিভিন্ন দিশত পৃথক হ'লেও তেওঁলোকৰ সামগ্রিক ভাবার্থ একেই। বিভিন্ন সংস্থাপিত অর্থনীতিবিদে উন্নয়নক প্রভাৱান্বিত কৰা উপাদান যেনে বজাৰ, জনসংখ্যা, ভুমি, মূলধন সঞ্চয়, আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। অর্থনীতিৰ পিতৃ আডাম স্মিথে তেওঁৰ প্রায় সকলো ধাৰণা তেখেতৰ গ্রন্থ "দ্যা ওৱেলথ অৱ নেশ্বন (The Wealth of Nation)ত লিপিবদ্ধ কৰিছিল।

৪.৩ আডাম স্মিথৰ তত্ত্বৰ মূল দফাসমূহ

আডাম স্মিথৰ তত্ত্বৰ মূল দফাসমূহ হ'ল ঃ—

৪.৩.১ প্রাকৃতিক নিয়ম

আডাম স্মিথে সকলো অর্থনৈতিক কাম কাজত প্রাকৃতিক নিয়মৰ পোষকতা কৰিছিল আৰু স্বতন্ত্র তথা মুক্ত ভাৱে কার্য কৰাৰ সপক্ষে মত পোষণ কৰিছিল। উৎপাদন তেতিয়াই সর্বোচ্চ হয় যেতিয়া সমাজৰ প্রতিগৰাকী সদস্যক নিজৰ মতে কাম কৰিবলৈ এৰি দিয়া হয়। কার্য সম্পাদনৰ স্বাধীনতাই এগৰাকী ব্যক্তিৰ পৰা সর্বোচ্চ উলিয়াই আনিব পাৰে যিয়ে সমাজৰ সম্পদ আৰু প্রগতি বৃদ্ধি কৰে। স্মিথৰ মতে প্রকৃতিয়েই মানুহক নৈতিকতা আৰু সততাৰ শিক্ষা দিয়ে।

৪.৩.২ অবাধ নীতি বা অনিয়ন্ত্রিত অর্থনীতি (Laissez-Faire)

আডাম স্মিথে অবাধ নীতি বা অনিয়ন্ত্রিত অর্থনীতি (Laissez-Faire)ৰ ধাৰণাত বিশ্বাস কৰিছিল যিটো মতে ৰাষ্ট্রই ব্যক্তিৰ স্বাধীনতাৰ ওপৰত কোনো বাধা আৰোপ কৰিব নালাগে। লেইছেজ ফেয়াৰ নীতিয়ে উৎপাদকসকলোক তেওঁলোকৰ ইচ্ছা অনুসৰি উৎপাদন কৰিবলৈ, আয় আহৰণ কৰি যিমান ইচ্ছা সঞ্চয় কৰিবলৈ সুবিধা দিয়ে।

৪.৩.৩ উৎপাদন ফলন

আডাম স্মিথে মূলতঃ শ্রম, মূলধন আৰু ভূমি — এই তিনিটা উৎপাদনৰ উপাদানক মান্যতা প্রদান কৰিছিল। অর্থাৎ

$$Y = F(K, L, N)$$

য'ত,

K = মজুত মূলধন

L = শ্রম শক্তি

N = ভূমি

তেওঁৰ মতে, শ্ৰম হৈছে উৎপাদনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান। তেওঁ উৎপাদন বৃদ্ধিৰ কাৰণে প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ গুৰুত্বকো স্বীকাৰ কৰিছিল। অৱশ্যে ই সম্ভৱ হ'ব যদিহে পৰ্য্যাপ্ত মূলধন থাকে। তেওঁৰ মতে ভুমি এক নিষ্ক্ৰিয় উপাদান আৰু ইয়াক বিকাশ প্ৰক্ৰিয়াত আটাইতকৈ কম গুৰুত্বপূৰ্ণ বুলি ধৰা হয়।

৪.৩.৪ শ্ৰমৰ শ্ৰেণী বিভাজন

আডাম স্মিথৰ মতে বিশেষীকৰণৰ জৰিয়তে শ্ৰমৰ শ্ৰেণী বিভাজনে উৎপাদনশীলতা বৃদ্ধি কৰে। যেতিয়া কোনো এটা কাম বিভিন্ন অংশত ভাগ কৰি লোৱা হয় আৰু এজন শ্ৰমিকে সমগ্ৰ কামখিনিৰ সৰু এটা অংশ সম্পাদন কৰিব লগা হয়, একাধিকবাৰ একেধৰণৰ কাম কৰি থকা বাবে তেওঁৰ পাৰদৰ্শিতা বাঢ়ে। এনেদৰে, শ্ৰমৰ শ্ৰেণী বিভাজন মানে হ'ল এটা জটিল উৎপাদন কাৰ্যক কেতবোৰ সৰল প্ৰক্ৰিয়াত বিভক্ত কৰে। আডাম স্মিথে শ্ৰমৰ শ্ৰেণী বিভাজনৰ তিনিটা লাভৰ বিষয়ে আঙুলিয়াই দিছে — ই শ্ৰমিকৰ সামৰ্থ্য বৃদ্ধি কৰে, সময় বচায় আৰু উদ্ভাৱনীয়তা আনে।

৪.৩.৫ মূলধন আহৰণ/সঞ্চয়

আডাম স্মিথৰ মতে, এখন দেশৰ মজুত মূলধনৰ বৃদ্ধিয়ে সাধাৰণতে অবিৰতভাৱে বৰ্ধিত শ্ৰমৰ শ্ৰেণী বিভাজনৰ লগত আনুপাতিকতকৈ অধিক উৎপাদন বৃদ্ধি কৰে। মূলধন আহৰণ অৰ্থনৈতিক বিকাশৰ বাবে অতি গুৰুত্বপূৰ্ণ। মূলধন বাঢ়িলে ই শ্ৰমৰ উৎপাদনশীলতা আৰু বিকাশ ত্বৰান্বিত কৰে।

৪.৩.৬ বিকাশৰ প্ৰতিনিধি বা এজেন্ট

আডাম স্মিথৰ মতে কৃষক, উৎপাদক আৰু ব্যৱসায়ীসকল হ'ল অৰ্থনৈতিক বিকাশৰ প্ৰতিনিধি বা এজেন্ট। মুক্ত বাণিজ্য, প্ৰতিষ্ঠান আৰু প্ৰতিযোগিতাই কৃষক, উৎপাদক আৰু ব্যৱসায়ীসকলোক বজাৰ সম্প্ৰসাৰণ কৰোৱায় যিয়ে, অৰ্থনৈতিক উন্নয়নক পৰস্পৰ নিৰ্ভৰশীল কৰে। কৃষিৰ উন্নয়নে নিৰ্মাণ কাৰ্য আৰু বানিজ্য বৃদ্ধি কৰে। যেতিয়া অৰ্থনৈতিক উন্নয়নৰ ফলস্বৰূপে কৃষিৰ উদ্ধৃতি বৃদ্ধি কৰে, বানিজ্যিক সেৱা আৰু পণ্য সামগ্ৰীৰ চাহিদাও বৃদ্ধি হয়। ইয়াৰ ফলত বাণিজ্যক প্ৰগতি আৰু পণ্য সামগ্ৰীৰ উদ্যোগ স্থাপন হয়। আনহাতে এইবোৰৰ উন্নয়নৰ লগে লগে যেতিয়া কৃষকসকলে উন্নত প্ৰযুক্তি কৌশল ব্যৱহাৰ কৰে, কৃষিৰ উৎপাদন বৃদ্ধি হয়। এনেদৰে কৃষক, উৎপাদক আৰু ব্যৱসায়ীৰ আৰিৰ্ভাৱেৰে মূলধন আহৰণ তথা অৰ্থনৈতিক উন্নয়ন হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ আডাম স্মিথৰ লেইছেজ ফেয়াৰ (Laissez-Faire)ৰ ধাৰণাটো ব্যাখ্যা কৰা

(৩০ টা মান শব্দত উত্তৰ দিয়া)

.....

.....

প্ৰশ্ন ২ ঃ মূলধন সঞ্চয়ৰ ওপৰত স্মিথৰ মতামত ব্যাখ্যা কৰা (৩০ টা মান শব্দত উত্তৰ দিয়া)

.....

.....

৪.৪ তত্ত্বটোৰ সমালোচনা

আডাম স্মিথৰ তত্ত্বৰ সমালোচনাসমূহ তলত আলোচনা কৰা হ'ল ঃ—

- **স্থবিৰ আৰ্হি** ঃ হিক্চৰ মতে এই তত্ত্বটো বিকাশৰ আৰ্হিৰ দৰে দেখা যায়, কিন্তু প্ৰকৃতাৰ্থত ই বিকাশৰ আৰ্হি নহয়, বৰং স্থিতিশীল আৰ্হিহে।
- **উদ্যোগীক অৱহেলা ঃ** তত্ত্বটো উদ্ভাৱনৰ সময়ত স্মিথে উদ্যোগীৰ ভূমিকাক গুৰুত্ব দিয়া নাই। অধ্যাপক ছুম্পিটাৰে আঙুলিয়াই দিছে যে ঔদ্যোগীকতা হ'ল উন্নয়নৰ কেন্দ্ৰভূমি। উদ্যোগীয়েই উদ্ভাৱনীয়তা আনে আৰু মূলধন আহৰণ তথা বিকাশ আনে।
- **একপক্ষীয় সঞ্চয়ৰ ভিত্তি ঃ** আডাম স্মিথে বিবেচনা কৰিছিল যে সঞ্চয় পুঁজিপতি, ভূমিৰ মালিক আৰু ঋণদাতাসকলোহে কৰে। ই হ'ল সঞ্চয়ৰ একপক্ষীয় ভিত্তি।
- **সমাজৰ অনমনীয় বিভাজন ঃ** স্মিথৰ তত্ত্বটো গ্ৰেট বৃটেইন আৰু ইউৰোপৰ কেতবোৰ অংশত প্ৰচলিত আৰ্থ- সামাজিক পৰিৱেশৰ ওপৰত ভিত্তিশীল। ই সমাজত পুঁজিপতি আৰু শ্ৰমিকৰ মাজত অনমনীয়ভাৱে বিভাজন থকা বুলি ধৰি লয় আৰু মধ্যবিত্ত শ্ৰেণীক অৱহেলা কৰে যিটো শ্ৰেণীয়ে আধুনিক সমাজত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে।
- **পূৰ্ণ প্ৰতিযোগীতাৰ অবাস্তৱ ধাৰণা ঃ** বাস্তৱত কোনো অৰ্থনীতিতে পূৰ্ণ প্ৰতিযোগীতা পোৱা নাযায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ আডাম স্মিথৰ তত্ত্বৰ সমালোচনা সমূহ ব্যাখ্যা কৰা (৫০ টা মান শব্দত উত্তৰ দিয়া)

.....

.....

প্ৰশ্ন ৪ ঃ স্মিথৰ তত্ত্বত উদ্যোগীৰ ভূমিকা ব্যাখ্যা কৰা (৩০ টা মান শব্দত উত্তৰ দিয়া)

.....

.....

৪.৫ ডেভিড ৰিকার্ড'ৰ সংস্থাপিত উন্নয়নৰ তত্ত্ব

ৰিকার্ড'ই কোনো উন্নয়ন তত্ত্ব প্ৰৱৰ্তন কৰা নাছিল। তেওঁ কেৱল বিতৰণৰ তত্ত্ব আলোচনা কৰিছিল। তেওঁ কৃষিক অৰ্থনীতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ খণ্ড বুলি বিবেচনা কৰিছিল। ৰিকার্ড'ৰ মতে অৰ্থনীতিত তিনিটা গুৰু বা প্ৰধান গোট আছে। সেই কেইটা হ'ল, ভুমিৰ মালিক, পুঁজিপতি আৰু শ্ৰমিক যিবোৰৰ মাজত সমস্ত উৎপাদনশীল ভুমি বিতৰণ কৰা হয়। পুঁজিপতিয়ে লাভসমূহ পুনৰ বিনিয়োগ কৰি সমাজত উন্নয়ন প্ৰক্ৰিয়াৰ

সূচনা কৰে আৰু এনেদৰে পুঁজি আহৰণ বৃদ্ধি হয়। মুঠ জাতীয় উৎপাদন ক্রমে খাজনা, লাভ আৰু মজুৰি হিচাপে এই তিনিটা গোটাৰ মাজত বিতৰণ কৰা হয়।

৪.৬ ৰিকার্ড'ৰ তত্ত্বৰ মূল দফাসমূহ

ৰিকার্ড'ৰ তত্ত্বৰ মূল দফাসমূহ হ'ল ঃ—

৪.৬.১ মূলধন আহৰণ/সঞ্চয়

ৰিকার্ড'ই মূলধন আহৰণৰ হাৰৰ ওপৰত গুৰুত্বাৰোপ কৰিছিল কিয়নো মুলধনে বিকাশৰ ইঞ্জিন হিচাপে কাম কৰে। মূলধন হ'ল দেশ এখনৰ সম্পদৰ সেইটো অংশ যাক উৎপাদন কার্যত ব্যৱহাৰ কৰা হয় আৰু শ্রমিকক কর্মক্ষম কৰিবলৈ প্রয়োজনীয় খাদ্য, বস্ত্র, কেচাঁ সামগ্রী, যন্ত্রপাতি আদিৰ সমাহাৰ। মূলধন আহৰণৰ দুটা উপাদানৰ ওপৰত নির্ভৰ কৰে ঃ—

ক) সঞ্চয়ৰ ক্ষমতা

খ) সঞ্চয় কৰাৰ প্রতি আগ্রহ বা ইচ্ছা

মূলধন আহৰণৰ ক্ষেত্রত সঞ্চয়ৰ ক্ষমতা অধিক গুৰুত্বপূর্ণ। ই সমাজৰ নিগুট আয়ৰ ওপৰত নির্ভৰ কৰে ; ই শ্রমিকসকলোৰ বাবে প্রয়োজনীয় নুন্যতম ব্যয় ওপৰত ৰৈ যোৱা মুঠ উৎপাদনৰ ৰাহি। এই ৰাহি যিমানেই বেছি হয়, সঞ্চয়ৰ ক্ষমতা সিমানেই বেছি। ভূমিৰ মালিক আৰু পুঁজিপতিয়ে এই ৰাহিৰ জৰিয়তে বিনিয়োগ কৰে আৰু এই ৰাহিৰ পৰিমাণ নির্ভৰ কৰে লাভৰ হাৰৰ ওপৰত।

৪.৬.২ লাভৰ হাৰলাভৰ হাৰ

লাভৰ হাৰ হ'ল নিযুক্ত মূলধনৰ প্রতি লাভৰ অনুপাত। কিন্তু যিহেতু মূলধনৰ ভিতৰত কর্মৰত মূলধনো থাকে, ই মজুৰি বিলৰ সমান হয়। গতিকে যেতিয়ালৈকে লাভৰ হাৰ যোগাত্মক থাকে, মূলধন আহৰণৰ প্রক্রিয়া চলি থাকিব আৰু অর্থনীতি আগুৱাই থাকিব। শ্রম শক্তি সমানুপাতিকভাৱে বাঢ়ি থাকিব আৰু মুঠ মজুৰি নিধি বৃদ্ধি হৈ থাকিব। গতিকে লাভ আৰু মজুৰি পৰস্পৰ বিপৰীতমুখী সমানুপাতিক। লাভ শুন্য নোহোৱালৈকে বিকাশ প্রক্রিয়া চলি থাকিব অথবা নুন্যতম পর্য্যায়ত শ্রমিকসকলক তদাৰকি কৰাৰ বাবে মুঠ উৎপাদনৰ পৰা কম খাজনা প্রদান কৰা হ'ব। এইটো পর্যায়ত মূলধন আহৰণ বন্ধ হ'ব আৰু অর্থনৈতিক প্রগতি এক স্থিতিশীল অৱস্থাত উপনীত হ'ব।

৪.৬.৩ মজুৰিত বৃদ্ধি

ৰিকার্ড'ৰ তত্ত্বত মূলধন আৰু শ্রমৰ মাজত আয় নিৰ্দ্ধাৰণৰ ক্ষেত্রত মজুৰিয়ে সক্রিয় ভূমিকা পালন কৰে। মজুৰিৰ হাৰ নির্ভৰ কৰে শ্রমিকৰ সংখ্যা আৰু মজুৰিৰ হাৰৰ ওপৰত। শ্রমিকৰ সংখ্যা বৃদ্ধি হ'লে মজুৰিৰ হাৰ হ্রাস হয় আৰু শ্রমিকৰ সংখ্যা হ্রাস হ'লে মজুৰিৰ হাৰ বৃদ্ধি পায়। যদি মজুৰিৰ হাৰ শ্রমিকসকলৰ জীৱন সুচল ভাৱে চলিবলৈ পর্য্যাপ্ত হয়, জনসংখ্যা বৃদ্ধি হ'ব পাৰে আৰু যদি মজুৰিৰ হাৰ নুন্যতম মজুৰিতকৈ কম হয় শ্রমিক শ্রেণীয়ে তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্রয়োজনসমূহ পূৰাবলৈ অসমর্থ হয় আৰু তেনেক্ষেত্রত জনসংখ্যা হ্রাস পাব।

৪.৬.৪ মূলধন আহৰণৰ উৎসসমূহ

ৰিকার্ডই মত পোষণ কৰিছিল যে অর্থনৈতিক উন্নয়ন নির্ভৰ কৰে উৎপাদন আৰু উপভোগৰ পার্থক্যৰ ওপৰত। তেওঁ উৎপাদন বৃদ্ধিত তথা অপ্রয়োজনীয় ভোগ কমোৱাত গুৰুত্বাৰোপ কৰিছিল। প্রযুক্তিগত পৰিৱর্তন আৰু উৎকৃষ্ট সংগঠনৰ সহায়ত মূলধন আহৰণৰ জৰিয়তে শ্রমিকৰ উৎপাদনশীলতা বৃদ্ধি কৰিব পাৰি।

৪.৬.৫ স্থিতিশীল অৱস্থা

স্থিতিশীল অৱস্থাই অর্থনীতি এখনৰ এনে এক অৱস্থাৰ কথা বুজায় য'ত উদ্যোগীসকলোৰ উৎপাদন বৃদ্ধি বা হ্রাস কৰাৰ কোনো প্রৰণতা নাথাকে। ৰিকার্ডই ক্রমহ্রাসমান লাভৰ হাৰৰ হিচাপত স্থিতিশীল অৱস্থাক ব্যাখ্যা কৰিছে। সমাজ আগুৱাই গৈ থাকোতে লাভৰ অংশ হ্রাস পাবলৈ ধৰে। এনে ক্ষেত্রত মুলধন আহৰণ শিথিল হৈ পৰে আৰু উন্নয়নত বাধা আহি পৰে। এই পর্য্যায়ত মূলধনৰ বৃদ্ধি নহয় আৰু লগতে জনসংখ্যা বৃদ্ধিও বন্ধ হয়। ইয়াকে স্থিতিশীল অৱস্থা বুলি কোৱা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ মূলধন আহৰণৰ ৰিকার্ডৰ ধাৰণা চমুকৈ ব্যাখ্যা কৰা। (৫০ টা মান শব্দত উত্তৰ দিয়া)

.....

.....

প্রশ্ন ৬ ঃস্থিতিশীল অৱস্থাৰ ওপৰত ৰিকার্ডৰ ধাৰণা চমুকৈ ব্যাখ্যা কৰা। (৫০ টা মান শব্দত উত্তৰ দিয়া)

.....

.....

৪.৭ ৰিকার্ডৰ তত্ত্বৰ সমালোচনা

ৰিকার্ডৰ তত্ত্বৰ দুর্বলতা সমূহ হ'ল ঃ—

- **প্রযুক্তি কৌশলৰ প্রভাৱ অৱহেলা কৰে ঃ** ৰিকার্ডই ঔদ্যোগিক ক্ষেত্রত উন্নত প্রযুক্তিয়ে শ্রমিকসকলক স্থানচ্যুত কৰা আৰু ইয়াৰ আন আন বিৰূপ প্রভাৱৰ কথা আঙুলিয়াই দিছিল। যেতিয়া প্রযুক্তিগত প্রগতি নোহোৱা হৈ যায়, ক্রমহ্রাসমান প্রতিদান প্রযোজ্য হয় আৰু অর্থনীতিখনে স্থিতিশীল অৱস্থালৈ গতি কৰে। এনেদৰে ৰিকার্ডই ক্রমহ্রাসমান প্রতিদান বিধিৰ ওপৰত অনাহক গুৰুত্ব দিছে।
- **স্থিতিশীল অৱস্থাৰ ভুল ধাৰণা ঃ** লাভ বাঢ়ি থাকোতে আৰু মূলধন আহৰণ হৈ থাকোতে কোনো অর্থনীতিয়ে স্থিতিশীল অৱস্থাত নাযায়।
- **আনুষ্ঠানিক উপাদান আৰু সুদৰ হাৰক অৱহেলা ঃ** এই তত্ত্বই অনুষ্ঠানিক উপাদান সমূহৰ ভূমিকাক অৱহেলা কৰে। যিহেতু সেইবোৰে অর্থনৈতিক উন্নয়নত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে, সেইবোৰক আওকাণ কৰিব

নোৱাৰি। আকৌ সুদৰ হাৰক ইয়াত স্বতন্ত্ৰ প্ৰতিদান হিচাপে বিবেচনা কৰা নহয়, বৰং লাভৰ অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ বাবে এই তত্ত্বই পুঁজিপতি আৰু উদ্যোগীৰ মাজত পাৰ্থক্য নিৰূপণ কৰাত ব্যৰ্থ হয়।

- **মূলধন আৰু ভূমি স্থিৰ নহয় ঃ** ৰিকার্ড'ৰ মূলধন আৰু শ্ৰম উৎপাদনৰ স্থিৰ উপাদান বুলি ধৰা স্বীকার্য শুদ্ধ নহয় কাৰণ শ্ৰম আৰু মূলধন স্বতন্ত্ৰ চলক হয়।
- **লেইছেজ ফেয়াৰ নীতি বা অনিয়ন্ত্ৰিত অৰ্থনীতিৰ নীতি অবাস্তৱ ঃ** ৰিকার্ড'ৰ মতে চৰকাৰৰ হস্তক্ষেপ নুন্যতম হ'ব লাগে। কিন্তু কোনো অৰ্থনৈতিয়েই চৰকাৰী হস্তক্ষেপ নোহোৱাকৈ চলিব নোৱাৰে।

৪.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- সাংস্থাপিত অৰ্থনীতিবিদসকলে উন্নয়নক প্ৰভাৱান্বিত কৰা উপাদান যেনে বজাৰ, জনসংখ্যা, ভূমি, মূলধন, মূলধন আহৰণ, আদিৰ ওপৰত গুৰুত্বাৰোপ কৰিছিল।
- অৰ্থনৈতিক পৰিক্ৰমাত আডাম স্মিথে প্ৰাকৃতিক নিয়মৰ কথা কৈছিল। তেওঁ মুক্ত আৰু স্বতন্ত্ৰ কার্যৰ পোষকতা কৰিছিল।
- লেইছেজ ফেয়াৰৰ নীতি মতে ৰাষ্ট্ৰই ব্যক্তিৰ স্বাধীনতাত কোনো বাধা আৰোপ কৰিব নালাগে।
- আডাম স্মিথে তেওঁৰ গ্ৰন্থ 'Wealth of Nations'ত শ্ৰমৰ শ্ৰেণীবিভাজনৰ তিনিটা সুফল আঙুলিয়াই দিছে — শ্ৰমিকৰ সামৰ্থ বৃদ্ধি, সামগ্ৰী উৎপাদনৰ সময় বচায়, আৰু উৎকৃষ্ট মানৰ যন্ত্ৰ-পাতি আৰু সা-সঁজুলিৰ উদ্ভাৱন।
- স্মিথে নিৰীক্ষণ কৰিছিল যে কৃষক, উৎপাদক আৰু ব্যৱসায়ীসকল হ'ল অৰ্থনৈতিক বিকাশৰ তিনিটা গুৰুত্বপূৰ্ণ এজেন্ট।
- স্মিথৰ মতে বিকাশ প্ৰক্ৰিয়াটো সঞ্চয়ী
- ৰিকার্ড'ই উন্নয়নৰ কোনো তত্ত্ব উদ্ভাৱন কৰা নাছিল, তেওঁ মাথো সৰলভাৱে বিতৰণৰ তত্ত্ব আলোচনা কৰিছিল।
- ৰিকার্ড'ই মূলধন আহৰণৰ ওপৰত গুৰুত্বাৰোপ কৰিছিল, কিয়নো মূলধনে বিকাশৰ ইঞ্জিন হিচাপে কাম কৰে।

ৰিকার্ড'ৰ মতে "লাভ শুন্য নোহোৱালৈকে বিকাশ প্ৰক্ৰিয়া চলি থাকিব অথবা নুন্যতম পর্যায়ত শ্ৰমিকসকলোক তদাৰকী কৰাৰ বাবে মুঠ উৎপাদনৰ পৰা কম খাজনা প্ৰদান কৰা হ'ব। এইটো পর্যায়ত মূলধন আহৰণ বন্ধ হ'ব আৰু অৰ্থনৈতিক প্ৰগতি এক স্থিতিশীল অৱস্থাত উপনীত হ'ব।

৪.৯ অধিক জানিবলৈ

1. Agarwal, R.C., Economics of Development & Planning, First edition, 2002
2. Lekhi, R.K., Development Economics, Kalyani Publishers, 2013
3. Meier, G.M., & James E. Rauch, Leading Issues in Economics Development, Eight Edition, 2009
4. Ray, Debraj, Development Economics, 2002

5. Thirwall, A.P., Economics of Development, Ninth Edition, 2011

6 Todaro, Michael P. and Stephen C. Smith, Economics Development, Tenth Editin, 2009

৪. ১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ লেইছেজ ফেয়াৰৰ নীতি মতে ৰাষ্ট্রই ব্যক্তিৰ স্বাধীনতাত কোনো বাধা আৰোপ কৰিব নালাগে। লেইছেজ ফেয়াৰৰ নীতিয়ে উৎপাদকসকলোক তেওঁলোকৰ ইচ্ছা অনুসৰি উৎপাদন কৰিবলৈ, আয় আহৰণ কৰি যিমান ইচ্ছা সঞ্চয় কৰিবলৈ দিয়ে।

২ নং প্রশ্নৰ উত্তৰ ঃ আডাম স্মিথৰ মতে, মূলধনৰ বৃদ্ধিয়ে সাধাৰণতে অবিৰতভাৱে বৰ্ধিত শ্রমৰ শ্রেণী বিভাজনৰ লগত আনুপাতিকতকৈ অধিক উৎপাদন বৃদ্ধি কৰে। মূলধন আহৰণ অর্থনৈতিক বিকাশৰ বাবে অতি গুৰুত্বপূর্ণ। মূলধন বাঢ়িলে ই শ্রমৰ উৎপাদনশীলতা আৰু বিকাশ ত্বৰান্বিত কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ আডাম স্মিথৰ তত্ত্বৰ সমালোচনা সমূহ হ'ল ঃ

ক) ই এক স্থিতিশীল অনুকল্প

খ) যদিও উন্নয়নৰ ক্ষেত্রত উদ্যোগী হ'ল কেন্দ্রবিন্দু, ইয়াত ঔদ্যোগীৰ ভূমিকাক অৱহেলা কৰা হৈছে।

গ) একপক্ষীয় সঞ্চয়ৰ ভিত্তি যিটো কেৱল পুঁজিপতি, ভূমিৰ মালিক আৰু ঋণদাতাই কৰে বুলি ধাৰণা কৰা হৈছে।

ঘ) পুঁজিপতি আৰু শ্রমিকসকলোৰ মাজত সমাজৰ অনমনীয় বিভাজন।

ঙ) পূর্ণ প্রতিযোগীতামূলক বজাৰৰ অবাস্তৱ স্বীকার্য, যিটো কোনো অর্থনীতিতে পোৱা নাযায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ স্মিথে তেওঁৰ তত্ত্ব উদ্ভাৱনৰ ক্ষেত্রত উদ্যোগীৰ ভুমিকাক গুৰুত্ব নিদিয়ে। অধ্যাপক ছুম্পিটাৰে আঙুলিয়াই দিছে যে উদ্যোগী হ'ল উন্নয়নৰ কেন্দ্রবিন্দু। উদ্যোগীয়েই নতুন উদ্ভাৱনৰ জৰিয়তে মূলধন আহৰণ আৰু বিকাশ আনে।

৫ নং প্রশ্নৰ উত্তৰ ঃ মূলধনে বিকাশৰ ইঞ্জিন হিচাপে কাম কৰে বাবে ৰিকার্ড'ই মূলধন সঞ্চয়ৰ ওপৰত গুৰুত্বাৰোপ কৰিছে। মূলধন সঞ্চয় দুটা উপাদানৰ ওপৰত নির্ভৰ কৰে ঃ সঞ্চয়ৰ সামর্থ আৰু সঞ্চয়ৰ প্রতি থকা ইচ্ছা। মূলধন আহৰণৰ ক্ষেত্রত সঞ্চয়ৰ ক্ষমতা অধিক গুৰুত্বপূর্ণ। ই সমাজৰ নিগুট আয়ৰ ওপৰত নির্ভৰ কৰে ; ই শ্রমিকসকলোৰ বাবে প্রয়োজনীয় নুন্যতম ব্যয় ওপৰত ৰৈ যোৱা মুঠ উৎপাদনৰ ৰাহি। এই ৰাহি যিমানেই বেছি হয়, সঞ্চয়ৰ ক্ষমতা সিমানেই বেছি।

৬ নং প্রশ্নৰ উত্তৰ ঃ মূলধন আহৰণ বৃদ্ধিৰ লগে লগে লাভ আৰু মজুৰি বৃদ্ধি হয় আৰু মজুৰি বৃদ্ধিয়ে লাভ হ্রাস কৰে। লাভ তেতিয়ালৈ হ্রাস হৈ থাকিব যেতিয়ালৈ নিগুট উৎপাদন ৰেখাই এক বিশেষ বিন্দুত কটা কটি নকৰে। এই বিন্দুটোতে অর্থনীতিটো স্থিতিশীল অৱস্থাত উপনীত হয়।

৪. ১১ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ উন্নয়নৰ ওপৰত আডাম স্মিথৰ মতামত লিখা।

প্ৰশ্ন নং ২ ঃ উন্নয়নৰ ওপৰত ৰিকার্ড'ৰ মতামত লিখা ।

ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ আডাম স্মিথৰ উন্নয়ন তত্ত্বৰ এক সমালোচনামূলক বিশ্লেষণ আগবঢ়োৱা।

প্ৰশ্ন নং ২ ঃ আডাম স্মিথৰ উন্নয়ন তত্ত্বৰ এক সমালোচনামূলক বিশ্লেষণ/মূল্যায়ন আগবঢ়োৱা।

প্ৰশ্ন নং ৩ ঃ ৰিকার্ডৰ উন্নয়ন তত্ত্বৰ এক সমালোচনামূলক বিশ্লেষণ/মূল্যায়ন আগবঢ়োৱা।

প্ৰশ্ন নং ৪ ঃ শ্ৰমৰ শ্ৰেণী বিভাজনৰ অৰ্থনৈতিক গুৰুত্ব কি? ৰিকার্ড'ই কিয় অৰ্থনীতি এখনৰ বাবে স্থিতিশীল অৱস্থাৰ ভৱিষ্যতবাণী কৰিছিল?

*** **** ***

অধ্যায় ৫ ঃ উন্নয়নৰ তত্ত্বসমূহ ২

অধ্যায় গাঁথনি

৫.১ শিক্ষণৰ উদ্দেশ্যসমূহ

৫.২ Lewisৰ অপর্যাপ্ত শ্রম যোগান তত্ত্ব ঃ ইয়াৰ অভিধাৰণা সমূহ

৫.৩ Lewis তত্ত্বৰ বৈশিষ্ট্যসমূহ

৫.৩.১ দ্বৈত খণ্ডৰ অর্থনীতি বা দ্বৈত অর্থনীতি

৫.৩.২ পুজিবাদীৰ উদ্বৃত্ত

৫.৪ Lewis ৰ তত্ত্বৰ সমালোচনাত্মক মূল্যায়ন

৫.৫ Rostow ৰ অর্থনৈতিক বিকাশৰ স্তৰসমূহ

৫.৫.১ পৰম্পৰাগত সমাজ

৫.৫.২ উত্তৰণৰ পূর্ব চর্ত

৫.৫.৩ উত্তৰণ

৫.৫.৪ পূর্ণতাৰ দিশত যাত্রা

৫.৫.৫ উচ্চ জন উপভোগৰ স্তৰ

৫.৬ Rostow ৰ অর্থনৈতিক বিকাশৰ তত্ত্বৰ সমালোচনা

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আর্হি প্রশ্ন

৫.১ শিক্ষণৰ উদ্দেশ্যসমূহ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- Lewisৰ অর্থনৈতিক বিকাশৰ স্তৰসমূহ জানিব পাৰিব
- Lewisৰ তত্ত্বৰ বৈশিষ্ট্যসমূহ বুজিব পাৰিব
- Lewisৰ অপর্যাপ্ত শ্রম যোগান তত্ত্বৰ সীমাবদ্ধতাসমূহ জানিব পাৰিব
- Rostowৰ অর্থনৈতিক বিকাশৰ স্তৰসমূহৰ. জানিব পাৰিব
- Rostowৰ অর্থনৈতিক বিকাশৰ স্তৰসমূহৰ শ্রেণীবিভাজনৰ বিষয়ে জানিব পাৰিব
- Rostowৰ অর্থনৈতিক বিকাশৰ স্তৰসমূহৰ সীমাবদ্ধতাৰ বিষয়ে জানিব পাৰিব।

৫.২ Lewisৰ অপর্যাপ্ত শ্রম যোগান তত্ত্বঃ ইয়াৰ অভিধাৰণাসমূহ

অধ্যাপক Lewisৰ তত্ত্বটো তলত দিয়া অভিধাৰণাসমূহৰ ওপৰত প্রতিষ্ঠিত-

- অর্থনীতিত অপর্যাপ্ত শ্রমৰ উপস্থিতি

- দ্বৈত প্রকৃতিৰ অর্থনীতি
- অদক্ষ শ্রমিকৰ দক্ষতা বৃদ্ধি আৰু প্রশিক্ষণৰ ব্যয় সকলো সময়তে স্থিৰ বুলি ধৰা হয়
- সম্প্রসাৰিত পুজিবাদী খণ্ডত সর্ব্বোচ্চ লাভ আহৰণৰ নীতি অনুসৰি উৎপাদন নির্ধাৰিত হয়।
- পুর্নঃ উৎপাদন যোগ্য মূলধন আৰু মজুৰিকৃত শ্রমিকৰ নিয়োগৰ দ্বাৰা পুজিবাদী খণ্ডৰ কার্য প্রক্রিয়া চলে
- জীৱিকা নির্বাহ কাৰী খণ্ডই পুর্ণ উৎপাদনযোগ্য মূলধন ব্যৱহাৰ নকৰে
- জীৱিকা নির্বাহ কৰী খণ্ডৰ গড় উৎপাদন পুজিবাদী খণ্ডতকৈ কম।
- পুজিবাদী খণ্ড আৰু জীৱিকা নির্বাহ কৰী খণ্ডৰ মাজৰ সম্পর্ক হ'ল যে পুজিবাদী খণ্ডৰ সম্প্রসাৰণৰ লগে লগে পুজিবাদী খণ্ডই জীৱিকা নির্বাহ কাৰী খণ্ডৰ পৰা শ্রমিক আহৰণ কৰে।
- সম্প্রসাৰিত পুজিবাদী খণ্ডই প্রদান কৰিব লগা মজুৰি জীৱিকা নির্বাহ কাৰি খণ্ডৰ আয়ৰ দ্বাৰা নির্ধাৰিত হয়।

৫.৩ Lewis তত্ত্বৰ বৈশিষ্ট্যসমূহ

Lewis ৰ অপর্যাপ্ত শ্রম যোগান তত্ত্বৰ মূখ্য বৈশিষ্ট্য সমূহ তলত উল্লেখ কৰা হ'ল-

৫.৩.১ দ্বৈত খণ্ডৰ অর্থনীতি বা দ্বৈত অর্থনীতি

Lewis ৰ মতে, উন্নয়নশীল দেশত জীৱন নির্বাহৰ মজুৰিৰ হাৰত (Subsistence wage) অপর্যাপ্ত শ্রমৰ যোগান পোৱা যায়। এই দেশসমূহৰ অর্থনীতি দ্বৈত অর্থনীতি আৰু ইয়াক দুটা ভাগত বিভক্ত কৰিব পাৰি-

(a) পুজিবাদী খণ্ড(The Capitalist Sector)

(b) জীৱিকা নির্বাহ কাৰী খণ্ড (The Subsistence Sector)

পুজিবাদী খণ্ড হ'ল অর্থনীতিৰ সেইটো অংশ যিয়ে পনঃ উৎপাদন যোগ্য মূলধন ব্যৱহাৰ কৰে। ইয়াত মূলধনৰ ব্যৱহাৰ সম্পূর্ণৰূপে পুজিবাদী খণ্ডৰ অধীনত থাকে। য'ত তেওঁলোকে শ্রমিকৰ সেৱা ভাৰাত লয়। এই খণ্ডত মানুহবোৰ সাধাৰণতে উন্নত, শিক্ষিত, অত্যাধুনিক আৰু দক্ষ। এই খণ্ডই লাভ আহৰণৰ উদ্দেশ্যে শ্রমিকসকলক মজুৰিৰ বিনিময়ত খনি, কাৰখানা আৰু উদ্যান ইত্যাদিত নিয়োগ কৰে। এই খণ্ডত জনমূৰি উৎপাদন যথেষ্ট বেছি। আনহাতে জীৱিকা নির্বাহ কৰী খণ্ড হ'ল অর্থনীতিৰ সেইটো অংশ যিয়ে পুনঃ উৎপাদনযোগ্য মূলধন ব্যৱহাৰ নকৰে। এই খণ্ডত জনমূৰি উৎপাদন যথেষ্ট কম আৰু মানুহবোৰো সাধাৰণতে পিচপৰা, অশিক্ষিত আৰু অদক্ষ হোৱা দেখা যায়।

এই খণ্ডৰ প্রধান সমস্যাটো হ'ল অপর্যাপ্ত শ্রমিক সকলক লাভজনক নিয়োগ প্রদান কৰাটো। নতুন উদ্যোগ স্থাপন বা প্রচলিত উদ্যোগৰ সম্প্রসাৰণ অথবা জীৱিকা নির্বাহ কৰী খণ্ডৰ পৰা জীৱন নির্বাহৰ মজুৰিৰ হাৰত উদ্বৃত্ত শ্রমিক সকলক স্থানান্তৰ কৰাৰ জৰিয়তে ই সম্ভৱ হ'ব পাৰে। ইয়াৰ অর্থ হ'ল শ্রমৰ প্রান্তিক উৎপাদনশীলতা কম থকা জীৱিকা নির্বাহ কৰী খণ্ডৰ পৰা উচ্চ মজুৰি আৰু শ্রমৰ উচ্চ প্রান্তিক উৎপাদনশীলতা থকা পুজিবাদী খণ্ডলৈ শ্রমৰ গতিশীলতা।

পুনঃউৎপাদনযোগ্য মূলধনঃ কোনো ব্যক্তি, অংশীদাৰী ব্যৱসায় বা নিগমে ব্যৱহাৰ কৰা বা অধিক উৎপাদনৰ উদ্দেশ্য ব্যৱহাৰ কৰিব পৰাকৈ পর্যাপ্ত পৰিমানে উপলব্ধ সম্পদ (টকা-পইচা বা সম্পত্তি)

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তলৰ উক্তিবোৰ সঁচানে মিছা কওক-

(ক) পুজিবাদী শ্রেণীৰ সঞ্চয় কম (সঁচা/মিছা)

(খ) বেছিভাগ অনুন্নত দেশেই অত্যাধিক জনসংখ্যাৰ বোজা বহন কৰে (সঁচা/মিছা)

প্রশ্ন ২ ঃ Lewis এ আগবঢ়োৱা অনুসৰি পুজিবাদী খণ্ডৰ ধাৰণাটো ব্যাখ্যা কৰক।

(৫০ টা শব্দৰ ভিতৰত লিখিব)

.....

.....

.....

.....

৫.৩.২ পুজিবাদীৰ উদ্বৃত্ত (Capitalist Surplus)

পুজিবাদী শ্রেণীৰ মূখ্য উদ্দেশ্য হ'ল সর্বোত্তম লাভ আহৰণ কৰা। পুজিবাদীৰ মজুৰি আৰু শ্রমৰ প্রান্তিক উৎপাদনশীলতাৰ মাজত থকা পার্থক্যই হ'ল পুজিবাদীৰ উদ্বৃত্ত। পুজিবাদী সকলে জীৱিকা 'নির্বাহ কাৰী খণ্ডৰ পৰা শ্রম আহৰণ কৰে। এই শ্রমিক সকলৰ উৎপাদনলৈ অৱদান তেওঁলোকৰ প্রাপ্য মজুৰিতকৈ অধিক। এনেদৰেই পুজিবাদী খণ্ডত উদ্বৃত্তৰ সৃষ্টি হয়। অধ্যাপক Lewis এ ইয়াকে পুজিবাদীৰ উদ্বৃত্ত বুলি অভিহিত কৰিছে। উদ্যোক্তা সকলে এই উদ্বৃত্তখিনি নতুন মূলধনী সম্পদত পুনৰ বিনিয়োগ কৰে। ই অর্থনীতিত মূলধন গঠনত সহায় কৰে। এই বিনিয়োগে জীৱিকা নির্বাহকাৰী খণ্ডৰ পৰা লৈ অহা নিবনুৱা শ্রমিক সকলৰ বাবে নতুন নিয়োগৰ সৃষ্টি কৰে। পূজিবাদীৰ মজুৰিৰ হাৰত শ্রমৰ যোগান সম্পূর্ণ স্থিতিস্থাপক বুলি ধৰা হয়। এইদৰে পুজিবাদীৰ প্রচলিত মজুৰিৰ হাৰত শ্রমিক সকল উপলব্ধ হৈ থাকে। উদ্বৃত্ত সৃষ্টিৰ এই চক্রীয় প্রক্রিয়া বিনিয়োগ বৃদ্ধি হৈ থাকে। উদ্বৃত্ত সৃষ্টিৰ এই চক্রীয় প্রক্রিয়া বিনিয়োগ বৃদ্ধি আৰু শ্রমিকৰ চাহিদা বৃদ্ধিয়ে অনুন্নত অৱস্থাৰপৰা উন্নয়নশীলতাৰ দিশত গতি প্রদান কৰে। চমুকৈ, অর্থনৈতিক উন্নয়ন তেতিয়ালৈকেহে চলি থাকে যেতিয়ালৈকে মূলধন শ্রমৰ অনুপাত বৃদ্ধি হৈ থাকে, শ্রমৰ যোগান অস্থিতিস্থাপক হৈ থাকে আৰু উদ্বৃত্ত শ্রমিক অদৃশ্য নহয়।

৫.৪ Lewis তত্ত্বৰ বৈশিষ্ট্যসমূহ

এই তত্ত্বটো তত্ত্বগত আৰু প্রায়োগিক দিশত নিম্ন উল্লেখিত ধৰণে সমালোচিত হৈছে-

- **অবাস্তব অভিধাৰণা ঃ** এই তত্ত্বটোৱে জীৱিকা নির্বাহকাৰী খণ্ডৰ পৰা শ্রমৰ যোগান সম্পূর্ণ শেষ হৈ নোযোবাৰ লৈকে পুজিবাদী খণ্ডত স্থিৰ মজুৰিৰ হাৰৰ কথা কৈছে। যিটো সম্পূর্ণ অবাস্তব ধাৰণা।
- **সীমিত পৰিমানৰ দক্ষ শ্রমিক ঃ** অধ্যাপক Lewisএ নিজেও স্বীকাৰ কৰিছে যে দক্ষ শ্রমিকৰ সীমিত যোগানটো

এটা সাময়িক সমস্যা। যিটো শ্রমিক সকলক প্রশিক্ষণৰ যোগেদি আঁতৰাব পাৰি। কিন্তু সত্যটো এয়ে যে পিচপৰা আৰু অনুন্নত অর্থনীতিত দক্ষতা গঠনৰ সমস্যাটো সহজে আঁতৰোৱা কঠিন।

- **একপক্ষীয় তত্ত্ব ঃ** অধ্যাপক Lewisএ কৃষিখণ্ডত হ'ব পৰা অগ্রগতিৰ কথা সম্পূর্ণৰূপে আওকান কৰিছে। সেয়ে ই একপক্ষীয় তত্ত্ব।
- **সঞ্চয় কেবল পুজিবাদী খণ্ডতে কৰা নহয় ঃ** উন্নয়নশীল দেশত বৃহৎ পৰিমানৰ সঞ্চয় কেবল পুজিবাদী খণ্ডই কৰা কথাটো সঁচা নহয়।
- **শ্রমৰ প্রবজন ইমান সহজ নহয় ঃ** Lewisএ তত্ত্বটোত দেখুওৱাৰ দৰে জীৱিকা নির্বাহকাৰী খণ্ডৰ পৰা পুজিবাদী খণ্ডলৈ শ্রমিকৰ প্রবজন ইমান সহজ নহয়। কাৰণ মাটি আৰু ঘৰৰ প্রতি থকা তেওঁলোকৰ আকর্ষণ। সমালোচনা থকা সত্বেও, Lewisৰ তত্ত্বটোৰ অর্থনৈতিক উন্নয়ন প্রক্রিয়াত থকা প্রয়োজনীয়তা নুই কৰিব নোৱাৰি। ই উন্নয়নশীল দেশত মূলধন গঠনৰ ভূমিকাৰ ওপৰত আলোচনা কৰে। য'ত শ্রমিক উদ্বৃত্ত আৰু মূলধন দুর্লভ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ঃ Lewisএ তত্ত্বৰ ওপৰত ভিত্তি কৰি পুজিবাদী উদ্বৃত্তৰ সংজ্ঞা দিয়ক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন ৪ ঃ Lewisএ তত্ত্বটোক কিয় একপক্ষীয় তত্ত্ব বুলি কোৱা হয়। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

৫.৫ Rostow's (ৰষ্টৌৰ) অর্থনৈতিক বিকাশৰ স্তৰ সমূহ

অধ্যাপক W.W. Rostow ই অর্থনৈতিক বিকাশৰ স্তৰ সমূহক ৫ টা ভাগত বিভক্ত কৰিছে-

- পৰম্পৰাগত সমাজ (The Traditional Society)
- উত্তৰনৰ পূর্ব চর্ত (Pre conditions for 'take off')
- উত্তৰণ (The take off stage)
- পূর্ণতাৰ দিশত যাত্রা (The drive to maturity)
- উচ্চ গন উপভোগৰ স্তৰ (The age of High Mass Consumption)

৫.৫.১ স্তৰ ১ ঃ পৰম্পৰাগত সমাজ (The traditional Society)

অর্থনৈতিক বিকাশৰ প্রথম স্তৰটো হৈছে পৰম্পৰাগত সমাজ। ই হ'ল পুৰণি প্রযুক্তি আৰু ভৌতিক জগতৰ প্রতি পুৰণি দৃষ্টিভঙ্গীৰ ওপৰত প্রতিষ্ঠিত এখন সমাজ। এনে সমাজত অর্থনৈতিক কার্যাৱলী সমূহ একেবাৰে সাধাৰণ আহিলাৰ সহায়ত সম্পন্ন আৰু কেৱল মাত্র ঘৰুৱা চাহিদা পূৰণৰ

অর্থহে ব্যৱহৃত হয়। কিন্তু ইয়াৰ অর্থ এইটো নহয় যে পৰম্পৰাগত সমাজ স্থবিৰ। কৃষি কার্যৰ অধীনত অধিক ভূমিৰ ব্যৱহাৰৰ যোগেদি কৃষিৰ উৎপাদন বৃদ্ধি কৰিব পাৰি। কিন্তু ক্রমহ্রাসমান প্রতিদানৰ ভিত্তিতহে কৃষিৰ উৎপাদন বৃদ্ধি হয়। এনে সমাজৰ গাঠনি আছিল শৃংখলানুক্রমিক য'ত পৰিয়াল, ধর্ম, জাতি-প্রজাতিৰ সংযোগে এক মূখ্য ভূমিকা পালন কৰিছিল। ধনী অভিজাত শ্রেণী আৰু বৃহৎ ভূমিৰ গৰাকীৰ ইচ্ছা আৰু আকাংশাৰ দ্বাৰা এই সমাজৰ কার্যপ্রণালী প্রভাৱিত হৈছিল। এইদৰে পৰম্পৰাগত সমাজৰ মূখ্য বৈশিষ্ট্যসমূহ হ'ল-কৃষিৰ প্রাধান্য, পৰিয়াল আৰু জাতি প্রথাৰ গুৰুত্ব, নির্দিষ্ট সামাজিক গোটৰ হাতত ক্ষমতাৰ কেন্দ্রীভূত কৰণ, বিজ্ঞান আৰু প্রযুক্তি বিদ্যা সম্পর্কে প্রায় অজ্ঞতা, উচ্চ জন্ম আৰু মৃত্যু হাৰ, উন্নয়নৰ সা-সুবিধাৰ বিষয়ে অজ্ঞতা, ঘৰুৱা প্রয়োজন পূৰণতেই অর্থনৈতিক কার্যাৱলীৰ সীমাবদ্ধতা।

৫.৫.২ স্তৰ ২ ঃ উত্তৰণৰ পূর্ব চর্ত (Pre Conditions for take-off)

উত্তৰণৰ পূর্ব চর্ত স্তৰটোৱে প্রকৃততে এইটো স্তৰক বুজায় য'ত উৎপাদনৰ সকলোবোৰ গুৰুত্বপূর্ণ উপাদান-ভূমি, শ্রমিক, মূলধন আৰু উদ্যোক্তা সাংগ্রহিত কৰা হয়। এই স্তৰত প্রযুক্তিৰো উপাদানসমূহ উন্নত আৰু বিকশিত হয়। উদ্যোক্তাসকলে সঞ্চয় কৰিবলৈ আৰু লাভৰ শংকা বহন কৰিবলৈ আগবাঢ়ি আহে। অর্থনীতিৰ উদ্যোগীকৰণ আৰু ৰাষ্ট্রক একীভূত কৰাৰ ক্ষেত্রত প্রধান ৰাজনৈতিক বাধাসমূহ আঁতৰি যায়। ইয়ে এক সংহত অর্থনীতিৰ পথ প্রশস্ত কৰে। কৃষি খণ্ডত উৎপাদন বিপ্লৱে দেখা দিয়ে। তথাপিও এই স্তৰত দৃষ্টিভঙ্গী আৰু সাংগঠনিক ধৰণৰ মন্থৰ পৰিবর্তন দেখা যায়। পৰম্পৰাগত আঁসোবাহ সমূহ আঁতৰি যোৱাৰ লগে লগে অর্থনৈতিক বিকাশৰ ধাৰণাটো আৰম্ভ হয়। বৃত্তিগত, ভৌগোলিক আৰু সামাজিক গতিশীলতাও দেখা দিয়ে। আমদানি প্রতিকল্প উদ্যোগে গঢ় লৈ উঠে। মৃত্যু হাৰ কমে যদিও জন্মৰ হাৰ একেই থাকে। জনসংখ্যাৰ বোজা বাঢ়ি যায়।

Rostow ৰ মতে, ধাৰাবাহিক উদ্যোগিক উন্নয়নৰ পূর্ব চর্ত বাবে সাধাৰণতে ৩টা অনা-উদ্যোগিক খণ্ডত বহুল পৰিবর্তনৰ প্রয়োজন। সেইবোৰ হ'ল-

(i) সামাজিক মূলধন গঠন

(ii) কৃষিত প্রযুক্তি বিপ্লৱৰ আগমন

(iii) বৈদেশিক বানিজ্য সম্প্রসাৰণ

ইয়াৰ উপৰিও প্রত্যাৱপনৰ বাবে এক সামাজিক পৰিবর্তনৰো প্রয়োজন। ইয়াৰ বাবে এক নির্দিষ্ট সামাজিক দৃষ্টিভঙ্গী প্রত্যাশা আৰু মূল্যবোধৰ পৰিবর্তনৰ প্রয়োজন। মানুহে প্রগতি বিচাৰিব লাগিব আৰু বিকাশ সম্ভৱপৰ বুলি বিশস্ত হ'ব লাগিব।

৫.৫.৩ স্তৰ ৩ ঃ উত্তৰণৰ (The take-off Stage)

উত্তৰণ হ'ল কোনো এখন সমাজৰ ক্রম বিকাশৰ এক নির্ণায়ক স্তৰ য'ত বৃদ্ধি সমাজৰ এক স্বাভাৱিক চর্ত হিচাপে পৰিগণিত হয়। সাধাৰণতে কোনো প্রবল উদ্দীপকৰ বাবে উত্তৰণৰ স্তৰ আৰম্ভ হয়। যি উদ্দীপক হ'ব পাৰে কোনো ৰাজনৈতিক জাগৰণ, প্রযুক্তি- কৌশলৰ উদ্ভাৱন নাইবা কোনো

আন্তজার্তিক পৰিৱেশ। বিভিন্ন খণ্ডৰ সম্প্রসাৰণ এ অর্থনীতিৰ গাঁথনি পৰিবর্তন আনে, যি স্বয়ং বহনক্ষম বৃদ্ধিৰ ওপৰত কার্য কৰিবলৈ আৰম্ভ কৰে। এবাৰ অর্থনৈতিক শক্তি সমুহে অর্থনৈতিক বিকাশৰ প্রক্রিয়াটো ত্বৰান্বিত কৰে। এই স্তৰত অর্থনীতি কোনো বহিঃৰ সাহার্য্য নোহোৱাকৈ অগ্রগতি লাভ কৰে। নতুন উদ্যোগ প্রতিষ্ঠান হয়, যিয়ে উদ্বৃত আহৰণ কৰে। বিনিয়োগৰ হাৰ বৃদ্ধি হয়। নতুন উদ্ভাৱন ঘটে। কিন্তু উত্তৰণৰ সময়সীমা হ্রস্বম্যাদী হোৱা দেখা যায়। সাধাৰণতে এই স্তৰ দুই বা তিনি দশক জুৰি ব্যাপ্ত হয়। এইদৰে উত্তৰণৰ স্তৰৰ প্রধান বৈশিষ্ট্যসমূহ হ'ল - উৎপাদনশীল উদ্যোগৰ বাবে নতুন সম্ভাৱনা, উদ্যমিতাৰ বিকাশ আৰু মূলধন গঠনৰ হাৰ বৃদ্ধি , বৈদেশিক মূলধন সহায়ক কিন্তু অপৰিহার্য চর্ত নগয়, সর্ব্বোচ্চ বা পুনৰ বিনিয়োগ যোগ্য উদ্বৃত্ত আহৰণ কৰা অগ্রণী খণ্ডৰ আগমন যিয়ে উৎপাদনশীল বিনিয়োগত সহায় কৰে। বৈদেশিক বাণিজ্যই বিনিয়োগৰ হাৰ বৃদ্ধিত অৰিহণা যোগায়, চাহিদা বৃদ্ধি হয়, প্রযুক্তি কৌশলৰ বিকাশ ঘটে, চৰকাৰী নীতি- অর্থনৈতিক উন্নয়নৰ সহায়ক হয়, বহনক্ষম আৰু স্বয়ংক্রিয় বৃদ্ধিৰ বাবে অর্থনৈতিক জাগৰণ ইত্যাদি।

৫.৫.৪ স্তৰ ৪ ঃ পূর্ণতাৰ দিশত যাত্রা (The drive to maturity)

এই সময়ছোৱাত বহুতো কাৰিকৰী পৰিবর্তন ঘটে আৰু সমাজে কাৰিকৰী পৰিপূর্ণতা লাভ কৰে। নতুন উৎপাদন কৌশল আৱিষ্কাৰ হয় আৰু পুৰণি কৌশল বিলুপ্ত হয়। এই সময়ছোৱাত সঞ্চয় আৰু বিনিয়োগৰ হাৰে এনে এক মাত্রা লাভ কৰে যে অর্থনৈতিক উন্নয়নে স্বয়ং ক্রিয়তা লাভ কৰে। দ্রুত গতিত ৰপ্তানি বৃদ্ধি হয়। অর্থনীতিয়ে পৰিপূর্ণতাৰ দিশত ধাৱমান হোৱাৰ লগে লগে সামগ্রিক গড় মূলধন বৃদ্ধি হয়। নতুন প্রযুক্তি কৌশল প্রয়োগৰ লগে লগে উদ্যোগীকৰণৰ ও ব্যাপক সম্প্রসাৰণ হয়। ৰাষ্ট্র স্বনির্ভৰশীল হয়। নতুন অগ্রণী খণ্ডৰ সৃষ্টি হয়। গ্রাম্য কার্যাৱলীত নিয়োজিত জনসংখ্যাৰ অনুপাত হ্রাস পায়। মানুহে চহৰত বসবাস কৰিবলৈ পচন্দ কৰে। শ্রমিকৰ কাৰিকৰী দক্ষতা বাঢ়ে। প্রকৃত মজুৰি বৃদ্ধি পায়। শ্রমিকসকলে অধিক অর্থনৈতিক আৰু সামাজিক নিৰাপত্তাৰ বাবে নিজকে নিজে সংগঠিত কৰে. পূর্ণতাৰ দিশত যাত্রা স্তৰৰ প্রধান বৈশিষ্ট্য সমূহ হ'ল- শ্রমিকৰ দক্ষতা বৃদ্ধি, প্রকৃত মজুৰি বৃদ্ধি, শ্রমিকৰ সংগঠন, মার্জিত নম্র আৰু সুদক্ষ পৰিচালকৰ আগমন, ১০% ৰপৰা ২০% বিনিয়োগৰ হাৰ বৃদ্ধি, প্রযুক্তি কৌশলৰ পৰিবর্তনৰ জৰিয়তে প্রযুক্তিৰ পৰিপূর্ণতা, দ্রুত ৰপ্তানি বৃদ্ধি, গ্রামাঞ্চলৰ পৰা নগৰলৈ জনসংখ্যাৰ স্থানান্তৰ পৃথিৱীৰ উন্নত জাতি সমূহৰ মাজত অর্থনীতিৰ তাৎপর্যপূর্ণ মানদণ্ড আহৰণ ইত্যাদি।

৫.৫.৫ স্তৰ ৫ ঃ উচ্চ গণ উপভোগৰ স্তৰ (The stage of high Mass Consumption)

এইটো স্তৰত দেশৰ মনোযোগ উৎপাদনৰ পৰা উপভোগলৈ আৰু মানৱ কল্যানৰলৈকে সলনি হোৱা দেখা যায়। মানুহবোৰো গাঁৱৰ পৰা চহৰলৈ প্রবজন হয়, গাড়ী-মটৰ, দীর্ঘস্থায়ী উপভোগৰ সামগ্রী আৰু ঘৰুৱা সা-সৰঞ্জামৰ ব্যাক ব্যৱহাৰ হোৱা দেকা যায়। এই স্তৰৰ প্রধান বৈশিষ্ট্যবোৰ হ'ল- আৰাম আৰু বিলাসী সামগ্রীৰ উপভোগ বৃদ্ধি, মানুহৰ জীৱন ধাৰণ মানদণ্ডৰ উন্নতি, সমাজে ৰাষ্ট্রৰ কল্যানমূলক অভিধাৰণা কৰে, সামগ্রিক আৰু গড় আয় বৃদ্ধি, এইটো উপভোগৰ সার্বভৌমত্বৰ সময়, গাঁৱৰ পৰা

চহৰলৈ জনসংখ্যাৰ প্ৰবজন ঘটে, আৰ্থিক নিৰাপত্তা বৃদ্ধি হয়, নিয়োগৰ সুবিধা বৃদ্ধি হয়, গাড়ী-মটৰ, দীৰ্ঘস্থায়ী উপভোগৰ সামগ্ৰী আৰু ঘৰুৱা সা-সৰঞ্জামৰ ব্যাপক ব্যৱহাৰ হোৱা দেখা যায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ তলৰ উক্তিবোৰ সঁচানে মিছা লিখক-

(ক) অধ্যাপক ...ই অৰ্থনৈতিক বিকাশৰ প্ৰক্ৰিয়াটো তিনিটা স্তৰত ভাগ কৰিছিল (সঁচা/ মিছা)

(খ) পৰম্পৰাগত সমাজত কৃষিৰ প্ৰাধান্য নাছিল। (সঁচা/ মিছা)

প্ৰশ্ন ৬ ঃ পৰম্পৰাগত সমাজৰ বৈশিষ্ট্য সমূহ কি কি? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন ৭ ঃ 'উত্তৰণ' স্তৰ বুলিলে কি বুজে? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

৫.৬ Rostow's ৰ অৰ্থনৈতিক বিকাশৰ স্তৰৰ সমালোচনা

অধ্যাপক Rostow ৰ তত্ত্বটো নিম্ন উল্লেখিত দিশত সমালোচনা কৰিব পাৰি-

- উন্নয়নৰ কাৰণে পৰম্পৰাগত সমাজৰ প্ৰয়োজন নাই- সমালোচকৰ মতে এইটো সত্য নহয় যে সকলো দেশে পৰম্পৰাগত সমাজৰ প্ৰথম স্তৰটো মাজেৰে পাৰ হ'ব লাগিব। আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাজ, নিউনিলেণ্ড আৰু অষ্ট্ৰেলিয়া আদি দেশৰ সৃষ্টি পৰম্পৰাগত সমাজৰ অবিহনে হৈছে।
- পূৰ্বচৰ্ত উত্তৰনৰ আগত নহবও পাৰে- সমালোচকৰ মতে, পূৰ্ব চৰ্ত স্তৰটো উত্তৰণ স্তৰৰ আগত হোৱাটো অপৰিহাৰ্য নহয়। উদাহৰণস্বৰূপে কৃষি বিপ্লব আৰু পৰিবহনৰ আৰ্জিত সামাজিক মূলধন উত্তৰনৰ আগত হ'ব লাগিব বুলি কোনো কথা নাই।
- বিভিন্ন স্তৰৰ সংঘাত- বহুতো দেশত উত্তৰণৰ স্তৰতে কৃষিৰ বিকাশ চলি থাকে। ই বিভিন্ন স্তৰৰ মাজত এক উল্লেখযোগ্য সংঘাত প্ৰতিয়মান কৰে।
- ভিত্তিহীন- অধ্যাপক Rostow ত এটা স্তৰৰ পৰা আনটো স্তৰক পৃথক কৰি দেখুওৱাৰ বাবে কোনো স্পষ্ট ভিত্তি আগবঢ়োৱা নাই। সেইবাবে এটা বিশেষ স্তৰ কেতিয়া আৰম্ভ হয় আৰু অন্য এটা কেতিয়া শেষ হয় ইয়াক ঠিৰাং কৰাতো কঠিন।
- অনিশ্চয়তা- Rostow ৰ স্তৰসমূহে কেৱল মাত্ৰ বিভিন্ন স্তৰৰ ক্ৰম হে বিশ্লেষণ কৰে। ই অৰ্থনৈতিক উন্নয়নৰ ঘটনাক্ৰমৰ পূৰ্বানুমান কৰাত ব্যৰ্থ হৈছে। লগতে পঞ্চম স্তৰত কি হ'ব সেইটো Rostow ৰ উন্নয়ন বিশ্লেষণৰ পৰিসৰৰ বাহিৰত।

৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- অধ্যাপক Lewisত অর্থনৈতিক বিকাশৰ প্রক্রিয়াটো উন্নয়নশীল দেশ সমূহৰ প্রসংগত অর্থনীতিৰ দ্বৈত খণ্ডত অধ্যয়ন কৰিছে।
- Lewisৰ মতে, অনুন্নত দেশসমূহৰ দ্বৈত অর্থনীতি থাকে আৰু সেয়েহে ইয়াক দুটা খণ্ডত বিভক্ত কৰিব পাৰি-পুজিবাদী খণ্ড আৰু শ্রমিক কৰী খণ্ড।
- পুঁজিবাদী খণ্ড আৰু শ্রমিক কাৰি খণ্ডৰ সম্পর্কটো হ'ল এয়ে যে পুজিবাদী খণ্ডৰ সম্প্রসাৰণৰ লগে লগে শ্রমিক কাৰি খণ্ডৰ পৰা শ্রমিক আহৰণ কৰে।
- পুজিবাদী খণ্ডৰ মূল্য উদ্দেশ্য হ'ল তেওঁলোকৰ সর্ৱোচ্চ লাভ আহৰণ কৰা। পুজিবাদীৰ উদ্বৃত্ত হ'ল শ্রমৰ প্রান্তিক উৎপাদনশীলতা আৰু পুজিবাদী মজুৰিৰ মাজত পার্থক্য।
- পুজিবাদীৰ উদ্বৃত্ত উদ্যোক্তাসকলৰ দ্বাৰা নতুন মূলধনী সম্পদত পুনৰ বিনিয়োগ কৰা হয়। ইয়ে অর্থনীতিত মূলধন গঠন কৰে আৰু পৰিণতিত অর্থনৈতিক উন্নয়ন সম্ভৱ হয়।
- অধ্যাপক W.W Rostow এ অর্থনৈতিক বিকাশৰ প্রক্রিয়াটোক ৫ টা ভাগত বিভক্ত কৰিছে- পৰম্পৰাগত সমাজ, উত্তৰণৰ পূর্ব চর্ত, উত্তৰণ, পূর্ণতাৰ দিশত যাত্রা আৰু উচ্চ গন উপভোগৰ স্তৰ।
- উন্নয়নৰ ধৰণে বিভিন্ন স্তৰৰ মাজত উল্লেখনীয় সংঘাত সৃষ্টি কৰে।
- Rostow ৰ স্তৰসমূহে কেৱল মাত্র বিভিন্ন স্তৰৰ ক্রম হে বিশ্লেষণ কৰে। ই অর্থনৈতিক উন্নয়নৰ ঘটনাক্রমৰ পুর্বানুমান কৰাত ব্যর্থ হৈছে। লগতে পঞ্চম স্তৰত কি হ'ব সেইটো Rostow ৰ উন্নয়ন বিশ্লেষণৰ পৰিসৰৰ বাহিৰত।

৫.৮ অধিক জানিবলৈ

1. Agarwal, R.C., Economics of Development & Planning, First Edition, 2002
2. Meier, G.M., & James E. Rauch, Leading Issies in Economic Development, Eight Edition, 2009
3. Ray. Debraj, Development Economics, 2002
4. Thiruall, A.P., Economics of Development , Ninth Edition, 2001
5. Todaro, Michael P and Stephen C. Smith, Economic Development, Tenth Edition, 2009

৫.৯ অগ্রগতিৰ খতিয়ান

উত্তৰ সমূহঃ

১। (ক) মিছা

(খ) সঁচা

২। পুজিবাদী খণ্ড হ'ল অর্থনীতিৰ সেইটো অংশ যিয়ে পুন উৎপাদনযোগ্য মূলধন ব্যৱহাৰ কৰে। ইয়াত মূলধনৰ ব্যৱহাৰ সম্পূর্ণৰূপে পুজিবাদী খণ্ডৰ অধীনত থাকে। য'ত তেওঁলোকে শ্রমিকৰ সেৱা ভাৰাত

লয়। ই ব্যক্তিগত বা ৰাজহুৱা হ'ব পাৰে। এই খণ্ডত গড় উৎপাদন বেছি হয়।

৩। পুজিবাদীৰ মজুৰি আৰু শ্ৰমৰ প্ৰান্তিক উৎপাদনশীলতাৰ মাজত থকা পাৰ্থক্যই হ'ল পুজিবাদীৰ উদ্বৃত্ত। পুজিবাদী সকলে জীৱিকা নিৰ্বাহ কৰি খণ্ডৰ পৰা শ্ৰম আহৰণ কৰে। এই শ্ৰমিক সকলৰ উৎপাদনলৈ অৱদান তেওঁলোকৰ প্ৰাপ্য মজুৰিতকৈ অধিক। এনেদৰেই পুজিবাদীখণ্ডত উদ্বৃত্তৰ সৃষ্টি হয়। অধ্যাপক Lewis এ ইয়াকে "পুজিবাদীৰ উদ্বৃত্ত বুলি অভিহিত কৰিছে।

৪। অধ্যাপক Lewis এ কৃষিখণ্ডত হ'বপৰা অগ্ৰগতিৰ কথা সম্পূৰ্ণৰূপে আওকান কৰিছে। সেয়ে ই একপক্ষীয় তত্ত্ব। উদ্যোগিক খণ্ডৰ বিকাশৰ লগে লগে খাদ্য, কেঁচা সামগ্ৰীৰ চাহিদা বাঢ়ি যায়। যাৰ ফলস্বৰূপে কৃষি খণ্ডত বিকাশ ঘটে।

৫। (ক) মিছা

(খ) মিছা

৬। পৰম্পৰাগত সমাজৰ মুখ্য বৈশিষ্ট্যসমূহ হ'ল- কৃষিৰ প্ৰাধান্য, পৰিয়াল আৰু জাতি প্ৰথাৰ গুৰুত্ব, নিৰ্দিষ্ট সামাজিক গোটৰ হাতত ক্ষমতাৰ কেন্দ্ৰীভূত কৰণ, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা সম্পৰ্কে প্ৰায় অজ্ঞতা, উচ্চ জন্ম আৰু মৃত্যু হাৰ, উন্নয়নৰ সা-সুবিধাৰ বিষয়ে অজ্ঞতা, ঘৰুৱা প্ৰয়োজন পূৰণতেই অৰ্থনৈতিক কাৰ্যাৱলীৰ সীমাবদ্ধতা ইত্যাদি।

৭। ই এনে এক সময় য'ত বৃদ্ধি সমাজৰ এক স্বাভাৱিক চৰ্ত হিচাপে পৰিগনিত হয়। সাধাৰণতে কোনো প্ৰবল উদ্দীপকৰ বাবে উত্তৰণৰ স্তৰ আৰম্ভ হয়। যি উদ্দীপক হ'ব পাৰে কোনো ৰাজনৈতিক জাগৰণ, প্ৰযুক্তি কৌশলৰ উদ্ভাৱন নাইবা কোনো আন্তজাৰ্তিক পৰিৱেশ। বিভিন্ন খণ্ডৰ সম্প্ৰসাৰণে অৰ্থনীতিৰ গাঁঠনি পৰিবৰ্তন আনে, যি স্বয়ং বহনক্ষম বৃদ্ধিৰ ওপৰত কাৰ্য কৰিবলৈ আৰম্ভ কৰে। এই স্তৰত অৰ্থনীতিয়ে কোনো বহিঃৰ সাহাৰ্য্য নোহোৱাকৈ অগ্ৰগতি লাভ কৰে। নতুন উদ্যোগ প্ৰতিষ্ঠা হয়, যিয়ে উদ্বৃত্ত আহৰণ কৰে। বিনিয়োগৰ হাৰ বৃদ্ধি হয়। নতুন উদ্ভাৱনে উন্নয়নক অধিক তৰান্বিত কৰে।

?৫.১০ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে প্ৰায় ৭৫ টা শব্দত উত্তৰ দিয়ক)-

১। 'পূৰ্ণতাৰ দিশত যাত্ৰা' ধাৰণাটোৰ সংজ্ঞা দিয়ক।

২। 'উত্তৰণৰ পূৰ্ব চৰ্ত' স্তৰটো চমুকৈ ব্যাখ্যা কৰক।

৩। Lewis ৰ আৰ্হি মতে বিকাশৰ প্ৰক্ৰিয়াটো বৰ্ণনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)-

১। Lewis ৰ তত্ত্বটো চিত্ৰৰ সহায়ত চমুকৈ ব্যাখ্যা কৰক।

২। উত্তৰৰণ ধাৰণাটো ব্যাখ্যা কৰক। এই স্তৰৰ চৰ্তাৱলী আৰু গুৰুত্ব উল্লেখ কৰক।

৩। Rostow ৰ অৰ্থনৈতিক বিকাশৰ স্তৰৰ সীমাবদ্ধতাসমূহ উল্লেখ কৰক।

*****

অধ্যায় ৬ ঃ সুসম আৰু অসম বিকাশ

অধ্যায় গাঁথনি

৬.১ শিক্ষণৰ উদ্দেশ্য
৬.২ পৰিচয় /পাতনি
৬.৩ সুসম বিকাশৰ তত্ত্ব- সুসম বিকাশ আধাৰ
৬.৪ সুসম বিকাশ তত্ত্বৰ সমালোচনাত্মক মূল্যাংকন
৬.৫ অসম বিকাশৰ তত্ত্ব
৬.৬ অর্থনীতি অসমকৰণ
৬.৭ উন্নয়নৰ পথ
৬.৮ অসম বিকাশ তত্ত্বৰ সমালোচনাত্মক মূল্যাংকন
৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.১০ অধিক জানিবলৈ
৬.১১ অগ্রগতিৰ খতিয়ান
৬.১২ আৰ্হি প্রশ্ন

৬.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সুসম বিকাশ আৰু অসম বিকাশৰ ধাৰণা দুটা বুজি পাব
- বিকাশ প্রক্রিয়াৰ আধাৰ আৰু বিকাশ সম্পর্কে বিভিন্ন অর্থনীতিবিদে আগবঢ়োৱা দৃষ্টিভংগী ব্যাখ্যা কৰিব পাৰিব
- সামাজিক অতিৰিক্ত মূলধন (Social overhead capital), প্রত্যক্ষভাৱে উৎপাদনশীল কার্যকলাপ, উন্নয়নমূলক পন্থা আদিৰ দৰে ধাৰণা কিছুমান বহলাই ব্যাখ্যা কৰিব পাৰিব
- বিকাশৰ সুসম আৰু অসম তত্ত্ব দুটাৰ সীমাৱদ্ধতাবোৰ চমুকৈ ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

সুসম বিকাশৰ কার্যকৌশল অনুসৰি অর্থনৈতিক উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ অর্থনীতিৰ বিভিন্ন খণ্ডত একেসময়তে একেলগে বিনিয়োগ কৰা উচিত। এই তত্ত্বৰ সমর্থকসকলৰ যুক্তি মতে যেতিয়া অর্থনীতিৰ সকলো খণ্ড আৰু আটাইবোৰ উদ্যোগৰ বিকাশ ঘটে তেতিয়া যথেষ্ট সংখ্যক মানুহে কর্মসংস্থাপন লাভ কৰে আৰু এই কথাটোৱে পৰস্পৰে উৎপাদন কৰা সামগ্রীবোৰৰ বাবে চাহিদাৰ সৃষ্টি কৰে। বিভিন্ন খণ্ড আৰু উদ্যোগে কৰা সামগ্রীবোৰৰ বাবে চাহিদাৰ সৃষ্টি কৰে। বিভিন্ন খণ্ড আৰু উদ্যোগে পৰস্পৰৰ পৰিপূৰক হিচাপে কাম কৰে আৰু অর্থনীতিৰ এক সমকালীন সুসম বিকাশ সাধন কৰে। সুসম বিকাশ তত্ত্বৰ প্রধান সমর্থকসকল আছিল ৰুগ্নাৰ নার্স্কে, আর্থাৰ লিৱিচ, ৰোচেনষ্টেইন ৰোডান মীয়েৰ আৰু বল্ডৱিন।

৬.৩ সুসম বিকাশ তত্ত্ব- সুসম বিকাশ তত্ত্বৰ আধাৰ

সুসম বিকাশৰ তত্ত্বটো তিনিটা দিশেৰে ব্যাখ্যা কৰিব পাৰিঃ

● **যোগানৰ দিশ ঃ** এখন উন্নয়নশীল দেশৰ যোগান/ উৎপাদনৰ পৰিমাণ কম। ইয়াৰ কাৰণ হ'ল নিম্ন উপার্জনৰ বাবে এনে দেশবোৰত সঞ্চয়ৰ মাত্রাও কম হোৱাটো। সঞ্চয়ৰ পৰিমাণ কমি যোৱা মানে বিনিয়োগৰ পৰিমানো কমি যায়। বিনিয়োগৰ পৰিমাণ কমিলে মুলধন সৃষ্টিৰ মাত্রাও কমি যায়। দেশখনৰ উৎপাদনশীলতাতো ইয়াৰ বিৰূপ প্রভাৱ পৰে। উৎপাদনশীলতা নিম্ন হোৱাৰ লগে লগে মানুহৰ উপার্জনো কমি যায়। অর্থাৎ, চাহিদাৰ পৰিমাণ বৃদ্ধি কৰিবলৈ বিনিয়োগৰ পৰিমানো বঢ়াব লাগিব। যোগানৰ দিশেৰে সুসম বিকাশৰ ধাৰণাটোৱে সেয়েহে অর্থনীতিৰ সকলো ক্ষেত্র, যেনে- কৃষি, উদ্যোগ, আভ্যন্তৰীণ ব্যৱসায়- বাণিজ্য, পৰিবহন ইত্যাদিৰ সমকালীন বিকাশ পৃষ্ঠপোষকতা কৰে।

● **চাহিদাৰ দিশ ঃ** উন্নয়নশীল দেশবোৰত নিম্ন আয়ৰ বাবে মানুহৰ সামগ্রী ক্রয় কৰাৰ ক্ষমতাও কম হয়। ইয়াৰ ফলত চাহিদাৰ মাত্রাও কমি যায়। নিম্ন চাহিদাৰ ফলত বজাৰ সম্প্রসাৰণৰ মাত্রাও কম হয়। ক্ষুদ্র বজাৰবোৰত হোৱা বিনিয়োগৰ মাত্রাও যথেষ্ট কম। সেয়েহে এনেবোৰ দেশত চাহিদাৰ মাত্রা বৃদ্ধি কৰিব পৰা প্রয়াস চলোৱা উচিত। চাহিদাৰ দিশেৰে সুসম বিকাশৰ ধাৰণাটোৱে সকলো উদ্যোগৰে সমকালীন বিকাশ ঘটোৱাৰ আহ্বান জনায়। তেতিয়াহে সকলোৱে পৰস্পৰৰ গ্রাহক হ'ব পাৰিব আৰু উৎপাদিত সামগ্রীবোৰ বিক্রী হ'ব।

● **খণ্ডভিত্তিক সমতা ঃ** ইয়াৰ অর্থ হ'ল কোনো এক অর্থনীতিৰ সকলোবোৰ খণ্ডতে হোৱা অর্থনৈতিক উন্নয়ন। কৃষি আৰু উদ্যোগ খণ্ড দুটা পৰস্পৰৰ পৰিপূৰক। উদ্যোগৰ প্রসাৰ ঘটিলে কৃষিৰো প্রসাৰ ঘটিব লাগিব নাইবা ইয়াৰ ওলোটাটো হ'ব পাৰে। ঔদ্যোগিক খণ্ডৰ প্রসাৰ ঘটাৰ লগে লগে কেঁচামালৰ চাহিদা বৃদ্ধি পাব। কৃষি খণ্ডৰ প্রসাৰ ঘটিলেহে এই চাহিদা পূৰাব পৰাকৈ কোঁচামাল যোগান ধৰিব পৰা যাব। একেদৰে, অর্থনৈতিক উন্নয়নৰ প্রক্রিয়াত ঘৰুৱা বাণিজ্য আৰু বৈদেশিক বাণিজ্যৰ মাজতো সমতা স্থাপন কৰা দৰকাৰ। অধ্যাপক লিৱিচৰ মতে ঘৰুৱা খণ্ডৰ বিকাশ আৰু বৈদেশিক খণ্ডত হোৱা বিকাশৰ মাজত সমতা থকা উচিত।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তলৰ উক্তিবোৰ সঁচানে মিছা কওক-

(ক) তিনিগৰাকী আগশাৰীৰ অর্থনীতিবিদে সুসম বিকাশৰ তত্ত্বটোক লৈ নিজ নিজ দৃষ্টিভংগী প্রকাশ কৰিছে। (সঁচা/ মিছা)

(খ) সুসম বিকাশৰ তত্ত্বটোৱে কৃষিখণ্ডক আওকাণ কৰে। (সঁচা/ মিছা)

প্রশ্ন ২ ঃ সুসম বিকাশৰ ধাৰণাটোৰ সংজ্ঞা দিয়ক। (প্রায় ৫০ টা শব্দত মত দাঙি ধৰক।)

৬.৪ সুসম বিকাশ তত্ত্বৰ সমালোচনাত্মক মূল্যাংকন

সুসম বিকাশ তত্ত্বটোক অধ্যাপক হির্শ্বম্যান, চিংগাৰ, কুৰিহাৰা আৰু আন কেইবাগৰাকীও আগশাৰীৰ অর্থনীতিবিদে চোকা ভাষাৰে সমালোচনা কৰিছে। তেওঁলোকৰ সমালোচনাৰ ভিত্তিবোৰ তলত আলোচনা কৰা হ'লঃ

● **প্রশাসনিক অসুবিধা ঃ** সুসম বিকাশৰ নীতিয়ে উন্নয়নশীল দেশবোৰত থকা প্রশাসনিক অসুবিধাবোৰ

আওকাণ কৰে। এনেবোৰ দেশৰ প্ৰশাসনিক ব্যৱস্থাবোৰ সিমান দক্ষ নহয়। এই কথাটোৱে অৰ্থনীতিক মসৃনভাৱে কাম কৰি যোৱাত বাধা দিয়ে।

- **ব্যয় বৃদ্ধি ঃ** ধাৰণাটোৰ বিপক্ষে থকা আন এটা সমালোচনা হ'ল বিভিন্ন উদ্যোগ স্থাপন কৰিবলৈ যাওঁতে উৎপাদনৰ কাৰকবোৰৰ চাহিদা বাঢ়ি যায়। ইয়াৰ ফলত মূল্য বৃদ্ধি ঘটে। মূল্য বৃদ্ধিয়ে বিনিয়োগক লাভৰহিত কৰি তোলে। সেয়েহে, সম্পদ সহজলভ্য নোহোৱাকৈ চাহিদা সৃষ্টি কৰিলে ব্যয় মূল্য বৃদ্ধি হোৱাত বাদে আন একোসুফলদায়ক ঘটনা নঘটে।
- **মূলধনৰ নাটনি ঃ** সুসম বিকাশৰ বাবে বিপুল পৰিমাণৰ মূলধন বিনিয়োগ কৰাটো প্ৰয়োজনীয়। কিন্তু উন্নয়নশীল দেশবোৰে নিম্ন সঞ্চয় আৰু বজাৰ ব্যৱস্থাত থকা ত্ৰুটি আদিৰ দৰে সমস্যাৰ বাবে কোনো খণ্ডতে বিপুল পৰিমাণৰ মূলধন বিনিয়োগ কৰিব নোৱাৰে। এনে পৰিস্থিতিত সুসম বিকাশৰ তত্ত্বটো কাৰ্যতঃ ৰূপায়িত কৰিবলৈ গ'লে বিচৰা ধৰণৰ ফলাফল কেতিয়াও পোৱা নাযাব।
- **উপাদানৰ সামঞ্জস্যহীনতা ঃ** উন্নয়নশীল দেশবোৰত নিচেই সামান্য পৰিমাণৰ মূলধনৰ বিপৰীতে যথেষ্ট অধিক সংখ্যক শ্ৰমিক নিয়োগ কৰা হয়। এনে দেশবোৰত শ্ৰমিকৰ নাটনি নহয় কিন্তু মূলধন আৰু উদ্যমী দক্ষতাৰ অভাৱ দেখা যায়। উৎপাদনৰ উপাদানৰ ক্ষেত্ৰত থকা এনে সামঞ্জস্যহীনতাৰ বাবে বিভিন্ন অসুবিধাৰ সৃষ্টি হয়। এনে অসুবিধাবোৰৰ বাবে এই দেশবোৰত সুসম বিকাশৰ তত্ত্বটো সফলতাৰে ৰূপায়িত কৰিব পৰা নাযায়।
- **পৰিকল্পনাৰ দিশটো আওকাণ কৰা হয় ঃ** সুসম বিকাশৰ তত্ত্বটো মূলতঃ ব্যক্তিগত উদ্যোগ পৃষ্ঠপোষকতাকাৰী অৰ্থনীতিৰ সৈতে জড়িত। এনে অৰ্থনীতিৰ বাবে পৰিকল্পনাৰ প্ৰয়োজনীয়তা নাথাকে। সেয়েহে তত্ত্বটোৱে উন্নয়নশীল দেশবোৰত পৰিকল্পনাৰ ভূমিকাক আওকাণ কৰে। এনেবোৰ দেশত অৰ্থনীতিৰ প্ৰতিটো খণ্ডত সমকালীন বিনিয়োগ কৰাত চৰকাৰৰ পৰিকল্পনা নিৰ্দেশনা আৰু সহযোগিতাৰ প্ৰয়োজন হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ 'যোগানৰ দিশেৰে' সুসম বিকাশৰ ধাৰণাটো কেনেকৈব্যাখ্যা কৰিব পৰা যায়?

(প্ৰায় ৫০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্ৰশ্ন ৪ ঃ সুসম বিকাশ তত্ত্বৰ সীমাবদ্ধতাবোৰ উল্লেখ কৰক। (প্ৰায় ৭০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

৬.৫ অসম বিকাশ তত্ত্ব

অধ্যাপক হির্শ্বম্যানে তেওঁৰ গ্ৰন্থ Strategy of Economic Development-ত অসম বিকাশ (unbalanced growth) তত্ত্বটোৰ উল্লেখ কৰিছে। তেওঁৰ তত্ত্বটোক এইছ. ডব্লিউ. চিংগাৰ, মেক্চাচ ফ্লেমিং, চি. পি. কিণ্ডল্বার্জাৰ, ডব্লিউ. ডব্লিউ. ৰ'ষ্ট', প'ল ষ্ট্ৰীটেন আদিৰ দৰে অগ্ৰণী অৰ্থনীতিবিদসকলে সমৰ্থন কৰিছে। হির্শ্বম্যানৰ মতে, "উন্নয়ন হ'ল অভাৱসাম্যতাৰ এক শৃংখলা। ইয়াক নাইকিয়া কৰাৰ পৰিৱৰ্তে বৰ্তাই ৰাখিব লাগে। লাভ আৰু লোকচানৰ অভাৱসাম্যতা হ'ল এক প্ৰতিদ্বন্দ্বিতামূলক অৰ্থনীতিৰ লক্ষণ। যদি এটা অৰ্থনীতিক আগবঢ়াই নিব লাগে, তেন্তে উন্নয়নমূলক নীতিবোৰৰ কাম হ'ল উদ্বেগজনক পৰিস্থিতি, অসামঞ্জস্যতা আৰু অভাৱসাম্যতা বৰ্তাই ৰখা।"

অধ্যাপক হির্শ্বম্যানৰ মতে উন্নয়নশীল দেশবোৰে বিশাল পৰিমাণৰ ধনৰাশি বিনিয়োগ কৰি প্ৰথম অৱস্থাত এটা নাইবা দুটা কৌশলগতভাৱে গুৰুত্বপূৰ্ণ উদ্যোগ গঢ়ি তুলিব লাগে। উপভোক্তাৰ বাবে সামগ্ৰী তৈয়াৰ কৰা উদ্যোগতকৈ মূলধন সৃষ্টিকাৰী সামগ্ৰী তৈয়াৰ কৰা উদ্যোগ স্থাপনত অগ্ৰাধিকাৰ দিব লাগে। কাৰণ, মূলধন সৃষ্টিকাৰী সামগ্ৰী তৈয়াৰ কৰা উদ্যোগে অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰিব। ইয়াৰ স্বাভাৱিক ফলাফল হ'ব উপভোক্তাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী তৈয়াৰ কৰা উদ্যোগৰ বিকাশ।

অনুন্নত দেশবোৰত বৰ্তি থকা দাৰিদ্ৰ্যৰ অন্তহীন চক্ৰটো ভাঙি পেলোৱাৰ বাবে অসম বিকাশৰ তত্ত্বটো আধিক উপযুক্ত। দুখীয়া দেশবোৰৰ অৰ্থনীতিত আয়ৰ নিম্ন স্তৰত এক ভাৱসাম্যতাৰ স্থিতি বিৰাজ কৰে। এনে দেশৰ উৎপাদন, সামগ্ৰী উপভোগ, সঞ্চয় আৰু বিনিময়ৰ দিশ চাৰিটাক উপাৰ্জনৰ একেবাৰে নিম্ন স্তৰ এটাত পৰস্পৰৰ সৈতে খাপ খোৱাকৈ মিলাই লোৱা হয়। এই ভাৱসাম্যতাৰ স্থিতিটোৱে নিজেই বিকাশৰ পথত বাধাৰূপে থিয় দিয়ে। এনে দেশত অৰ্থনৈতিক উন্নয়ন সাধন কৰাৰ একমাত্ৰ কৌশলটো হ'ল উদ্দেশ্যপ্ৰণোদিতভাৱে এক অসম বিকাশৰ পৰিকল্পনা কৰি এই নিম্ন স্তৰৰ ভাৱসাম্যতা নাইকিয়া কৰা।

৬.৬ অৰ্থনীতি অসমকৰণ

তলত দিয়া খণ্ড দুটাৰ যিকোনো এটাত বিনিয়োগ কৰি অৰ্থনীতি এটাক অসম ৰূপ দিব পাৰি।

- সামাজিক অতিৰিক্ত মূলধন (Social Overhead Capital/ SOC)
- প্ৰত্যক্ষভাৱে উৎপাদনশীল কাৰ্যকলাপ (Directly Productive Activities/DPA)

বিকাশৰ বাবে আন্তঃগাঁথনিমূলক সা-সুবিধা গঢ়ি তোলাৰ প্ৰয়োজনীয়তা থকা অৰ্থনীতিৰ অন্তৰ্গত খণ্ডবোৰকে SOC বোলা হয় । জলসিঞ্চন, শক্তি, বিদ্যুৎ, পৰিবহন, শিক্ষা, ৰাজহুৱা স্বাস্থ্য আদি খণ্ড হ'ল SOC ৰ উদাহৰণ। SOC-ত কৰা বিপুল বিনিয়োগে পৰৱৰ্তী সময়ত DPA-ত ব্যক্তিগত বিনিয়োগক অনুপ্ৰাণিত কৰে । অৰ্থাৎ, অৰ্থনৈতিক উন্নয়নৰ SOC দৃষ্টিভংগীৰ লক্ষ্য হ'ল অৰ্থনীতিত অসমতাৰ সৃষ্টি কৰি DPA-খণ্ডত ভৱিষ্যৎ বিনিযোগৰ সম্ভাৱনা উজ্বল কৰা।

DPA-ৰ আন এক অৰ্থ হ'ল চূড়ান্ত উৎপাদন একক। যেতিয়া অধিক বিনিয়োগৰ দ্বাৰা অৰ্থনীতি এটাক অসম কৰি তোলা হয়, তেতিয়া SOC কাৰ্যকলাপৰ নাটনিয়ে উৎপাদন ব্যয় বৃদ্ধি কৰিব। এই বৃদ্ধিয়ে অৱধাৰিতভাৱে দ্ৰব্য মূল্যৰ স্তৰ বৃদ্ধি কৰিব। বৰ্দ্ধিত দ্ৰব্য মূল্যই অৰ্থনৈতিক বিকাশত বাধাৰ সৃষ্টিকৰে। ফলত এসময়ত SOC ত অধিক বিনিয়োগক উৎসাহিত কৰিবলৈ চৰকাৰৰ ওপৰত ৰাজনৈতিক হেচা পৰিব।

হিৰ্শ্বম্যানে SOC ৰ পৰা DPA-লৈ ফালৰি কাটি যোৱা উন্নয়নক 'SOC ৰ মাত্রাধিক সামর্থৰ জৰিয়তে হোৱা উন্নয়ন' আৰু DPA ৰ পৰা SOC লৈ ফালৰি কাটি যোৱা উন্নয়নক SOC ৰ নাটনিৰ জৰিয়তে হোৱা উন্নয়ন' বুলি অভিহিত কৰিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ঃ তলৰ উক্তিবোৰ সঁচানে মিছা কওক-

(ক) অসম বিকাশ হ'ল এক দীর্ঘম্যাদী কৌশল। (সঁচা/মিছা)

(খ) অসম বিকাশ তত্ত্বই অর্থনীতিৰ সকলোবোৰ খণ্ডৰে বিকাশ লক্ষ্যক সামৰি লয়। (সঁচা/মিছা)

প্রশ্ন ৬ঃ 'অসম বিকাশ'ৰ ধাৰণাটোৰ সংজ্ঞা আগবঢ়াওক। । (প্রায় ৫০ টা শব্দত উত্তৰ দিয়ক)

.....

.....


প্রশ্ন ৭ঃ SOC আৰু DPA ৰ বিষয়ে এটি চমুটোকা লিখক। (প্রায় ৭০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

৬.৭ উন্নয়নৰ পথ

'SOC ৰ মাত্রাধিক সামর্থৰ জৰিয়তে হোৱা উন্নয়ন' আৰু 'SOC ৰ নাটনিৰ জৰিয়তে হোৱা উন্নয়ন' আৰু 'SOC ৰ নাটনিৰ জৰিয়তে হোৱা উন্নয়ন'- উন্নয়নৰ এই দুয়োটা পথকে তলৰ চিত্রখনৰ দৰে উপস্থাপন কৰিব পাৰি।



চিত্র ৬.১

ওপৰৰ চিত্ৰৰ AB, CD আৰু EF বক্ৰৰেখা (isoquants) ই DPA আৰু SOCৰ ভিন ভিন পৰিমাণ বুজাইছে। এই পৰিণামবোৰে যিকোনো প্ৰদত্ত বিন্দুতে একে GNP দেখুৱাব। বক্ৰৰেখা যিমানেই উচ্চ হ'ব GNP সিমানেই আধিক হ'ব আৰু ইয়াৰ বিপৰীতটো।

যদি SOCৰ মাত্ৰাধিক সামৰ্থৰ জৰিয়তে' হোৱা উন্নয়নৰ পথটো গ্ৰহণ কৰা হয়, তেন্তে উন্নয়নৰ পথ হ'ব a,b,c,d আৰু e। SOC-ত বিনিয়োগৰ পৰিমাণ ab মাত্ৰা বাঢ়িলে DPA বাঢ়ি abৰ সমান হ'ব। এনে ধৰণৰ বিনিয়োগে ভাৰসাম্যতা a ৰ পৰাc লৈ স্থানান্তৰ কৰিব, যিটো বিন্দু CD বক্ৰৰেখাত আছে আৰু ই AB বক্ৰৰেখাতকৈ উচ্চ।

আনহাতে, যদি SOC ৰ নাটনিৰ জৰিয়তে' হোৱা উন্নয়নৰ পথ গ্ৰহণ কৰা হয়, তেন্তে উন্নয়নৰ পথ হ'ব a,b,c,d .e। যেতিয়া অৰ্থনীতিত a,b[1] DPA কৰা হ'ব তেন্তে SOCত ab বিনিয়োগৰ প্ৰয়োজন হ'ব। কিন্তু ab বিনিয়োগৰ বাবে ৰাজনৈতিক হেচাৰ প্ৰয়োজন হ'ব। কিন্তু ab বিনিয়োগৰ বাবে ৰাজনৈতিকহেচাৰ প্ৰয়োজন। ভাৰসাম্যতা c বিন্দুলৈ স্থানান্তৰিত হ'ব। আকৌ, c,d[1] DPA. বিনিয়োগৰ বাবে SOCত cd বিনিয়োগৰ প্ৰয়োজন হ'ব। ইয়াৰ বাবেও ৰাজনৈতিক হেচাৰ প্ৰয়োজন। যদি চৰকাৰ cd বিনিযোগ কৰিবলৈ আগবাঢ়ি আহে, তেতিয়াহে নতুন ভাৰসাম্যতাই e বিন্দু চুব।

এই দুয়োটা উন্নয়ন পথৰ ভিতৰত প্ৰথম পথটো, অৰ্থাৎ 'মাত্ৰাধিক SOCৰ পথটো, অৰ্থাৎ.a,b,c,d .e বিন্দুস্পৰ্শী পথটো মসৃণ। এই পথটো , অৰ্থাৎ,a,b,c,d,e বিন্দুস্পৰ্শী পথটোত উন্নয়নৰ বাবে ৰাজনৈতিক হেচাঁৰ প্ৰয়োজন হয়।

৬.৮ অসম বিকাশৰ তত্ত্বৰ সমালোনাত্মক মূল্যাংকন

অসম বিকাশৰ তত্ত্বটোত কেইটামান বিসংগতি আছে। বিসংগতিকেইটা তলত উল্লেখ কৰা হ'ল।

- **মৌলিক সা-সুবিধাৰ অভাৱঃ** অসম বিকাশৰ তত্ত্বটো তেতিয়াহে সফলভাৱে ৰূপায়িত কৰিব পৰা যাব যেতিয়া দেশ এখনত কেঁচামাল, শক্তি যোগান আদিৰ দৰে মৌলিক সা-সু বিধাবোৰ সহজলভ্য হ'ব। কিন্তু উন্নয়নশীল দেশবোৰত উন্নয়নৰ প্ৰাৰম্ভিক কালছোৱাত এনে সা-সুবিধাবোৰৰ অভাৱ হোৱা দেখা পোৱা যায়। এনে দেশত এই কৌশলটো প্ৰয়োগৰ ক্ষেত্ৰত এই অভাৱে সৰ্ববৃহৎ প্ৰতিবন্ধকৰ সৃষ্টি কৰে।
- **উপভোক্তাৰ বাবে সামগ্ৰী উৎপাদনকাৰী উদ্যোগবোৰক আওকাণ কৰা হয়ঃ** উপভোক্তাৰ দৃষ্টিভংগীৰে অধ্যাপক হিৰ্শ্বম্যানৰ তত্ত্বটো এটা অসফল তত্ত্ব। কাৰণ, ই উপভোক্তাৰ বাবে সামগ্ৰী উৎপাদনকাৰী উদ্যোগ স্থাপন কৰাতকৈ মূলধন সৃষ্টিকাৰী সামগ্ৰী উৎপাদনকাৰী উদ্যোগ স্থাপনত অধিক গুৰুত্ব আৰোপ কৰে।
- **নমনীয়তাৰ অভাৱঃ** উন্নয়নশীল দেশবোৰত সম্পদ / সমল এটা খণ্ডৰ পৰা আন এটা খণ্ডলৈ স্থানান্তৰিত কৰাটো এক জটিল কাম।
- **সম্পদৰ অপব্যয়ঃ** বহুতো সমালোচকৰ মতে অসম বিকাশ পদ্ধতিয়ে যথেষ্ট পৰিমাণে সম্পদৰ অপব্যয় কৰে। অৰ্থনীতিৰ কিছুমান খণ্ডৰ দ্ৰুত বিকাশ ঘটাৰ বিপৰীতে আন কিছুমান খণ্ড অৱহেলিত হৈ ৰয়। সুসম বিকাশৰ লক্ষ্যত উপনীত হ'বলৈ সকলোবোৰ খণ্ডৰে সমকালীন বিকাশ ঘটাৰ লগতে সম্পদৰ অপব্যয় কৰাৰ কোনো অৱকাশ থাকিব নালাগিব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ঃ উন্নয়ন পথ বুলিলে কি বুজে? (প্রায় ৫০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন ৯ ঃ অসম বিকাশ তত্ত্বৰ সীমাৱদ্ধতাবোৰ উল্লেখ কৰক। (প্রায় ৭০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

৬.৯ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- সুসম বিকাশৰ কৌশল অনুসৰি অর্থনৈতিক উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ অর্থনীতিৰ বিভিন্ন খণ্ডত সমকালীন বিনিয়োগ কৰা উচিত।
- সুসম বিকাশৰ তত্ত্ব অনুসৰি অর্থনীতিত তিনি প্রকাৰৰ সমতা থকা উচিত। সমতা তিনিটা হ'ল- যোগানৰ দিশত সমতা, চাহিদাৰ দিশত সমতা আৰু খণ্ডভিত্তিক সমতা।
- অধ্যাপক হির্শ্বম্যানে অসম বিকাশৰ তত্ত্বটোৰ পৃষ্ঠপোষকতা কৰিছিল।
- অধ্যাপক হির্শ্বম্যানৰ মতে উন্নয়নশীল দেশবোৰে সমকালীনভাৱে সকলো খণ্ডতে বিকাশৰ চেষ্টা কৰিব নালাগে। ইয়াৰ পৰিৱর্তে এনে দেশবোৰে এটা অথবা দুটা কৌশলগতভাৱে গুৰুত্বপূর্ণ খণ্ড নাইবা উদ্যোগত বৃহৎ পৰিমানৰ ধনৰাশি বিনিয়োগ কৰি উন্নয়ন সাধনৰ চেষ্টা চলাব লাগে।
- হির্শ্বম্যানৰ মতে অর্থনীতি অসমকৰণৰ জৰিয়তেহে উন্নয়ন সাধন কৰিব পৰা যায়। সামাজিক অতিৰিক্ত মূলধন (SOC) নাইবা প্রত্যক্ষভাৱে উৎপাদনশীল কার্যকলাপ (DPA) ৰ খণ্ড দুটাৰ যিকোনো এটাত বিনিয়োগৰ দ্বাৰা উন্নয়ন সম্ভৱ কৰি তুলিব পৰা যায়।
- অধ্যাপক হির্শ্বম্যানৰ মতে উন্নয়নৰ দুটা পথ আছে। প্রথম পথটো হ'ল SOC ৰ মাত্রাধিক সামর্থৰ জৰিয়তে হ'ব পৰা ক্রমিক উন্নয়ন (Sequence development/SOC ৰ পৰা DPA লৈ) আৰু দ্বিতীয় পথটো হ'ল SOC ৰ নাটনিৰ জৰিয়তে হ'ব পৰা ক্রমিক উন্নয়ন (DPAৰ পৰাSOC লৈ)।

৬.১০ অধিক জানিবলৈ

1. Lekhi, R. K. & Aarti Nayar (2005). *Development and Environmental Economics,* New Delhi : Kalyani Publishers.
2. Jhingam, M.L. (1992). *Economics of Development and Planning,* Delhi: Kanark Publishers Pvt. Ltd.
3. Ray, Debraj (1998). *Development Economics,* New Jersey: Pinceton University Press.

৬.১১ অগ্রগতিৰ খতিয়ান

১। (ক) সঁচা

(খ) মিছা

২। সুসম বিকাশৰ কৌশল অনুসৰি অর্থনৈতিক উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ অর্থনীতিৰ বিভিন্ন খণ্ডত একেসময়তে একেলগে বিনিয়োগ কৰা উচিত।

৩। এখন উন্নয়নশীল দেশৰ যোগান / উৎপাদনৰ পৰিমাণ কম। ইয়াৰ কাৰণ হ'ল নিম্ন উপার্জনৰ বাবে এনে দেশবোৰত সঞ্চয়ৰ মাত্রাও কম হোৱাটো। সঞ্চয়ৰ পৰিমাণ কমি যোৱা মানে বিনিয়োগৰ পৰিমাণো কমি যায়। বিনিয়োগৰ পৰিমাণ কমিলে মূলধন সৃষ্টিৰ মাত্রাও কমি যায়। দেশখনৰ উৎপাদনশীলতাতো ইয়াৰ বিৰূপ প্রভাৱ পৰে। উৎপাদনশীলতা নিম্ন হোৱাৰ লগে লগে মানুহৰ উপার্জনো কমি যায়। অর্থাৎ, চাহিদাৰ পৰিমাণ বৃদ্ধি কৰিবলৈ বিনিয়োগৰ পৰিমাণো বঢ়াব লাগিব। যোগানৰ দিশেৰে সুসম বিকাশৰ ধাৰণাটোৱে সেয়েহে অর্থনীতিৰ সকলো ক্ষেত্র, যেনে- কৃষি, উদ্যোগ, আভ্যন্তৰীণ ব্যৱসায়-বাণিজ্য, পৰিবহন ইত্যাদিৰ সমকালীন বিকাশৰ পৃষ্ঠপোষকতা কৰে।

৪। সুসম বিকাশৰ ধাৰণাটোৰ প্রথম সীমাৱদ্ধতাটো হ'ল যথেষ্ট সংখ্যক উদ্যোগ স্থাপনৰ পৰামর্শটো। ইয়াৰ বাবে উৎপাদনৰ প্রকৃত তথা মুদ্রা ব্যয় যথেষ্ট বৃদ্ধি পাব। পর্যাপ্ত মূলধন আহিলা, দক্ষতা, কমখৰছী শক্তি, বিত্ত তথা অন্য প্রয়োজনীয় কেঁচামাল অবিহনে এনে উদ্যোগ স্থাপন কৰাটো অর্থনৈতিকভাৱে লাভৱহিত কথা হ'ব। সুসম বিকাশৰ পথত বিপুল পৰিমাণৰ মূলধন বিনিয়োগ কৰিব লাগে। উন্নয়নশীল দেশবোৰে সিমান পৰিমাণৰ ধন বিনিয়োগ কৰিব নোৱাৰে। কাৰণ এনে দেশত সঞ্চয়ৰ মাত্রা কম আৰু বজাৰবোৰ আসোঁৱাহ পূর্ণ। সেয়েহে এনে দেশত সুসম বিকাশ তত্ত্বটোৱে বিচৰা ধৰণৰ ফলাফল প্রদর্শন কৰাত ব্যর্থ হ'ব।

৫। (ক) মিছা

(খ) মিছা

৬। অধ্যাপক হির্শ্মম্যানে তেওঁৰ গ্রন্থ Strategy of Economic Development ত অসম বিকাশ তত্ত্বটোৰ উল্লেখ কৰিছে। এই ধাৰণাটোৰ মতে অর্থনীতিৰ সকলো খণ্ডতে সমকালীনভাৱে বিনিয়োগ কৰাৰ সলনি নির্বাচিত খণ্ডত বিনিয়োগ কৰা উচিত। অর্থনীতিৰ বিভিন্ন খণ্ডৰ মাজত থকা সমতাই নহয় অসমতাইহে উন্নয়নশীল দেশবোৰৰ অর্থনৈতিক বিকাশ সম্ভৱ কৰি তোলে।

৭। বিকাশৰ বাবে আন্তঃগাঁথনিমূলক সা-সুবিধা গঢ়ি তোলাৰ প্রয়োজনীয়তা থকা অর্থনীতিৰ অন্তর্গত খণ্ডবোৰকে SOC বোলা হয়। জলসিঞ্চন, শক্তি, বিদ্যুৎ, পৰিবহন, শিক্ষা, ৰাজহুৱা স্বাস্থ্য আদি খণ্ড হ'ল SOC ৰ উদাহৰণ। SOC-ত কৰা বিপুল বিনিয়োগে পৰৱর্তী সময়ত DPA ত ব্যক্তিগত বিনিয়োগক অনুপ্রাণিত কৰে।

DPAৰ আন এটা অর্থ হ'ল চূড়ান্ত উৎপাদন একক। DPA ত অধিক বিনিয়োগ কৰাৰ ফলত যদি অর্থনীতিত অসমতাৰ সৃষ্টি হয়, তেন্তে SOC কার্যকলাপৰ নাটনিৰ ফলত উৎপাদন ব্যয় বৃদ্ধি পাব। ইয়াৰ ফলত দ্রব্যমূল্যৰ স্তৰ উর্দ্ধগামী হ'ব। দ্রব্যমূল্য বাঢ়িলে বিকাশ প্রক্রিয়াত বাধা আহি পৰিব। সময়ত SOC- ত অধিক বিনিয়োগক অনুপ্রাণিত কৰিবলৈ চৰকাৰৰ ওপৰত ৰাজনৈতিক হেচাৰ সৃষ্টি হ'ব।

৮। অধ্যাপক হির্শ্বম্যানৰ মতে উন্নয়নৰ দুটা পথ আছে। প্রথম পথটো হ'ল SOC- ৰ মাত্রাধিক সামর্থৰ জৰিয়তে হ'ব পৰা ক্রমিক উন্নয়ন (SOC- ৰ পৰা DPA লৈ) আৰু দ্বিতীয় পথটো হ'ল SOC- ৰ নাটনিৰ জৰিয়তে হ'ব পৰা ক্রমিক উন্নয়ন (DPA ৰ পৰা (SOC- লৈ)।

৯। বহুতো সমালোচকৰ মতে অসম বিকাশ পদ্ধতিয়ে যথেষ্ট পৰিমাণে সম্পদৰ অপব্যয় কৰে। অর্থনীতিৰ কিছুমান খণ্ডৰ দ্রুত বিকাশ ঘটাৰ বিপৰীতে আন কিছুমান খণ্ড অৱহেলিত হৈ ৰয়। উন্নয়নশীল দেশবোৰৰ পৰিসাংখ্যিক তথ্যৰ আধাৰত সংলগ্ন প্রভাৱবোৰ নির্ধাৰণ কৰা নহয়। কিন্তু উন্নত দেশবোৰত সামাজিক অতিৰিক্ত সা-সুবিধাবোৰ পৰৱর্তী আন এক প্রজন্মই উপভোগ কৰিব পৰাকৈ উন্নত। এনে প্রভাৱৰ অধ্যয়ন কৰিবলৈ আমি উদ্যোগবোৰৰ মাজত থকা পাৰস্পৰিক নির্ভৰশীলতাৰ দিশটো চালি-জাৰি চাব লাগিব। অর্থনৈতিক উন্নয়নৰ প্রাৰম্ভিক সময়ছোৱাত এনে নির্ভৰশীলতাৰ অভাৱ দেখা যায়।

৬.১২ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রায় ৭৫ টা শব্দত উত্তৰ দিয়ক)-

১। মূলধনৰ নাটনিয়ে কেনেদৰে সুসম বিকাশ প্রক্রিয়াক বাধাগ্রস্ত কৰে?

২। সামাজিক অতিৰিক্ত মূলধন আৰু প্রত্যক্ষভাৱে উৎপাদনশীল কার্যকলাপৰ ধাৰণা দুটা চমুকৈ ব্যাখ্যা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)-

১। অর্থনৈতিক বিকাশৰ সুসম তত্ত্বটোৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়াওক।

২। হির্শ্বম্যানৰ অর্থনৈতিক বিকাশৰ অসম তত্ত্বটোৰ সমালোচনাত্মক আলোচনা আগবঢ়াওক।

৩। SOC আৰু DPA- ৰ সহায়ত অর্থনীতি এটাক কেনেদৰে অসম কৰি তুলিব পৰা যায় ব্যাখ্যা কৰক।

*****

অধ্যায় ৭ ঃ অর্থনৈতিক উন্নয়নত কৃষিৰ ভূমিকা

অধ্যায় গাঁথনি

৭.১ শিক্ষণৰ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ পৰিকল্পনাৰ সময়ত ভাৰতীয় কৃষি

৭.৪ কৃষিৰ আধুনিকীকৰণ

৭.৪.১ কৃষিৰ আধুনিকীকৰণৰ সুবিধাসমূহ

৭.৪.২ কৃষিৰ আধুনিকীৰণৰ বিপক্ষে যুক্তি

৭.৫ সেউজ বিপ্লৱ

৭.৫.১. সেউজ বিপ্লৱৰ সফলতাসমূহ

৭.৫.২. সেউজ বিপ্লৱৰ বিফলতা সমূহ

৭.৫.৩. সেউজ বিপ্লবৰ দ্বিতীয় সংস্কৰণ

৭.৬ উন্নয়নশীল দেশত কৃষিৰ ভূমিকা

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবলৈ

৭.৯ অগ্রগতিৰ খতিয়ান

৭.১০ আৰ্হি প্রশ্ন

৭.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতৰ পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ছোৱাত ভাৰতীয় কৃষিৰ প্রেক্ষাপট বুজিব পাৰিব।
- কৃষিৰ আধুনিকীকৰণৰ সুবিধা আৰু অসুবিধা সমূহৰ লগতে কৃষিৰ আধুনিকীকৰণৰ ধাৰণাটো বহলভাৱে ব্যাখ্যা কৰিব পাৰিব।
- সফলতা আৰু বিফলতাৰ সৈতে সেউজ বিপ্লৱৰ ধাৰণাটো বুজিব পাৰিব।
- এখন দেশৰ অর্থনৈতিক উন্নয়নত কৃষিৰ ভূমিকাৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

কৃষিৰ উন্নয়নক দেশ এখনৰ অর্থনৈতিক উন্নয়নৰ ভেঁটি বুলি ধৰিব পাৰি। কিয়নো কৃষিৰ উন্নয়নৰ দ্বাৰাহে প্রকৃততে ঔদ্যোগিকৰণ সম্ভৱ হ'ব পাৰে। প্রকৃত পক্ষে যদি অর্থনৈতিক উন্নয়নৰ প্রক্রিয়াটো আৰম্ভ আৰু স্বয়ং বহনক্ষম কৰি তুলিব লাগে তেনেহ'লে ই নিশ্চয়কৈ কৃষিখণ্ডৰ পৰাই আৰম্ভ হ'ব লাগিব।

৭.৩ পৰিকল্পনাৰ সময়ছোৱাত ভাৰতীয় কৃষি

ভাৰতৰ বিভিন্ন পঞ্চবার্ষিক পৰিকল্পনাৰ অধীনত কৃষিৰ অগ্রগতি তলত উল্লেখ কৰা স্তৰ সমূহৰ যোগেদি আলোচনা কৰিব পাৰিঃ

● **স্তৰ ১ (প্রথম পৰিকল্পনাৰ পৰা চতুর্থ পৰিকল্পনালৈ) (সময় ১৯৫১ ৰ পৰা ১৯৭৪)ঃ**

ভাৰতবর্ষই সন্মুখীন হৈ অহা খাদ্য সমস্যাৰ সমাধান কৰাৰ লগতে কৃষিজাত কেঁচা সামগ্রী যেনে কেঁচা মৰাপাট, কেঁচা কপাহ, তৈলবীজ ইত্যাদি বৃদ্ধি কৰাই আছিল প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ লক্ষ্য। প্রথম পঞ্চবার্ষিক পৰিকল্পনাত খাদ্য শস্য উৎপাদনৰ ক্ষেত্রত দেশে নির্ধাৰিত লক্ষ্য ৬২ নিযুত টনৰ বিপৰীতে ৬৭ নিযুত টন উৎপাদন ক্ষেত্রতো সামান্যভাৱে নির্ধাৰিত লক্ষ্য অতিক্রম কৰিছল। কিন্তু কুঁহিয়াৰ, মৰাপাট আৰু কপাহ ইত্যাদিৰ ক্ষেত্রত নির্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰা নাছিল। সেয়া যিয়ে নহওঁক দ্বিতীয়, তৃতীয় আৰু চতুর্থ পঞ্চবার্ষক পৰিকল্পনাত কৃষিৰ ক্ষেত্রত লাভ কৰা অগ্রগতি আৰু সফলতা সন্তোষজনক নাছিল। খাদ্য শস্য উৎপাদনৰ ক্ষেত্রত দ্বিতীয়, তৃতীয় আৰু চতুর্থ পৰিকল্পনাত ক্রমে নিযুত টন, ১০০ নিযুত টন আৰু ১২৯ নিযুত টন লক্ষ্য নির্ধাৰণ কৰা হৈছিল। কিন্তু প্রকৃততে এই পৰিকল্পনা সমূহত ক্রমে ৪০ নিযুত টন, ৭২ নিযুত টন আৰু ১০৪ নিযুত টন খাদ্য শস্য উৎপাদনৰ যোগেদি নির্ধাৰিত লক্ষ্যতকৈ কম উৎপাদন কৰা দেখা গৈছিল। ইয়াৰ উপৰিও যদিও নতুন কৃষি কৌশল বা সেউজ বিপ্লব তৃতীয় পৰিকল্পনাৰ সময়ছোৱাত সূচনা কৰা হৈছিল, কিন্তু তৃতীয় আৰু চতুর্থ পৰিকল্পনাত ই নির্ধাৰিত লক্ষ্যত উপনীত হোৱাত ব্যর্থ হৈছিল। সেয়া যি নহওঁক চতুর্থ পৰিকল্পনাৰ কালছোৱাত কৃষিৰ উন্নতি কল্পে বিজ্ঞান আৰু প্রযুক্তি কৌশলৰ প্রয়োগ প্রসাৰিত কৰাৰ উদ্দেশ্যে এক পদ্ধতিগত প্রয়াস কৰা হৈছিল।

● **স্তৰ ২ (পঞ্চম পৰিকল্পনা ৰপৰা অষ্টম পৰিকল্পনালৈ) (সময় ১৯৭৫ ৰ পৰা ১৯৯৭)ঃ**

পঞ্চম পৰিকল্পনাত কৃষি আৰু কৃষি সদৃশ খণ্ড সমূহৰ উন্নয়নৰ বাবে সচেতন প্রচেষ্টা হাতত লোৱা হৈছিল। আৰু ইয়াৰ বাবে ব্যয় আবণ্টন কৰা হৈছিল ৪৮৭০ কৌটি টকা (মুঠ পৰিকল্পনা ব্যয়ৰ ১২ %)। পঞ্চম পৰিকল্পনাৰ শেষৰ বছৰটোত খাদ্য শস্যৰ প্রকৃত উৎপাদন হৈছিল ১৩২ নিযুত টন। নির্ধাৰিত লক্ষ্য ৰচপ্ত নিযুত টনৰ তুলনাত প্রথমবাৰৰ বাবে এই উৎপাদনে নির্ধাৰিত লক্ষ্য অতিক্রম কৰিছিল। আকৌ ষষ্ঠ পৰিকল্পনাও কৃষিৰ উৎপাদনৰ ক্ষেত্রত সফল হৈছিল। নির্ধাৰিত উন্নয়নৰ লক্ষ্য ৩.৮ %) ৰ বিপৰীতে কৃষিখণ্ডই ৪.৩ % উন্নয়ন লাভ কৰিছিল। চৰকাৰে এই সফলতাক দ্বিতীয় সেউজ বিপ্লৱ বুলি অভিহিত কৰিছিল। ১৯৮৩-৮৪ ৰ পৰা সূচনা কৰা দ্বিতীয় সেউজ বিপ্লৱে কৃষক সকলকৈ বিভিন্ন উপাদান আৰু সেৱাৰ বর্ধিত যোগান, কৃষিৰ সম্প্রসাৰণ আৰু উন্নতৰ ব্যৱস্থা কৰিছিল। ইয়াৰ উপৰিও দ্বিতীয় সেউজ বিপ্লৱ দেশৰ পূব আৰু মধ্যাংশৰ ৰাজ্যসমূহলৈ সম্প্রসাৰিত হৈছিল। সপ্তম আৰু অষ্টম পৰিকল্পনাতো কৃষিৰ উন্নয়নৰ বাবে বিশেষ গুৰুত্ব দিয়া হৈছিল। এই পৰিকল্পনাসমূহত পূর্বাঞ্চলত বিশেষ ধান উৎপাদন আঁচনি, ৰাষ্ট্রীয় জলস্বেদ আঁচনি , ৰাষ্ট্রীয় তৈলবীজ উন্নয়ন প্রকল্প, সামাজিক বনানিকৰণ ইত্যাদি হাতত লোৱা হৈছিল। অনুকূল বতৰ আৰু জলবায়ু অৱস্থাৰ দ্বাৰা আশীৰ্বাদ পুষ্ট হৈ অষ্টম পৰিকল্পনাৰ তৈলবীজ, মৰাপাট, কুঁহিয়াৰ আৰু কপাহৰ লগত জড়িত প্রায়বোৰ নির্ধাৰিত লক্ষ্যই সফল হৈছিল।

● **স্তৰ ৩ (নৱম পৰিকল্পনা ৰপৰা একাদশ পৰিকল্পনালৈ) (সময় ১৯৯৮ ৰ পৰা ২০১২)ঃ**

নৱম পৰিকল্পনাত কৃষিখণ্ডই আশানুৰূপ সফলতা লাভ কৰিব নোৱাৰিলে। এই পৰিকল্পনাৰ সময়ছোৱাত

নির্ধাৰিত লক্ষ্য ২৫৪ নিযুত টনৰ তুলনাত খাদ্যশস্যৰ প্ৰকৃত উৎপাদন আছিল মাত্ৰ ২১২ নিযুত টন। তৈলবীজ, কুঁহিয়াৰ, কপাহ আৰু মৰাপাটৰ উৎপাদনৰ ক্ষেত্ৰতো সফলতা আছিল নির্ধাৰিত লক্ষ্যতকৈ বহুত তলত। কৃষি উৎপাদন সূচাংক (১৯৮১-৮২ =১০০)

১৯৯৭-৯৮ ত ১৬৫.৩ ৰপৰা ২০০১-০২ চনত ১৭৯.৯ লৈ বৃদ্ধি হৈ নৱম পৰিকল্পনাৰ সময়ছোৱাত এক মিশ্রিত ফলাফল দেখুৱাইছিল। দশম পৰিকল্পনাত প্ৰাকৃতিক সম্পদৰ বহনক্ষম উন্নয়নৰ লগতে কৃষিৰ উন্নয়নৰ বাবে "আঞ্চলিকভাবে পৃথকীকৃত কৌশল" (Regionally Differentiated Strategy) গ্ৰহণ কৰা হৈছিল। সেই অনুসৰি দশম পৰিকল্পনাই অব্যৱহৃত ভূমিৰ আবাদকৰণ, বৰষুণৰ পানী সংগ্ৰহ আৰু সংৰক্ষণ, শস্য বৈচিত্ৰ্যকৰণ ইত্যাদিৰ ওপৰত যো�ৰ দিছিল। দশম পৰিকল্পনাত উৎপাদন গুণগত মানদণ্ডৰ বীজ বিতৰণ, শস্য পুষ্টিকাৰক দ্ৰব্য, মাটি পৰীক্ষন, কীট-পতংগ নিয়ন্ত্ৰণ আৰু কৃষিপামৰ আহিলা প্ৰয়োগ ইত্যাদিৰ লগত জড়িত আঁচনি প্ৰৱৰ্তন কৰিছিল। দশম পৰিকল্পনাই জৈৱ কৃষি আৰু জৈৱিক সাৰৰ ব্যৱহাৰকো উদগনি যোগাইছিল। একাদশ পৰিকল্পনাত গ্ৰহণ কৰা "অন্তর্ভুক্ত বিকাশ" (Inclusive Growth)ৰ বাবে কৃষি আৰু সংলগ্ন সেৱা সমূহৰ পৰা বছৰি মুঠ ঘৰুৱা উৎপাদনৰ ৪% উন্নয়নৰ লক্ষ্য নির্ধাৰণ কৰিছিল। দ্বাদশ পৰিকল্পনাৰ প্ৰথম চাৰি বছৰত নির্ধাৰিত লক্ষ্য বছৰি ৪% ৰ বিপৰীতে কৃষি আৰু সংলগ্ন খণ্ড সমূহৰ উন্নয়নৰ হাৰ আছিল ১.৬%।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ তলৰ উক্তিবোৰ সঁচানে মিছা কওক-

(ক) ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাত কৃষিৰ উন্নয়নৰ প্ৰগতি সদায় সন্তোষজনক নাছিল। (সঁচা মিছা)

(খ) দশম পৰিকল্পনাই জৈৱ কৃষি আৰু জৈৱ সাৰৰ ব্যৱহাৰত উদ্‌গনি যোগাইছিল। (সঁচা/মিছা)

প্ৰশ্ন ২ঃ ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰথম স্তৰত কৃষিৰ অগ্ৰগতিৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

(৭০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)।

.....

.....

.....

৭.৪ কৃষি আধুনিকীকৰণ

কৃষিৰ আধুনিকীকৰণ বা কৃষি পামৰ যান্ত্রিকীকৰণ বা কৃষিৰ যান্ত্রিকীকৰণ বুলিলে মানুহ আৰু জন্তুৰ শ্ৰম জড়িত পৰম্পৰাগত পদ্ধতিৰ সলনি কৃষি কার্যত যন্ত্রৰ ব্যৱহাৰকে বুজায়। ই হ'ল এক প্ৰক্ৰিয়া য'ত জন্তু আৰু মানুহৰ শ্ৰম জড়িত জৈৱিক শক্তিৰ উৎসৰ পৰিবর্তে যান্ত্রিক শক্তিৰ উৎস যেনে ট্ৰেক্টৰ, থ্ৰেচাৰ (বীজ সিচাঁ যন্ত্র), হাৰভেচাৰ (শস্য চপোৱা যন্ত্র) পামপচেট ইত্যাদিৰ ব্যৱহাৰ কৰা হয়। যান্ত্রিকীকৰণ সম্পূর্ণ বা আংশিক হ'ব পাৰে।

কৃষিৰ আধুনিকীকৰণে অন্য উপাদানসমূহৰ দক্ষতা ব্যৱহাৰত সহায় কৰে, কৃষি কর্মীসকলৰ নিৰাপত্তা আৰু আৰাম বৃদ্ধি কৰে, কৃষি উৎপাদনৰ গুণগত মানদণ্ড উন্নত কৰে আৰু ইয়াৰ মূল্য সংযোজনত সহায় কৰে।

ই কৃষক সকলক পৰৱৰ্তী শস্য উৎপাদনতো সক্ষম কৰাৰ জৰিয়তে কৃষিৰ বাণিজ্যিকীকৰণটো সহায় কৰে। সেয়ে হলেও ভূমিত বৰ্দ্ধিত জনসংখ্যাৰ বোজা, সূক্ষ্ম আৰু খণ্ডিত ভূমি, প্ৰৱল দৰিদ্ৰতা আৰু কৃষক সকলৰ অজ্ঞতা ইত্যাদি কাৰকে কৃষিৰ আধুনিকীকৰণত যথেষ্ট বাধাৰ সৃষ্টি কৰে।

৭.৪.১ কৃষিৰ আধুনিকীকৰণৰ সুবিধাসমূহ

কৃষিৰ আধুনিকীকৰণে কৃষিখণ্ডত কেতবোৰ সুবিধা প্ৰদান কৰে। সেইবোৰ হ'ল-

- কৃষি পামসমূহৰ যান্ত্ৰিকীকৰণে কৃষি উৎপাদনৰ পৰিমান আৰু উৎপাদনশীলতা বৃদ্ধি কৰে।
- কৃষিৰ আধুনিকীকৰণে কৃষি শ্ৰমিকৰ উৎপাদনশীলতা বৃদ্ধি কৰে। যিহেতু একে পৰিমানৰ উৎপাদন কম সংখ্যাক শ্ৰমিকৰ দ্বাৰা উৎপাদন কৰিব পৰা যায়।
- ই কৃষি শ্ৰমিক সকলৰ গধু�ৰ পৰিশ্ৰম যেনে কৃষি ভূমিৰ আবাদকৰণ, হালমৰা, খনন, মাটি কঢ়িওৱা ইত্যাদি লাঘৱ কৰে।
- কৃষিৰ আধুনিকীকৰণৰ ফলত বৃহৎ আকাৰৰ কৃষি কাৰ্য সম্ভৱ হৈছে যিয়ে উৎপাদনৰ ব্যয় হ্ৰাস কৰে। ই ধাৰাবাহিক কৃষি কাৰ্য সফল কৰি তুলিছে আৰু কৃষক সকলক উপযুক্ত ধৰণে বহু শস্যৰ খেতি কৰিবলৈ উদ্‌গনি যোগাইছে।
- কৃষি উৎপাদনৰ ৰাহিয়ে ঔদ্যোগিক উন্নয়নত সহায় কৰিছে।

৭.৪.২ কৃষিৰ আধুনিকীকৰণৰ বিপৰে যুক্তি

কৃষিৰ আধুনিকীকৰণ বিপক্ষে তলত কেতবোৰ যুক্তি দাঙি ধৰা হ'ল-

- ই কৃষিত নিয়োগৰ পৰিমান হ্ৰাস কৰে।
- কৃষিৰ যান্ত্ৰিকীকৰণে আঞ্চলিক বৈষম্যৰ সৃষ্টি কৰে আৰু ব্যক্তি বৈষম্যও বৃদ্ধি কৰে।
- উন্নয়নশীল দেশসমূহত বৃহৎ সংখ্যক ক্ষুদ্ৰ আৰু প্ৰান্তিক ভূমিৰ অৱস্থিতিৰ বাবে কৃষিৰ আধুনিকীকৰণ সম্ভৱ নহয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ঃ কৃষিৰ আধুনিকীৰণৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন ৪ ঃ কৃষিৰ আধুনিকীকৰণৰ সপক্ষে যুক্তি দিয়ক।

.....

.....

.....

৭.৫ সেইজ বিপ্লৱ

সেউজ বিপ্লৱ বা নতুন কৃষি কৌশল ভাৰতবর্ষত তৃতীয় পঞ্চবার্ষিক পৰিকল্পনা অর্থাৎ ১৯৬০ দশকৰ সময়ছোৱাত গ্রহণ কৰা হৈছিল। ১৯৬০ দশকৰ মাজভাগত মেক্সিকোৰ অধ্যাপক নৰমান বৰলাউগে (Norman Borlaug) ঘেঁহুৰ এবিধ নতুন উচ্চ উৎপাদনক্ষম প্রকাৰ উদ্ভাৱন কৰিছিল আৰু সেইমতে বিভিন্ন দেশসমূহে এই নতুন প্রকাৰ প্রয়োগ কৰিবলৈ ধৰিলে। ১৯৬৬ ৰ ৰবি শস্যৰ বতৰত ভাৰতবর্ষই প্রথমবাৰৰ বাবে উচ্চ উৎপাদনক্ষম প্রকাৰ আঁচনি (HYVP) গ্রহণ কৰে। এই আঁচনিৰ এখন টোপোলা (Package) আঁচনি হিচাপে গ্রহণ কৰা হৈছিল। যিহেতু এই আঁচনিৰ সফলতা নির্ভৰ কৰিছিল যথোপযুক্ত জলসিঞ্চনৰ সা-সুবিধা, সাৰৰ প্রয়োগ, উচ্চ উৎপাদনক্ষম বীজ, কীটনাশক, পোক-পতংগ নাশক ইত্যাদিৰ ওপৰত। এইদৰে ভাৰতীয় কৃষিত লাহে লহে এক ধৰণৰ নতুন প্রযুক্তি কৌশল গ্রহণ কৰা হৈছিল। এই নতুন কৌশলকে জনপ্রিয়ভাৱে "আধুনিক কৃষি প্রযুক্তি কৌশল"বা "সেউজ বিপ্লৱ" বুলি জনা গৈছিল।

ইয়াৰ উপৰিও সেউজ বিপ্লৱৰ প্রথম স্তৰত প্রায় ১৯৬০ দশকৰ মাজভাগৰ পৰা ১৯৭০ দশকৰ মাজভাগলৈ উচ্চ উৎপাদনক্ষম প্রকাৰৰ বীজসমূহ (HYV)পাঞ্জাব, অন্ধ্রপ্রদেশ আৰু তামিলনাড়ুৰ দৰে অধিক চহকী ৰাজ্যসমূহতে সীমাৱদ্ধ আছিল। তদুপৰি উচ্চ উৎপাদনক্ষম প্রকাৰৰ বীজ সমূহৰ ব্যৱহাৰে প্রাথমিকভাৱে ঘেঁহু উৎপাদনকৰা অঞ্চল সমূহকে উপকৃত কৰিছিল। সেউজ বিপ্লৱৰ দ্বিতীয় স্তৰত ১৯৭০ ৰ মাজভাগৰপৰা ১৯৮০ ৰ মাজভাগলৈ উচ্চ উৎপাদনক্ষম প্রকাৰৰ প্রযুক্তি কৌশল অধিক সংখ্যক ৰাজ্যলৈ আৰু অধিক সংখ্যক শস্যলৈ বিস্তাৰিত কৰা হৈছিল।

৭.৫.১ কৃষিৰ আধুনিকীকৰণৰ সুবিধাসমূহ

কৃষিৰ নতুন কৃষি কৌশলৰ প্রয়োগৰ সপক্ষে কেতবোৰ যুক্তি আছে। সেইবোৰ তলত আলোচনা কৰা হ'ল-

- **কৃষি বাণিজ্যিকীকৰণ ঃ** সেউজ বিপ্লৱে "বিপননযোগ্য উদ্বৃত্ত (Marketable Surplus) ৰ সৃষ্টি কৰিলে। বিপননযোগ্য উদ্বৃত্ত হ'ল কৃষি উৎপাদনৰ সেই অংশ যাক কৃষকসকলৰ নিজৰ প্রয়োজন পূৰণৰ পিছত বজাৰত বিক্রী কৰা হয়।
- **উৎপাদন বৃদ্ধি ঃ** সেউজ বিপ্লৱে খাদ্যশস্যৰ উৎপাদনৰ গুণিতক হাৰত বৃদ্ধি কৰিলে। ইয়ে দেশক নিয়মীয়া খাদ্যশস্যৰ নাটনিৰ পৰা মুক্ত হোৱাত সহায় কৰিলে। উচ্চ উৎপাদনক্ষম প্রকাৰৰ [HYV] বীজ ব্যৱহাৰে খাদ্যশস্যৰ উৎপাদন বহল বৃদ্ধি কৰিলে।
- **আয় বৃদ্ধি আৰু আত্মনির্ভৰশীলতা ঃ** সেউজ বিপ্লবৰ ফলত ৰাসায়নিক সাৰ, কীটনাশক দ্রব্যৰ, যন্ত্র-পাতি ইত্যাদি উৎপাদন কৰা বহুতো উদ্যোগ প্রতিষ্ঠা হৈছিল। ই কৃষক সকলৰ আয় বৃদ্ধি আৰু আত্মনির্ভৰশীলতা অর্জনত সহায় কৰিছিল।

৭.৫.২ সেউজ বিপ্লৱৰ বিফলতাসমূহ

সেউজ বিপ্লৱৰ ফলত ৰাষ্ট্রখন বহলভাবে উপকৃত হলেও প্রযুক্তি কৌশলৰ ব্যৱহাৰ আশংকামুক্ত নাছিল। সেউজ বিপ্লৱৰ কেতবোৰ ঋনাত্মক প্রভাৱ তলত আলোচনা কৰা হ'ল-

- **সীমিত সংখ্যক শস্য ঃ** সেউজ বিপ্লৱৰ প্ৰভাব সীমিত সংখ্যক শস্য যেনে- ঘেঁহু, ধান, বজ্ৰা, গোমধান ইত্যাদিৰ মাজতে সীমাৱদ্ধ আছিল। বাণিজ্যিক শস্য যেনে- চাহ, ৰবৰ, মৰাপাট ইত্যাদিৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ তেনেই সীমিত।
- **আঞ্চলিক বৈষম্য ঃ** সেউজ বিপ্লৱে কেবল পঞ্জাব, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশকহে সামৰি লোৱাৰ ফলত আঞ্চলিক বৈষম্য বাঢ়ি গৈছিল। সেইবাবে সম্পদ সমৃদ্ধ আৰু জলসিঞ্চনৰ সম্ভাৱনা থকা অঞ্চল সমূহে আধুনিক প্ৰযুক্তি কৌশলৰ ব্যৱহাৰৰ পৰা আটাইতকৈ বেছি উপকৃত হৈছিল।
- **ক্ষুদ্ৰ আৰু উপান্ত কৃষকৰ বাবে অনুকূল ঃ** শোচনীয় বিত্তীয় অৱস্থা আৰু ঋণ লাভ কৰাৰ ক্ষমতাৰ বাবে ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলে নতুন কৌশল ব্যৱহাৰ কৰিব পৰা নাছিল। তেওঁলোকৰ ক্ষুদ্ৰ ভূমিৰ পৰিমান আধুনিক প্ৰযুক্তি কৌশলৰ বাবে অনুপযোগী আছিল। ইয়াৰ উপৰিও উচ্চ উৎপাদনক্ষম প্ৰকাৰৰ শস্যবোৰ আছিল সহজে কীট পতংগই আক্ৰমণ কৰিব পৰা ধৰণৰ।

৭.৫.৩ সেউজ বিপ্লৱৰ দ্বিতীয় সংস্কাৰণ

ওপৰত উল্লেখিত সেউজ বিপ্লৱৰ বিফলতা সমূহৰ পৰিপ্ৰেক্ষিতত খাদ্য আৰু পৰিপুষ্টিৰ নিৰাপত্তা আহৰণৰ উদ্দেশ্য আগত ৰাখি ভাৰতত দ্বিতীয় সেউজ বিপ্লৱৰ সূচনা কৰা হৈছিল। একে সময়তে এই পদক্ষেপৰ জৰিয়তে কৃষিৰ আয় আৰু নিয়োগ বৃদ্ধিৰ উদ্দেশ্যও আগত ৰখা হৈছিল। এই নতুন পদক্ষেপত কৃষিৰ বিনিয়োগৰ বৃদ্ধিৰ বাবে হ্ৰাসমান কৃষিৰ বিনিয়োগ পুনৰ উদ্ধাৰ কৰাৰ বাবে কৃষি গৱেষণা, জলসিঞ্চন আৰু পতিত ভূমি উন্নয়নৰ জৰিয়তে বিনিয়োগ বৃদ্ধিৰ চেষ্টা কৰা হৈছিল। দ্বিতীয় সেউজ বিপ্লৱৰ কৌশলৰ ৰূপৰেখা আত ধৰি প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিংয়ে মতপোষণ কৰিছিল যে উৎপাদন বৃদ্ধিৰ বাবে কৃষি পাম ব্যৱস্থাপনাৰ উন্নয়নৰ প্ৰয়োজনীয়তা আছে। ইয়াৰ বাবে ভূমিৰ গুণাগুণৰ উন্নয়ন, জল সংৰক্ষণ, ঋণ ব্যৱস্থা আৰু পশুপালনত বিজ্ঞানৰ প্ৰয়োগ ইত্যাদিৰ উন্নয়নৰ প্ৰয়োজন। ২০১০-১১ চনৰ কেন্দ্ৰীয় বাজেটত কৃষি উন্নয়নৰ কৌশল হিচাপে দ্বিতীয় সেউজ বিপ্লৱ দেশৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ যেনে বিহাৰ, চট্টীশগড়, ঝাৰখণ্ড, পূব উত্তৰ প্ৰদেশ, পশ্চিমবংগ আৰু উৰিষ্যা লৈ সম্প্ৰসাৰিত কৰাৰ ব্যৱস্থা হাতত লৈছিল। ইয়াৰ বাবে গ্ৰাম সভা আৰু কৃষক পৰিয়াল সমূহকো অন্তৰ্ভুক্ত কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ঃ সেউজ বিপ্লৱৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন ৬ ঃ সেউজ বিপ্লৱৰ দ্বিতীয় সংস্কৰণ বুলিলে কি বুজা?

.....

.....

৭.৬ উন্নয়নশীল দেশত কৃষিৰ ভূমিকা

উদ্যোগীকৰণৰ বর্ধিত গুৰুত্বথকা স্বত্বেও চৰ্তেত্ত পৃথিৱীৰ প্রায় সকলো বোৰ উন্নয়নশীল দেশেই এতিয়াও বহু পৰিমাণে কৃষিৰ ওপৰত নির্ভৰশীল। উন্নয়নশীল দেশৰ অর্থনৈতিক উন্নয়নৰ ক্ষেত্রত কৃষিৰ ভূমিকা নিম্ন উল্লেখিত দিশসমূহৰ পৰা পৰিস্ফুট হয়।

● **খাদ্য যোগানৰ উৎস ঃ** উন্নয়নশীল দেশসমূহত জনসংখ্যাৰ প্রবল বোজাৰ বাবে খাদ্যৰ চাহিদা বর্ধিত হাৰত বৃদ্ধি পাইছে। যদি খাদ্য সামগ্রীৰ এই বর্ধিত চাহিদা কৃষিয়ে পূৰণ কৰিব নোৱাৰে। তেনেহ'লে ই অর্থনৈতিক উন্নয়নত বিৰোপ প্রভাৱ পেলায়। সেইবাবে কৃষিখণ্ডৰ দ্বাৰা খাদ্যৰ যোগান বৃদ্ধি দেশ এখনৰ অর্থনৈতিক উন্নয়নৰ বাবে অতিকৈ গুৰুত্বপূর্ণ। এই বর্ধিত খাদ্যৰ যোগানৰ জৰিয়তে মূল্যবান বৈদেশিক মুদ্রাও ৰাহি কৰিব পাৰি। যাক উদ্যোগীকৰণ আৰু অর্থনৈতিক উন্নয়নৰ বাবে প্রয়োজনীয় যন্ত্র-পাতি আৰু কেঁচা সামগ্রী আমদানি কৰাৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

● **<u>উদ্যোগীক কেঁচা সামগ্রীৰ যোগান</u> ঃ** কৃষিখণ্ডই বিভিন্ন উদ্যোগৰ বাবে প্রয়োজনীয় কেঁচা সামগ্রীৰ যোগান ধৰে আৰু ইয়াৰ জৰিয়তে অর্থনৈতিক উন্নয়নত সহায় কৰে। উপভোগ্য সামগ্রীৰ উদ্যোগ যেনে চেণী, চাহপাত, মৰাপাট, কাগজ, কপাহীসূতা, বনস্পতি তেল, তৈলবীজ ইত্যাদিয়ে ইয়াৰ বাবে প্রয়োজনীয় কেঁচামাল কৃষিৰ পৰা আহৰণ কৰে। একেদৰে সমগ্র খাদ্য পৰিশোধন উদ্যোগ সমূহেও কৃষিৰ ওপৰত নির্ভৰশীল। এইদৰে উদ্যোগ সমূহলৈ পর্যাপ্ত পৰিমানৰ কেচামাল যোগান ধৰাৰ জৰিয়তে কৃষিখণ্ডই অর্থনৈতিক উন্নয়নত গুৰুত্বপূর্ণ অৱদান আগবঢ়ায়।

● **উদ্যোগলৈ শ্রমৰ যোগান নিশ্চিত কৰণ ঃ** কৃষিৰ উৎপাদনশীলতা বৃদ্ধিৰ লগে লগে কৃষিখণ্ডত প্রয়োজনীয় শ্রমিকৰ সংখ্যা কমি আহিছে আৰু ইে এই অতিৰিক্ত শ্রমিকসকলক উদ্যোগীক খণ্ডত নিয়োজিত হোৱাৰ সুবিধা প্রদান কৰিছে।

● **গ্রাম্যলোকলৈ নিয়োগৰ সুবিধা ঃ** প্রায়ভাগ উন্নয়নশীল দেশত কৃষিয়ে গ্রামাঞ্চলৰ লোক সকলক নিয়োগৰ সুবিধা প্রদান কৰি আহিছে। ইয়াৰ উপৰিও বৃহৎ সংখ্যক ভূমিহীন শ্রমিক আৰু উপান্ত কৃষক খাদ্য পৰিশোধন উদ্যোগত নিয়োজিত হৈ আহিছে। সেইবাবে বৃহৎ সংখ্যক শ্রমিক শক্তি বর্তমানো কৃষিৰ ওপৰত নির্ভৰশীল।

● **বৈদেশিক মুদ্রা অর্জনৰ উৎস ঃ** সৰহসংখ্যক উন্নয়নশীল দেশেই প্রাথমিক উৎপাদিত দ্রব্য ৰপ্তানি কৰে। যিয়ে তেওঁলোকক বৈদেশিক মুদ্রা আহৰণত সহায় কৰে। ভাৰতৰ ৰপ্তানিকৃত কৃষিজাত দ্রব্য সমূহ হ'ল- চাহ, কফি, চাউল, মাছ, বাদাম, ধঁপাত ইত্যাদি।

● **বজাৰ সম্প্রসাৰণ ঃ** কৃষিৰ উন্নতিৰ ফলস্বৰূপে উদ্যোগজাত সামগ্রীৰ বজাৰৰ সম্প্রসাৰণ ঘটে। আচলতে কৃষিৰ উৎপাদনশীলতা বৃদ্ধিয়ে গ্রাম্য জনসাধাৰণৰ আয় বৃদ্ধি কৰে। যিয়ে আকৌ উদ্যোগজাত সামগ্রীৰ চাহিদা বৃদ্ধি ঘটায়। ফলস্বৰূপে, উদ্যোগিক খণ্ডৰ উন্নয়নে অর্থনৈতিক উন্নয়নৰ হাৰ তৰান্বিত কৰে। এইদৰে কৃষি খণ্ডই অর্থনৈতিক উন্নয়নত সহায় কৰে।

অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ৭ঃ খাদ্য সামগ্ৰী যোগানৰ উৎস হিচাপে কৃষিৰ ভূমিকা উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন ৮ ঃ কৃষিয়ে কেনেদৰে বৈদেশিক মুদ্ৰা উপাৰ্জনৰ উৎস হিচাপে কাম কৰে।

.....

.....

.....

৭.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- বহল অৰ্থত, কৃষিৰ উন্নয়নে পৰিকল্পিত অৰ্থনীতিৰ উন্নয়নৰ সকলোবোৰ কৌশলৰ মূল।
- যদিহে অৰ্থনৈতিক উন্নয়নৰ প্ৰক্ৰিয়াটো আৰম্ভ আৰু স্বয়ং বহনক্ষম কৰিব লাগে ই নিশ্চয় কৃষিখণ্ডৰ পৰাই আৰম্ভ হ'ব লাগিব।
- ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহে কৃষিখণ্ডৰ উন্নয়নৰ বাবে প্ৰচেষ্টা হাতত লৈছিল আৰু সেই অনুসৰি বিভিন্ন পৰিকল্পনাৰ সময়ছোৱাত নিৰ্ধাৰিত লক্ষ্য স্থিৰ কৰি কৃষিৰ উৎপাদন বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছিল।
- কৃষিপামৰ যান্ত্ৰিকীকৰণ বা কৃষিৰ যান্ত্ৰিকীকৰণে পৰম্পৰাগত পদ্ধতিৰ পৰিৱৰ্তে কৃষিকাৰ্যত যন্ত্ৰৰ ব্যৱহাৰৰ কথাকে বুজায়।
- কৃষিৰ আধুনিকীকৰণৰ বহুতো সুবিধা আছে। তাৰ ভিতৰত কৃষিকৰ্মী সকলৰ নিৰাপত্তা আৰু আৰাম বৃদ্ধি, কৃষিৰ উৎপাদনৰ মানদণ্ড আৰু মূল্য সংযোজনৰ উন্নতি আৰু কৃষকসকলক পৰৱৰ্তী শস্য (Second Crop) উৎপাদনত সক্ষম কৰাৰ জৰিয়তে কৃষিৰ বাণিজ্যিকীকৰণ কৰা ইত্যাদিয়েই প্ৰধান।
- ভূমিত বৰ্ধিত জনসংখ্যাৰ বোজা, সূক্ষ্ম আৰু খণ্ডিত ভূমি, প্ৰৱল দৰিদ্ৰতা আৰু কৃষকসকলৰ অজ্ঞতা ইত্যাদি কাৰকেই হ'ল কৃষিৰ আধুনিকীকৰণৰ প্ৰধান বাধা।
- "সেউজ বিপ্লব "বা" নতুন কৃষি কৌশল" ভাৰতবৰ্ষত তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা অৰ্থাৎ ১৯৬০ দশকৰ সময়ছোৱাত গ্ৰহণ কৰা হৈছিল।
- ভাৰতবৰ্ষত উচ্চ উৎপাদনক্ষম প্ৰকাৰৰ আঁচনি প্ৰথম বাৰৰ বাবে গ্ৰহণ কৰা হৈছিল। যিয়ে খাদ্যশস্য উৎপাদনৰ ক্ষেত্ৰত অভিলেখ স্থাপন কৰিছিল।
- সেউজ বিপ্লৱৰ প্ৰভাৱ সীমিত সংখ্যক শস্য যেনে- ঘেঁহু, ধান, বজ্ৰা, গোমধান ইত্যাদিৰ মাজতে সীমাবদ্ধ আছিল। চাহ, ৰবৰ, মৰাপাট ইত্যাদি বানিজ্যিক শস্যৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ সীমিত আছিল।

- সেইজ বিপ্লৱে গ্রামাঞ্চলত আয়ৰ বৈষম্য বৃদ্ধি কৰিলে।
- ভাৰতত দ্বিতীয় সেউজ বিপ্লৱ সূচনা কৰা হৈছিল কৃষি উন্নয়নৰ সুফলসমূহ অধিক শস্য আৰু দেশৰ অধিকাংশ অঞ্চললৈ সম্প্রসাৰিত কৰাৰ বাবে।
- উন্নয়নশীল দেশসমূহত কৃষিয়ে গ্রামাঞ্চলৰ লোক সকললৈ বৃহৎ হাৰত নিয়োগৰ সুবিধা প্রদান কৰে।
- বর্ধিত কৃষিৰ উৎপাদন আৰু উৎপাদনশীলতাই সৃষ্টি কৰা কৃষিৰ উদ্বৃত্তই বিশেষকৈ গ্রামাঞ্চলত সমাজ কল্যাণৰ উন্নতি সাধন কৰে। গ্রামাঞ্চলৰ লোকসকলৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হয়।

৭.৮ অধিক জানিবলৈ

1. Agarwal, R.C., Economics of Development & Planning, First Edition, 2002
2. Dhar, P.K., Indian Economy: Its Growing Dimensions, Kalyani Publishers, 2014
3. Lekhi, R.K. Development Economics, Kalyani Publishers, 2013
4. Meir, G.M., & James E. Rough, Leading Issues in Economic Development, Eight Edition, 2009.
5. Ray, Debraj, Development Economics, 2002
6. Thirwall, A.P., Economics of Development, Ninth Edition, 2011
7. Todaro, Michael P. Nd Stephen C. Smith, Economic Development, Tenth Edition, 2009

৭.৯ অগ্রগতিৰ খতিয়ান

১। নং প্রশ্নৰ উত্তৰঃ (ক) মিছা (খ) সঁচা

২। নং প্রশ্নৰ উত্তৰঃ প্রথম স্তৰে প্রথম পৰিকল্পনাৰ পৰা চতুর্থ পৰিকল্পনালৈকে বুজায়।

প্রথম পৰিকল্পনাই ভাৰতে সন্মুখীন হোৱা খাদ্য সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিছিল আৰু কৃষিজাত কেঁচা সামগ্রী যেনে- কেঁচা মৰাপাট, কেচাঁ কপাহ, তৈলবীজ ইত্যাদি বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছিল। সেয়া হলেও দ্বিতীয়, তৃতীয় আৰু চতুর্থ পৰিকল্পনাৰ সময়চোৱাত কৃষিৰ উন্নতিৰ ক্ষেত্রত লাভ কৰা সফলতা সন্তোষজনক নাছিল। এই পৰিকল্পনাসমূহত উপলব্ধ উৎপাদন আছিল ক্রমে ৪০ নিযুত টন, ৭২ নিযুত টন আৰু ১০৪ নিযুত টন যিটো নির্ধাৰিত লক্ষ্যতকৈ বহুগুণে কম আছিল। ইয়াৰ উপৰিও যদিও তৃতীয় পৰিকল্পনাত সেউজ বিপ্লৱৰ সূচনা কৰা হৈছিল ই তৃতীয় আৰু চতুর্থ পৰিকল্পনাৰ সময়ছোৱাত নির্ধাৰিত লক্ষ্যত উপনীত হোৱাত ব্যর্থ হৈছিল। আনহাতে, চতুর্থ পৰিকল্পনাৰ সময়ছোৱাত কৃষি কার্যৰ উন্নতি কল্পে বিজ্ঞান আৰু প্রযুক্তি দ্যিাৰ প্রয়োগৰ প্রসাৰৰ বাবে এক প্রণালীবদ্ধ প্রচেষ্টা হাতত লোৱা হৈছিল।

৩। নং প্রশ্নৰ উত্তৰঃ কৃষিৰ আধুনিকীকৰণ হ'ল এক প্রক্রিয়া য'ত জন্তু আৰু মানুহৰ শ্রম জড়িত জৈৱিক শক্তিৰ উৎসৰ পৰিবর্তে যান্ত্রিক শক্তিৰ উৎস যেনে ট্রেক্টৰ, থ্রেচাৰ, হাৰভেচাৰ, পাম্পচেট ইত্যাদিৰ ব্যৱহাৰ কৰা হয়। কৃষিৰ আধুনিকীকৰণত হালবোৱাৰ পৰা আৰম্ভ কৰি কৃষি বিপণনলৈকে কৃষিকার্যত বিভিন্ন যন্ত্র-পাতিৰ ব্যৱহাৰ জড়িত হৈ থাকে।

৪। নং প্ৰশ্নৰ উত্তৰঃ কৃষিৰ আধুনিকীকৰণে শ্ৰমিকৰ উৎপাদন শীলতা বৃদ্ধি কৰে। যিহেতু একে পৰিমানৰ উৎপাদন কম সংখ্যক শ্ৰমিকৰ দ্বাৰা উৎপাদন কৰিব পৰা যায়। ই কৃষি শ্ৰমিকসকলৰ গধুৰ পৰিশ্ৰম যেনে কৃষি ভূমিৰ আবাদকৰণ, হালমৰা, খনন, মাটি কঢ়িওৱা ইত্যাদি লাঘৰ কৰে। কৃষিৰ আধুনিকীকৰণৰ ফলত বৃহৎ আকাৰৰ কৃষি কার্য সম্ভৱ হৈছে যিয়ে উৎপাদন ব্যয় হ্ৰাস কৰে। ই ধাৰাবাহিক কৃষিকার্য সফল কৰি তুলিছে আৰু কৃষক সকলক উপযুক্ত ধৰণে বহু শস্যৰ খেতি কৰিবলৈ উদগনি যোগাইছে।

৫। নং প্ৰশ্নৰ উত্তৰঃ ১৯৬৬ চনত, ভাৰতবর্ষই প্ৰথমবাৰৰ বাবে উচ্চ উৎপাদনক্ষম প্ৰকাৰ আঁচনি গ্ৰহণ কৰে। এই আঁচনিখন এখন টোপোলা আঁচনি হিচাপে গ্ৰহণ কৰা হৈছিল যিহেতু এই আঁচনিৰ সফলতা নির্ভৰ কৰিছিল যথোপযুক্ত জলসিঞ্চনৰ সা-সুবিধা, সাৰৰ প্ৰয়োগ, উচ্চ উৎপাদনক্ষম বীজ, কীটনাশক, পোক পতংগ নাশক ইত্যাদিৰ ওপৰত। এইদৰে ভাৰতীয় কৃষিত লাহে লাহে একধৰণৰ নতুন প্ৰযুক্তি কৌশল গ্ৰহণ কৰা হৈছিল। এই নতুন কৌশলকে জনপ্ৰিয়ভাবে আধুনিক "কৃষি প্ৰযুক্তি কৌশল" বা "সেউজ বিপ্লৱ" বুলি জনা গৈছিল।

৬। নং প্ৰশ্নৰ উত্তৰঃ সেউজ বিপ্লবৰ বিফলতাৰ বাবে সকলো অঞ্চল আৰু সকলো শস্যকে সামৰি ল'ব পৰাকে ভাৰতত এক নতুন কৃষি কৌশল গ্ৰহণ কৰা হৈছিল যাক দ্বিতীয় সেউজ বিপ্লৱ বুলি কোৱা হয়। এই আঁচনিৰ উদ্দেশ্য আছিল দুখীয়া লোকসকলৰ বাবে বহনক্ষম জীৱিকা নির্বাহৰ নিৰাপত্তা সৃষ্টি কৰা আৰু লাভজনক স্বনিয়োজন সৃষ্টিৰ জৰিয়তে দৰিদ্ৰতা দূৰ কৰা।

৭। নং প্ৰশ্নৰ উত্তৰঃ উন্নয়নশীল দেশসমূহত জনসংখ্যাৰ প্ৰৱল বোজাৰ বাবে খাদ্যৰ চাহিদা বর্ধিত হাৰত বৃৰ্দ্ধি পাইছে। যদি খাদ্য সামগ্ৰীৰ এই বর্দ্ধিত চাহিদা কৃষিয়ে পূৰণ কৰিব নোৱাৰে, তেনেহ'লে ই অর্থনৈতিক উন্নয়নত বিৰোপ প্ৰভাৱ পেলাব। সেইবাবে কৃষিখণ্ডৰ দ্বাৰা খাদ্যৰ যোগান বৃদ্ধি দেশ এখনৰ অর্থনৈতিক উন্নয়নৰ বাবে অতি গুৰুত্বপূর্ণ।

৮। নং প্ৰশ্নৰ উত্তৰঃ সৰহসংখ্যক উন্নয়নশীল দেশেই প্ৰাথমিক উৎপাদিত দ্ৰব্য ৰপ্তানি কৰে। যিয়ে তেওঁলোকক বৈদেশিক মুদ্ৰা আহৰণত সহায় কৰে। ভাৰতৰ ৰপ্তানিকৃত কৃষিজাত দ্ৰব্যসমূহ হ'ল-চাহ, কফি, চাউল, মাছ বাদাম ধঁপাত ইত্যাদি। যদি কৃষিজাত সামগ্ৰীৰ ৰপ্তানি এক সুনির্দিষ্ট হাৰত বৃদ্ধি কৰিব পৰা নাযায় এই দেশসমূহে তেওঁলোকৰ লেনদেনৰ সমতাত ঘাটিৰ সৃষ্টি হ'ব। যাৰ পৰিণতিত এই দেশসমূহে সাংঘাটিক বৈদেশিক বিনিময়ৰ সমস্যাৰ সন্মুখীন হ'ব।

?৭.১০ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ঃ মূলধন গঠনৰ কৃষিৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ঃ অষ্টম পঞ্চবার্ষিক পৰিকল্পনাৰ পিছত কৃষিৰ অগ্ৰগতিৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ঃ ভাৰতত দ্বিতীয় সেউজ বিপ্লবৰ কৌশল বিশ্লেষণ কৰক।

(খ) দীর্ঘ প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন নং ১ঃ এখন দেশৰ অর্থনৈতিক উন্নয়নত কৃষিৰ ভূমিকা ব্যাখ্যা কৰক।

প্রশ্ন নং ২ঃ ভাৰতৰ অর্থনীতিত নতুন কৃষি কৌশলৰ প্রভাৱ ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ঃ উন্নয়নশীল দেশত কৃষিপাম যান্ত্রিকীকৰণৰ অগ্রগতি আৰু উপকাৰিতাৰ বিষয়ে আলোচনা কৰক।

*****

অধ্যায় ৮ ঃ অর্থনৈতিক উন্নয়নত উদ্যোগৰ ভূমিকা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পাতনি
৮.৩ পৰিকল্পনা কালত ভাৰতীয় উদ্যোগৰ বিকাশ
৮.৪ ভাৰতত ঔদ্যোগিক নীতি
৮.৫ ভাৰতত ঔদ্যোগিক উন্নয়নৰ সমস্যা
৮.৬ উন্নয়নশীল দেশবোৰত উদ্যোগৰ ভূমিকা
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান
৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৰিকল্পনা কালত ভাৰতীয় উদ্যোগৰ বিকাশৰ ধাৰাটো বুজি পাব
- পৰিকল্পনাৰ অধীনত ঔদ্যোগিক উন্নয়নৰ বাবে হাতত লোৱা কার্যসূচী আৰু প্রচেষ্টা প্রয়াসবোৰৰ বিষয়ে জানিব পাৰিব
- নতুন অর্থনৈতিক নীতিৰ আধাৰত ভাৰতত ঔদ্যোগিকীকৰণৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব
- উন্নয়নশীল দেশবোৰত উদ্যোগৰ ভূমিকা সম্পর্কে জানিব পাৰিব

৮.২ পৰিচয়

ঔদ্যোগিক দিশত আগবঢ়া দেশবোৰক সাধাৰণতে উন্নত দেশ বুলি কোৱা হয়। আহহাতে, কৃষিপ্রধান দেশবোৰক উন্নয়নশীল নাইবা অনুন্নত দেশ বুলি ধৰা হয়। যদিও এই বিভাজন জনশ্রুতি তথাপিও ইয়াৰ সত্যতা নথকাও নহয়। ঔদ্যোগিকভাৱে উন্নত দেশবোৰ দ্রুততাৰে বিকশিত হয়। উদ্যোগে অর্থনীতিৰ অন্য খণ্ডবোৰৰ উৎপাদক আৰু উপভোক্তা উভয়কে পণ্যদ্রব্যৰ বাবে একোখন বজাৰ সৃষ্টি কৰে। উৎপাদকৰ সামগ্রী ৰূপে উদ্যোগবোৰে অর্থনীতিৰ প্রাথমিক খণ্ডৰ পৰা কেঁচামাল আৰু তৃতীয়ক খণ্ড (tertiary sector) পৰা সেৱা ক্রয় কৰে: একে সময়তে ঔদ্যোগিক কর্মীসকলে অন্য খণ্ডৰ পৰা পণ্যদ্রব্য কিনে। অর্থাৎ, এই খণ্ডবোৰক বজাৰৰ সুবিধা প্রদান কৰি উদ্যোগে এখন দেশৰ উন্নয়ন সাধন কৰে।

বৃটিছৰ শাসনকালত ঔদ্যোগিক উন্নয়নৰ ক্ষেত্রত ভাৰতৰ অগ্রগতি স্থবিৰ হৈ পৰিছিল। কিন্তু স্বাধীনতাৰ পাচত পঞ্চবার্ষিক পৰিকল্পনা প্রস্তুত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এনে পৰিকল্পনাবোৰত ঔদ্যোগিক খণ্ডক প্রাধান্য দিয়া হৈছিল।

৮.৩ পৰিকল্পনা কালত ভাৰতীয় উদ্যোগৰ বিকাশ

ভাৰতত বৃটিছ শাসনৰ উত্থান ঘটাৰ আগতে দেশখন বহুতো পশ্চিমীয়া দেশৰ তুলনাত ঔদ্যোগিকভাৱে যথেষ্ট উন্নত আছিল। কিন্তু বৃটিছে নিজ শাসনকালত ভাৰতত বৃহৎ উদ্যোগ গঢ়ি তোলাৰ কোনো প্ৰচেষ্টা নচলালে। ফলত ভাৰত বৃটিছৰ নিৰ্মাণ উদ্যোগৰ বাবে কেঁচামাল যোগানকাৰী উপনিৱেশ হৈ ৰৈ গ'ল। ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৱলাল নেহৰুৱে ঔদ্যোগিকীকৰণক দৰিদ্ৰতা নিৰ্মূলকৰণৰ প্ৰধান অস্ত্ৰৰূপে বিবেচনা কৰিছিল। তেওঁ অনুধাৱন কৰিছিল যে ঔদ্যোগিকীকৰণে ভাৰতক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লগতে ৰাজনৈতিক সাৰ্বভৌমত্ব পুনৰ হস্তগত কৰাতো সহায় কৰিব। কাৰিকৰী উন্নতিৰ দ্বাৰা সম্ভৱ হোৱা বাহ্যিক ব্যয়সংকোচনৰ ফলত দেশৰ অৰ্থনীতি উপকৃত হ'ব বুলি নেহৰুৱে উপলব্ধি কৰিছিল।

১৯৫০ চনত ভাৰতত পৰিকল্পনা আয়োগ গঠন কৰা হৈছিল। আয়োগৰ কাম আছিল দেশৰ প্ৰয়োজনীয়তা আৰু সম্পদৰ ওপৰত সামগ্ৰিক নজৰ দি উন্নয়ন সাধন কৰিব পৰা পঞ্চবাৰ্ষিক পৰিকল্পনা প্ৰস্তুত কৰা। **প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৫১-১৯৫৬)ত** ঔদ্যোগিকীকৰণৰ ওপৰত বেছি জোৰ দিয়া হোৱা নাছিল। **দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৫৬-১৯৬১)ৰ** লক্ষ্য আছিল দেশত দ্ৰুত ঔদ্যোগিকীকৰণ সম্ভৱপৰ কৰি তোলা আৰু মৌলিক তথা বৃহৎ উদ্যোগৰ বিকাশত মনোনিৱেশ কৰা। 'মহলনবিচ আৰ্হি'ৰ ভিত্তিত দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে বৃহৎ পৰিসৰত মৌলিক তথা মূলধনী সামগ্ৰী উৎপাদনকাৰী উদ্যোগ গঢ়ি তোলাৰ কাম আৰম্ভ কৰা হৈছিল। ব্যক্তিগত খণ্ডৰ উদ্যোগবোৰৰ আধুনিকীকৰণৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ লগতে ভিলাই, ৰুৰকেলা আৰু দুৰ্গাপুৰত ৰাজহুৱা খণ্ডৰ অধীনত দহ লাখ টন (one million tonnes) উৎপাদন ক্ষমতাসম্পন্ন তিনিটা তীখা উদ্যোগ গঢ়ি তোলা হৈছিল। **তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৬১-১৯৬৬)ৰ** জৰিয়তে পূৰ্বৰ প্ৰক্ৰিয়াবোৰ আগবঢ়াই নিয়া হৈছিল আৰু গুৰু উদ্যোগৰ সম্প্ৰসাৰণ তথা উৎপাদন ক্ষমতাৰ বহুধাবিভক্তকৰণত জোৰ দিয়া হৈছিল। তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত সৰ্বমুঠ ব্যয়ৰ ২০.১ শতাংশ উদ্যোগৰ বাবে ধাৰ্য কৰা হৈছিল। কিন্তু তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা কালৰ অন্ত পৰাৰ সময়তভাৰতীয় অৰ্থনীতিৰ অৱস্থা অত্যন্ত বেয়া আছিল বাবে চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সলনি তিনিখন বছৰেকীয়া পৰিকল্পনা কৰা হৈছিল। ইমানৰ পাচতো চতুৰ্থ **(১৯৬৯-১৯৭৪)** তথা **পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৭৪-১৯৭৮)** কাল ওৰ পৰালৈকে দেশৰ উদ্যোগে ভবাধৰণে উন্নয়ন কৰিব পৰা নাছিল। ইন্দিৰা গান্ধী চৰকাৰৰ শাসনকালত চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনা কাল আৰম্ভ হৈছিল। এই সময়ছোৱাত দেশৰ অৰ্থনীতি খৰাং বতৰ, অৱমূল্যন আৰু মুদ্ৰাস্ফীতিজনিত মন্দাৱস্থাৰ লগতে জনসংখ্যাৰ বিস্ফোৰণ, বৰ্দ্ধিত নিবনুৱা সমস্যা তথা দৰিদ্ৰতাই জুৰুলা কৰিছিল। এইখিনি সময়তে ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধ তথা বাংলাদেশৰ মুক্তি যুদ্ধ আৰম্ভ হৈছিল। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত ঔদ্যোগিক উন্নয়নৰ বাবে ধাৰ্য কৰা সমুদায় পুঁজি যুদ্ধৰ নামত ব্যয় কৰা হৈছিল। ১৯৭৩ চনত দেখা দিয়া তৈল সংকটৰ ফলত তেলৰ দাম অভাৱনীয়ভাবে উৰ্দ্ধমুখী হৈছিল। একে সময়তে ৰাসায়নিক সাৰৰ দামো বৃদ্ধি পোৱাত দেশত ভয়ানক মুদ্ৰাস্ফীতি ঘটিছিল। পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত তীখা উদ্যোগৰ দ্ৰুত বিকাশ, ৰপ্তানি কৰিব পৰা সামগ্ৰী তথা বিপুল সংখ্যক নাগৰিকে উপভোগ কৰিব পৰা ধৰণৰ সামগ্ৰীৰ উৎপাদন বৃদ্ধিত প্ৰধানকৈ গুৰুত্ব আৰোপ কৰা হৈছিল। চালেম, বিজয়নগৰ আৰু বিশাখাপটন্‌মত স্থাপন কৰা তীখা উদ্যোগবোৰেৰে অতিৰিক্ত ক্ষমতা উৎপাদনৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। এই সময়ছোৱাতে ভাৰতীয় তীখা প্ৰাধিকৰণ (Stell Authority of India/SAIL) গঠন কৰা হৈছিল। পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত

ঔদ্যোগিক খণ্ডত ৮.১ শতাংশ বিকাশ হাৰৰ লক্ষ্য বান্ধি লোৱাৰ বিপৰীতে বার্ষিক বিকাশ হাৰ আছিল মাত্ৰ ৫.৩ শতাংশ। ঔদ্যোগিক উৎপাদনৰ এই মন্থৰ বিকাশৰ বাবে প্ৰধান কৈ দায়ী কাৰকবোৰ আছিল- উদ্যোগবোৰৰ ক্ষমতাৰ অভাৱ, শক্তি-পৰিবহন- ইন্ধনৰ নাটনি, অনা-লাভজনক পৰিচালনা মূল্য আৰু দুর্বল ব্যৱস্থাপনা। প্ৰধানমন্ত্রী ৰাজীৱ গান্ধীৰ চৰকাৰ শাসনত থকাৰ সময়ত **ষষ্ঠ পঞ্চাৰ্ষিক পৰিকল্পনা (১৯৮০-১৯৮৫)ৰ** কাম আৰম্ভ হৈছিল। প্ৰধানমন্ত্রীয়ে ঔদ্যোগিক উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ বিশেষকৈ তথ্য প্ৰযুক্তিৰ ক্ষেত্রখন উন্নত কৰাত জোৰ দিছিল। এই কালছোৱাত বিজ্ঞান আৰু প্ৰযুক্তিয়ে উল্লেখনীয় অগ্রগতি লাভ কৰিছিল । এই পৰিকল্পনা কালছোৱাত উন্নয়নত বাধা দিয়া এটা প্ৰধান সমস্যা আছিল ভাৰতীয় জনসংখ্যাৰ অভূতপূর্ব বিস্ফোৰণ। বহুকেইটা সফল কার্যসূচী আৰু স্বাস্থ্য যত্ন বিভাগৰ উন্নতিৰ বাবে কৰা বিনিয়োগৰ ফলত দেশত নৱজাতকৰ মৃত্যুহাৰ কমাৰ লগতে নাগৰিকৰ আয়ুস বৃদ্ধি হৈছিল। **সপ্তম পঞ্চবার্ষিক পৰিকল্পনা (১৯৮৫-১৯৯০)ৰ** উদ্দেশ্য আছিল সামাজিক ন্যায় সহিতে দেশৰ বিকাশ সাধন আৰু উৎপাদনশীলতা বৃদ্ধি কৰা। এই পৰিকল্পনা কালত মুঠ ২২,৪০৬ কৌটি টকা ঔদ্যোগিক খণ্ডৰ উন্নয়নৰ বাবে বিনিয়োগ কৰা হৈছিল। এই ধনৰাশি আছিল পৰিকল্পনাৰ বাবে ধার্য কৰা সর্বমুঠ পুঁজিৰ ১২.৫ শতাংশ। ঔদ্যোগিক উৎপাদনৰ পোষকতা আৰু উদ্যোগবোৰৰ দ্রুত উন্নয়ন সম্ভৱপৰ কৰি তুলিবলৈ এই পৰিকল্পনাৰ কালত আন্তঃ গাঁথনিমূলক বাধা-নিষেধবোৰ শিথিল কৰাৰ লগতে ঔদ্যোগিক অনুজ্ঞাপত্র প্রদান নীতিবোৰ উদাৰীকৰণ আৰু অন্য নীতি- নিয়ম প্রণয়নৰ উপৰিও সা-সুবিধা সৃষ্টিত জোৰ দিয়া হৈছিল। এই পৰিকল্পনা কালৰ অন্তত নির্ধাৰিত ৮.৭ শতাংশ বিকাশ হাৰৰ বিপৰীতে ৮.৫ শতাংশ বিকাশৰ হাৰ লাভ কৰা হৈছিল। উন্নততৰ ঔদ্যোগিক বিকাশ সম্ভৱপৰ কৰি তোলা কাৰকবোৰ আছিল উন্নততৰ আন্তঃগাঁথনি, অনুজ্ঞাপত্র প্রদান নীতিৰ পৰিৱর্তন, সামগ্রী উৎপাদন, প্রযুক্তি আমদানি তথা মূলধনী সামগ্রী উৎপাদনৰ ক্ষেত্রলৈ অহা পৰিবর্তন, উদ্যোগ এটাত স্থাপন কৰা ক্ষমতাবোৰৰ উন্নততৰ প্রয়োগ ইত্যাদি। কেন্দ্রত আৰম্ভ হোৱা ৰাজনৈতিক বিবাদ, বিত্তীয় অসমতা আৰু বিশ্বজনীন অর্থনৈতিক পৰিৱর্তনৰ পটভূমিত **অষ্টম পঞ্চবার্ষক পৰিকল্পনা (১৯৯২-১৯৯৭)**ৰ কাম-কাজ নিয়ম অনুসৰি ১৯৯০ চনত আৰম্ভ কৰিব পৰা নগ'ল। ইয়াৰ সলনি দেশত ১৯৯০-১৯৯১ আৰু ১৯৯১-৯২ চনত দুখন পৃথক বার্ষিক পৰিকল্পনাৰ কাম চলোৱা হৈছিল। সংৰচনাত্মক সমাযোজন নীতি আৰু সমষ্টিবাদী অর্থনৈতিক নীতি গ্রহণ কৰাৰ পাচত অষ্টম পঞ্চবার্ষিক পৰিকল্পনাখন তাৎক্ষণিকভাৱে মুকলি কৰা হৈছিল। এই পৰিকল্পনাৰ প্রধান লক্ষ্য আছিল উৎপাদন কার্যৰ ফলপ্রসূতা উন্নত কৰা আৰু ফলপ্রসূতা উন্নয়নৰ বাবে ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ এক পর্যবেক্ষণ কৰা। অষ্টম পৰিকল্পনাৰ কালছোৱাৰ পৰা ব্যক্তিগত খণ্ডৰ উদ্যোগবোৰে দেশৰ অর্থনীতিত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিবলৈ ল'লে আৰু সময় বাগৰাৰ লগে লগে এই ভূমিকা শক্তিশালী হৈ গৈ থাকিল। ১৯৯২-৯৩ চনত ঔদ্যোগিক খণ্ডত দেখা দিয়া স্থবিৰতাৰ বিপৰীতে ১৯৯৩-১৯৯৪ চনৰ পৰা ১৯৯৬-৯৭ চনলৈ ঔদ্যোগিক উৎপাদন বছৰি ৮.৬ শতাংশ হাৰত বৃদ্ধি পাইছিল। **নৱম পঞ্চবার্ষিক পৰিকল্পনা (১৯৯৭-২০০২ চন)** কালত ঔদ্যোগিক বিকাশৰ বছৰেকীয়া লক্ষ্য ৮.২ শতাংশ ধার্য কৰি লোৱা হৈছিল। পর্যাপ্ত আন্তঃগাঁথনিমূলক সা-সুবিধা গঢ়ি তোলা আছিল এই পৰিকল্পনাৰ প্রধান উদ্দেশ্য। প্রত্যক্ষ বিদেশী বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰিবলৈ এই পৰিকল্পনাত এনে বিনিয়োগত স্বয়ং ক্রিয় অনুমোদন জনাব পৰা উদ্যোগৰ সংখ্যা বঢ়োৱাৰ প্রস্তাৱ দিয়া হৈছিল। অনগ্রসৰ এলেকাত উদ্যোগৰ সংখ্যা বঢ়োৱাৰ বাবে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰা হৈছিল। এই পৰিকল্পনাৰ কালছোৱাতেই ভাৰতৰ উত্তৰ-পূর্বাঞ্চলত ঔদ্যোগিক উন্নয়ন সম্ভৱপৰ কৰি তোলাৰ বাবে ব্যৱস্থা গ্রহণৰ সুযোগ সৃষ্টি কৰা হৈছিল। ৰাজহুৱা খণ্ডৰ উদ্যোগ (Public Sector Enterprises/PSEs) বোৰক তিনিটা বহল ভাগত ভগোৱা হৈছিল-

তিনিটা বহল ভাগত ভগোৱা হৈছিল-

(i) লাভ আহৰণ কৰিব পৰা ৰাজহুৱা খণ্ডৰ উদ্যোগ

(ii) নিচেই কম লাভ আৰু লোকচানৰ মুখামুখি হোৱা ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু

(iii) বৃহৎ পৰিমাণৰ লোকচাৰ ভৰিবলগীয়া হোৱা ৰাজহুৱা খণ্ডৰ উদ্যোগ।

প্রথমবিধ উদ্যোগক ক্রমবর্দ্ধিত ৰূপত বিত্তীয় তথা পৰিচালনাকেন্দ্রিক স্বনিয়ন্ত্রণৰ সুবিধা দিয়া হৈছিল; দ্বিতীয়বিধ উদ্যোগক স্বনির্ভৰশীল হ'ব পৰাকৈ সীমিত বিত্তীয় সাহায্য আগবঢ়োৱা হৈছিল; তৃতীয়বিধ উদ্যোগৰ ক্ষেত্রত কঠোৰ ব্যৱস্থা গ্রহণ কৰা হৈছিল। নৱম পঞ্চবার্ষিক পৰিকল্পনাৰ কালছোৱাত ক্ষুদ্র উদ্যোগৰ ক্ষেত্রত বি-সংৰক্ষণ ব্যৱস্থা (dereservation) প্রচলনৰ পোষকতা কৰা হৈছিল। এনে উদ্যোগবোৰৰ ঋণ নাটনিৰ সমস্যাটো সমাধান কৰিবলৈ পৰিকল্পনাত বহুকেইটা ব্যৱস্থা গ্রহণৰ পৰামর্শ সন্নিৱিষ্ট কৰা হৈছিল। কিন্তু এই পৰিকল্পনা কালৰ প্রথম দুটা বছৰ, ১৯৯৭-১৯৯৮ আৰু ১৯৯৮-১৯৯৯ চনত বিকাশৰ নির্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰা নগ'ল। ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ নির্বিনিয়োগ আৰু লাভ আহৰণ কৰিব নোৱাৰা ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰ বন্ধ কৰি দিয়াৰ দৰে বহুবোৰ ক্ষেত্রত ঔদ্যোগিক সংস্কাৰ সাধন কৰা সত্বেও উদ্যোগৰ দিশত ভবা ধৰণে উন্নতি কৰিব পৰা নগ'ল।

দশম পঞ্চবার্ষিক পৰিকল্পনা (২০০২-২০০৭)ত ঔদ্যোগিক খণ্ডৰ বাবে ১০ শতাংশ বিকাশ হাৰৰ প্রস্তাৱ গ্রহণ কৰা হৈছিল। এই পৰিকল্পনাকালত প্রযুক্তিৰ আধুনিকীকৰণ আৰু শেহতীয়াকৰণত গুৰুত্ব দিয়াৰ উপৰি সমতাপূর্ণ আঞ্চলিক উন্নয়নত জোৰ দিয়া হৈছিল। সমতাপূর্ণ ঔদ্যোগিক উন্নয়নৰ বাবে উত্তৰাখণ্ড, হিমাচল প্রদেশ, জম্মু আৰু কাশ্মীৰ তথা উত্তৰ-পূৱৰ ৰাজ্যকেইখনৰ নামত বিশেষ ঔদ্যোগিক নীতিৰ পে'কেজ ঘোষণা কৰা হৈছিল। এই পৰিকল্পনাৰ কালছোৱাত হাতত লোৱা আন দুটামান গুৰুত্বপূর্ণ ব্যৱস্থা হ'ল- বিনিয়োগকাৰীৰ বাবে সুচল পৰিৱেশ সৃষ্টি কৰা, বিকাশ কেন্দ্র আঁচনিৰ মূল্যায়ন, পযেকীয়া পাৱদর্শিতা পুনৰীক্ষণ, ৰাজ্যবোৰৰ মাজত অভিজ্ঞতা বিনিময় কৰা নৱমত প্রযুক্তি- নেন প্রযুক্তি-তথ্য আৰু সংযোগ প্রযুক্তি আদিৰ দৰে প্রযুক্তি বোৰৰ চিনাক্তকৰণ, প্রকল্প ৰপ্তানি সম্ভৱপৰ কৰি তুলিব পৰাকৈ ৰাষ্ট্রীয় ৰপ্তানি বীমা একাউণ্ট গঠন, অতো খণ্ডত পৰীক্ষাৰ সা-সুবিধা গঢ়ি তোলা ইত্যাদি। কিন্তু এই পৰিকল্পনা কালছোৱাত অর্থনীতিৰ বিকাশ হাৰ আছিল কেৱল ৫.৯ শতাংশ।

একাদশ পঞ্চবার্ষিক পৰিকল্পনা (২০০৭-২০১২)ৰ কালছোৱাত দেশৰ অর্থনীতি আপেক্ষিকভাৱে কিছু উন্নত আছিল। এই সময়ছোৱাত অর্থনীতিৰ বহুতো উন্নতি হৈছিল। ইয়াৰ আঁৱৰ মুখ্য কাৰণবোৰ আছিল এক শক্তিশালী মধ্যবিত্ত শ্রেণীৰ উত্থান, নতুন উদ্যোণীৰ অংশগ্রহণ, বিভিন্ন ক্ষেত্রত সংস্কাৰ, ব্যক্তিগত-ৰাজহুৱা অংশ গ্রহণ (PPP) প্রকল্পৰ আৰম্ভণি ইত্যাদি। এই কালছোৱাত কৃষি, স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ উন্নতি তথা ব্যক্তিগত খণ্ডৰ ভূমিকা বৃদ্ধিত কৰাত জোৰ দিয়া হৈছিল। একাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ নির্ধাৰিত বিকাশ হাৰ ৯% আছিল যদিও এই পৰিকল্পনা কালৰ অন্তত ৮% ৰ গড় বার্ষিক অর্থনৈতিক বিকাশ হাৰতহে উপনীত হ'ব পৰা গৈছিল। একেটা পৰিকল্পনা কালতে ঔদ্যোগিক খণ্ডৰ বিকাশ হাৰ ১০-১১% ধার্য কৰি লোৱা হৈছিল যদিও ৭.২ শতাংশতে সন্তুষ্ট থাকিবলগীয়া হৈছিল। **দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনা (২০১২-২০১৭)ৰ** প্রধান উদ্দেশ্য আছিল 'সর্বাত্মক বিকাশ'। ইয়াৰ অর্থ হ'ল কৃষি, শিক্ষা, স্বাস্থ্য, উদ্যোগ আৰু সামাজিক কল্যাণৰ ক্ষেত্রত হোৱা সমকালিন উন্নয়ন।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ভাৰতত কোন চনত প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ কাম আৰম্ভ হৈছিল?
(প্রায় ২০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্রশ্ন ২ ঃ কোনটো আৰ্হি দ্বিতীয় পঞ্চবার্ষিক পৰিকল্পনাৰ আধাৰ আছিল?
(প্রায় ২০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্রশ্ন ৩ ঃ চতুর্থ পঞ্চবার্ষিক পৰিকল্পনাৰ কাম আৰম্ভ কৰাৰ সময়ত ভাৰত কেনেধৰণৰ সমস্যাৰে জর্জৰিত আছিল? (প্রায় ৫০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

জানি থোৱা ভাল

১৯৫৬ চনৰ ঔদ্যোগিক সিদ্ধান্ত অনুসৰি ৰাজহুৱা খণ্ডৰ বাবে ১৭টা উদ্যোগ সংৰক্ষিত ৰখা হৈছিল। কিন্তু ১৯৯১ চনৰ নতুন ঔদ্যোগিক নীতিত এনে উদ্যোগৰ সংখ্য ৮ টালৈ হ্রাস কৰা হৈছিল। সংৰক্ষিত উদ্যোগবোৰৰ ভিতৰত আছিল অস্ত্র আৰু গোলা-বাৰুদ তৈয়াৰ, পৰমাণু শক্তি, খনিজ তেল, কয়লা আৰু প্রজ্বালক তথা ৰে'ল পৰিবহন উদ্যোগ। বর্তমান ভাৰতৰ ৰাজহুৱা খণ্ডৰ বাবে মাত্র তিনিটা উদ্যোগকহে সংৰক্ষিত ৰখা হৈছে। উদ্যোগ তিনিটা হ'ল পৰমাণু শক্তি, ১৯৫৩ চনত পৰমাণু শক্তি উৎপাদনৰ বাবে সূচীৱদ্ধ কৰা বিশেষ খনিজ পদার্থ (উৎপাদন আৰু ব্যৱহাৰৰ নিয়ম নিয়ন্ত্রণ) আৰু ৰে'ল পৰিবহন)।

৮.৪ ভাৰতৰ ঔদ্যোগিক নীতি

স্বাধীনতা লাভ কৰাৰ সময়ত ভাৰতৰ ঔদ্যোগিক সংৰচনাটো অত্যন্ত অনগ্রসৰ আৰু সমতাহীন আছিল। দেশত কপাহী বস্ত্র উৎপাদন, মৰাপাট আৰু চেনী উৎপাদনকাৰী উদ্যোগ কেইটামান আছিল যদিও মৌলিক, গুৰু তথা মূলধন দ্রব্য উৎপাদনকাৰী কোনো উদ্যোগ নাছিল। স্বাধীনতাৰ পাচত মূলধনী দ্রব্য উৎপাদনকাৰী উদ্যোগৰ

দ্রুত বিকাশ ঘটাবলৈ ভাৰত চৰকাৰে বিভিন্ন ব্যৱস্থা গ্রহণ কৰিছিল। দেশৰ ঔদ্যোগিক নীতিবোৰৰ প্রধান উদ্দেশ্যবোৰ আছিল-

- ভাৰতৰ দ্রুত ঔদ্যোগিক উন্নয়ন সাধন কৰা,
- এক সমতাপূর্ণ ঔদ্যোগিক সংৰচনা প্রস্তুত কৰা,
- অর্থনৈতিক ক্ষমতাৰ কেন্দ্রীভূতকৰণ প্রতিৰোধ কৰা আৰু
- দেশৰ অঞ্চবোৰৰ সমতাপূর্ণ বিকাশ ঘটোৱা।

১৯৪৮ চনৰ ঔদ্যোগিক নীতি স্বাধীন ভাৰত চৰকাৰে গ্রহণ কৰা প্রথমটো ঔদ্যোগিক নীতি আছিল। ১৯৫৬ চনত ইয়াক এক ৰাজহুৱা খণ্ডৰ নিয়ন্ত্রণাধীন ঔদ্যোগিক উন্নয়ন নীতিলৈ সলনি কৰা হয়। এই ব্যৱস্থাটো ১৯৯১ চনলৈকে অব্যাহত ৰখা হৈছিল। কেৱল ১৯৭৭ আৰু ১৯৮০ চনত ইয়াৰ কিছুমান লঘূ সাল-সলনি তথা সংশোধন কৰা হৈছিল। ১৯৯১ চনত্হে ১৯৫৬ চনৰ ঔদ্যোগিক নীতিৰ বৈপ্লৱিক পৰিৱর্তন সাধন কৰা হৈছিল। ১৯৯১ চনৰ নতুন ঔদ্যোগিক নীতিটোক ভাৰতৰ বর্তমানৰ ঔদ্যোগিক উন্নয়নৰ মূল ভেটি বুলি কোৱা হয়।

১৯৯১ চনৰ ঔদ্যোগিক নীতিয়ে ভাৰতত দ্রুত ঔদ্যোগিক বিকাশৰ অনুকূল পৰিৱেশ সৃষ্টি কৰিছিল। স্বাধীনতা লাভ কৰাৰ সময়ত দেশৰ পণ্যদ্রব্য সামগ্রী উৎপাদনকাৰী উদ্যোগবোৰে ঔদ্যোগিক উৎপাদনৰ আধা অংশ পূৰ কৰিছিল। ১৯৯১ চনত মুঠ ঔদ্যোগিক উৎপাদনৰ পৰিমাণ প্রায় ২০ শতাংশলৈ নামিছিল। একেটা বছৰতে মূলধনী সামগ্রী উৎপাদনকাৰী উদ্যোগৰ পৰিমাণ ২৪ শতাংশলৈ বাঢ়িছিল। স্বাধীনতাৰ সময়ত এই পৰিমাণ আছিল মুঠ ঔদ্যোগিক উৎপাদনৰ ৪ শতাংশ বিগত বছৰবোৰত চৰকাৰে ঔদ্যোগিক খণ্ডৰ বাবে প্রয়োজনীয় আন্তঃগাঁথনি গঢ়ি তুলিছে আৰু শক্তি, সংযোগ, পথ আদি ক্ষেত্রত বিনিয়োগ কৰিছে। কিন্তু ঔদ্যোগিক অনুজ্ঞাপত্র প্রদান ব্যৱস্থাটোৱে অপাৰদর্শিতা তথা দূর্নীতি বৃদ্ধিত অৰিহণা যোগাইছিল। ১৯৭০ আৰু ১৯৮০ চনত চৰকাৰে বহুতো উদাৰীকৰণ ব্যৱস্থাৰ কথা ঘোষণা কৰিছিল যদিও ১৯৯১ চনৰ ঔদ্যোগিক নীতিতহে প্রকৃতার্থত নাটকীয় উদাৰীকৰণ প্রচেষ্টা সন্নিৰিষ্ট কৰা হৈছিল।

১৯৯১ চনৰ ঔদ্যোগিক নীতিয়ে বুজন ধৰণৰ অর্থনৈতিক বিকাশ আৰু বিশ্বজনীন অর্থনীতিৰ সৈতে ভাৰতীয় অর্থনীতিৰ সংহতকৰণৰ ওপৰত জোৰ দিছিল। এই নীতিয়ে ঔদ্যোগিক অনুজ্ঞাপত্র লাভৰ বাবে থকা প্রয়োজনীয় নীতি-নিয়মবোৰ হ্রাস কৰিছিল, বিনিয়োগ তথা সম্প্রসাৰণ বিষয়ক বাধা-বিষেধবোৰ আঁতৰ কৰিছিল আৰু বিদেশী প্রযুক্তিৰ প্রয়োগ তথা প্রত্যক্ষ বিদেশী বিনিয়োগ সুচল কৰি তুলিছিল।

৮.৫ ভাৰতত ঔদ্যোগিক উন্নয়নৰ সমস্যা

ভাৰতীয় পৰিকল্পনাৰ প্রস্তুত তথা প্রয়োগৰ ছটা দশতকৈও অধিক কাল পাৰ হোৱাৰ লগতে ঔদ্যোগিক নীতিবোৰ বহুলাংশে সলনি হোৱা সত্বেও দেশখনৰ ঔদ্যোগিক দিশত হোৱা উন্নয়নক সন্তোষজনক বুলি ক'ব নোৱাৰি। দেশৰ ঔদ্যোগিক উন্নয়নত সমস্যাৰ সৃষ্টি কৰা কাৰণ কেইবাটাও। তলত ইয়াৰে দুটামান উল্লেখ কৰা হ'ল-

- **দুর্বল আন্তঃগাঁথনি ঃ** ভাৰতত ঔদ্যোগিক উন্নয়নৰ ক্ষেত্রত বাধাৰ সৃষ্টি কৰা প্রধান কাৰণবোৰৰ এটা হ'ল দুর্বল গুণমানবিশিষ্ট সামগ্রী আৰু আন্তঃগাঁথনিৰ নামত হোৱা উচ্চ ব্যয়। শক্তি তথা পৰিবহন খণ্ডৰ ক্ষেত্রত এই কথা বিশেষভাৱে প্রযোজ্য। আন্তঃগাঁথনিমূলক প্রতিবন্ধকবোৰে ঔদ্যোগিক বিকাশত বিৰূপ প্রভাৱ পেলোৱাৰ লগতে উদ্যোগবোৰৰ মাজত থকা প্রতিদ্বন্দ্বিতামূলক মনোভাৱো হ্রাস কৰে।

- **ক্ষমতাৰ প্রয়োজনতকৈ কম ব্যৱহাৰ ঃ** ভাৰতীয় উদ্যোগবোৰত আনুমানিক ক্ষমতা তথা প্রকৃত ক্ষমতাৰ মাজত এক বৃহৎ ব্যৱধান পৰিলক্ষিত হয়। এই ব্যৱধান ২০-৩০ ৰ পৰা ২০-৩০% পর্যন্ত হ'ব পাৰে। অর্থাৎ, ভাৰতীয় উদ্যোগবোৰে নিজ নিজ ক্ষমতাৰ ব্যৱহাৰ প্রয়োজনীয় পৰিমাণতকৈ কমকৈ ব্যৱহাৰ কৰে।
- **<u>ৰাজহুৱা খণ্ডৰ দুর্বল পাৰৰ্শিতা</u> ঃ** পৰিকল্পনা বর্ষবোৰৰ ভিতৰত দেশৰ ঔদ্যোগিক খণ্ডৰ উন্নয়নৰ বাবে যথেষ্ট পৰিমাণৰ প্রয়াস চলোৱা হয়। ঘাইকৈ ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ উন্নয়নৰ দিশতেই মনোনিৱেশ কৰি অহা হৈছে। তথাপিও ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ পাৰদর্শিতা সিমান উন্নত নহয়। কাৰণ, এই উদ্যোগবোৰে কেৱল লাভ আহৰণ উৎসৰূপে কাম নকৰে। এই উদ্যোগবোৰে কিছুমান নির্দিষ্ট ধৰণৰ আর্থ-সামাজিক দায়িত্বও পালন কৰিব লাগে। এনে দায়িত্ববোৰ পালন কৰোঁতে উদ্যোগবোৰে কেতিয়াবা লোকচানো ভৰিবলগীয়া হয়।
- **আঞ্চলিক অসমতা বৃদ্ধি ঃ** ভাৰতৰ মাত্র কেইখনমান ৰাজ্যতহে ঔদ্যোগিক উন্নয়ন উপলদ্ধ হৈছে। দেশৰ অধিকাংশ ৰাজ্য এই ক্ষেত্রত পিচপৰি আছে।
- **প্রশাসনিক তথা আমোলাকেন্দ্রিক জটিলতাই সৃষ্টি কৰা সমস্যা ঃ** উদাৰীকৰণৰ আগেয়ে উদ্যোগৰ ক্ষেত্রত হস্তক্ষেপ আৰু বাধা- নিষেধৰ পৰিমাণ অধিক আছিল। উদাৰীকৰণৰ পাচতো উদ্যোগ ক্ষেত্রৰ সৈতে জড়িত লোকসকল অদক্ষ আৰু কু-ব্যৱস্থাপনাৰ বাবে যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ ভাৰতৰ ঔদ্যোগিক নীতিবোৰৰ প্রধান উদ্দেশ্যবোৰ কি কি? (প্রায় ৩০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্রশ্ন ৫ ঃ ১৯৯১ চনৰ ঔদ্যোগিক নীতিৰ দুটা প্রধান বৈশিষ্ট্য উল্লেখ কৰক। (প্রায় ৩০ টা শব্দত উত্তৰ দিয়ক)।

.....

.....

.....

৮.৬ উন্নয়নশীল দেশবোৰত উদ্যোগৰ ভূমিকা

এখন দেশৰ অর্থনৈতিক উন্নয়নত ঔদ্যোগিকীকৰণে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। উন্নত দেশৰ ইতিহাস অধ্যয়ন কৰি গম পোৱা গৈছে যে উদ্যোগ প্রতিষ্ঠা কৰাটো হ'ল অর্থনৈতিক উন্নয়নৰ পূর্বচর্ত। উন্নয়ন প্রক্রিয়া চলি থকা সময়ত কৃষিৰ তুলনাত ঔদ্যোগিক খণ্ডৰ প্রধান্য বেছি হোৱা উচিত। ঔদ্যোগিকীকৰণৰ অনুকূল নীতি প্রস্তুত কৰিলে ঔদ্যোগিক খণ্ড উপকৃত হয়। এই সুফলবোৰ অন্য খণ্ডলৈকো বিয়পি পৰাৰ সম্ভাৱনা থাকে। ঔদ্যোগিক খণ্ডৰ উন্নতি হ'লে কর্মসংস্থাপন, উৎপাদনৰ পৰিমাণ তথা উপার্জন সকলো বৃদ্ধি পায়।

কৃষিয়ে আধিপত্য বিস্তাৰ কৰি থকা অর্থনীতিবোৰো ঔদ্যোগিক দিশেৰে উন্নত হোৱা উচিত, তেতিয়াহে ৰাসায়নিক সাৰ, কৃষিকার্যত প্রয়োজন হোৱা যন্ত্র-পাতি আৰু অন্য আহিলাবোৰৰ পর্যাপ্ত যোগান সম্ভৱপৰ হ'ব

আৰু ই কৃষিখণ্ডৰ উৎপাদন দক্ষতা উন্নত কৰি তুলিব। আধুনিক কাৰিকৰী কৌশল আৰু অত্যাধুনিক যন্ত্ৰ-পাতিৰ ব্যৱহাৰে কৃষিৰ উৎপাদনশীলতা বঢ়াব আৰু ফলত কৃষিখণ্ডৰ জনমূৰি উৎপাদন বৃদ্ধি পাব।

কৰ্মসংস্থাপনহীন, ছদ্মবেশী নিবনুৱা আৰু ঋতুজ নিৱনুৱা যিসকলৰ জনমুৰি উ ৎপাদনলৈ যোগোৱা ৰৰঙনি শূন্য তেওঁলোকৰ (জনমূৰি উৎপাদন কোনো অতিৰিক্ত অংশ যোগ কৰিব নোৱাৰা কৃষিখণ্ডত জড়িত হৈ থকা ঋতুজ নিবনুৱাসকলৰ) বাবে স্থায়ী কৰ্মসংস্থাপনৰ সুবিধা গঢ়ি তুলিবলৈও ঔদ্যোগিকীকৰণৰ প্ৰয়োজন। অৰ্থাৎ, কম উন্নত দেশ (LDC) বোৰত সততে দেখা পোৱা ছদ্মবেশী তথা ঋতুজ নিবনুৱাসকলৰ বাবে বিকল্প উপার্জন পন্থা হিচাপে উদ্যোগক ব্যৱহাৰ কৰিব পৰা যায়।

গ্ৰাম্য স্থবিৰ অৰ্থনীতি আৰু নগৰীয়া গতিশীল অৰ্থনীতিৰ মাজত ঔদ্যোগিকীকৰণে এক সেঁতুৰ কাম কৰে। ই দক্ষতা আৰু প্ৰশিক্ষণৰ আধাৰত কৰ্মৰ বহুমুখী দক্ষতাসম্পন্ন প্ৰকৃতি তথা শ্ৰম বিভাজনৰো সৃষ্টি কৰিব পাৰে।

উন্নয়নশীল দেশবোৰত প্ৰধান পণ্যদ্ৰব্যবোৰৰ চাহিদা তথা দীৰ্ঘস্থায়িত্বৰ প্ৰকৃতি অনুসৰি দ্ৰব্যমূল্যৰ সঘন উত্থান-পতন ঘটি থাকে। ঔদ্যোগিকীকৰণে এই সমস্যা সমাধানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ই প্ৰধান ক্ষয়িষ্ণু পণ্যদ্ৰব্যবোৰৰ বাবে চাহিদাৰ সৃষ্টি কৰে আৰু এই পণ্যদ্ৰব্যবোৰক নিৰ্মাণ সামগ্ৰীলৈ পৰিবৰ্তন কৰে। বেছিভাগ নিৰ্মাণ সামগ্ৰীৰে প্ৰকৃতি অক্ষয়িষ্ণু।

উদ্যোগে উন্নয়নশীল দেশবোৰৰ ৰপ্তানি পৰিপূৰকৰ ভূমিকাও পালন কৰে। কম উন্নত দেশবোৰক ব্যৱসায়-বাণিজ্যৰ উপযুক্ত সমতা বৰ্তাই ৰাখিবলৈ এক বুজন পৰিমাণৰ ৰপ্তানিজাত সামগ্ৰীৰ প্ৰয়োজন হয়। ঔদ্যোগিক উন্নয়ন অবিহনে এই দেশবোৰে নিজৰ ৰপ্তানি কৰিবলগীয়া সামগ্ৰীৰ পৰিমাণ বৃদ্ধি কৰিব নোৱাৰে।

উন্নয়নশীল দেশবোৰক প্ৰাকৃতিক সম্পদৰ সদ্ব্যৱহাৰ কৰিবলৈকো উদ্যোগ লাগে। ইয়াৰ উপৰিও সমতাপূৰ্ণ খণ্ডভিত্তিক উন্নয়ন, কৰ্মসংস্থাপনৰ পৰিমাণ বৃদ্ধি আৰু কৃষি খণ্ডৰ বাবে এটা পৰিপূৰক উদ্যোগ গঢ়ি তুলিবলৈকো উদ্যোগৰ প্ৰয়োজন।

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে উন্নয়নশীল দেশবোৰৰ অৰ্থনৈতিক উন্নয়নৰ বাবে উদ্যোগবোৰ উন্নত কৰি তোলাটো অতি প্ৰয়োজনীয়। উদ্যোগক কৃষি খণ্ডৰ বিকল্প ৰূপে গণ্য কৰা অনুচিত। দুয়োটা খণ্ড পৰস্পৰৰ পৰিপূৰক। কম উন্নত দেশবোৰৰ অৰ্থনীতিটো ভিন্নতা অনাৰ মূল উপায় হ'ল ঔদ্যোগিকীকৰণ। কিন্তু দেশ এখনৰ সমান উন্নয়নৰ বাবে প্ৰতিটো অঞ্চলৰে সম উন্নয়ন ঘটা উচিত। ঔদ্যোগিকীকৰণৰ সময়ত সামৰ্থৰ সদ্ প্ৰয়োগৰ ওপৰতো জোৰ দিয়া উচিত যাতে সকলো শ্ৰেণীৰ উদ্যোগে সমানভাৱে উন্নতি কৰিব পাৰে।

দ্ৰুত আৰু বৈষম্যহীন ঔদ্যোগিক বিকাশৰ নেতিবাচক দিশবোৰে উন্নয়নত বিৰূপ প্ৰভাৱ পেলাব পাৰে। কিছুমান বিপদসংকুল উদ্যোগ নাইবা ভালদৰে পৰিচালনা নকৰা সাধাৰণ উদ্যোগে প্ৰদূষণৰ সৃষ্টি কৰি মাটিৰ লগতে অন্য বিভিন্ন খণ্ডৰ উৎপাদনশীলতা হ্ৰাস কৰিব পাৰে।

সেয়েহে, এখন দেশৰ বাবে ঔদ্যোগিকীকৰণৰ নীতি গ্ৰহণ কৰাৰ সময়ত উপযুক্ত সাৱধানতা অৱলম্বন কৰা উচিত যাতে এনে নীতিয়ে আঞ্চলিক অসমতাৰ সৃষ্টি নকৰে অথবা অবিৰত উন্নয়নৰ লক্ষ্যত বিৰূপ প্ৰভাৱ নেপেলায়।

৮.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- বহুতো উন্নয়নবাদী চিন্তাবিদে ঔদ্যোগিকভাৱে আগবঢ়া দেশবোৰক উন্নত আৰু কৃষিয়ে আধিপত্য বিস্তাৰ কৰি থকা অৰ্থনীতিৰ দেশবোৰক অনুন্নত দেশ বুলি চিনাক্ত কৰিছে।

- এখন উন্নয়নশীল দেশৰূপে ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচৰ পৰাই ঔদ্যোগিক উন্নয়নত জোৰ দি আহিছে।
- ১৯৫১ চনত দেশৰ পৰিকল্পনা কাল আৰম্ভ হোৱাৰ পাচতে প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়তে ঔদ্যোগিক উন্নয়নৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰা হৈছিল।
- উদাৰীকৰণ ব্যৱস্থাৰ অংশৰূপে ১৯৯১ চনত ভাৰত চৰকাৰে দেশৰ নতুন ঔদ্যোগিক নীতি গ্ৰহণ কৰিছিল। নীতিৰ জৰিয়তে ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে পালন কৰিব পৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত জোৰ দিয়াহৈছিল। সুৰক্ষাৰ প্ৰশ্ন জড়িত নথকা ক্ষেত্ৰবোৰত উদ্যোগ স্থাপনৰ বাবে ৰাজহুৱা খণ্ডক উৎসাহিত কৰা হৈছিল. ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে কেৱল মৌলিক আৰু কেন্দ্ৰীয় খণ্ডত মনোনিৱেশ কৰিব বুলি মনস্থ কৰা হৈছিল।
- ভাৰতত ঔদ্যোগিক বিকাশ আৰু নক্সাৰ ভিত্তিত পঞ্চবাৰ্ষিক পৰিকল্পনা কালত উদ্যোগ উন্নয়নৰ বিভিন্ন স্তৰ চিনাও কৰা হয়।
- ১৯৪৮ চনত প্ৰস্তুত কৰা স্বাধীন ভাৰতৰ প্ৰথমখন ঔদ্যোগিক নীতিৰ স্থানত ১৯৫৬ চনৰ পৰা ঔদ্যোগিক নীতি সিদ্ধান্ত প্ৰচলন কৰা হৈছিল। এই সিদ্ধান্তই দেশৰ ঔদ্যোগিক খণ্ডলৈ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন কঢ়িয়াই আনিছিল।
- ১৯৯১ চনৰ নতুন ঔদ্যোগিক নীতিৰ প্ৰধান উদ্দেশ্য আছিল 'অপ্ৰয়োজনীয় আমোলাতান্ত্ৰিক নিয়ন্ত্ৰণৰ জালৰ পৰা ভাৰতীয় ঔদ্যোগিক অৰ্থনীতিক মুক্ত কৰা"।
- ভাৰতৰ ঔদ্যোগিক উন্নয়নত বহুকেইটা কাৰকে বাধা দি আছে। এনে কাৰক কেইটা মান হ'ল দুৰ্বল আন্তঃগাঁথনি, সামৰ্থৰ প্ৰয়োজনতকৈ কম ব্যৱহাৰ, ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ দুৰ্বল প্ৰদৰ্শন, আঞ্চলিক অসমতা আদি।

৮.৮ অধিক জানিবলৈ

1. Lekhi, R. K. & Aarti Nayar (2005). *Development and Environmental Economics,* New Delhi : Kalyani Publishers.
2. Jhingam, M.L. (1992). *Economics of Development and Planning,* Delhi: Kanark Publishers Pvt. Ltd.
3. Ray, Debraj (1998). *Development Economics,* New Jersey: Pinceton University Press.

১.৯ অগ্ৰগতিৰ খতিয়ান

উত্তৰসমূহঃ

১। ভাৰতত ১৯৫১ চনত প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাম আৰম্ভ হৈছিল আৰু ই ১৯৫৬ চনলৈ অব্যাহত আছিল।

২। 'মহলনবিচ বিকাশ আৰ্হি' দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আধাৰ আছিল। ই ভাৰতৰ দ্ৰুত ঔদ্যোগিকীকৰণত জোৰ দিছিল।

৩। চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ হোৱাৰ সময়ত কেন্দ্ৰত ইন্দিৰা গান্ধীৰ চৰকাৰ আছিল। এই সময়ত দেশৰ অৰ্থনীতি দুৰ্ভিক্ষ, মুদ্ৰা অৱমূল্যন, মুদ্ৰাস্ফীতি, মন্দাৱস্থা আৰু জনসংখ্যা বিস্ফোৰণ বৰ্দ্ধিত নিবনুৱা সমস্যা আৰু দৰিদ্ৰতাৰে জৰ্জৰিত আছিল। এইখিনি সময়তে ১৯৭১ চনত ভাৰত-পাক যুদ্ধ আৰু বাংলাদেশৰ মুক্তিযুদ্ধ আৰম্ভ হৈছিল। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত ঔদ্যোগিক উন্নয়নৰ বাবে ধাৰ্য কৰা সমুদায় ধন যুদ্ধত ব্যয় কৰা হৈছিল। ১৯৭৩ চনৰ তৈল সংকটৰ ফলত তেলৰ মূল্য আকাশলংঘী হৈছিল। ৰাসায়নিক সাৰৰ মূল্য বঢ়াৰ ফলত দেশত উচ্চহাৰৰ মুদ্ৰাস্ফীতি ঘটিছিল।

৪। ভাৰতৰ ঔদ্যোগিক নীতিৰ প্ৰধান উদ্দেশ্যবোৰ হ'ল-

- ভাৰতৰ দ্ৰুত ঔদ্যোগিক উন্নয়ন সাধন কৰা,
- এক সমতাপূৰ্ণ ঔদ্যোগিক সংৰচনা প্ৰস্তুত কৰা,
- অৰ্থনৈতিক ক্ষমতাৰ কেন্দ্ৰীভূতকৰণ প্ৰতিৰোধ কৰা আৰু
- দেশৰ অঞ্চলবোৰৰ সমতাপূৰ্ণ বিকাশ ঘটোৱা।

৫। ১৯৫১ চনৰ ঔদ্যোগিক নীতিয়ে বুজন ধৰণৰ অৰ্থনৈতিক বিকাশ আৰু বিশ্বজনীন অৰ্থনীতিৰ সৈতে ভাৰতীয় অৰ্থনীতিৰ সংহতকৰণৰ ওপৰত জোৰ দিছিল। এই নীতিয়ে ঔদ্যোগিক অনুজ্ঞাপত্ৰ লাভৰ বাবে থকা প্ৰয়োজনীয় নীতি-নিয়মবোৰ হ্ৰাস কৰিছিল, বিনিয়োগ তথা সম্প্ৰসাৰণ বিষয়ক বাধা-নিষেধবোৰ আঁতৰ কৰিছিল আৰু বিদেশী প্ৰযুক্তিৰ প্ৰয়োগ তথা প্ৰত্যক্ষ বিদেশী বিনিয়োগ সুচল কৰি তুলিছিল।

৮.১০ আৰ্হি প্ৰশ্ন

১। ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনা কালত হোৱা ঔদ্যোগিক বিকাশ বৰ্ণনা কৰক।

২। পঞ্চবাৰ্ষিক পৰিকল্পনা কালত ভাৰতীয় ঔদ্যোগিক সংৰচনাটোৰ নক্সা কেনেকৈ সলনি হৈছিল?

৩। কোনটো পৰিকল্পনা কালত নতুন ঔদ্যোগিক নীতি ঘোষণা কৰা হৈছিল? ঔদ্যোগিক বিকাশৰ বাবে ধাৰ্য কৰি লোৱা শেহতীয়া লক্ষ্যত ভাৰত উপনীত হ'ব নোৱাৰাৰ কাৰণবোৰ কি? যুক্তি সহকাৰে আলোচনা কৰক।

৪। উন্নয়নশীল দেশবোৰত উদ্যোগৰ ভূমিকা ব্যাখ্যা কৰক।

৫। ভাৰতত ঔদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা সমস্যাবোৰ কি কি?

৬। উদ্যোগে কেনেদৰে কৃষি খণ্ডৰ পৰিপূৰক ৰূপে কাম কৰিব পাৰে?

*****

অধ্যায় ৯ ঃ জনসংখ্যা আৰু অৰ্থনৈতিক উন্নয়ন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ মালথাচৰ জনসংখ্যা তত্ত্ব
৯.৪ জনসংখ্যাৰ ৰূপান্তৰ তত্ত্ব
৯.৫ জনসংখ্যা আৰু উন্নয়ন সম্পৰ্কে মালথাচীয় ধাৰণা আৰু কুজনেট চাইমন-ব'জৰাপৰ ধাৰণা
৯.৬ জনসংখ্যাৰ অৰ্থনৈতিক উন্নয়নৰ ওপৰত প্ৰভাৱ
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্ৰগতিৰ খতিয়ান (প্ৰশ্নোত্তৰ)
৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

উক্ত অধ্যায়টি অধ্যয়নৰ মাজেৰে আপুনি বুজিবলৈ সক্ষম হ'ব—

- মালথাচৰ জনসংখ্যা তত্ত্ব
- জনসংখ্যাৰ ৰূপান্তৰ তত্ত্ব সম্পৰ্কে
- জনসংখ্যা আৰু উন্নয়ন সম্পৰ্কে সমালথাচ আৰু কুজনেট চাইমন- ব'জৰাপৰ ধাৰণাৰ তুলনামূলক সমীক্ষা
- উন্নয়নৰ ওপৰত জনসংখ্য বৃদ্ধিৰ প্ৰভাৱ সম্পৰ্কে

৯.২ পৰিচয়

অৰ্থনৈতিক বিকাশ আৰু জনসংখ্যা উভয়ৰে মাজত এক পাৰস্পৰিক সম্পৰ্ক আছে। এফালে যেনেদৰে জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত অৰ্থনৈতিক বিকাশে প্ৰভাৱ পেলায় একেদৰে জনসংখ্যা বৃদ্ধিয়েও অৰ্থনৈতিক বিকাশত অৰিহণা যোগায়। অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত জনসংখ্যা বৃদ্ধিৰ গুৰুত্বলৈ লক্ষ্য কৰি সংস্থাপিত অৰ্থনীতিবিদ (Classical Economists) সকলে এক কাম্য স্তৰৰ জনসংখ্যাৰ উল্লেখ কৰিছিল। যি পৰিমাণৰ জনসংখ্যাই জনমূৰি আয়ৰ পৰিমাণ সৰ্বাধিক কৰে, তাকে কাম্য জন সংখ্যা বোলে; আৰু ই জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত গ্ৰহণযোগ্য হয়। । উল্লেখযোগ্য যে অৰ্থনীতিবিদ মালথাচে বিশেষভাৱে জনসংখ্যা বৃদ্ধি আৰু অৰ্থনৈতিক বিকাশৰ মাজত থকা সম্পৰ্কটোৰ এক বিশ্লেষণ আগবঢ়াইছিল।

৯.৩ মালথাচৰ জনসংখ্যা তত্ত্ব

অর্থনীতিবিদ মালথাচে জনসংখ্য বৃদ্ধি আৰু উন্নয়ন সম্পর্কে ইং ১৭৯৮ চনত প্রকাশিত তেওঁৰ 'An Essay on the Principle of Population' শীর্ষক কিতাপত মত প্রকাশ কৰিছিল। এই তত্ত্বটিৰ প্রথমটো ধাৰণা অনুসৰি জনসংখ্যা জ্যামিতিক হাৰত বৃদ্ধি পায় (১,২,৪,৮,১৬..), য'ত- দ্বিতীয় ধাৰণা অনুসৰি খাদ্যৰ যোগান গণিতিক হাৰতহে বৃদ্ধি হয়,. (১,২,৩,৪,৫....)। সেই অনুসৰি মালথাচে বর্ণনা আগবঢ়াইছিল যে প্রতি বছৰত ২৫ বছৰত জনসংখ্যা বৃদ্ধিয়ে খাদ্যযোগান অতিক্রম কৰি খাদ্যৰ নাটনিসদৃশ পৰিৱেশ সৃষ্টি কৰিব। এনে পৰিস্থিতিয়ে ক্রমাৎ সমাজত দৰিদ্রতা আৰু দুর্ভিক্ষৰ সৃষ্টি কৰে। সেয়েহে জনসংখ্যা বৃদ্ধিৰ নিয়ন্ত্রণৰ ক্ষেত্রত কার্যকৰী ব্যৱস্থা গ্রহণ নকৰা পর্যন্ত অর্থনৈতিক উন্নয়নৰ পৰিসৰ সীমাবদ্ধ হৈ থাকে।

মালথাচে জনসংখ্য বৃদ্ধিৰ নিয়ন্ত্রণ সম্পর্কে দুই ধৰণৰ ব্যৱস্থাৰ উল্লেখ কৰিছে- প্রতিকাৰমূলক নিয়ন্ত্রণ (preventive check) আৰু যোগাত্মক নিয়ন্ত্রণ (positive check) । ইয়াৰে প্রতিকাৰমূলক নিয়ন্ত্রণ হৈছে মানৱসৃষ্ট। এই নিয়ন্ত্রণসমূহ হ'ল জন্মনিয়ন্ত্রণ, বিবাহৰ বয়স, বৃদ্ধি ইত্যাদি অথবা কিছুপৰিমণে নৈতিক সংযম। অন্যহাতে জনসংখ্যা বৃদ্ধিৰ যোগাত্মক নিয়ন্ত্রণসমূহ হ'ল বিভিন্ন কাৰকৰদ্বাৰা গড় আয়ু হ্রাস যেনে বেমাৰ, চৰম দৰিদ্রতা, যুদ্ধসদৃশ পৰিস্থিতি, মহামাৰী, দুর্বল জীৱনশৈলী তথা কর্ম পৰিৱেশ ইত্যাদি। এই আটাইবোৰেই মানুহৰ আয়ুস হ্রাস তথা মৃত্যুৰ হাৰ বৃদ্ধিৰ একোটা কাৰণ। মালথাচে উল্লেখ কৰিছিল, যদি মানৱজাতিয়ে এনে অৱক্ষয়ৰপৰা হাত সৰিবলৈ প্রতিকাৰমূলক নিয়ন্ত্রণৰ ব্যৱস্থাসমূহ উচিতৰূপত কার্যকৰী নকৰে, তেন্তে যোগাত্মক নিয়ন্ত্রণৰ ব্যৱস্থা সমূহ আহি পৰিব যাতে জনসংখ্যা এটা নির্দিষ্ট পৰিসৰৰ অন্তর্গত হৈ যাক সহব্যলভ্য খাদ্য যোগানেৰে বর্তাই ৰাখিব পাৰি।

মালথাচীয় ধাৰণাৰ সমালোচনাঃ

মালথাচ সমালোচিত হোৱাৰ প্রধান কাৰণ আছিল তেওঁৰ জনসংখ্যা বৃদ্ধিৰ প্রতি থকা নৈৰাশ্যবাদী ভাবধাৰা। যি কি নহওক, তেওঁৰ তত্ত্বটো সমালোচিত হোৱাৰ প্রধান কাৰণসমূহ হ'ল-

(১) মালথাচে আঙুলিয়াই দিয়াৰ দৰে জনসংখ্যা বৃদ্ধিৰ ধৰণ জ্যামিতিক আৰু খাদ্যৰ যোগান গনিতিক ক্রমৰ হোৱাৰ কোনো তথাকথিত প্রমাণ পোৱা নাযায়। খাদ্যৰ পৰিমাণ প্রযুক্তিগত উন্নতি সাধনৰ জৰিয়তে জনসংখ্যাতকৈও বৃদ্ধি কৰিব পাৰি।

(২) মালথাচে ধৰি লোৱাৰ দৰে ক্রমহ্রাসমান প্রতিদান (Dimishing Return) ধাৰণাটো কৃষিক্ষেত্রত সকলো সময়তে প্রযোজ্য নহয়।

(৩) মালথাচৰ দৃষ্টি অনুসৰি জনসংখ্যাৰ যোগাত্মক নিয়ন্ত্রণৰ ধাৰণাটো জনসংখ্যা বৃদ্ধিৰ সৈতে পোন পটীয়াকৈ জড়িত কৰিব নোৱাৰি। জনসংখ্যা বৃদ্ধিৰ অনুপস্থিতিত কিছুমান প্রাকৃতিক দুর্যোগো গা কৰি উঠা দেখা যায়।

মালথাচৰ জনসংখ্যা তত্ত্বটো যদিও তত্ত্বগতভাৱে ত্রুটিপূর্ণ, উন্নয়নশীল দেশসমূহৰ ক্ষেত্রত ইয়াৰ জনপ্রিয়তা আৰু প্রাসংগিকতা আছে। যদিও তেওঁৰ জনসংখ্যাৰ প্রতি নৈৰাশ্যবাদী দৃষ্টিভংগী সমালোচিত হৈছিল, তথাপিও তেওঁৰ ধাৰণাক বর্তমানেও উন্নয়নশীল দেশসমূহৰ ক্ষেত্রত বিশেষভাৱে তাৎপর্যপূর্ণ হিচাপে গণ্য কৰা হয়। জন্মহাৰ নিয়ন্ত্রণৰ ক্ষেত্রত যোগাত্মক নিয়ন্ত্রণৰ ওপৰত বিশেষভাবে গুৰুত্ব আৰোপ কৰা বাবে তেওঁক আধুনিক পৰিয়াল পৰিকল্পনাৰ জনক বুলিও কোৱা হয়।

অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মালথাচৰ জনসংখ্যা তত্ত্বটো লিখা। (২০টা মান শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন ২ ঃ জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত মালথাচে উল্লেখ কৰা নিয়ন্ত্ৰণ দুটা কি কি?
(৭০ টা মান শব্দৰ ভিতৰত)

.....

.....

.....

.....

৯.৪ জনসংখ্যাৰ ৰূপান্তৰ তত্ত্ব (Theory of Demographic Transition)

জনসংখ্যাৰ ৰূপান্তৰ তত্ত্বই কেনেদৰে প্ৰতিখন উন্নয়নশীল ৰাষ্ট্ৰই জনসংখ্যাৰ ৰূপান্তৰৰ তিনিটা বিশেষ স্তৰ অতিক্ৰম কৰে, সেই প্ৰক্ৰিয়া সম্পৰ্কে ব্যাখ্যা কৰে। এই স্তৰসমূহ উন্নয়নৰ কালছোৱাত প্ৰতিখন ৰাষ্ট্ৰতে স্বয়ংক্ৰিয় ৰূপত পৰিচালিত হয়।

প্ৰথম স্তৰ (Stage-I) অনুসৰি ৰাষ্ট্ৰসমূহৰ জনসংখ্যা উচ্চ জন্মহাৰ আৰু উচ্চ মৃত্যুৰ হাৰৰ বাবে স্থিতিশীল অৱস্থাত থাকে। সামাজিক অনুন্নত অৱস্থাৰ বাবে স্বাস্থ্যসম্পৰ্কীয় প্ৰত্যাহ্বানৰ বিপৰীতে আধুনিক সা-সুবিধাৰ অভাৱ তথা সুস্থ-সৱল জীৱন ধাৰণাৰ বাবে পুষ্টিকৰ সামগ্ৰীৰ অভাৱ ইত্যাদিয়ে এই প্ৰথম স্তৰত মৃত্যুৰ হাৰত প্ৰভাৱ পেলায়। ঠিক তেনেদৰে, উচ্চ জন্মহাৰৰ কাৰণ-সমূহ হ'ল জন্মনিয়ন্ত্ৰণৰ ক্ষেত্ৰত থকা সামাজিক বিশ্বাস আৰু প্ৰথা, কম বয়সৰ বিবাহ ইত্যাদি। সৰহসংখ্যক সন্তানৰ অৰ্থই হ'ল পৰিয়ালৰ অৰ্থনৈতিক সৱলতা আৰু পিতৃ-মাতৃৰ বৃদ্ধাৱস্থাৰ নিৰাপত্তা। এইদৰেই উচ্চ মৃত্যু আৰু জন্ম হাৰ উভয়েই জনসংখ্যা বৃদ্ধিৰ স্থিতাবস্থা বাহাল ৰাখে।

দ্বিতীয় স্তৰৰ (Stage-II) আৰম্ভণি অনুসৰি আধুনিক স্বাস্থ্যৰক্ষা, শিক্ষাৰ প্ৰসাৰ আৰু উন্নত জীৱন-ধাৰণৰ প্ৰণালীক আঙুলিয়াব পাৰি যিয়ে মৃত্যুৰ হাৰ হ্ৰাস কৰে আৰু তুলনামূলকভাৱে কম হাৰত অথবা কাৰ্যতঃ জন্মহাৰৰ ৰূপ অপৰিৱৰ্তিত ৰাখি জনসংখ্যাৰ ক্ৰমাগত বৃদ্ধিত অৰিহণা যোগায়। এই স্তৰত উন্নীত জীৱন-ধাৰণাৰ প্ৰণালীৰ বাবে মৃত্যুৰ হাৰ নিম্নমুখী হোৱা দেখা যায়, যদিও ই তাৎক্ষণিক ভাৱে উৰ্বৰতাৰ হাৰ (Fertility Rate) হ্ৰাস কৰিব নোৱাৰে, আৰু সেইদৰে জন্মহাৰ আৰু মৃতুহাৰৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। এই কালছোৱাক 'জনসংখ্যা বিস্ফোৰণ' (Population Explosion) আখ্যা দিয়া হয়। কৃষিভিত্তিক অনুন্নত অৰ্থনৈতিক ব্যৱস্থাৰপৰা উন্নত অৰ্থনৈতিক অৱস্থালৈ ৰূপান্তৰিত হোৱা প্ৰক্ৰিয়াত উক্ত কালছোৱাক অত্যন্ত বেয়া হিচাপে গণ্য কৰা হয়।

জনসংখ্যাৰ ৰূপান্তৰৰ শেষ অৰ্থাৎ তৃতীয় স্তৰত (Stage-III) আধুনিকীকৰণৰ প্ৰভাৱে নিশ্চিতৰূপত উৰ্বৰতা হাৰ হ্ৰাসৰ লগতে জন্মহাৰো নিম্নগামী কৰে আৰু ই জনসংখ্যা বৃদ্ধিৰ হাৰত স্থিতাৱস্থা আনে। ইয়াৰোপৰি মহিলাসকলৰ

ভূমিকা ঘৰৰ বাহিৰেও অৰ্থনৈতিক সৱলীকৰণ ধাৰণাৰ উন্নয়নেও সৰু পৰিয়ালৰ ধাৰা এটাৰ সৃষ্টি কৰে।

উক্ত জনসংখ্যাৰ ৰূপান্তৰৰ তিনিওটা স্তৰক চিত্ৰৰূপত প্ৰকাশ কৰিব পাৰি (ইপিঠিত দিয়া ধৰণে) য'ত অনুভূমিক (Horizontal) ৰেখাডালে সময় আৰু উলম্ব (Vertical) ৰেখাই জন্ম আৰু মৃত্যু হাৰক বুজাইছে।




Figure 1: Three Stages of Demographic Transition

চিত্ৰ অনুসৰি ৰূপান্তৰৰ দ্বিতীয় স্তৰৰ পাছৰপৰা জন্মহাৰ নিম্নগামী হ'বলৈ আৰম্ভ কৰিছে। য'ত মৃত্যুৰ হাৰ পূৰ্বৰপৰাই নিম্নগামী হ'ব ধৰিছে আৰু কিছু খৰতকীয়াকৈ যাৰ বাবে উক্ত দ্বিতীয় স্তৰৰপৰা উভয়ৰে মাজত এক বিকিৰিত পাৰ্থক্য পৰিলক্ষিত হয়। যি কি নহওক, তৃতীয় স্তৰৰ শেষৰফালে নিম্নগামী জন্মহাৰ আৰু স্থিৰ মৃত্যু হাৰৰ বাবে এই পাৰ্থক্যৰ পৰিমাণ কম হোৱা দেখা যায়।

৯.৫ মালথাচীয় আৰু কুজনেট্চ- চাইমন- ব'জৰাপৰ (Kuznets-Simon-Boserup) জনসংখ্যা বৃদ্ধি সম্পৰ্কীয় ধাৰণাঃ এটি তুলনামূলক সমীক্ষা

আধুনিক কালছোৱাত মালথাচীয় ধাৰণাৰ বিপৰীতে জনসংখ্যা বৃদ্ধি সম্পৰ্কে কিছুমান বিকল্প ধাৰণাৰ সংযোজন পৰিলক্ষিত হয়। কুজনেটছ আৰু চাইমন আৰু শেহতীয়াভাবে ব'জৰাপে জনসংখ্যাৰ যোগান আৰু চাহিদা চলিত প্ৰযুক্তিগত উন্নতিত প্ৰভাৱ সম্পৰ্কে বিস্তৃত মতপোষণ কৰিছিল। প্ৰযুক্তিগত উন্নতিৰ ক্ষেত্ৰত জনসংখ্যা বৃদ্ধিৰ দুইধৰণৰ প্ৰভাৱ দেখা পোৱা যায়। প্ৰথমতে উচ্চ ঘনত্বৰ জনসংখ্যাই সৃষ্টি কৰা হেঁচাৰ বিপৰীতে জনসংখ্যা বৃদ্ধিয়ে প্ৰযুক্তিগত উন্নতিত ইন্ধন যোগায়। ইয়াকে ব'জৰাপে (১৯৮১) চাহিদা-পৰিচালিত (Demand driven) মত হিচাপে দাঙি ধৰিছিল। দ্বিতীয়তে জনসংখ্যা বৃদ্ধিয়ে বৃহৎসংখ্যক সম্ভাব্য উদ্ভাৱকৰ (innovators) সৃষ্টি কৰে যাৰ আৱিস্কাৰসমূহ (innovations) দেশৰ অৰ্থনীতিৰ বাবে সহায়ক। ইয়াকে চাইমন (১৯৭৭) আৰু কুজনেট (১৯৬০) যোগান পৰিচালিত (supply driven) মত হিচাপে দাঙি ধৰিছিল।

জানি থোৱা ভাল

ইষ্টাৰ ব'জৰাপ (Ester Boserup) (১৯১০-১৯৯৯), নামৰ ডেনিছ অৰ্থনীতিবিদে মালথাচৰ তত্ত্বক প্ৰত্যাহ্বান জনাই কৈছিল যে জনসংখ্যাৰ পৰিসৰ উৎপাদন কৰিব পৰা খাদ্যৰ পৰিমাণ অনুসৰি সীমাবদ্ধ হৈ থাকে।

তেওঁ সেয়েহে সমিধান স্বৰূপে কৈছিল যে খাদ্যৰ উৎপাদন জনসংখ্যাৰ প্ৰয়োজন সাপেক্ষে বৃদ্ধি কৰিব পৰা যায়। ব'জৰাপৰ ধাৰণা অনুসৰি অভাৱেই আৱিস্কাৰৰ মূল কথাষাৰৰ সত্যতা আছে আৰু সেই অনুসৰি উৎপাদনৰ বিভিন্ন পদ্ধতিসমূহ ব্যৱহৃত হয় যিয়ে বৰ্ধিত জনসংখ্যাক সুদূৰপ্ৰসাৰী ৰূপত খাদ্যবস্তু উৎপাদনত নিযুক্ত কৰে।

উক্ত তিনিওজন অর্থনীতিবিদৰ সাধাৰণ ধাৰণাত এক সামঞ্জস্য দেখা পোৱা যায়। ব'জৰাপৰ চাহিদা চলিত যুক্তি অনুসৰি ক্ৰমবৰ্ধিত জনসংখ্যাৰ ঘনত্বই খাদ্যৰ প্ৰতি চাহিদা সৃষ্টি কৰে; ঠিক তেনেদৰে কুজনেটচ আৰু চাইমনৰ মত অনুসৰি বৰ্ধিত জনসংখ্যাই অধিকসংখ্যক উদ্ভাৱকৰ () জন্ম দিয়ে যিয়ে অর্থনীতিৰ উপকাৰ সাধন কৰে। আকৌ মালথাচে বিশ্বাস কৰে যে খাদ্যৰ অভাৱ জনসংখ্যা বৃদ্ধিৰ এটা কাৰণ আৰু ই যোগাত্মক আৰু প্ৰতিষেধক নিয়ন্ত্ৰণ ব্যৱস্থাৰ যোগেদি স্থিতাৱস্থাত থাকে। মালথাচৰ মত বিশেষকৈ নৈৰাশ্যবাদী য'ত কুজনেটছ, চাইমন আৰু বজৰূপে একেই ধাৰণাক এক আশাবাদী দৃষ্টিভংগীৰে বিশ্লেষণ কৰিছে। তেওঁলোকে মানৱশক্তিৰ প্ৰযুক্তিগত উন্নতি তথা উদ্ভাৱনী বিদ্যাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ঃ জনসংখ্যাৰ ৰূপান্তৰ তত্ত্বটো লিখা। (৩০ টা মান শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন ৪ঃ জনসংখ্যা ৰূপান্তৰৰ কোনছোৱা কালক 'জনসংখ্যা বিস্ফোৰণ' বুলি অভিহিত কৰা হয়?। (২০ টা মান শব্দৰ ভিতৰত)।

.....

.....

.....

প্ৰশ্ন ৫ঃ জনসংখ্যা ৰূপান্তৰ তত্ত্বটো চমুকৈ বৰ্ণনা কৰা। (৭০ টা মান শব্দৰ ভিতৰত)।

.....

.....

.....

৯.৬ অর্থনৈতিক উন্নয়নৰ ওপৰত জনসংখ্যাৰ প্ৰভাৱ

জানো আহাঃ

- বৰ্তমান জনসংখ্যাৰ ক্ষেত্ৰত ভাৰতবর্ষই, প্ৰথম স্থান দখল কৰা চীনৰ পাছতে স্থান পাবলৈ সক্ষম হৈছে। যি কি নহওক ১৯৭৯ চনত প্ৰৱর্তিত চীনৰ 'এক-সন্তান নীতি (One Child Policy)ৰ এক যোগাত্মক প্ৰভাৱ দেখা পোৱা যায় আৰু ইং ২০২৮ চনলৈকে যদিহে যথার্থ জনসংখ্যা নীতি অনুসৰণ কৰা নাযায় তেন্তে ভাৰতবর্ষই চীনক জনসংখ্যাৰ ক্ষেত্ৰত চেৰাই যাব বুলি আশা কৰা হৈছে।
- চীন আৰু ভাৰতে একলগে পৃথিৱীৰ মুঠ জনসংখ্যাৰ (৩৬.৪১%) বহন কৰে। তাৰে এছিয়াৰ দেশসমূহৰ

মিনিত জনসংখ্যা, দুয়োখন দেশৰে সন্মিলিত অংশ হ'ল ৬১.০৯%।

- ভৌগোলিক এলেকা অনুসৰি চীনে পৃথিৱীৰ ভিতৰত চতুর্থ স্থান দখল কৰিছে, য'ত ভাৰতৰ স্থান হ'ল সপ্তম।

জনসংখ্যাৰ অর্থনৈতিক উন্নয়নৰ ক্ষেত্রত থকা ঋণাত্মক প্রভাৱসমূহক তলত দিয়া ধৰণে আঙুলিয়াব পাৰি-

- সংস্থাপন আৰু কৃষিভিত্তিক উৎপাদনৰ ওপৰত বিৰূপ প্রভাৱ পেলায়।
- জনমুৰি আয়ৰ ওপৰত বিৰূপ প্রভাৱ পেলায়।
- অত্যধিক জনসংখ্যাই মূলধন গঠনত প্রভাৱ বিস্তাৰৰ লগতে আর্থ-সামাজিক বেমেজালিৰ সৃষ্টি কৰে।
- পৰিবেশৰ ওপৰত বিৰূপ প্রভাৱ পেলায়।

ইয়াৰোপৰি আমি জনসংখ্যাৰ অর্থনৈতিক উন্নয়নৰ ওপৰত থকা ধনাত্মক প্রভাৱ সম্পর্কেও গুৰুত্ব আৰোপ কৰিব পাৰো, যেনে-

- ব'জৰাপে আঙুলিয়াই দিয়া ধৰণে বর্ধিত জনসংখ্যাৰ ঘনত্বই খাদ্যবস্তুৰ প্রতি চাহিদাৰ সৃষ্টি কৰে।
- জনসংখ্যা বৃদ্ধি উদ্ভাৱনৰ এক উৎস।
- দেশৰ অধিকাংশ কর্মৰত জনসংখ্যাই যুৱপ্রজন্ম যাক জনসংখ্যা লাভ্যাংশ (Population dividend) বুলিব পাৰি।
- প্রাকৃতিক সম্পদৰ পর্যাপ্ত ব্যৱহাৰত সহায় কৰে।

এইদৰেই জনসংখ্যা বৃদ্ধিৰ ভাল আৰু বেয়া দুয়োটা দিশেই থকা দেখা যায়। আৰু লগতে ক'ব পাৰি যে জনসংখ্যা বৃদ্ধিয়ে কেৱল উন্নয়নৰ প্রক্রিয়াত প্রভাৱ নেপেলায়, বৰঞ্চ ই নিজেও উন্নয়নৰদ্বাৰা প্রভাৱান্বিত হয়। জনসংখ্যাৰ ৰূপান্তৰ তত্ত্ব অনুসৰি দেখা পোৱা যায় যে, উন্নত আধুনিক অর্থনীতিৰ ক্ষেত্রত জনসংখ্যাৰ বৃদ্ধিৰ হাৰৰ এক স্থিতাৱস্থা থাকে, য'ত উন্নয়নৰ মধ্যৱর্তী স্তৰত জনসংখ্যা যথেষ্ট উচ্চহাৰত বৃদ্ধি হয়। গতিকে ক'ব পাৰি যে জনসংখ্যা বৃদ্ধি আৰু অর্থনৈতিক বিকাশৰ মাজত ইটোৱে আনটোক প্রভাৱন্বিত কৰিব পৰাকৈ এক পাৰস্পৰিক সম্পর্ক আছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ঃ ব'জৰাপৰ জনসংখ্যা বৃদ্ধি সম্পর্কে মতটো লিখা। (৫০ টা মান শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৭ঃ জনসংখ্যা বৃদ্ধিৰ অর্থনৈতিক উন্নয়নৰ ক্ষেত্রত থকা ঋণাত্মক দিশসমূহ উল্লেখ কৰা। (৫০ টা মান শব্দৰ ভিতৰত)

.....

.....

.....

১.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- অর্থনৈতিক বিকাশ আৰু জনসংখ্যাৰ মাজত এক আভ্যন্তৰীণ সম্পর্ক আছে।
- জনসংখ্যা বৃদ্ধিৰ উন্নয়নৰ ক্ষেত্রত থকা প্রভাৱ সম্পর্কে মতভেদ থকা দেখা যায় আৰু সেই অনুসৰি নিৰাশাবাদী আৰু আশাবাদী দুয়োটা মতপোষণ কৰা দেখা যায়।
- মালথাচৰ তত্ত্ব অনুসৰি জনসংখ্যা বৃদ্ধি জ্যামিতিক ক্রমত হয় য'ত খাদ্য যোগানৰ বৃদ্ধি গাণিতিক ক্রমতহে হয়। এইদৰেই প্রতি ২৫ বছৰৰ অন্তত জনসংখ্যাৰ বৃদ্ধি দুগুণ হাৰত হয় আৰু খাদ্যবস্তুৰ অভাৱ পৰিলক্ষিত হয়। এনে পৰিস্থিতিয়ে সমাজত দৰিদ্রতা আৰু দুর্ভিক্ষৰ সৃষ্টি কৰে।
- জনসংখ্যাৰ ৰূপান্তৰ তত্ত্বই কিদৰে প্রতিখন উন্নয়নশীল ৰাষ্ট্রই ৰূপান্তৰৰ তিনিওটা স্তৰ অতিক্রম কৰে সেই প্রক্রিয়া সম্পর্কে ব্যাখ্যা কৰে।
- ৰূপান্তৰৰ প্রথমটো স্তৰ হ'ল এনে এটা পর্যায় য'ত দেশখনৰ জনসংখ্যা উচ্চ জন্মহাৰ আৰু উচ্চ মৃত্যুহাৰৰ বাবে স্থিতাৱস্থাত থাকে।
- ৰূপান্তৰৰ দ্বিতীয় স্তৰ আধুনিক স্বাস্থ্য সুৰক্ষা, শিক্ষাৰ প্রসাৰ আৰু উন্নত জীৱনশৈলীৰ যোগেদি আৰম্ভ হয় আৰু ই মৃত্যুৰ হাৰ হ্রাস কৰে, কিন্তু জন্মহাৰৰ ক্ষেত্রত তুলনামূলকভাৱে ধীৰ অথবা কার্যতঃ কোনো হ্রাসৰ ধাৰা দেখা নাযায় আৰু ইয়ে বর্ধিত হাৰৰ জনসংখ্যালৈ গতি কৰে।
- ৰূপান্তৰৰ তৃতীয় স্তৰত জন্ম আৰু মৃত্যু উভয়ৰে হাৰ কমি অহা দেখা যায়।
- যদিও মালথাচীয় ধাৰণা আৰু কুজনেটচ্ চাইমন-ব'জৰাপৰ ধাৰণাৰ মাজত মতবিৰোধ থকা দেখা যায়, কিন্তু উভয়কে ইটোক আনটোৰ পৰিপূৰক বুলিব পাৰি কাৰণ যদিহে আমি দুয়োটা দৃষ্টিভংগীৰে আলোচনা কৰো তেন্তে জনসংখ্যা বৃদ্ধিৰ উন্নয়নৰ ক্ষেত্রত থকা ধনাত্মক আৰু ঋণাত্মক দুয়োটা দিশকেই চিনাক্ত কৰিব পাৰো।

৯.৮ অধিক জানিবলৈ

1. Ray, Devraj: Development Economics, Oxford University Press, 2008
2. Tdaro M.P. & Smith S.C : Economic Development, Pearson, 2014
3. Puri V.K. S. Misra SK : Economics of Development and Planning, Himalaya Publishing House, 2016
4. Raj F, Mukheru M, Ghose A, Nag R N : Contemporary Development Economics, New Central Book Agency (p) Ltd. Kolkata, 2011.

৯.৯ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহঃ

১। তত্ত্বটিৰ বিবৃতি অনুসৰি জনসংখ্যা বৃদ্ধি জ্যামিতিক হাৰত হোৱা দেখা যায় (১,২,৪,৮,১৬....)য'ত খাদ্যযোগানৰ বৃদ্ধি গণিতিক ক্রমত হয় (১,২,৪,...)।

২। মালথাচে জনসংখ্যা বৃদ্ধিৰ ক্ষেত্রত দুইধৰণৰ নিয়ন্ত্রকৰ কথা উল্লেখ কৰিছে।- প্রতিষেধক নিয়ন্ত্রণ আৰু যোগাত্মক নিয়ন্ত্রণ। ইয়াৰে প্রতিষেধক নিয়ন্ত্রণ হ'ল জন্ম নিয়ন্ত্রণৰ নীতি নির্ধাৰক স্বৰূপ আৰু ই গর্ভনিৰোধক, বিবাহৰ নীতি নির্ধাৰক স্বৰূপ আৰু ই গর্ভনিৰোধক, বিবাহৰ বয়স বৃদ্ধি, নৈতিক সংযম ইত্যাদিক সাঙুৰি

লয়। অন্য হাতে জনসংখ্যা বৃদ্ধিৰ যোগাত্মক নিয়ন্ত্রণসমূহ হ'ল বেমাৰ-আজাৰ আদিৰ জৰিয়তে গড়আয়ু হ্রাস, চৰম দৰিদ্রতা, যুদ্ধসদৃশ পৰিবেশ, দুর্ভিক্ষ তথা দুর্বল জীৱনশৈলী আৰু কর্মপৰিৱেশ। এই আটাইবোৰে মানুহৰ জীৱনৰেখা হ্রাস কৰে আৰু মৃত্যুৰ হাৰ বৃদ্ধ কৰে।

৩। জনসংখ্যাৰ ৰূপান্তৰৰ তত্ত্বই প্রতিখন উন্নয়নশীল ৰাষ্ট্রই কিদৰে ৰূপান্তৰৰ তিনিটা স্তৰ অতিক্রম কৰে সেই প্রক্রিয়াৰ বর্ণনা কৰে। এই স্তৰসমূহ প্রতিখন ৰাষ্ট্রৰ উন্নয়নৰ পথত স্বয়ংক্রিয়- ভাৱে সংঘটিত হয়।

৪। জনসংখ্যাৰ ৰূপান্তৰৰ দ্বিতীয় কালছোৱাক 'জনসংখ্যা বিস্ফোৰণ' বুলি কোৱা হয়।

৫। জনসংখ্যাৰ ৰূপান্তৰ তত্ত্বই কিদৰে প্রতিখন উন্নয়নশীল ৰাষ্ট্রই ৰূপান্তৰৰ তিনিটা স্তৰ অতিক্রম কৰে সেই প্রক্রিয়া সম্পর্কে বর্ণনা আগবঢ়ায়। প্রথম স্তৰত উচ্চ জন্মহাৰ আৰু উচ্চ মৃত্যুৰ হাৰৰ বাবে ৰাষ্ট্রখনৰ জনসংখ্যা স্থিতাৱস্থাত থাকে। দ্বিতীয় স্তৰৰ আধুনিক স্বাস্থ্যখণ্ডৰ সংযোজন, শিক্ষাৰ প্রসাৰ আৰু উন্নত জীৱনশৈলীৰ মাজেৰি আৰম্ভ হয় আৰু মৃত্যুৰ হাৰ হ্রাস কৰে কিন্তু এই স্তৰত জন্মহাৰ হ্রাসৰ যাত্রা তুলনামূলকভাৱে ধীৰ অথবা কার্যতঃ কোনোধৰণৰ হ্রাসৰ মাত্রা দেখা নাযায় আৰু ইয়ে উচ্চহাৰত জনসংখ্যা বৃদ্ধিত অৰিহণা যোগায়। উল্লেখযোগ্য যে ৰূপান্তৰৰ তৃতীয় স্তৰত নিম্নগামী উর্ৰৰতাৰ হাৰে জন্মহাৰ কমাই আনে আৰু ফলস্বৰূপে জনসংখ্য বৃদ্ধিৰ হাৰ স্থিৰ হয়।

৬। ব'জৰাপৰ প্রস্তাৱ অনুসৰি খাদ্যবস্তুৰ যোগান জনসংখ্যাৰ প্রয়োজন অনুসৰি বৃদ্ধি কৰিব পৰা যায়। ব'জৰাপৰ দৃষ্টিভংগী অনুসৰি অভাৱে মানুহক উদ্ভাৱক, উৎপাদনক্ষম হোৱাত সহয় কৰে আৰু সেইমতেই উৎপাদনৰ বিভিন্ন পদ্ধতিসমূহ ব্যৱহৃত হয় যিয়ে বর্ধিত জনসংখ্যাক সুদুৰপ্রসাৰী ৰূপত খাদ্যবস্তু উৎপাদনত নিযুক্ত কৰে।

৭। জনসংখ্যাৰ অর্থনৈতিক উন্নয়নৰ ওপৰত থকা ঋণাত্মক প্রভাৱসমূহ তলত দিয়া ধৰণৰঃ

- ই নিয়োগ আৰু কৃষিভিত্তিক উৎপাদনত বিৰূপ প্রভাৱ পেলায়।
- খাদ্যবস্তু যোগানৰ অভাৱৰ ক্ষেত্রত এক অন্যতম কাৰক।
- জনমূৰি আয়ৰ ওপৰত বিৰূপ প্রভাৱ পেলায়।
- অত্যাধিক জনসংখ্যাই মূলধন গঠনক প্রভাৱিত কৰে আৰু লগতে আর্থ-সামাজিক দিশেতো ওপৰুৱা বিসংগতিৰ সৃষ্টি কৰে।
- পৰিবেশৰ ওপৰতো বিৰূপ প্রভাৱ পেলায়।

৯.১০ আৰ্হি প্রশ্ন

চমু প্রশ্ন (প্রতিটোৰ উত্তৰ প্রায় ৭৫ শব্দৰ ভিতৰত)

১। কাম্য জনসংখ্যা বুলিলে কি বুজা?

২। জনসংখ্যা বৃদ্ধিৰ অর্থনৈতিক উন্নয়নৰ ওপৰত থকা দুটা ধনাত্মক প্রভাৱ উল্লেখ কৰা।

৩। জনসংখ্যাৰ ৰূপান্তৰ তত্ত্বৰ দ্বিতীয় স্তৰটি চমুকৈ বর্ণনা কৰা।

দীঘল প্রশ্ন (প্রতিটোৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত)

১। জনসংখ্যা বৃদ্ধিৰ প্রযুক্তিগত উন্নতিৰ ক্ষেত্রত প্রভাৱ বিস্তাৰ কৰা ধাৰণা দুটা কি কি?

২। জনসংখ্যা বৃদ্ধি সম্পর্কে মালথাচীয় ধাৰণা আৰু কুজনেট-চাইমন- ব'জৰাপৰ ধাৰণাৰ মাজত থকা পার্থক্যটো কি?

৩। জনসংখ্যা বৃদ্ধিয়ে এখন ৰাষ্ট্রৰ উন্নয়নৰ প্রক্রিয়াক কিদৰে প্রভাৱান্বিত কৰে?

*****

অধ্যায় ১০ ঃ মুলধন গঠন আৰু অর্থনৈতিক উন্নয়ন

অধ্যায় গাঁথনি

১০.১ শিক্ষণৰ উদ্দেশ্য
১০.২ পাতনি
১০.৩ মুলধন গঠনৰ অর্থ
১০.৪ মূলধন গঠনৰ তাৎপর্য
১০.৫ উন্নয়নশীল দেশত নিম্ন মুলধন গঠনৰ কাৰণসমূহ
১০.৬ উপসংহাৰ
১০.৭ অধ্যায়টো সামৰো আহঁক
১০.৮ অধিক পাঠ
১০.৯ অগ্রগতিৰ পৰীক্ষা কৰনৰ উত্তৰসমূহ
১০.১০ আৰ্হি প্রশ্নাৱলী

১০.১ শিক্ষণৰ উদ্দেশ্য

উন্নয়নশীল দেশসমূহে তেওঁলোকৰ অর্থনৈতিক উন্নয়নৰ গতি তৰান্বিত কৰিবলৈ মুলধন গঠন দ্রুত গতিত বৃদ্ধি কৰাবৰ বাবে অহৰহ চেষ্টা কৰি আছে।

উক্ত অধ্যায়টি অধ্যয়নৰ মাজেৰে আপুনি বুজিবলৈ সক্ষম হ'ব—

- মালথাচৰ জনসংখ্যা তত্ত্ব
- মুলধন গঠন কি বুজিবলৈ সক্ষম হ'ব
- উন্নয়নশীল দেশসমূহত অর্থনৈতিক উন্নয়ন বৃদ্ধিৰ কাৰণে মুলধন গঠনৰ গুৰুত্ব জানিব পাৰিব।
- অনুন্নত দেশসমূহত নিম্ন মুলধন গঠনৰ বাবে দায়ী উপাদানসমূহৰ বিষয়ে বুজি পাব।

১০.২ পৰিচয়

অর্থনৈতিক উন্নয়নৰ পূর্ব চর্তসমূহৰ ভিতৰত এটা হ'ল মুলধন গঠন। অনুন্নত দেশসমূহৰ মুলধনৰ নাটনি আৰু মুলধন গঠনৰ নিম্ন হাৰত ভুগে যিয়ে তেওঁলোকৰ অর্থনৈতিক বিকাশ আৰু উন্নয়নৰ গতি সীমিত কৰি ৰাখে। অধ্যাপক মার্ক্সৰ মতে, অনুন্নত দেশসমূহত থকা দৰিদ্রতাৰ পাকচক্র পর্যাপ্ত পৰিমাণৰ মুলধন গঠনৰ ৰোধ কৰিব পাৰি। ভৱিষ্যতৰ ভোগ্য সামগ্রী সঞ্চয়নৰ বাবে বর্তমানৰ সামগ্রীৰ ভোগ কিছু ত্যাগ কৰা প্রয়োজন হয়। মুলধন আহৰণৰ বাবে বর্তমানৰ ভোগ্য কার্য্য কিছু হ্রাস কৰি ইয়াক ভৱিষ্যতৰ উৎপাদনৰ বাবে সঞ্চয় কৰিব লগীয়া হয়। সেই কাৰণে, মুলধন আহৰণক বহুতো উন্নয়ন কর্মনীতিৰ কেন্দ্রীয় উদ্দেশ্য হিচাপে বিবেচনা কৰা হয়। গতিকে মুলধন গঠনৰ লগত জড়িত বিভিন্ন দিশসমূহ অধ্যয়ন কৰাটো খুবেই তাৎপর্যপূর্ণ।

১০.৩ মুলধন গঠনৰ অৰ্থ

অধ্যাপক কলিন ক্লাৰ্কৰ মতে, 'মুলধন গঠন হ'ল পূৰ্বে মজুত মুলধনৰ ভঁৰাললৈ নিৰ্দ্দিষ্ট সময়ত হোৱা নিগুট সংযোজন'। গতিকে মুলধন গঠন হ'ল মজুত থকা প্ৰকৃত মুলধনলৈ সংযোজন, যিয়ে দ্ৰব্য আৰু সেৱাৰ উৎপাদন বৃদ্ধিত সহায় কৰে। অৰ্থাৎ, মুলধন গঠনে ভৱিষ্যতত উপভোগ্য সামগ্ৰী বৃদ্ধিৰ বাবে সমাজৰ বৰ্তমান উপলব্ধ সম্পদৰ এটা অংশ আচুতীয়াকৈ ৰখাক বুজায়। মাৰ্ক্সে কোৱাৰ দৰে, মুলধন গঠনৰ অৰ্থ হ'ল যে এখন দেশে ইয়াৰ সমগ্ৰ উৎপাদন ক্ষমতা বৰ্তমানৰ তৎকালিন ভোগ প্ৰয়োজন আৰু লিপসাৰ বাবে ব্যৱহাৰ নকৰে, বৰং ইয়াৰ এটা অংশ মুলধনী সামগ্ৰী, যন্ত্ৰ, আহিলা পাতি তথা যাতায়ত ব্যৱস্থা, আদি সকলো ধৰণৰ প্ৰকৃত মুলধন বনোৱাৰ কামত নিৰ্দেশনা দিয়ে যিয়ে উৎপাদনৰ প্ৰচেষ্টাৰ পাৰদৰ্শিতা ভালদৰে বৃদ্ধি কৰিব পাৰে। মুলধন গঠন শব্দটো কেতিয়াবা মানৱ মুলধনৰ ওপৰিও বস্তুগত মুলধনকো সামৰি লোৱাকৈ ব্যৱহাৰ কৰা হয় ; ইয়াক দক্ষতা, শিক্ষা আৰু স্বাস্থ্যৰ দৰে অতি গুৰুত্বপূৰ্ণ খণ্ডটো বিনিয়োগ বুজাবলৈ ব্যৱহাৰ কৰা হয়।

মুলধন গঠনক ঠেক তথা বহল অৰ্থত ব্যখ্যা কৰিব পাৰি। ঠেক অৰ্থত ই কেৱল কৃষি উৎপাদন বৃদ্ধিৰ বাবে ৰাস্তা ঘাট আৰু যাতায়ত ব্যৱস্থা নিৰ্মাণ, ৰেলপথ নিৰ্মাণ, জলসিঞ্চন ব্যৱস্থা আদি বস্তুগত বা দৈহিক মুলধনত বিনিয়োগ কৰাটোক অন্তৰ্ভুক্ত কৰে। বহল অৰ্থত, এনেকুৱা বস্তুগত মুলধনৰ ওপৰিও ই শিক্ষা, স্বাস্থ্য, পুষ্টি আদিৰ দৰে মানৱ মুলধনৰ ওপৰত বিনিয়োগ কৰাটোকো সামৰি লয়। ছিংগাৰে ব্যখ্যা কৰাৰ দৰে মুলধন গঠন স্পৰ্শযোগ্য সামগ্ৰী যেনে সা সঁজুলি, যন্ত্ৰপাতি, কাৰখানা আৰু শিক্ষা, স্বাস্থ্য, বৈজ্ঞানিক পৰম্পৰা তথা গৱেষণাৰ দৰে স্পৰ্শ অযোগ্য সামগ্ৰী সমূহকে ধৰি উভয়ক লৈ গঠিত হয়।

জানি থোৱা ভাল

অন্য সাধাৰণ সম্পদতকৈ মুলধন বেলেগ। ই মানৱ সৃষ্ট আৰু কেৱলবৰ্তমান উৎপাদনৰ কাৰণে ব্যৱহাৰিত নহয়, বৰং ভৱিষ্যত উৎপাদনৰ কাৰণেও ইয়াক ব্যৱহাৰ কৰা হয়। ই নিজা সঞ্চয়ৰ দ্বাৰা কিংবা ধাৰলৈ লৈ লোৱাৰ পৰা গঠিত হয়। মুলধনৰ বৰ্তমান ব্যৱহাৰ থাকিবও পাৰে বা নাথাকিবও পাৰে, কিন্তু ভৱিষ্যতৰ বাবে সম্ভাৱনীয়তা থাকে। ছাত্ৰ-ছাত্ৰী সকল একপ্ৰকাৰ মুলধন কিয়নো ভৱিষ্যতে তেওঁলোকৰ পৰা সমাজত কিবা বৰঙনি আশা কৰা হয়। মুলধন স্পৰ্শযোগ্য বা স্পৰ্শ অযোগ্য হ'ব পাৰে। মুলধনক বস্তুগত বা দৈহিক আৰু মানৱ মুলধনতো বিভক্ত কৰা হয়। মুলধন বিভিন্ন উৎপাদনৰ বিভিন্ন উপাদানৰ দেওনা হিচাপে আগতীয়াকৈ মুদ্ৰাৰ্জিত হ'ব পাৰে বা ই আন্তঃগাঁথনি, ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, শক্তি যোগান আদিৰেও গঠিত হ'ব পাৰে।

১০.৪ মূলধন গঠনৰ প্ৰয়োজনীয়তা ঃ SIGNIFICANCE OF CAPITAL FORMATION

অৰ্থনৈতিক উন্নয়ন বহু পৰিমাণে মুলধন গঠনৰ ওপৰত নিৰ্ভৰ কৰে। এখন দেশৰ, বিশেষকৈ অনুন্নত দেশসমূহৰ উন্নয়ন প্ৰক্ৰিয়াৰ সামগ্ৰিক পাৰদৰ্শিতাৰ এক নিৰ্ণায়ক উপাদান হ'ল মুলধন গঠন। উচ্চ হাৰৰ মুলধন গঠনে যন্ত্ৰ-পাতি, সা-সৰঞ্জাম, কাৰখানা, আদিকে ধৰি মুলধনৰ ভঁৰাল বৃদ্ধি কৰিব পাৰে যিয়ে অৰ্থনীতিটোক অধিক উৎপাদন আৰু নিয়োগ ক্ষমতা প্ৰদান কৰে। ই সম্পদৰ পুৰ্ণ আৰু দক্ষ ব্যৱহাৰ নিশ্চিত কৰে। ৰাষ্ট্ৰীয় উৎপাদন আৰু নিয়োগ বৃদ্ধিৰ লগে লগে ই বৈদেশিক লেনদেনৰ উদ্ধৃতি, মূদ্ৰাস্ফীতি, নিয়োগ সমস্যা, অৰ্থনৈতিক

বিকাশ, আদি আনুসংগিক সমস্যাবোৰো সমাধানত সহায় কৰে। এতিয়া আমি অনুন্নত দেশসমূহৰ অর্থনৈতিক উন্নয়নত মুলধন গঠনৰ কেতবোৰ প্রয়োজনীয়তা আলোচনা কৰোহঁক।

ক) **ৰাষ্ট্রীয় আয় বৃদ্ধি ঃ** মুলধনৰ বৃদ্ধিয়ে দেশৰ উৎপাদনৰ কৌশল উন্নত কৰে। ইয়ে ৰাষ্ট্রীয় আয় তথা জনমুৰী আয় বৃদ্ধি কৰে। মুলধন আহৰনৰ জৰিয়তে উৎপাদনৰ আন আন উপাদান সমূহ ভালদৰে ব্যৱহাৰ কৰি উৎপাদন সর্বোচ্চ কৰিব পাৰি।

খ) **সামাজিক আৰু অর্থনৈতিক পৰিকাঠামো নির্মাণ ঃ** অর্থনৈতিক উন্নয়নৰ বাবে জৰুৰী ৰাস্তা-ঘাট, ৰেলপথ, বিদ্যুৎ, হস্পিতাল, শিক্ষানুষ্ঠান আদি সামাজিক আৰু অর্থনৈতিক পৰিকাঠামোসমূহ, আদিৰ বাবে বৃহৎ পৰিমাণৰ বিনিয়োগৰ প্রয়োজন হয়। উন্নয়নশীল দেশসমূহৰ উন্নয়ন প্রক্রিয়া মুলধন গঠনৰ আকাৰ আৰু গভীৰতাৰ ওপৰত নির্ভৰ কৰে যিয়ে অর্থনীতিটোৰ উৎপাদন ক্ষমতাৰ শক্তি বৃদ্ধি কৰে। শিক্ষানুষ্ঠান আৰু স্বাস্থ্য সেৱা ব্যৱস্থাৰ উপলব্ধতাই মানৱ শক্তিৰ গক্ষতা বৃদ্ধি কৰে। একেদৰে সুগম শক্তি যোগান, বজাৰ ব্যৱস্থা, ৰাস্তা-ঘাট আৰু পৰিবহন ব্যৱস্থাই উৎপাদন আৰু সামগ্রীসমূহৰ চলাচল বৃদ্ধি কৰে।

গ) **কাৰিকৰি কৌশলৰ প্রগতি ঃ**কাৰিকৰি কৌশলৰ প্রগতিৰ বাবে বৃহৎ পৰিমাণৰ মুলধনৰ প্রয়োজন হয়। মুলধন গঠনে সামাজিক পৰিকাঠামো সৃষ্টি কৰে যি কাৰিকৰি কৌশলৰ প্রগতিৰ বাবে সহায়ক হয়। আধুনিক বিশ্বত প্রযুক্তি কৌশল উন্নয়নশীল দেশসমূহৰ উন্নয়নৰ পূর্ব চর্ত হৈ পৰিছে।

ঘ) **মানৱ মুলধনৰ উন্নয়ন ঃ** দেশৰ মানৱ সম্পদ উন্নয়নৰ কাৰণেও মুলধন গঠন গুৰুত্বপূর্ণ। মানৱ মুলধন গঠন নির্ভৰ কৰে শিক্ষা, প্রশিক্ষণ, স্বাস্থ্য সেৱা, সামাজিক আৰু অর্থনৈতিক সুৰক্ষা, আদিৰ ওপৰত যিবোৰৰ বাবে পর্য্যপ্ত মুলধনৰ প্রয়োজন হয়। তাৰোপৰি, অতিৰিক্ত মুলধন প্রক্ষেপনৰ জৰিয়তে ঔদ্যোগিক আৰু ব্যৱসায়িক কাম-কাজ বৃদ্ধি কৰি শ্রম শক্তি নিয়োগ তথা নিবনুৱা সমস্যা হ্রাস কৰিব পাৰি।

ঙ) **বজাৰ সম্প্রসাৰণ ঃ**মুলধন গঠনে কেৱল উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰি জাতীয় আয়েই বৃদ্ধি নকৰে, ই সামগ্রীৰ চাহিদাও বৃদ্ধি কৰে আৰু এনেদৰে বজাৰ সম্প্রসাৰিত হয়। অর্থনৈতিক কাম-কাজ সামগ্রিক ভাৱে বৃদ্ধি পায় আৰু বর্হিদেশৰ ওপৰত নির্ভৰশীলতা হ্রাস কৰে।

চ) **অর্থনৈতিক কল্যাণ বৃদ্ধি ঃ** মুলধন গঠনৰ লগে লগে অধিক ৰাজহুৱা ব্যয় সম্ভৱ হয় যাৰ পৰা জনসাধাৰণে বিভিন্ন কল্যাণমুলক কার্য্যসূচীৰ জৰিয়তে অর্থনৈতিক ও সামাজিক ক্ষেত্রত নানা ধৰণৰ সা-সুবিধা পায়। পৰোক্ষভাৱে এই আঁচনিবোৰে বা সেৱাবোৰে উৎপাদনশীলতা বৃদ্ধি কৰে আৰু আনকি মানুহৰ, বিশেষকৈ দৰিদ্র লোকৰ ব্যয়যোগ্য আয়ো বৃদ্ধি হয়।

জানি থোৱা ভাল

মুলধন বিভিন্ন উৎসৰ পৰা আহৰণ কৰিব পাৰি। উৎসসমূহ অভ্যন্তৰিণ বা বাহ্যিক/ বৈদেশিক উভয়ে হ'ব পাৰে। মুলধন গঠনৰ কেতবোৰ অভ্যন্তৰিণ উৎস হ'ল — স্বেচ্চকৃত সঞ্চয়, বাধ্যতামুলক সঞ্চয়, কৰ, ইত্যাদি। আনহাতে ইয়াৰ বৈদেশিক উৎসমূহ হ'ল — বৈদেশিক অনুদান বা ঋণ, আমদানিৰ ওপৰত নিষেধজ্ঞা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ মুলধন গঠন বুলিলে কি বুজা? (২০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্ৰশ্ন ২ ঃ মুলধনৰ বিভিন্ন উৎসৰ নাম লিখক? (৫০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্ৰশ্ন ৩ ঃ বজাৰ সম্প্ৰসাৰণে মুলধন গঠনত কি ভূমিকা পালন কৰে?
(৩০টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

১০.৫ উন্নয়নশীল দেশত নিম্ন মুলধন গঠনৰ কাৰণসমূহ

এইটো কথাত দ্বিমত নাই যে অনুন্নত দেশসমূহত মুলধন গঠনৰ হাৰ নিম্ন। আগতেই উল্লেখ কৰাৰ দৰে, মুলধন গঠন অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ উপাদান। নিম্ন মুলধন গঠনৰ কাৰণে অনুন্নত দেশসমূহৰ উন্নয়নৰ গতি লেহেমীয়া। উন্নয়নশীল দেশসমূহৰ দৰিদ্ৰতাৰ পাকচক্ৰ সৃষ্টি কৰা শৃংখলৰ ইও এক অংশ। তলত উল্লেখ কৰাৰ দৰে উন্নয়নশীল দেশসমূহত মুলধন গঠনৰ হাৰ নিম্ন হোৱাৰ বিভিন্ন কাৰণ আছে।

ক) **নিম্ন আয় ঃ** সঞ্চয়ৰ পৰা মুলধন আহৰণ কৰা হয় যিটো অনুন্নত দেশসমূহত তেনেই কম। সঞ্চয় আয়ৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰে। যিহেতু এই দেশসমূহত আয়ৰ পৰিমাণ তেনেই কম, ভোগ প্ৰৱণতা খুব বেছি। গতিকে প্ৰায় সমগ্ৰ আয় ভোগৰ বাবেই ব্যৱহাৰ কৰা হয়, সঞ্চয়ৰ বাবে একো ৰখা নহয়। সেয়ে সেইবোৰ দেশত মুলধন গঠন নিম্ন থাকি যায়।

খ) **নিম্ন উৎপাদনশীলতা ঃ** যিহেতু অনুন্নত দেশসমূহত কৃষি আৰু উদ্যোগ খণ্ড পিছ পৰা, এইবোৰৰ উৎপাদনশীলতা কম। তেওঁলোকে আওঁপুৰণি উৎপাদন কৌশল ব্যৱহাৰ কৰে আৰু প্ৰাকৃতিক সম্পদসমূহ ভালদৰে ব্যৱহাৰ কৰিব নোৱাৰে। এনেদৰে আয় আৰু সঞ্চয়ৰ পৰিমাণ কম হৈ থাকে, যাৰ ফলত মুলধন গঠন নিম্ন হয়।

গ) **অদক্ষ মানৱ শক্তি ঃ** শ্ৰমিক আৰু ঔদ্যোগীসকল অদক্ষ আৰু অপ্ৰশিক্ষন প্ৰাপ্ত হৈ থকা বাবে প্ৰায়ে তেওঁলোকে প্ৰাকৃতিক সম্পদৰ অপব্যৱহাৰ কৰে যাৰ ফলত উৎপাদনশীলতা কম হয়। মুলধনৰ উচ্চ উৎপাদনশীলতাৰ বাবে শ্ৰমিকৰো উচ্চ উৎপাদনশীলতা আৱশ্যক।

ঘ) **জনগাঁথনি ঃ** অনুন্নত দেশসমূহৰ জনসংখ্যাৰ সৰহভাগেই অদক্ষ যাৰ বাবে তেওঁলোকৰ উৎপাদনশীলতা নিম্ন মানৰ হয়। তাৰোপৰি নিৰনুৱা আৰু অধিক নির্ভৰশীলতা অনুপাতেও উন্নয়নশীল দেশসমূহৰ মুলধন গঠনক নেতিবাচকভাৱে প্ৰভাৱ পেলায়। আনকি প্ৰচুৰ জনসংখ্যাৰ বাবে আয়ৰ আকাৰ অধিক হোৱা স্বত্বেও জনমূৰী আয় কম থাকে। অধিক প্ৰত্যাশিত আয়ু আৰু অধিক জন্মৰ হাৰে নির্ভৰশীলতাৰ অনুপাত বৃদ্ধি কৰে আৰু ফলস্বৰূপে মুলধন গঠন কম হয়।

ঙ) **সীমিত/ক্ষুদ্ৰ আকাৰৰ বজাৰ আৰু বজাৰ অসম্পূৰ্ণতা ঃ** সীমিত আকাৰৰ বজাৰ তথা সুচল যাতায়ত আৰু যোগাযোগৰ ব্যৱস্থাৰ বাবে ঔদ্যোগীসকলে তেওঁলোকৰ সামগ্ৰীৰ চাহিদা পোৱা কঠিন হয়। প্ৰয়োজনীয় তথ্যৰ অভাৱেও অনুন্নত দেশসমূহত সামগ্ৰিক বিনিয়োগ ও মুলধন গঠনক নেতিবাচক ভাৱে প্ৰভাৱান্বিত কৰে। ইয়াৰোপৰি নিম্ন আয়ৰ বাবে বজাৰৰ আকাৰো সীমিত হয় যাৰ বাবে সামগ্ৰীৰ চাহিদা কম হয়। উন্নয়নশীল দেশসমূহত লাভজনক বিনিয়োগৰ বাবে মুলধনী আৰু মূদ্ৰা বজাৰ ভালদৰে সংগঠিত নহয়।

চ) **ঋণ আৰু উদগনিমূলক ব্যৱস্থাৰ নাটনি ঃ** উদ্যোগীসকলোক ঋণৰ সা-সুবিধা প্ৰদান কৰিবলৈ দেশসমূহত যথেষ্টসংখ্যক বিত্তীয় প্ৰতিষ্ঠান নাই। গতিকে বিনিয়োগ কৰিবলৈ পুঁজিৰ নাটনি দেখা যায়। তাৰোপৰি অদক্ষ প্ৰশাসনীয় ব্যৱস্থাৰ কাৰণে প্ৰচলিত আচনিসমূহে বিনিয়োগক উৎসাহ দিবলৈ অসমর্থ হয়। ষ্টক বজাৰসমূহো দীর্ঘকালীন লাভ দিব পৰা বিনিয়োগ আৰু পুঁজিৰ ব্যৱস্থা কৰি দিব পৰাকৈ সংগঠিত নহয়।

ছ) **অনুন্নত সামাজিক আৰু অর্থনৈতিক পৰিকাঠামো ঃ** অনুন্নত ৰাস্তা-ঘাট আৰু যোগাযোগ ব্যৱস্থা, শক্তি যোগান, অপযাপ্ত শিক্ষা আৰু অপযাপ্ত স্বাস্থ্য সেৱা আদিও অনুন্নত দেশসমূহত নিম্ন মুলধন গঠনৰ বাবে গুৰুত্বপূর্ণ উপাদান।

জ) **কাৰিকৰি দ্বৈনতা ঃ** উন্নয়নশীল দেশসমূহে আওপুৰনি উৎপাদন কৌশল ব্যৱহাৰ কৰে যিবোৰৰ উৎপাদনশীলতা কম। তেওঁলোকে উচ্চ মানৰ আধুনিক কৌশল ব্যৱহাৰ কৰিবলৈ ইচ্ছুক নহয় অথবা তেনে ব্যয় বহুল প্ৰযুক্তি ব্যৱহাৰৰ খৰচ বহন কৰিবলৈ অপাৰাগ হয়। আধুনিক প্ৰযুক্তি আৰু সা-সৰঞ্জাম সমূহ অধিক উৎপাদনশীল, কিন্তু লগতে খৰচীও হয় যিটো অনুন্নত দেশসমূহে বহন কৰিব নোৱাৰে। সেই কাৰণে তেওঁলোকে পুৰণি কৌশলকে ব্যৱহাৰ কৰিবলগীয়া হয় যিবোৰ কম উৎপাদনশীল বা কম দক্ষ। সেইকাৰণে এইবোৰ দেশত মুলধন গঠনো কম হয়।

ঝ) **প্ৰদর্শন ফলশ্ৰুতি ঃ** অধ্যাপক মার্ক্সে অনুন্নত দেশসমূহত নিম্ন মুলধন গঠনৰ এক গুৰুত্বপূর্ণ কাৰক উল্লেখ কৰিছে। ই হ'ল প্ৰদর্শনৰ ফলশ্ৰুতি। প্ৰতিগৰাকী ব্যক্তিৰে প্ৰতিৱেশীৰ উন্নত জীৱন যাপনক অনুকৰণ কৰাৰ এক প্ৰৱণতা থাকে। অনুন্নত দেশৰ জনসাধাৰণে উন্নত দেশৰ কাম-কাজ আৰু জীৱনশৈলী অনুকৰণ কৰাৰ তেনে প্ৰৱণতা থাকে। তেনেকুৱা প্ৰদর্শন ফলশ্ৰুতিৰ উদাহৰণ হ'ল বিদেশী চিনেমা চোৱা, বিদেশী খাদ্যাভ্যাস, বিদেশ ভ্ৰমণ, ইত্যাদি যিবোৰ তেনেই ব্যয় বহুল। তাৰ কাৰণে সেইবোৰ দেশত ভোগকার্য্যৰ খৰচ অধিক হয় যিয়ে কম সঞ্চয়ৰ কাৰক হৈ পৰে আৰু তেনেদৰে মুলধন গঠন কম হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ অপর্যাপ্ত ঋণৰ সুবিধাই কেনেকৈ অনুন্নত দেশত মুলধন গঠনত বাধাৰ সৃষ্টি কৰে?
(৪০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্রশ্ন ৫ ঃ বজাৰৰ আকাৰে কেনেকৈ মুলধন গঠনত সীমিত কৰে? (৪০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

১০.৬ সামৰণি

মুলধন গঠন হ'ল বিকাশ আৰু উন্নয়নৰ পূর্ব চর্ত। নিম্ন মুলধন গঠনৰ বাবে দায়ী প্রতিটো উপাদানেই আন উপাদানৰ লগত জড়িত। উদাহৰণ স্বৰূপে, নিম্ন আয়ৰ কাৰক হ'ল নিম্ন উৎপাদনশীলতা যিটো কম পাৰদর্শী কাৰিকৰী কৌশল তথা বজাৰ, পৰিবহন আৰু যাতায়ত আৰু দক্ষ মানৰ শক্তিৰ দৰে আন্তঃগাঁথনিৰ উপলভ্যতাৰ ওপৰত নির্ভৰশীল। মুলধন গঠন নিজেও প্রতিৰোধী উপাদান সমূহৰ এক কাৰক। গতিকে উন্নয়নশীল দেশসমূহৰ উন্নয়নৰ উৎকৃষ্ট পাৰদর্শিতাৰ বাবে এইবোৰৰ পৰা উপশম পাবলৈ শুদ্ধ পৰিকল্পনা আৰু সঠিক নীতি গ্রহণ কৰাটো আৱশ্যক।

১০.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- অর্থনৈতিক বিকাশ আৰু উন্নয়নৰ গতি তৰান্বিত কৰাৰ ক্ষেত্রত উন্নয়নশীল দেশ সমূহত অপর্যপ্ত মুলধন গঠন হ'ল আটাইতকৈ গম্ভীৰ প্রতিবন্ধী উপাদান।
- মুলধন সমূহ মানৰ সৃষ্ট আৰু ইয়াক সামগ্রী ও সেৱা উৎপাদন কার্যত ব্যৱহাৰ কৰা হয়। বস্তুগত সম্পত্তি যেনে উৎপাদন কাৰখানা, বা বিত্তীয় সম্পদ যেনে বিনিয়োগ সংগ্রহ মুলধনৰ ভিতৰত পৰে। জ্ঞান বা অভিজ্ঞতা, দক্ষতা ও সামর্থতা যিবোৰ কর্মচাৰীসকলে আয় আহৰণ কৰাৰ ক্ষেত্রত বৰঙনি আগবঢ়ায় সেইবোৰো মানৰ মুলধন হিচাপে মুলধনৰ ভিতৰত পৰে।
- মুলধন গঠনক ঠেক আৰু বহল অর্থত ব্যাখ্যা কৰিব পাৰি। ঠেক অর্থত, ই কেৱল বস্তুগত বা দৈহিক অৱয়ৱ থকা বস্তু যেনে ৰাস্তা-ঘাট আৰু পৰিবহন ব্যৱস্থাৰ নির্মাণ, ৰেল-পথ নির্মাণ, কৃষিৰ উৎপাদনশীলতা বৃদ্ধিৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা আদিৰ বাবে কৰা বিনিয়োগক সামৰি লয়।
- বহল অর্থত, মুলধন গঠনে মানৰ মুলধন যেনে শিক্ষা, স্বাস্থ্য, পুষ্টি, আদিত ব্যয় কৰা; আৰু লগতে বস্তুগত মুলধন যেনে ঘৰ দুৱাৰ, বাট-পথ নির্মাণ, শক্তি যোগান আদিত কৰা বিনিয়োগকে ধৰি ইভয়কে বুজায়।

- উন্নয়নশীল দেশসমূহৰ অর্থনৈতিক উন্নয়নৰ বাবে মুলধন গঠন খুবেই গুৰুত্বপূর্ণ। মুলধন গঠনে এক নির্দ্দিষ্ট হাৰত জাতীয় আয় বিকাশৰ ক্ষেত্রত দিশ নির্ণায়ক ভূমিকা পালন কৰে। ই অর্থনৈতিক আৰু সামাজিক পৰিকাঠামোসমূহ নির্মাণৰ ক্ষেত্রত গুৰুত্বপূর্ণ। ই দেশ এখনৰ ওপৰত বৈদেশিক বোজাও হ্রাস কৰে।
- দেশখনৰ মানৰ সম্পদ উন্নয়নৰ কাৰণেও মুলধন গঠন গুৰুত্বপূর্ণ। এইবোৰ দক্ষতা বৃদ্ধি, মানৰ শক্তিৰ নিযুক্তি যোগ্যতা বৃদ্ধিত সহায় কৰে আৰু এইদৰে শ্রমিকৰ উৎপাদনশীলতা বৃদ্ধি কৰে।
- নিম্ন আয়, আওঁপুৰণি উৎপাদন কৌশলৰ ব্যৱহাৰ, চাহিদাৰ অভাৱ, দ্বেত ঔদ্যোগিক দক্ষতা আৰু ঋণ ও অইন উদগনিমুলক ব্যৱস্থাৰ নাটনি — এইবোৰ উন্নয়নশীল দেশসমূহৰ নিম্ন মুলধন গঠনৰ কাৰণ।

১০.৮ অধিক জানিবলৈ

1. Somashekhar, Ne. Thi: Development and Environmental Economics, New Age International Publishers, New Delhi, 2003
2. Puri VK & Misra SK: Economics of Development and Planning, Himalaya Publishing House, 2016.
3. Jhingan, M.L.: The Economics of Development & Planning, Konark Publishers Prvt. Ltd., New Delhi
4. Raj F, Mukherjee M, Ghose A, Nag RN: Contemporary Development Economics, New Central Book Agency (P) Ltd., Kolkata, 2011

১০.৯ অগ্রগতিৰ খতিয়ান

উত্তৰ নং ১ ঃ 'মুলধন গঠনে পূর্বে মজুত মুলধনৰ ভঁৰাললৈ নির্দ্দিষ্ট সময়ত হোৱা নিগুট সংযোজনক বুজায়।

উত্তৰ নং ২ ঃ মুলধন বিভিন্ন উৎসৰ পৰা আহৰণ কৰিব পাৰি। উৎসসমূহ অভ্যন্তৰিণ বা বৈদেশিক উভয় হ'ব পাৰে। মুলধন গঠনৰ কেতবোৰ অভ্যন্তৰিণ উৎস হ'ল — স্বেচ্ছকৃত সঞ্চয়, বাধ্যতামুলক সঞ্চয়, কৰ, ইত্যাদি। আনহাতে ইয়াৰ বৈদেশিক উৎসসমূহ হ'ল — বৈদেশিক অনুদান বা ঋণ, আমদানিৰ ওপৰত নিষেধজ্ঞা আদি।

উত্তৰ নং ৩ ঃ মুলধন গঠনে কেৱল উৎপাদন বৃদ্ধিৰ জৰিয়তে জাতীয় আয়কে নবঢ়ায়, লগতে ই উৎপাদিত সামগ্রীৰ চাহিদাও বৃদ্ধি কৰে আৰু এইদৰে বজাৰৰ আকাৰ বৃদ্ধি হয়। সামগ্রিকভাৱে অর্থনৈতিক কাম কাজ বৃদ্ধি হয় আৰু লগতে দেশখনৰ বিদেশী ৰাষ্ট্রৰ ওপৰত নির্ভৰশীলতা হ্রাস কৰে।

উত্তৰ নং ৪ ঃ ঔদ্যোগিক সকলোক ঋণ ব্যৱস্থা যোগান ধৰিবলৈ অনুন্নত দেশসমূহত যথেষ্ট সংখ্যক বিত্তীয় প্রতিষ্ঠান নাই। সেই কাৰণে বিনিয়োগ কৰিবলৈ পুঁজিৰ অভাৱ হয়। তাৰোপৰি অদক্ষ প্রশাসনীয় ব্যৱস্থাৰ কাৰণে প্রচলিত আঁচনিসমূহে বিনিয়োগক উৎসাহ দিবলৈ অসমার্থ হয়। ষ্টক বজাৰসমূহো দীর্ঘকালীন লাভ দিব পৰা বিনিয়োগ আৰু পুঁজিৰ ব্যৱস্থা কৰি দিব পৰাকৈ সংগঠিত নহয়।

উত্তৰ নং ৫ ঃ সীমিত আকাৰৰ বজাৰৰ বাবে ঔদ্যোগীসকলে তেওঁলোকৰ সামগ্ৰীৰ চাহিদা পোৱাত জটিলতা পায়। ইয়াৰোপৰি নিম্ন আয়ৰ বাবে বজাৰৰ আকাৰো সীমিত হয় যাৰ বাবে সামগ্ৰীৰ চাহিদা কম হয়। উন্নয়নশীল দেশসমূহত লাভজনক বিনিয়োগৰ বাবে মুলধনী আৰু মূদ্ৰা বজাৰ ভালদৰে সংগঠিত নহয়।

? ১০.১০ আৰ্হি প্ৰশ্ন

চমু উত্তৰৰ প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ ১০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ মানৱ মুলধন আৰু ভৌতিক মুলধনৰ পাৰ্থক্য উদাহৰণ সহ দেখুৱাওক?

প্ৰশ্ন নং ২ ঃ এখন উন্নয়নশীল দেশত উচ্চ ভোগ প্ৰৱণতাৰ কাৰক হিচাপে 'প্ৰদৰ্শন ফলশ্ৰুতি' ব্যাখ্যা কৰক।

দীৰ্ঘ উত্তৰৰ প্ৰশ্নাৱলী ঃ (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ উন্নয়নশীল দেশসমূহৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে মুলধন গঠনৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ ঃ উন্নয়নশীল দেশত নিম্ন মুলধন গঠনৰ বাবে দায়ী কাৰকসমূহ কি কি ব্যাখ্যা কৰক। পৰ্যপ্ত পৰিমাণৰ মুলধন গঠনৰ সহায়ত কেনেকৈ দৰিদ্ৰতাৰ পাকচক্ৰ কেনেকৈ ভাঙিব পাৰি?

*****

অধ্যায় ১১ ঃ প্রযুক্তিগত পৰিবর্তন আৰু অর্থনৈতিক উন্নয়ন অধ্যায় গাঁঠনি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ প্রযুক্তি বিকাশৰ অর্থ

১১.৪ অর্থনৈতিক উন্নয়নত প্রযুক্তিৰ ভূমিকা

১১.৫ উন্নয়নশীল দেশত প্রযুক্তিগত পৰিবর্তনৰ সমস্যা

১১.৬ শ্রম প্রধান পদ্ধতি বনাম মূলধন প্রধান পদ্ধতিঃ পদ্ধতিৰ পচন্দ

১১.৭ সামৰণী

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৯ অধিক জানিবলৈ

১১.১০ অগ্রগতিৰ খতিয়ান

১১.১১ আৰ্হি প্রশ্ন

১১.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টিত আমি উন্নয়নশীল দেশত প্রযুক্তিৰ বিকাশ আৰু অর্থনৈতিক উন্নয়ন সম্পর্কীয় বিষয় আলোচনা কৰিম। অধ্যয়টো অধ্যয়নৰ পিছত আপুনি—

- আর্থিক বিকাশ আৰু উন্নয়নত প্রযুক্তিৰ ভূমিকা সম্পর্কে জানিব
- প্রযুক্তিৰ বিকাশৰ বিভিন্ন প্রকাৰ সমন্ধে শিকিব
- উন্নয়নশীল দেশত প্রযুক্তিগত বিকাশৰ অসুবিধা সম্পর্কে জানিব
- শ্রম প্রধান পদ্ধতি আৰু মূলধন প্রধান পদ্ধতিৰ মাজৰ পার্থক্য সম্পর্কে শিকিব পাৰিব।

১১.২ পৰিচয়

এখন দেশৰ আর্থিক উন্নয়নত প্রযুক্তিগত পৰিবর্তনৰ বা প্রযুক্তি পৰিবর্তনৰ যথেষ্ট প্রভাব থাকে। প্রযুক্তিগত উন্নয়নে উৎপাদিকা শক্তি বৃদ্ধি কৰে আৰু সেয়েহে এইটো এটা গুৰুত্ব পূর্ণ জানিবলগীয়া কথা যে কেনেকৈ প্রযুক্তি বিকাশে এখন অর্থনীতিৰ কার্য্য সম্পাদনত প্রভাব পেলায়। কিন্তু উৎপাদন কৌশলৰ উন্নীত কৰণ উন্নয়নশীল দেশৰ এক প্রত্যাহবান স্বৰূপ কিয়নো এই দেশবোৰৰ মূলধন গঠন নিম্ন আৰু বজাৰৰ আকাৰো যথেষ্ট সৰু। সেয়েহে এইটো অতিগুৰুত্বপূর্ণ কথা যে উন্নয়নশীল দেশত উন্নয়নশীল দেশসমূহত বিশেষীকৰণৰ জৰিয়তে তুলনামূলক ভাবে উন্নত সম্পদ আহৰণত প্রযুক্তিৰ বিকাশ এটা শুদ্ধ পথ। বিশেষীকৰণৰ মাধ্যমত সম্পদৰ বিতৰণ তুলনা মূলক ভাবে সুবিধা হয়।

১১.৩ প্রযুক্তিগত বিকাশৰ অর্থ

নতুনত্বৰ বাবে প্রযুক্তিৰ বিকাশ অথবা প্রযুক্তিগত বিকাশ এটা আর্থিক মাপকাঠি। সেয়েহে এইটো এটা দীঘলীয়া চলি থকা প্রক্রিয়া য'ত এখন ৰাষ্ট্রৰ উৎপাদন কৌশল অন্য এখন দেশতকৈ নিম্ন আৰু অতিবেচি প্রয়োজনীয়। প্রযুক্তিগত বিকাশ- বা প্রযুক্তিৰ বিকাশে নতুন তথ্যৰ প্রয়োভৰ, নতুনত্ব আৰু আৱিস্কাৰৰ জন্ম দিয়ে যিয়ে সকলো উৎপাদন পদ্ধতিৰ যোগ্যতা বঢ়াই।

উৎপাদন		Q' = f (L,K)	মূলধন K		1 Q' = 100
উপাদান	O	Q = f (L,K)	শ্রম O	L	1 Q' = 100

ওপৰৰ চিত্রত, বাওঁফালৰ চিত্রটোৱে কেনেকৈ উৎপাদন ফলন Q = f (L,K) Q' = f (L,K') লৈ পৰিবর্তন হয় তাক বুজাইছে। সোঁফালৰ চিত্রটোৱে সম উৎপাদন ৰেখাৰ পৰিবর্তন দেখুৱাইছে য'ত প্রতিদান ৰেখাই একে পৰিমানৰ উৎপাদন বুজায়। তলৰ সম উৎপাদন ৰেখা দালে সাধাৰণভাবে একে পৰিমানৰ উৎপাদন কম পৰিমানৰ শ্রম আৰু মূলধন ব্যৱহাৰ কৰি পোৱা দেখুৱাইছে।

কার্য্য ক্রমনিকা

১। শিকাৰু সকলে ভাৰতৰ পৰিকল্পনাৰ কালছোৱাত কৃষিত হোৱা মূল প্রযুক্তিগত পৰিবর্তন বোৰৰ এখন তালিতা প্রস্তুত কৰক।

২। শিকাৰু সকলে গ্রাম্য অঞ্চলৰ কৃর্ষি খণ্ডত প্রযুক্তিগত পৰিবর্তনৰ দ্বাৰা উপকৃত হৈছে নে নাই সেয়াও বিচাৰি উলিয়াব লাগে।

১১.৪ অর্থনৈতিক উন্নয়নত প্রযুক্তিৰ ভূমিকা

উন্নয়নশীল দেশৰ অর্থনৈতিক বিকাশ আৰু উন্নয়নত গঢ়িতোলাত প্রযুক্তিগত পৰিবর্তনৰ বৃহৎ ভূমিকা আছে। ইহতে কেৱল উৎপাদন ব্যয় হ্রাস কৰি উৎপাদনৰ পৰিমানেই বৃদ্ধি নকৰে। নতুন নতুন শিক্ষা পদ্ধতি আৰু জ্ঞানৰ পৰিষৰ বহলাই নতুন বস্তুৰ উৎভাবন কৰে, দক্ষ মানব সম্পদ গঠন কৰে আৰু সেয়েহে প্রযুক্তি বিকাশে বহন ক্ষমতা অর্জন কৰে। প্রযুক্তি বিকাশৰ দুই ধৰণৰ প্রভাব পৰিব পাৰে-

(১) **উৎপাদন ফলনৰ পৰিবর্তন ঃ** উৎপাদন ফলনৰ পৰিবর্তনে এটা বা দুয়োটা উপাদানৰ উৎপাদিকা শক্তিৰ উন্নতি কৰি উৎপাদনৰ মাত্রা অধিক হোৱাতো দেখুৱাই। এইটো সম উৎপাদন ৰেখাৰ নিম্নগামী গতির দ্বাৰাও দেখুৱাব পাৰি। য'ত একে পৰিমানৰ উৎপাদন কম পৰিমানৰ উৎপাদনৰ উপাদান ব্যৱহাৰ কৰিও পাব পাৰি। বর্ত্তমান বর্তিথকা উৎপাদন পদ্ধতিৰ সলনি কৰি নতুন পদ্ধতি নির্ণয় তথা নতুন বজাৰ, পৰিচালনা আৰু সংগঠন গঠনৰ দ্বাৰাও ইয়াক সম্ভব কৰিব পাৰি। সেইকাৰণে এনেকুৱা দক্ষতাৰ সৃষ্টি কৰিব লাগে যাৰ দ্বাৰা উৎপাদন কৌশল হ্রাস আৰু বজাৰৰ পৰিসৰ বৃদ্ধি কৰিব পাৰি।

(২) **নতুন উৎপাদিত বস্তুৰ প্রয়োভৰ ঃ** প্রযুক্তিগত বিকাশে নতুন যন্ত্রপাতি আৰু কলা কৌশলৰ নির্মান পর্যাপ্ত কৰি তোলে। উদাহৰণ স্বৰূপে ম'বাইলৰ ফোন, লেপটপ, কম্পিউতাৰ আদিৰ আৱিস্কাৰ তথা পর্য্যাপ্ততাই

উৎপাদিকাশক্তিত এক বৃহৎ পার্থক্যৰ সৃষ্টি কৰিছে।

এই দুয়োবিধ প্রভাবেই এটাৰ লগত আনটো নির্ভৰ কৰে। ইহতক এটাৰ পৰা আনটো পৃথক কৰিব নোৱাৰি। বেচিভাগ ক্ষেত্রতে নতুন বস্তুৰ পর্য্যাপ্ততাই উৎপাদন ব্যয় হ্রাস কৰি উৎপাদন ফলনৰ পৰিবর্তন ঘটায় অৱশ্যে নতুন বস্তুৰ আৱিস্কাৰৰ অবিহনেও যেতিয়া বজাৰ, ক্ষুদ্র সংগঠন আৰু কৌশলৰ আৱিস্কাৰ হয় তেতিয়া প্রযুক্তির বিকাশো হ'ব পাৰে।

সেয়েহে আমি দেখো যে প্রযুক্তিগত বিকাশে নতুন কৌশল প্রয়োগেৰে উৎপাদনৰ পৰিমান আৰু বজাৰত নতুন বস্তুৰ উদ্‌ভাবনাৰে উৎপাদনৰ পৰিমান আৰু উৎপাদিকা শক্তি বৃদ্ধি কৰিব পাৰে। অর্থনৈতিক উন্নয়নৰ বাবে ই অতি সহায়কাৰী হয়। উন্নত প্রযুক্তি ব্যৱহাৰৰে ঔদ্যোক্তাসকলৰ মাজত এক গুনগত প্রতিযোগীতাৰ সৃষ্টিয়ে বিপ্লবৰ সূচনা দিয়ে। আন্তৰাষ্ট্রীয় বানিজ্যৰ নতুন দিগন্তৰ সূচনাৰে ৰাষ্ট্রীয় সীমা ৰেখালৈকে এই পদ্ধতি চলি থাকিব। উপাদান প্রমুখ্য অর্থনৈতিক উন্নয়ন প্রযুক্তিগত উন্নয়ন আৰু বিকাশৰ গুৰুত্ব আৰু ভূমিকা বুলি পশ্চিমীয়া দেশ আৰু আনকি এছিয়াৰ অন্তর্ভুক্ত জাপানৰ খৰতকীয়া অর্থনৈতিক উন্নয়নেও প্রমান কৰিছে। সেয়েহে আমি মোখনি মাৰিব পাৰো যে প্রযুক্তিৰ বিকাশ আৰু ব্যাপক ব্যৱহাৰে জ্ঞান আৰু শিক্ষা সম্প্রদাৰণৰে পুৰণীকলীয়া নীতি নিয়ম অন্ধ বিশ্বাস আঁতৰাই কেঁচা সামগ্রীৰ সু ব্যৱহাৰৰ দ্বাৰা ইঞ্জিনিয়াৰিং, ডিজাইনি্ৰ আদি ক্ষেত্রত নতুন আৰু উন্নত সামগ্রীৰ সৃষ্টিৰে দক্ষতা সম্পন্নকামৰ উদ্ভব কৰে, কাম কৰা সময়ৰ দৈঘ্য হ্রাস কৰে আৰু উৎপাদনৰ পৰিমান বৃদ্ধি কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ প্রযুক্তিগত পৰিৱৰ্তন বুলিলে কি বুজা (প্রায় ৩০ টা শব্দত ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

প্রশ্ন ২ঃ প্রযুক্তি বিকাশৰ দুটা প্রভাবৰ নাম লিখা। (প্রায় ২০ টা শব্দত ভিতৰত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন ৩ঃ অর্থনৈতিক উন্নয়নত প্রযুক্তিগত বিকাশৰ ভূমিকা আলোচনা কৰা। (প্রায় ৫০ টা শব্দত ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

জানি থোৱা ভাল

আৱিস্কাৰ আৰু নতুন কৌশল দুয়োতা পৃথক। ঢুমপিতাৰে দুয়োটাৰ পার্থক্য তলত দিয়া ধৰণে দিছেঃ "প্রথমটোৱে নতুন কৌশলৰ আৱিস্কাৰ অন্যহাতে পিচৰটোৱে উৎপাদন প্রক্রিয়াত প্রথমটোৰ ব্যৱহাৰিক (বানিজ্যিক) প্রয়োগ বুজায়"। আৱিস্কাৰ কৰি নতুবা আৱিস্কাৰ অহিহনেও নতুন কৌশল ব্যৱহাৰ কৰিব পাৰি। যদিহে নতুন মেছিন, নতুন সা-সামগ্রী আৰু নতুন কৌশল যিবোৰ আগতকৈ বেচি উন্নত ব্যৱহাৰ কৰি উদ্যোক্তা সকলে উদ্যোগত নতুন মাত্রা তালিব সক্ষম হয় তেনেহলে তাক আৱিস্কাৰ কৰি নতুন কৌশল প্রয়োগ কৰা বুজায়। আনহাতে এজন উদোক্ত যদি বজাৰত বা কার্য্যনির্বাহক প্রক্রিয়াৰ পৰিবর্তনৰ দ্বাৰা নতুন মাত্রা প্রবর্তন কৰে তেন্তে ই নতুন কৌশল হলেও আৱিস্কাৰৰ দ্বাৰা নহয়। কিয়নো ইয়াত কোনো নতুন বস্তুৰ আৱিস্কাৰ হোৱা নাই। এইয়া মাত্র এটা কৌশলগত প্রচেষ্টাহে।

১১.৫ উন্নয়নশীল দেশত প্রযুক্তিগত পৰিৱর্তনৰ সমস্যা

আগতে উল্লেখ কৰাৰ দৰেই উন্নয়নশীল দেশৰ অর্থনৈতিক উন্নয়নত প্রযুক্তি বিদ্যাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। অৱশ্যে এইবোৰ দেশত উন্নত প্রযুক্তিবিদ্যাৰ প্রয়োগে কিছুমান অসুবিধাও আনি দিছে। অনুন্নত দেশ সমূহে সন্মুখীন হোৱা বিভিন্ন সমস্যা সমূহ তলত উল্লেখ কৰা হ'ল-

(১) সাধাৰণতে উন্নত প্রযুক্তি বিদ্যাৰ প্রয়োগৰ বাবে বৃহৎ বিনিয়োগৰ প্রয়োজন। অনুন্নত দেশৰ লোক সকলৰ আয়স্তৰ যথেষ্ট নিম্ন। সেয়েহে তেওঁলোকে এই বৃহৎ বিনিয়োগ কৰিবলৈ অপাৰগ হয়।

(২) আধুনিক প্রযুক্তিবিদ্যাৰ বাবে নিপুন দক্ষ মানব সম্পদৰ প্রয়োজন হয়। কিন্তু অনুন্নত দেশত এইবোৰ ব্যৱহাৰ কৰিব পৰাকৈ শ্রমিক আৰু উদ্যোক্তাসকল প্রয়োজনীয় শিক্ষা আৰু প্রশিক্ষণৰ অধিকাৰী নহয়।

(৩) বেচি ভাগ-আৱিস্কাৰ যিবোৰে উন্নত প্রযুক্তিৰ সৃষ্টি কৰে সেইবোৰ শ্রম বিহীন অর্থাৎ এইবোৰ আৱিস্কৰ কিছু শ্রমিকক অপসাৰিত কৰে। উদাহৰণ স্বৰূপে এটা কম্প্পিউতাৰে কম পক্ষেও দহজন মানুহক কামৰ পৰা অপসাৰিত কৰে। সেয়েহে ভাৰতৰ নিচিনা এখন অনুন্নত দেশত এইটো নির্ভৰ কৰে নিবনুৱা সমস্যাৰ পৰিমানৰ ওপৰত।

(৪) উচ্চখাপৰ আধুনিক প্রযুক্তি বোৰ দৰাচলতে উন্নত আৰু এইবিলাকৰ স্বতাধিকাৰ উন্নত দেশসমূহ। সেয়েহে উন্নয়নশীল দেশসমূহে এইবোৰ উন্নত দেশ সমূহৰ পৰা আমদানি কৰিব লাগে। ইয়াৰ ফল স্বৰূপে উন্নয়নশীল দেশ সমূহে উন্নত দেশ সমূহৰ লগত বৈদেশিক বানিজ্য সংঘটিত কৰিব লগাত পৰে যিয়ে আভন্তৰীণ বানিজ্যৰ লেনদেনটো অসুবিধা আনে।

(৫) উন্নয়নশীল দেশৰ মানুহৰ মানসিক ধ্যান ধাৰণা পুৰণীকলীয়া চিন্তা ধাৰাৰে আবৃত্ত। প্রায়েই এইবোৰ দেশৰ চৰকাৰে অশিক্ষিত আৰু কুসংস্কাৰ পূর্ণ এনেবোৰ মানুহৰ সন্মুখত বৈজ্ঞানিক আৰু উন্নত সংস্কাৰ মুক্ত ধ্যান ধাৰণা প্রয়োগ কৰিবলৈ প্রত্যাহ্বানৰ সন্মুখীন হয়।

(৬) উন্নয়নশীল দেশ সমূহে প্রযুক্তিগত বিকাশৰ বিভিন্ন প্রকাৰ সমূহ চিনাক্ত কৰণতো অসুবিধাৰ সন্মুখীন হয়। বেচিভাগ উন্নয়নশীল দেশেই প্রযুক্তিগত কৌশল সৃষ্টি কৰাটো অৱশ্যে কর্ত্তব্য। প্রযুক্তিগত কৌশলৰ বহুতৰণীয়া প্রভাব আছে, ই উৎপাদন আৰু উৎপাদিকা শক্তি দুয়োটাই বৃদ্ধি কৰে। অৱশ্যে এই উন্নত

পৰিবেশ কেইজনমান উচ্চ খাপৰ পুজিপঁতী লোকৰ মাজতে কেন্দ্রীভূত হোৱাটো উচিত নহয়। ইয়াক সাধাৰণ মানুহৰ উপকাৰত ব্যৱহাৰ কৰা উচিত।

১১.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- প্রযুক্তি বিকাশ নাইবা প্রযুক্তিগত বিকাশ নতুন কৌশলৰ এটা অর্থনৈতিক মাপমাঠি।
- এটা প্রযুক্তিগত বিকাশৰ দুইধৰণৰ প্রভাব থাকে- (১) উৎপাদনফলনৰ পৰিবর্তন (২) অপয্যাপ্ত পৰিমাণৰ নতুন সামগ্রী নির্মাণ।
- উৎপাদন ফলনৰ পৰিবর্তনে এটা বা দুয়োটা উৎপাদনৰ উপাদানৰ উৎপাদিকা শক্তিৰ উন্নতিকৰণৰ দ্বাৰা উৎপাদন বৃদ্ধি সূচায়। সম উৎপাদন ৰেখাৰ উর্দ্ধগামী পৰিবর্তনৰ দ্বাৰাও ইয়াক বুজোৱা হয়। ইয়াৰ দ্বাৰা একেই উৎপাদন কম পৰিমানৰ উৎপাদনৰ উপাদান ব্যৱহাৰ কৰিও পোৱা যায় বুলি দেখুৱাব পাৰি। বৈজ্ঞানিক আৱিস্কাৰৰ দ্বাৰা নতুন যন্ত্রপাতি, সা-সৰঞ্জম আদিৰ প্রয়োভৰতা সৃষ্টি কৰিব পাৰি আৰু ইয়ে দ্বিতীয় প্রকাৰৰ প্রযুক্তিগত বিকাশৰ প্রভাব পেলায়।
- উন্নত প্রযুক্তিয়ে বৃহৎ আকাৰৰ উৎপাদন, কাম কৰা সময়ৰ দৈঘ্য হ্রাস, দক্ষতাপূর্ণ কর্মৰ সৃষ্টি, নতুন আৰু উন্নত মানৰ সামগ্রীৰ উৎপাদন, কেঁচা সামগ্রীৰ উপযুক্ত ব্যৱহাৰ, শিক্ষা আৰু জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ দ্বাৰা কু সংস্কাৰ আৰু অন্ধবিশ্বাস দুৰীকৰণ আদি সম্ভব কৰি তুলিছে।
- যদিও উন্নয়নশীল দেশৰ অর্থনৈতিক উন্নয়ন আৰু বিকাশত প্রযুক্তি বিদ্যাৰ গুৰুত্বপূর্ণ প্রভাব আছে, কিন্তু এনেবোৰ দেশত প্রযুক্তিবিদ্যৰ বিকাশৰ ক্ষেত্রত কেতবোৰ সমস্যা জড়িত হৈ আছে। এই সমস্যাবোৰ দুই ধৰণৰ আছে, এটা এনেকুৱা যে এইবোৰে প্রযুক্তিগত বিকাশৰ ঋণাত্মক প্রভাব সমূহ নোহোৱা কৰিব লাগে আৰু অইনটো চিনাক্তকৰণ আৰু নির্বাচন কৰাৰ অসুবিধা।
- প্রযুক্তিগত পৰিবর্তন নিদ্ধাৰণৰ সময়ত উন্নয়নশীল দেশ বোৰ সাৱধান হোৱা উচিত যাতে নিবনুৱা সমস্যা গভীৰ নহয়।
- অত্যাধিক শ্রম যুক্ত দেশে যে শ্রম প্রধান উৎপাদন কৌশল ব্যৱহাৰ কৰিব লাগিব তাৰ কোনো বাধ্যবাধকতা নাই। উপাদান বোৰৰ তুলনামূলক দাম আৰু যোগ্যতাও উৎপাদন কৌশলৰ পচন্দ ৰ বাবে গুৰুত্বপূর্ণ।
- বেচিভাগ ক্ষেত্রতে উন্নয়নশীল দেশত এটা অনুবর্তী কৌশল পদ্ধতি নির্বাচন কৰা হয় যিটো শ্রম আৰু মূলধন প্রধান দুয়োটা পদ্ধতিৰে মিশ্রন।
- প্রযুক্তিগত বিকাশৰ বহুমুখীয়া প্রভাব আছে। ই উৎপাদন আৰু উৎপাদিকা দুয়োটাই বৃদ্ধি কৰে। অৱশ্যে এই উন্নয়ন কেইজন মুষ্টিমেয় পুজিপতী লোকৰ হাতাত কেন্দ্রীভূত হোৱা উচিত নহয়। ই সাধাৰণ মানুহৰ ব্যৱহাৰ হোৱাকৈ প্রয়োগ হোৱা উচিত।

১১.৭ অধিক জানিবলৈ

1.

2.

3.

১১.৮ অগ্রগতিৰ খতিয়ান

১। প্রযুক্তি বিদ্যা বা প্রযুক্তিগত বিদ্যা নতুন কৌশলৰ অর্থনৈতিক মাপকীঠী। সেয়েহে ৰাষ্ট্রই নিম্নমানৰ উৎপাদন কৌশল প্রয়োগৰ পৰা উন্নত আৰু দক্ষ উৎপাদন কৌশল প্রাপ্তিৰ ই এটা দীর্ঘকালীন চলিত প্রচেষ্টা।

২। প্রযুক্তিগত পৰিৱৰ্তন দুই ধৰণৰ-

(ক) উৎপাদন ফলনৰ পৰিৱৰ্তন

(খ) নতুন উৎপাদনৰ প্রাচুর্য্যতা

৩। প্রযুক্তিগত বিকাশে বজাৰত নতুন উৎপাদিত বস্তুর অন্তভূক্তি তথা চলিত উৎপাদন প্রক্রিয়াত নতুন উৎপাদন কৌশল প্রয়োগৰ দ্বাৰা উৎপদান আৰু উৎপাদিকা শক্তি বৃদ্ধি কৰে। আর্থিক উন্নয়নৰ বাবে ই অতি সহায়কাৰী। প্রযুক্তিগত পৰিৱৰ্তনে বৃহৎ আকাৰৰ উৎপাদন সৃষ্টি, কাম কৰা সময়ৰ দৈঘ্য হ্রাস, অভিযান্ত্রিক আৰু ডিজাইনিং ক্ষেত্রত দক্ষতা পূর্ণ শ্রমিকৰ সৃষ্টি, কেঁচা সামগ্রীৰ উপযুক্ত ব্যৱহাৰৰ দ্বাৰা নতুন আৰু উন্নত সামগ্রীৰ উৎপাদন, শিক্ষা আৰু জ্ঞানৰ পৰিচয়েৰে কু সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ হাৰ হ্রাস কৰা।

৪। যি উৎপাদন কৌশলত মূলধনতকৈ শ্রম অধিক ব্যৱহাৰ কৰা হয় তাকে শ্রম প্রধান কৌশল কোলা হয়। এনেকুৱা প্রযুক্তিগত বিকাশত মূলধন শ্রমৰ অনুপাত হ্রাস পায় যিয়ে মূলধন আৰু শ্রমৰ অংশ নিম্নগামী হোৱাকে সূচায়।

৫। যিহেতু উন্নয়নশীল দেশত শ্রমৰ যোগান মূলধনৰ যোগানতকৈ বেচি, সেয়ে এনেবোৰ দেশত সাধাৰণতে শ্রম প্রধান উৎপাদন কৌশল ব্যৱহাৰ কৰা হয়।

১১.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন

১। প্রযুক্তি বিকাশৰ ফল স্বৰূপে সম উৎপাদন ৰেখা কিয় ওপৰলৈ গতি কৰে।

২। পচন্দ কৌশল বুলিলে কি বুজা? উন্নয়নশীল দেশত শ্রম প্রধান আৰু মূলধন প্রধান উৎপাদন কৌশলৰ সপক্ষে আৰু বিপক্ষে যুক্তি দিয়ক।

(খ) ৰচনাধর্মী প্রশ্ন

১। প্রযুক্তিগত পৰিৱৰ্তনৰ আংশকা কি? উন্নয়নশীল দেশৰ আর্থিক বিকাশৰ ধনাত্মক আৰু ঋনাত্মক প্রভাব দুটাকৈ উল্লেখ কৰক।

২। উন্নয়নশীল দেশৰ আর্থিক উন্নয়নৰ সমস্যাৰালী কি কি?

৩। শ্রম প্রধান লোক মূলধন প্রধান উৎপাদন কৌশলৰ সংজ্ঞা দিয়া। উন্নয়নশীলত দেশত তুমি কোনটো পদ্ধতি পচন্দ কৰা হয়।

*****

অধ্যায় ১২ ঃ অর্থনৈতিক উন্নয়নত ৰাষ্ট্ৰৰ ভূমিকা

অধ্যায় গাঁথনি

১২.১ শিক্ষণৰ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ আর্থিক উন্নয়ন বৃদ্ধিৰ ক্ষেত্ৰৰ ৰাষ্ট্ৰৰ ভুমিকা

১২.৪ আর্থিক উন্নয়নত ৰাষ্ট্ৰৰ সমস্যা আৰু প্রত্যাহবান সমূহ

১২.৫ উন্নয়নশীল দেশত ৰাজহুৱা খণ্ডৰ ভূমিকা

১২.৫.১ ৰাজহুৱা খণ্ডৰ তুলনামূলক ভূমিকা

১২.৫.২ ৰাজহুৱা খণ্ডৰ ধনাত্মক ভূমিকা

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৭ অধিক জানিবলৈ

১২.৮ অগ্রগতিৰ খতিয়ান

১২.৯ আৰ্হি প্রশ্ন

১২.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- আর্থিক উন্নয়ন বৃদ্ধিৰ ক্ষেত্রত ৰাষ্ট্ৰৰ ভূমিকা সম্পর্কে
- উন্নয়ন শীল দেশত দৰিদ্রতা নিবাৰণ, সম্পদৰ পূর্ণ বিকাশ মূলধন গঠন, আয়ৰ বৈষম্য আঁতৰ কৰা আদি বিষয়ৰ বাবে লব লগা পদক্ষেপ সমূহৰ বিষয়ে
- আর্থিক উন্নয়নৰ লগত জড়িত বিভিন্ন সমস্যাৱলী আৰু প্রত্যাহবান সম্পর্কে জানিবলৈ
- উন্নয়নশীল দেশত আর্থিক উন্নয়ন গঢ়ি তুলিবৰ বাবে ৰাজহুৱা খণ্ডৰ অনুষ্ঠান বোৰৰ ভূমিকা সম্পর্কে বুজিবলৈ সক্ষম হ'ব।

১২.২ পৰিচয়

আমি সকলোৱে জানো যে নিম্ন জাতীয় আৰু জনমূৰি আয়, দৰিদ্রতাৰ কূট চক্র, স্থায়ী নিবনুৱা সমস্যা, মূলধনৰ অভাব, দুর্ভিক্ষ্য, নিম্ন পৰিকাঠমে আদি বিশেষ কিছুমান বৈশিষ্টৰে উন্নশীল অর্থনীতি বিৰাজমান। এই দেশ সমূহত ৰাষ্ট্ৰৰ ধনাত্মক ভূমিকা অতি প্রয়োজনীয়। দৰাচলতে এই দেশ সমূহৰ আর্থিক সমস্যা ইমানেই জটিল আৰু গুৰুত্বপুর্ণ যে এই সমস্যা সমূহ ৰাষ্ট্রতন্ত্রৰ অংশগ্রহণ আৰু সহযোগ অবিহনে সমাধান কৰাটো অসম্ভব। ৰাষ্ট্রই প্রত্যক্ষ নিয়ন্ত্রণৰ লগতে বিভিন্ন মৌদ্রিক আৰু ৰাজকোষীয় পদ্ধতি সমূহ উদ্ভাৱন কৰে। ইয়াৰ উপৰিও এই পদ্ধতি সমূহৰ দ্বাৰা অনুন্নত দেশত বর্তি থকা আর্থিক আৰু সামাজিক বৈষম্য আঁতৰ কৰে। সেয়েহে আর্থিক প্রগতিৰ বাবে প্রয়োজনীয় আর্থিক কার্য্যৱলীসমূহত ৰাষ্ট্ৰৰ সহযোগ বাধ্যতামূলক আৰু ই আর্থিক কল্যাণ আৰু সামাজিক বৈষম্য আঁতৰ কৰাত সহায় কৰে নীতি বোলা হয়। এইচ. জি. জ'নছনৰ মতে, মুদ্রানীতি হ'ল এনে

এক "নীতি যিটোক সাধাৰণ অর্থনৈতিক নীতিৰ উদ্দেশবোৰ পূৰণ কৰাৰ বাবে মুদ্রা যোগান নিয়ন্ত্রণ কৰিবলৈ এক আহিলাৰূপে কেন্দ্রীয় বেংকে ব্যৱহাৰ কৰো।" অর্থাৎ, পূর্ব-নির্দ্ধাৰিত উদ্দেশ্যত উপনীত হ'বলৈ চৰকাৰৰ সাধাৰণ অর্থনৈতিক নীতিৰ কার্যৰূপায়ণৰ বাবে মুদ্রাৰ যোগান নিয়ন্ত্রণ কৰিবলৈ ব্যৱহৃত নীতিবোৰেই হ'ল মুদ্রা নীতি।

এই অধ্যায়ত আমি চমুকৈ মুদ্রা নীতিৰ উদ্দেশ্য, লক্ষ্য আহিলা আৰু প্রভাৱৰ বিষয়ে আলোচনা কৰিম। অধ্যায়টো পঢ়াৰ পাচত আপুনি এক অর্থনীতিত মুদ্রানীতিৰ গুৰুত্ব বুজি পাব।

১২.৩ আর্থিক উন্নয়নত গঢ়ি তোলাত ৰাষ্ট্ৰৰ ভূমিকা

উন্নয়নশীল দেশৰ আর্থিক উন্নয়নত ৰাষ্ট্রই অংশগ্রহণ কৰা মূল ক্ষেত্র সমূহ তলত আলোচনা কৰা হ'ল-

(১) দৰিদ্রতা দূৰীকৰণ ঃ ৰাষ্ট্ৰৰ বিস্তাৰিত আর্থিক পৰিকল্পনা সমূহৰ দ্বাৰা দৰিদ্রতাৰ কূটচক্র ভাঙিব পাৰি। যদি এখন উন্নয়নশীল দেশে অর্থনৈতিক গতিশীলতা বজাৰৰ স্বয়ংক্রীয় শক্তিৰ ওপৰত এৰি দিয়ে, তেনেহলে উচ্চ বিনিয়োগৰহাৰ প্রাপ্তি লাভ কৰিব নোৱাৰে। ৰাষ্ট্রই জনসাধাৰণৰ আয় বৃদ্ধিৰ দ্বাৰা প্রত্যক্ষ ভাবে আর্থিক উন্নয়ন বৃদ্ধি কৰাত হস্তক্ষেপ কৰিব পাৰে।

(২) সামাজিক আৰু আর্থিক পৰিকাঠামোৰ সৃষ্টি ঃ উন্নয়নশীল দেশৰ আর্থিক পৰিকাঠামো যথেষ্ট নিম্নখাপৰ। যেনে- পৰিবহন আৰু যোগাযোগ ব্যৱস্থা, বিদ্যুৎ আৰু শক্তি উৎপাদন, জনসিঞ্চন, প্রাকৃতিক গেছ, ৰাস্তাঘাট, বন্দৰ আদি অতি নিম্নখাপৰ , ব্যক্তিগত প্রতিষ্ঠান বিলাকে এই প্রতিষ্ঠান সমূহত বিনিয়োগ কৰিব নিবিচাৰে কিয়নো সম্পদ আহৰনৰ পৰিমান বিনিয়োগতকৈ তলত থাকে। এই বিলাক খণ্ডত সেয়েহে বিনিয়োগ ৰাষ্ট্ৰৰ দ্বাৰা পূৰণ কৰিব লাগে।

(৩) কৃষি উন্নয়ন ঃ উন্নয়নশীল দেশৰ জাতীয় আয়লৈ কৃষিয়েই আটাইতকৈ বেচি বৰঙনি আগবঢ়াই আৰু কৃষিতেই নিয়োগৰ সংখ্যা সৰহ হয়। কিন্তু বেচিভাগ এনে দেশতেই কৃষি ভূমিৰ খণ্ডিত কৰণ, অনাআর্থিক ভূমিৰ অৱস্থিতি, ত্রুতিপূর্ণ ভূমি প্রথা, কৃষিঋণৰ অভাৱ, প্রয়োজনীয় ঋণ ব্যৱস্থাৰ বিসংগতি অনুন্নত উৎপাদন কৌশল জনসিঞ্চনৰ অভাৱ, বেংকিং ব্যৱস্থাৰ অভাৱ নিম্ন বিনিয়োগ ব্যৱস্থা আৰু ভূমিৰ ওপৰত জনসংখ্যাৰ অত্যাধিক হেচাৰ ফলত কৃর্ষিৰ উৎপাদনশীলতা নিম্ন হয়।

(৪) প্রাকৃতিক সম্পদৰ পূর্ণ ব্যৱহাৰ ঃ উন্নয়নশীল দেশ সমূহে প্রাকৃতিক সম্পদ সমূহ পূর্ণব্যৱহাৰ কৰি ধংসৰ গৰাহৰ পৰা ৰক্ষা কৰিছে। মূলধন আৰু অনান্য সামগ্রীৰ অভাবৰ বাবে ব্যক্তিগত খণ্ডৰ এই বিশাল প্রাকৃতিক সম্পদ সমূহ ব্যৱহাৰ কৰিবলৈ অপাৰগ হয়। সেয়েহে কেৱল মাত্র ৰাষ্ট্রই হে এনে বিশাল প্রাকৃতিক সম্পদ সমূহৰ পূর্ণ ব্যৱহাৰৰ দ্বাৰা দেশৰ স্বার্থ উন্নিত কৰে।

(৫) মূলধন গঠনৰ ভূমিকা ঃ নিম্ন সঞ্চয় আৰু বিনিয়োগৰ বাবে উন্নয়নশীল দেশত মূলধন গঠন প্রক্রিয়া অতি নিম্নখাপৰ হয়। এনেবোৰ দেশ অতিচাৰ দৰিদ্রতাৰ সৃষ্টি হয়। মূলধন গঠন অবিহনে আর্থিক বিকাশ প্রায় অসম্ভৱ হৈ পৰে। মূদ্রাস্ফিতি, ঘাতি বিত্ত প্রত্যক্ষ আৰু পৰোক্ষ কৰ বিভিন্ন বাচকবনীয়া সঞ্চয় আঁচনি উদ্ভাৱনাৰ দ্বাৰা ৰাষ্ট্রই মূলধন গঠন প্রক্রিয়া তৰান্বিত কৰে।

(৬) উদ্যোগিক উন্নয়নৰ ভূমিকা ঃ উন্নয়নশীল দেশত পর্যাপ্ত মূলধন, প্রযুক্তি, উদ্যোক্তা আৰু দক্ষতা সম্পন্ন শ্রমিকৰ অভাৱ। এনেবোৰ দেশত ব্যক্তিগত খণ্ড প্রধানকৈ ঘৰুৱা উপভোগৰ বাবে কিছুমান ঘৰুৱা বস্তুৰ

নির্মানৰ লগত জড়িত হৈ থাকে। অন্যহাতে আর্থিক উন্নয়ন তৰান্বিত কৰিবলৈ মূল আৰু গধুৰ উদ্যোগ যেনে- লো- তীখা, কাগজ, হস্ততাত, গধুৰ ইঞ্জিনিয়াৰিং, চিমেণ্ট, সাৰ, গধুৰ বৈদ্যুতিক যন্ত্রপাতি, মেচিনেৰি সৰঞ্জাম আদিৰ স্থাপন কৰাটো অতি দৰকাৰী। এই উদ্যোগ বোৰৰ বাবে অত্যাধিক বিনিয়োগ উদ্যোগৰ আৰম্ভনি আৰু সামৰণিৰ মাজৰ সময়ছোৱা দীঘল হয়। প্রয়োজন হোৱা বাবে। সেয়েহে ব্যক্তিগত খণ্ডত এইবোৰ বস্তুৰ উৎপাদন সম্ভব নহয় বা বাধা আহে। ৰাষ্ট্রই প্রয়োজনীয় উদ্যোগিক নীতিৰ দ্বাৰা দেশৰ উদ্যোগিক উন্নয়ন গঢ়ি তোলাত এক উল্লেখযোগ্য পদক্ষেপ গ্রহণ কৰে।

(৭) আর্থিক বৈষম্য হ্রাস কৰা ঃ আয় আৰু সম্পদ বিতৰণত এক বৃহৎ বৈষম্যৰ দ্বাৰা উন্নয়নশীল দেশৰ বিৰাজমান। আয় আৰু সম্পদৰ এই বৈসম্যতাই এই দেশ বোৰত ধনী আৰু দূখীয়াৰ মাজত এক বৃহৎ পার্থক্যই দেখা দিছে। ৰাষ্ট্রই পর্য্যপ্ত আৰু প্রয়োজনীয় পদ্ধতিৰ দ্বাৰা এই বৈসম্য আঁতৰ কৰিব বাধ্য। ৰাজহুৱা বিত্তৰ মাধ্যমেৰে এই সমস্যা কম কৰিব পাৰিব। ৰাষ্ট্রই আয়, সম্পদ আৰু বিলাসী সামগ্রীৰ ওপৰত কৰ বহুৱাই ধনী সকলৰ পৰা অতিৰিক্ত আয় উলিয়াই ৰাজহুৱা ব্যয়ৰ দ্বাৰা দুখীয়া সকলৰ মাজত এই ধন বিতৰণ কৰিলে এই সমস্যা কিছু সমাধান হ'ব।

জন্মসূত্রে পোৱা সম্পত্তি আইনৰ সংশোধনৰ দ্বাৰা তথা একচেতীয় ব্যৱসায়ী নিয়ন্ত্রণ আৰু প্রতিযোগিতা প্রতিহাৰ কৰণ আদিৰ দ্বাৰা সকলোৰে কাৰণে সমান পৰিবেশ সৃষ্টিৰ কৰি আর্থিক উন্নয়ন বৃদ্ধি কৰা হয়। ইয়াৰ উপৰিও ৰাষ্ট্রই সামাজিক আৰু শ্রমিক নীতি সমূহৰ যোগেদি শ্রম আৰু মূলধনৰ মাজত এটা অতি সুন্দৰ সম্পর্ক সৃষ্টি কৰে, যাৰ দ্বাৰা ধর্মঘট হৰতাল আদি হ্রাস কৰি উৎপাদনৰ মাত্রা বৃদ্ধি কৰা হয়।

(৪) আঞ্চলিক বৈষম্য আতৰ কৰা ঃ উন্নয়নশীল দেশত আঞ্চলিক বৈষম্য এনে এটা বৃহৎ সমস্যা হিচাপে থিয় হৈ উঠিছে যে ই এনে বোৰ দেশৰ আর্থিক আৰু ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি কৰিছে। এই সমস্যা আতঁৰ কৰিবলৈ ৰাষ্ট্রই যথোপযুক্ত আর্থিক নীতি বলবৎ কৰিব লাগিব। এইটো অতিকৈ প্রয়োজনীয় কিয়নো ব্যক্তিগত খণ্ড লাভ অর্জনকাৰী আৰু তেওঁলোক ইতিমধ্যে উন্নত হোৱা অঞ্চলসমূহত বিনিয়োগ কৰে। কিন্তু ৰাষ্ট্রৰ যিহেতু তেনেকুৱা কোনো ধৰাবন্ধা নিয়ম নাই সেয়ে ৰাষ্ট্রই নিদিষ্ট নীতিৰ সহায়ত অনুন্নত অঞ্চল সমূহক উন্নত কৰি আঞ্চলিক বৈষম্য হ্রাস কৰিব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তলৰ উক্তিবোৰ শুদ্ধনে অশুদ্ধ

(ক) অর্থ-সামাজিক উদ্দেশ্য পূৰণৰ কৰাৰ বাবে ৰাষ্ট্র হৈছে এক গুৰুত্বপূর্ণ বাহন। (শুদ্ধ)

(খ) উন্নয়নশীল দেশৰ আর্থিক উন্নয়ন অর্জনত ৰাষ্ট্রৰ ভূমিকা সন্তোষজনক। (অশুদ্ধ)

প্রশ্ন ২ ঃ উন্নয়নশীল দেশৰ কৃষি উন্নয়নৰ ৰাষ্ট্রৰ ভূমিকা ব্যাখ্যা কৰা। (প্রায় ৭০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্ৰশ্ন ৩ ঃ আঞ্চলিক বৈষম্য ৰোধ কৰাত ৰাষ্ট্ৰৰ ভূমিকা ব্যাখ্যা কৰা ? (প্ৰায় ৫০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

১২.৪ অর্থনৈতিক উন্নয়নত ৰাষ্ট্ৰৰ সমস্যা আৰু প্ৰত্যাহ্বান

এইটো মনত ৰখা উচিত যে ৰাষ্ট্ৰই প্ৰত্যেকটো সমস্যা সমাধান কৰি দিব নোৱাৰে বা কৰি দিয়া উচিতো নহয়। যিমানেই ৰাষ্ট্ৰৰ বাধা থাকিব সিমানেই সমস্যা আৰু প্ৰশাসনিক ব্যয় বেচি হ'ব আৰু ফলস্বৰূপে - অদক্ষতা, দুৰ্নীতি আৰু সম্পদৰ ধংসালীলা বৃদ্ধি হ'ব। ৰাষ্ট্ৰই সন্মুখীন হোৱা মূল প্ৰত্যাহ্বান সমূহ তলত সংক্ষেপে দিয়া হ'ল-

(১) <u>দুৰ্নীতি গ্ৰস্থ আৰু অদক্ষ ৰাষ্ট্ৰ যন্ত্ৰ</u> ঃ বেচিভাগ উন্নয়নশীল দেশৰে প্ৰশাসন যন্ত্ৰৰ নিৰ্বাচন যোগ্যতাৰ ভিত্তিত নহয়, জাতি আৰু তোষামোদৰ ওপৰত নিৰ্ভৰ কৰে। ৰাজহুৱা চৰিত্ৰৰ মান যথেষ্ট নিম্ন। সেইকাৰণে উন্নয়ন কাৰ্য্যসমূহ নিয়াৰিকৈ সংঘটিত কৰিবলৈ সক্ষম নহয়।

(২) <u>শক্তিৰ কেন্দ্ৰীভূত কৰণ</u> ঃ ৰাষ্ট্ৰৰ আৰ্থিক আৰু ৰাজনৈতিক শক্তিৰ কেন্দ্ৰীভূতকৰণে দুৰ্নীতি, হস্তক্ষেপ, তোষামোদ, স্বজন প্ৰীতি আদি বৃদ্ধি কৰে।

(৩) <u>ৰাজনৈতিক হেঁচা</u> ঃ বেচিভাগ উন্নয়নশীল দেশতেই ৰাজনৈতিক হেঁচাৰ বাবে গুৰুত্বপূৰ্ণ আৰ্থিক কাৰ্য্যত মনোনিবেশ কৰাতো অসম্ভৱ হৈ পৰে। ৰাজহুৱা খণ্ডৰ উন্নয়মূলক প্ৰকল্প সমূহ নিৰ্বাচন কৰা হয় ন্যস্ত স্বাৰ্থ আৰু নিৰ্দিষ্ট শ্ৰেণীৰ হেচাঁত, প্ৰকল্পসমূহৰ গ্ৰহণযোগ্যতা আৰু প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি নহয়।

(৪) <u>ৰাজহুৱা খণ্ডৰ উদ্যোগৰ চালিকাশক্তিৰ ওপৰত বাধা</u> ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহ চলাওতে প্ৰয়োজনীয় সিদ্ধান্তগ্ৰহণত বাধা আৰোপ , মন্ত্ৰী আমোলাৰ নিজৰ মতে ৰাজহুৱা টকাৰ ব্যৱহাৰ, নিম্ন মানৰ কাম, নীতিহীন কাৰ্য্য পদ্ধতি আদিয়ে নিম্ন দক্ষতা আৰু ঋণাত্মক প্ৰতিদানৰ সৃষ্টি কৰে।

(৫) <u>অন্যান্য কাৰক</u> ঃ কিছুমান অন্যান্য সানমিহলি উপাদান যেনে- ত্ৰুতিপূৰ্ণ দৰ নীতি, অত্যাধিক খৰচ, অত্যাধিক মূলধন গঠন প্ৰক্ৰিয়া, অত্যাধিক কৰ্মচাৰী সমস্যা, অব্যৱহাৰী কৰণ, প্ৰশাসন যন্ত্ৰৰ অত্যাধিক ব্যয়ে ৰাষ্ট্ৰৰ আৰ্থিক উন্নয়নত প্ৰত্যাহ্বান ৰূপে থিয় দিছে।

এনে এটা পৰিবেশত ৰাষ্ট্ৰ সমূহক এইটোৰেই পৰামৰ্শ দিয়া উচিত যে যিবোৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডই দক্ষতা পূৰ্ণ আৰু পৰিপক্কতাৰ কাৰ্য্য সমাধা কৰিব নোৱাৰে সেইবোৰ ক্ষেত্ৰত অর্থনৈতিক উন্নয়নৰ বাবে ৰাজহুৱা খণ্ডৰ ভূমিকাৰ সীমাবদ্ধতা নিজেই নিৰ্ণয় কৰিব লাগে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ 'ৰাজনৈতিক হস্তক্ষেপ অর্থনৈতিক উন্নয়নৰ প্ৰধান অন্তৰায় ব্যাখ্যা কৰা

(প্ৰায় ৫০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্ৰশ্ন ৫ ঃ 'উন্নয়নশীল দেশৰ প্ৰশাসনিক ৰাষ্ট্ৰ যন্ত্ৰ অতিকৈ দূৰ্নীতিগ্ৰস্ত আৰু অদক্ষ' উক্তিটোৰ সত্যাসত্য নিৰূপণ কৰা (প্ৰায় ৪০ টা শব্দত উত্তৰ দিয়ক)

১২.৫ উন্নয়নশীল দেশত ৰাজহুৱা খণ্ডৰ ভূমিকা

উন্নয়নশীল দেশত সংগঠিত আৰু পৰিকল্পিত উন্নয়ন প্ৰাপ্তিৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডই এক গুৰুত্বপূৰ্ণ ঠাই অধিকাৰ কৰি আছে। স্বনিয়ন্ত্ৰিত অৰ্থনৈতিক বিকাশৰ পথ নিৰ্ণয়ৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডই প্ৰয়োজনীয় নিম্নতম সুবিধা আগবঢ়ায় ৰাজহুৱা খণ্ডৰ ভূমিকা তলত বিষদ ভাবে ব্যাখ্যা কৰা হ'ল-

(১) উদ্যোগৰ গাঠনিগত পাৰ্থক্য পৰিহাৰ কৰি অৰ্থনৈতিক উন্নয়নৰ গতি খৰতকীয়া কৰা।

(২) যিবোৰ ৰাষ্ট্ৰীয় উন্নয়নৰ উদ্দেশ্য পালনত ব্যক্তিগত খণ্ডই অপাৰাগতা স্বীকাৰ কৰে সেই বোৰ প্ৰয়োজনীয় কৌশলগত উন্নয়ন এলেকাত আৰ্থিক কাৰ্য্যৱলী হাতত ল'ব লাগে।

(৩) এক চেতীয়া আৰু মুষ্টিমেয় লোকৰ মাজত শক্তিৰকেন্দ্ৰীভূত কৰণৰ ওপৰত নিৰীক্ষন কৰা।

(৪) দেশৰ অনুন্নত অঞ্চলসমূহৰ আঞ্চলিক বৈষম্য ৰোধকৰা, প্ৰাকৃতিক সম্পদৰ পৃথকীকৰণ আৰু অন্যান্য পৰিকাঠামো ব্যৱস্থাৰ উন্নত কৰণ কৰা।

(৫) আয় আৰু সম্পদৰ সম বিতৰণৰ দ্বাৰা ধনী আৰু দুখীয়াৰ বৈষম্য দূৰ কৰা।

(৬) বিভিন্ন খণ্ডত বৃহৎ পৰিমানৰ বিনিয়োগৰ কৰি আৰু প্ৰয়োজন অনুসৰি বিভিন্ন প্ৰযুক্তি ব্যৱহাৰৰ কৰি পৰ্যাপ্ত পৰিমানৰ নিয়োগ সৃষ্টিৰ দ্বাৰা আত্মনীৰ্ভৰশীলতা অৰ্জন কৰা

(৭) বৈদেশিক সাহায্য আৰু বৈদেশিক কৌশলৰ নিৰ্ভৰতা নোহোৱা কৰা আৰু বিভিন্ন ৰাজহুৱা বিত্তৰ অনুস্থানৰ যোগেদি সামাজিক নিয়ন্ত্ৰণ অটুত ৰখা।

(৮) আমদানি হ্ৰাস আৰু ৰপ্তানি বৃদ্ধিৰ যোগেদি লেনদেনৰ অসমতা হ্ৰাস কৰা আৰু যিবোৰ স্পৰ্শকাতৰ খণ্ড যেনে বিতৰণ ব্যৱস্থা সীমিত আমদানী কৃত সামগ্ৰীৰ বাঁটনত নিয়ন্ত্ৰণ কৰা।

১২.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- উন্নয়নশীল অৰ্থনীতি নিম্ন জাতীয় আৰু জনমূৰি আয়, দৰিদ্ৰতাৰ কুটচক্ৰ, স্থায়ী নিবনুৱা সমস্যা, দুৰ্ভিক্ষ্য আৰু অনাতন মূলধন অভাব আৰু নিম্ন পৰিকাঠমো ব্যৱস্থা আদি বৈশিষ্ট্যৰে বিৰাজমান।
- এই দেশবোৰৰ আৰ্থিক স্থিতাবস্থা দূৰ কৰি অৰ্থনৈতিক গতিশীলতা আনিবৰ বাবে ৰাষ্ট্ৰৰ ধনাত্মক ৰঙনি প্ৰয়োজনীয় হৈ পৰে।
- অৱশ্যে ৰাষ্ট্ৰই সকলো সমধা কৰি দিয়া সম্ভব তথা উচিতো নহয়। যিমানেই ৰাষ্ট্ৰৰ হস্তক্ষেপ বেচি হ'ব সিমানেই প্ৰশাসনিক ব্যয় আৰু সমস্যাও বেচি হ'ব আৰু ই অদক্ষতা, দুৰ্নীতি, অপব্যয়, অৰ্থনৈতিক পৰিকল্পনাৰ দোষযুক্ত প্ৰতিপালন অত্যাধিক মূলধন গঠন, অত্যাধিক কৰ্মচাৰী নিয়োজন, সামৰ্থবান অব্যৱহাৰ কৃত সম্পদৰ সৃষ্টি কৰিব।

- উন্নয়নশীল দেশৰ অর্থনৈতিক উন্নয়নত ৰাজহুৱা খণ্ডই গুৰুত্বপূর্ণ এলেকা সমূহৰ আর্থিক বিকাশৰ সাধন, একচেতীয়া আৰু শক্তিৰ কেন্দ্রীভূত কৰণৰ নিয়ন্ত্রন আৰু পর্য্যবেক্ষন কৰা, প্রাকৃতিক সম্পদৰ পৃথকীকৰণ, বৈদেশিক সাহায্যৰ ওপৰত নির্ভৰশীলতা নোহোৱা কৰা ইত্যাদি গুৰুত্বপুর্ণ ভূমিকা পালন কৰে।

১২.৭ অধিক জানিবলৈ

1.
2.
3.

১২. ৮ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহঃ

১। (ক) শুদ্ধ

(খ) অশুদ্ধ

২। উন্নয়নশীল দেশত কৃর্ষিভূমিৰ খণ্ডিত কৰণ,ক্রতিপূর্ণ ভূমি প্রথা, অপর্যাপ্ত ঋণ ব্যৱস্থাৰ জলসিঞ্চনৰ অভাব প্রয়োজনীয় উৎপাদন কৌশলৰ অভাব, জন সংখ্যাৰ অত্যাধিক হেচা আদিৰ ফল কৃর্ষিৰ উৎপাদিকা শক্তি নিম্নগামী হয়। এনেকুৱা অৱস্থাত ৰাষ্ট্রই এনে কিছুমান আঁচনি গ্রহণ কৰিব লাগে যাৰ দ্বাৰা কৃষিভূমি একত্রীকৰণ, শুদ্ধ ভূমি প্রথা, উন্নয়ন গতিবিধি বৃদ্ধি কৃষিভূমিত বৈদ্যুতিকৰণ,লঘূ জলসিঞ্চন আঁচনিৰ, তথা কৃষি নীতি উদ্ভাবনৰ দ্বাৰা যিয়ে কৃষক সকলক নিজৰ শষ্যৰ উপযুক্ত দৰ পোৱাত সহায় কৰে।

৩। উন্নয়নশীল দেশ সমূহ সম্পদ আৰু আয়ৰ বৃহৎ আকাৰৰ বৈষ্যমৰে বৈশিষ্টময়। সম্পদৰ বৈষম্যতা দূৰ কৰিবলৈ ৰাষ্ট্রই উপযুক্ত পদ্ধতি গ্রহণ কৰিব লাগে আৰু এইটো ৰাজহুৱা বিত্তৰ যোগেদিহে সম্ভব হৈ পৰে। ৰাষ্ট্রই আয় আৰু সম্পদৰ ওপৰত কৰ আৰোপৰ দ্বাৰা ধনী মানুহৰ পৰা অতিৰিক্ত ধন সংগ্রহ কৰে আৰু ৰাজহুৱা ব্যয়ৰ যোগেদি দুখীয়া লোকসকলক ধন বিতৰণ কৰি আয়ৰ অসমতা দূৰ কৰে।

৪। বেচি সংখ্যক উন্নয়ন শীল দেশতেই ৰাজনৈতিক হস্তক্ষেপে গুৰুত্বপূর্ণ আর্থিক উন্নয়নত মনোনিবেশ কৰাত ৰাষ্ট্রত অসম্ভব কৰি তোলে। ৰাজহুৱা খণ্ডৰ উন্নয়নৰ প্রকল্প সমূহ যোগ্যতা আৰু বাস্তবিকতাৰ ওপৰত ভিত্তি কৰি নির্বাচন নকৰে বৰঞ্চ ন্যস্ত স্বার্থ আৰু মুষ্টিমেয় শ্রেণীৰ হেচাঁত হে নির্বাচন কৰে।

৫। বেচিভাগ উন্নয়নশীল দেশৰে প্রশাসন যন্ত্রৰ নির্বাচন যোগ্যতাৰ ভিত্তিত নহয় তোষামোদ আৰু জাতি গত প্রক্রিয়াৰ ওপৰত ভিত্তি কৰিহে হয়। ৰাজহুৱা চৰিত্রৰ থান যথেষ্ঠ নিম্নগামী। সেয়েহে উন্নয়নৰ আঁচনি সমূহ সঠিক ভাবে সংগঠিত কৰাও সমর্থ হোৱাত অসুবিধা হয়।

১২. ৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। উন্নয়নশীল দেশৰ কৃষি আৰু উদ্যোগিক উন্নয়নত ৰাষ্ট্ৰৰ ভূমিকা ব্যাখ্যা কৰক।

২। উন্নয়নশীল দেশৰ আৰ্থিক বিকাশত ৰাজহুৱা খণ্ডৰ অনুষ্ঠানৰ ভূমিকা ব্যাখ্যা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

১। এখন দেশৰ আৰ্থিক বিকাশত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ গুৰুত্ব আগবঢ়োৱা।

২। এখন দেশৰ আৰ্থিক উন্নয়নত ৰাষ্ট্ৰৰ ভূমিকাৰ সীমাবদ্ধতা চমুকৈ ব্যাখ্যা কৰক।

৩। উন্নয়নশীল দেশত পূৰ্ণ নিয়োগ অৱস্থা সৃষ্টি কৰাত ৰাষ্ট্ৰৰ ভূমিকা ব্যাখ্যা কৰক।

*****

অধ্যায় ১৩ ঃ মানৱ শক্তি পৰিকল্পনা আৰু অৰ্থনৈতিক উন্নয়ন

অধ্যায় গাঁথনি

১৩.১ শিক্ষণৰ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ উন্নয়নশীল দেশত মানৱ শক্তি পৰিকল্পনাৰ প্ৰয়োজনীয়তা
১৩.৪ ভাৰতবৰ্ষত মানৱশক্তি পৰিকল্পনা
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্ৰগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্ৰশ্ন

১৩.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- মানৱ শক্তি পৰিকল্পনাৰ ধাৰণা বুজিব পাৰিব
- উন্নয়নশীল দেশত মানৱশক্তি পৰিকল্পনাৰ গুৰুত্ব জানিব পাৰিব
- ভাৰতবৰ্ষত মানৱশক্তি পৰিকল্পনাৰ বিভিন্ন উপায়ৰ বিষয়ে জানিব পাৰিব।

১৩.২ পৰিচয়

মানৱশক্তি পৰিকল্পনাক মানৱ সম্পদ পৰিকল্পনা বুলিও কোৱা হয়। কোনো এক পূৰ্বনিৰ্ধাৰিত সময়ৰ ভিতৰত কোনো এক নিৰ্দিষ্ট প্ৰকল্পৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন দক্ষতাৰ ব্যক্তিৰ সংখ্যা নিৰ্ধাৰণ কৰা প্ৰক্ৰিয়াই হ'ল মানৱ শক্তি বা মানৱ সম্পদ পৰিকল্পনা। প্ৰযুক্তি -কৌশল আৰু ব্যৱসায়-বানিজ্যৰ ধাৰাৰ পূৰ্বানুমান কৰি কেনেকৈ আৰু কেতিয়া নতুন কৰ্মচাৰীৰ প্ৰয়োজন হ'ব এইবোৰৰ সবিশেষ বিশ্লেষণ মানৱ শক্তিৰ পৰিকল্পনাৰ অন্তৰ্ভুক্ত হয়। আন কথাত কোনো এক সংস্থাৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্য তেওঁলোকৰ লগত খাপ খাব পৰাকৈ, সঠিক কাম কৰিব পৰাকৈ, সঠিক ঠাই, সঠিক সময়ত, সঠিক ধৰণৰ সঠিক সংখ্যক মানুহ উপস্থাপন কৰাই হ'ল মানৱ সম্পদৰ পৰিকল্পনা।

১৩.৩ আৰ্থিক উন্নয়নত গঢ়ি তোলাত ৰাষ্ট্ৰৰ ভূমিকা

মানৱশক্তি পৰিকল্পনাক মানৱ সম্পদ পৰিকল্পনা বুলিও কোৱা হয়। কোনো এক পূৰ্বনিৰ্ধাৰিত সময়ৰ ভিতৰত কোনো এক নিৰ্দিষ্ট প্ৰকল্পৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন দক্ষতাৰ ব্যক্তিৰ সংখ্যা নিৰ্ধাৰণ কৰা প্ৰক্ৰিয়াই হ'ল মানৱ শক্তি বা মানৱ সম্পদ পৰিকল্পনা। অৰ্থনীতিত মানৱ সম্পদৰ চাহিদা আৰু যোগানৰ মাজৰ অসমতা দূৰ কৰি দেশৰ মানৱ সম্পদৰ পৰিপূৰ্ণ আৰু আকাংক্ষিত ব্যৱহাৰত মানৱ সম্পদ পৰিকল্পনাই সহায় কৰে। যিয়ে পৰিশেষত জাতীয় আয়ৰ সৰ্বোচ্চ বৃদ্ধিত অৰিহনা যোগায়। যদি কোনো এক বিশেষ ধৰণৰ মানৱ সম্পদৰ

চাহিদাই ইয়াৰ বৰ্তমানৰ যোগান অতিক্ৰম কৰে, তেনেহ'লে উপযুক্ত প্ৰশিক্ষণৰ সা-সুবিধা আৰু প্ৰয়োজনীয় অৰ্থনৈতিক উদগনি প্ৰদানৰ দ্বাৰা সেই বিশেষ ধৰণৰ মানৱ সম্পদলৈ অধিক ব্যক্তি আকৰ্ষণ কৰাৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আনহাতে যদি কোনো এক বিশেষ ধৰণৰ মানৱ শক্তিৰ যোগান ইয়াৰ চাহিদাতকৈ অধিক হয় তেনেহ'লে ইয়াৰ যোগান সীমিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ইয়াৰ উপৰিও বুজিব লাগিব যে মানৱ সম্পদ পৰিকল্পনাই বিভিন্ন শ্ৰেণীৰ মানৱ সম্পদৰ চাহিদা আৰু যোগানৰ সমতাকে কেবল নুবুজায়- ই এক অধিক ব্যাপক পৰিভাষা আৰু ই দেশ এখনৰ মানৱ সম্পদৰ সামগ্ৰিক উন্নয়ন, বিকাশ আৰু প্ৰয়োগৰ লগত জড়িত। ই কেনেকৈ আৰু কেতিয়া নতুন কৰ্মচাৰী আহৰণ কৰিব লাগিব ইয়াৰ সবিশেষ অন্তৰ্ভুক্ত কৰে। এই প্ৰক্ৰিয়াই সংস্থাটোৰ লক্ষ্য পৰিবৰ্ত্তিত প্ৰযুক্তি কৌশলৰ ধাৰা আৰু ভৱিষ্যত বানিজ্যৰ পূৰ্বানুমানো সামৰি লয়। ইয়ে সংস্থাটোত যথোপযুক্ত দক্ষ মানৱ সম্পদ হাতত লৈ তেওঁলোকৰ ভৱিষ্যত ব্যবসায়ৰ সমৃদ্ধিৰ বাবে প্ৰস্তুত কৰে। সেইবাবে এক সুসংহত মানৱ সম্পদ পৰিকল্পনা নীতিয়ে কৰ্মশক্তিৰ প্ৰয়োগ আৰু ব্যৱস্থাপনাৰ লগত প্ৰত্যক্ষভাৱে জড়িত সকলো কাৰ্যাৱলীকে অন্তৰ্ভুক্ত কৰাটো বাঞ্ছনীয়।

মানৱ শক্তি পৰিকল্পনাৰ প্ৰয়োজনীয়তাঃ মানৱ শক্তি পৰিকল্পনাৰ প্ৰয়োজনীয়তাৰ উদ্ভৱ হয় চাহিদা আৰু যোগানৰ মাজৰ অসমতাৰ বাবে। এই অসমতা উন্নয়নশীল দেশসমূহৰ এটা সাধাৰণ বৈশিষ্ট্য। উন্নয়নশীল দেশসমূহে প্ৰকৃততে দুটা সমস্যাত ভোগে- প্ৰথমটো হ'ল, সুদক্ষ মানৱ সম্পদৰ নাটনি আৰু দ্বিতীয়টো হ'ল অদক্ষ আৰু অব্যৱহৃত মানৱ সম্পদৰ বিশাল ভাণ্ডাৰ। উপযুক্ত মানৱ সম্পদ পৰিকল্পনাৰ যোগেদি মানৱ সম্পদৰ চাহিদা আৰু যোগানৰ মাজৰ অসমতা দূৰ কৰিব পাৰি, যিটো সম্ভৱ হ'ব এই অদক্ষ, অব্যৱহৃত মানৱ শক্তি সমূহক প্ৰশিক্ষণ প্ৰদান আৰু নিয়োজিত কৰণৰ জৰিয়তে। ইয়ে পৰিশেষত উন্নয়নশীল দেশসমূহে সন্মুখীন হোৱা মানৱ সম্পদৰ নাটনিৰ সুদীৰ্ঘ সমস্যাটো সমাধান কৰিব। ইয়াৰ উপৰিও এক অবনিয়োজিত আৰু অব্যৱহৃত মানৱ সম্পদ সমূহক উপযুক্ত মানৱ সম্পদ পৰিকল্পনাৰ যোগেদি সৎ ব্যৱহাৰ কৰিব পৰা যায়।

মানৱ শক্তি পৰিকল্পনাৰ গুৰুত্বঃ মানৱ সম্পদ পৰিকল্পনা হ'ল যিকোনো ব্যৱসায়ৰ এক অত্যাবশ্যকীয় প্ৰয়োজন। ই মূলতঃ কোম্পানী এটাৰ বাবে ভৱিষ্যতে কেনেধৰণৰ কৰ্মচাৰীৰ প্ৰয়োজন হ'ব তাৰ বাবে কোম্পানীটোক আগতীয়াকৈ সাজু কৰি ৰাখে। মানৱ সম্পদ পৰিকল্পনাৰ গুৰুত্ব তলত উল্লেখ কৰা দিশ সমূহত অধ্যয়ন কৰিব পাৰিঃ

ভৱিষ্যতে মানৱ সম্পদৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবেঃ মানৱ সম্পদ পৰিকল্পনাই সঠিক সময়ত, সঠিক নিয়োগৰ বাবে সঠিক ব্যক্তিৰ প্ৰাচুৰ্য্য নিশ্চিত কৰে। এইদৰে মানৱ সম্পদক সংস্থা এটাৰ কাৰ্যৱলী পৰিচালনাৰ বাবে ভৱিষ্যতে প্ৰয়োজন হ'ব পৰা মানৱ সম্পদৰ প্ৰাচুৰ্য্য নিশ্চিত কৰাৰ এক আহিলা হিচাপে গণ্য কৰা হয়।

প্ৰশিক্ষিত কৰ্মচাৰীৰ বাছনি ঃ মানৱ সম্পদ পৰিকল্পনাই কোনো এক নিয়োগৰ বাবে আটাইতকৈ উপযুক্ত ব্যক্তি নিৰ্বাচিত আৰু নিয়োগ কৰাত সহায় কৰে।

মানৱ সম্পদৰ উন্নয়নঃ মানৱ শক্তি পৰিকল্পনাই মানৱ সম্পদৰ উন্নয়নতো সহায় কৰে। প্ৰথমতে ই বিভিন্ন পৰ্যায়ৰ কৰ্মসংস্থানৰ বাবে প্ৰয়োজন হোৱা দক্ষতা চিনাক্ত কৰে আৰু তাৰ পিছত কৰ্মচাৰী সকলৰ দক্ষতা বৃদ্ধিৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু উন্নয়নৰ যাবতীয় ব্যৱস্থা গ্ৰহণ কৰে। যাতে তেওঁলোকে দক্ষতা আৰু সক্ৰিয়তাৰে কাম কৰিব পাৰে।

অনিশ্চয়তা হ্ৰাসঃ মানৱ শক্তি পৰিকল্পনাই বাহ্যিক কাৰকৰ দ্বাৰা সংঘটিত তাৎক্ষণিক পৰিবৰ্তনে আনিব পৰা

অনিশ্চয়তা হ্রাস কৰে। (যেনে- প্রযুক্তি কৌশলগত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক শক্তিৰ পৰিবৰ্তন)

মানৱ শক্তি পৰিকল্পনা প্রক্রিয়াঃ মানৱ শক্তি পৰিকল্পনা হ'ল এক প্রণালীবদ্ধ ব্যৱস্থাপনা আৰু ইয়াক এলানি কার্যপ্রণালীৰ দ্বাৰা পৰিচালিত কৰা হয়। মানৱ শক্তি পৰিকল্পনাৰ ক্ষেত্রত তলত দিয়া স্তৰ সমূহ জড়িত হৈ থাকে-

- প্রচলিত কর্মশক্তিৰ বুজ লোৱা ঃ এটা সংস্থাই ইয়াৰ প্রচলিত মানৱ সম্পদৰ তথ্য (দক্ষতা, যোগ্যতা ইত্যাদি) সম্পর্কে পূৰাদমে সষ্টমহে থকা উচিত।
- ভৱিষ্যত মানৱ শক্তিৰ পূর্বানুমান কৰা ঃ বর্তমানৰ মানৱ সম্পদৰ উপযুক্ত মূল্যায়ন কৰাৰ পিছত ভৱিষ্যত মানৱশক্তিৰ প্রয়োজনৰ বাবে পৰিকল্পনা কৰা উচিত। ব্যৱসায়ীক প্রয়োজনৰ ধাৰাবাহিক পৰিবর্তনৰ লগে লগে কোম্পানী এটাই নিশ্চিতভাবে বুজিব লাগিব ভৱিষ্যতে কেনেধৰণৰ কর্মচাৰীৰ প্রয়োজন হ'ব পাৰে। এইদৰে সংস্থা এটাই ভৱিষ্যতে প্রয়োজন হ'ব পৰা ধৰণৰ কর্মচাৰীৰ বিষয়ে পূর্বানুমান কৰা উচিত।
- নির্বাচন আৰু নিয়োগ ঃ এবাৰ সংস্থা এটাই ভৱিষ্যতে প্রয়োজন হ'ব পৰা মানৱ শক্তিৰ শুদ্ধ পূর্বানুমান কৰাৰ পিছত মানৱ সম্পদ পৰিকল্পনাই এক সুপৰিকল্পিত নির্বাচন আৰু নিয়োগৰ ধৰণ নির্ধাৰণ কৰে। এনে পূর্বানুমানৰ ওপৰত ভিত্তি কৰি ভৱিষ্যত প্রয়োজন পূৰণ কৰিব পৰাকৈ সুযোগ্যতাসম্পন্ন, দক্ষ আৰু অভিজ্ঞা প্রার্থীক কর্মচাৰী হিচাপে বাছনি কৰে।
- প্রশিক্ষণ কার্যসূচীৰ আৰ্হি প্রস্তুতকৰণ ঃ এই প্রশিক্ষণ কার্যসূচীসমূহৰ ভিত্তি হ'ব বৈচিত্রতাৰ পৰিসৰ সম্প্রসাৰণৰ পথ, উন্নয়নমূলক আঁচনি ইত্যাদি। সংস্থা এটাৰ অংশ হিচাপে কর্মৰত কর্মচাৰীসকলৰ দক্ষতা, জ্ঞান সাম্প্রতিক নিয়োগ সম্পর্কে জ্ঞান আৰু ভৱিষ্যত প্রয়োজন সম্পর্কে প্রশিক্ষণ দিয়া প্রয়োজন।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ মানৱ সম্পদ পৰিকল্পনা বুলিলে কি বুজে? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

.....

.....

প্রশ্ন ২ ঃ মানৱ সম্পদ পৰিকল্পনাৰ প্রয়োজনীয়তাসমূহ উল্লেখ কৰক। (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

.....

.....

প্রশ্ন ৩ ঃ ভৱিষ্যত মানৱ সম্পদ পৰিকল্পনাৰ প্রয়োজনীয়তা পূর্বানুমানে মানৱ সম্পদ পৰিকল্পনাত কি ভূমিকা পালন কৰে?। (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

.....

.....

প্ৰশ্ন ৪ ঃ মানৱ সম্পদ পৰিকল্পনা প্ৰক্ৰিয়াৰ লগত জড়িত স্তৰ সমূহ উল্লেখ কৰক।

(৩০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

.....

.....

১৩.৪ ভাৰতবৰ্ষত মানৱ সম্পদৰ পৰিকল্পনা

স্বাধীনতাৰ সময়ৰ পৰাই ভাৰতবৰ্ষত পৰিকল্পক সকলৰ মনত মানব শক্তি পৰিকল্পনা বা মানৱ সম্পদ পৰিকল্পনাই আগস্থান পাইছিল।

মানৱ শক্তি পৰিকল্পনা অৰ্থাৎ উৎপাদনশীল কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ বাবে দেশৰ মানৱ সম্পদৰ প্ৰয়োজনীয়তাৰ লগত মানুহৰ দক্ষতা সামঞ্জস্য ৰখাটো প্ৰকৃততে এটা ডাঙৰ কাম, কিন্তু ই দেশৰ অৰ্থনৈতিক আৰু সামাজিক সুস্থিৰতা বজাই ৰখাৰ বাবে অতি প্ৰয়োজনীয়। ইয়াক যথাযথ ভাবে কৰিব পাৰিলে নিবনুৱা সমস্যা নাথাকিব।

ভাৰতবৰ্ষৰ পৰিকল্পনা আয়োগৰ (বৰ্তমান নীতি আয়োগ)ৰ হাতত দেশৰ মানৱ সম্পদ নিৰ্ধাৰণৰ দায়িত্ব বিশেষভাৱে ন্যস্ত কৰা হৈছে। ৰাষ্ট্ৰীয় উন্নয়নৰ পৰিকল্পনাৰ তুলনাত বৈজ্ঞানিক, প্ৰযুক্তিগত আৰু অভিযান্ত্ৰিক মানব সম্পদৰ চাহিদা আৰু যোগানৰ সমস্যাটো অধ্যয়নৰ বাবে ভাৰত চৰকাৰে ১৯৫৬ চনত অধ্যাপক পি.চি. মহালনবিশ (P.C. Mahalanobis)ৰ অধ্যক্ষতাত এখন বৈজ্ঞানিক কৰ্মচাৰী কমিটি গঠন কৰিছিল (Scientific personnal Committee) দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাটো পৰিকল্পনা আয়োগে বিভিন্ন শ্ৰেণীৰ বৈজ্ঞানিক আৰু কাৰিকৰী ব্যক্তিৰ মজুত আৰু বিশেষীকৰণ অনুসৰি তেওঁলোকৰ বিতৰণৰ ওপৰত কেইবালানিও অধ্যয়ন কৰিছিল। এই অধ্যয়নসমূহে সেই সময়ৰ বিভিন্ন শ্ৰেণীৰ মানবশক্তিৰ প্ৰচলিত জ্ঞান সম্পৰ্কে উল্লেখনীয় অৱিহণা আগবঢ়াইছিল।

বিগত সময়ছোৱাত ভাৰত চৰকাৰে জনসংখ্যা পৰিকল্পনা আৰু নিয়ন্ত্ৰণ, শিক্ষা, স্বাস্থ্য, গৃহনিৰ্মাণ ইত্যাদিত বৰ্দ্ধিত অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে।

<u>জনসংখ্যা পৰিকল্পনা আৰু নিয়ন্ত্ৰণঃ</u> অৰ্থনৈতিক অসমতা সৃষ্টিকাৰী জনসংখ্যা বিস্ফোৰণ সমস্যাৰ সৈতে যুজিবলৈ ভাৰত চৰকাৰে বহুতো উপায় হাতত লৈছে। জনসংখ্যাৰ সুস্থিৰতা নিশ্চিত কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় জনসংখ্যা নীতি ২০০০ (National Population Policy) প্ৰৱৰ্তন কৰিছে। এই নীতিয়ে সহজলভ্য জননী স্বাস্থ্য যত্ন, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা উন্নীতকৰণৰ দ্বাৰা জীৱন ধাৰণৰ মানদণ্ড উন্নয়ন, অনাময় খোৱা-পানী, গৃহ নিৰ্মাণ, পৰিবহন, যোগাযোগ ইত্যাদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই প্ৰচেষ্টা বৰ্তমানেও অব্যাহত আছে আৰু মানুহৰ মাজত জনসংখ্যা নিয়ন্ত্ৰণৰ সচেতনতা তাৎপৰ্যপূৰ্ণভাবে বৃদ্ধি পাইছে। যাৰ বাবে জন্মহাৰ উল্লেখনীয়ভাৱে হ্ৰাস পাইছে।

<u>স্বাক্ষৰতা আৰু শিক্ষাঃ</u> মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ আন এক প্ৰচেষ্টা হ'ল ৰাষ্ট্ৰীয় শিক্ষা নীতি ১৯৮৬ ৰ প্ৰৱৰ্তন (National Policy on Education 1986)। এই নীতিয়ে পঞ্চম শ্ৰেণী পৰ্যন্ত প্ৰাথমিক শিক্ষাক বিনামূলীয়া আৰু বাধ্যতামূলক হিচাপে ঘোষণা কৰি ভাৰতবৰ্ষত নিৰক্ষৰতা সম্পূৰ্ণৰূপে দূৰীকৰণত গুৰুত্ব আৰোপ কৰিছে। এই লক্ষ্যত উপনীত হ'বৰ বাবে হাতত লোৱা কেতবোৰ প্ৰচেষ্টা হ'ল-

- সৰ্বশিক্ষা অভিযান (SSA) / শিক্ষাৰ অধিকাৰ (RTE) ঃ- শিক্ষাৰ অধিকাৰ আইন ২০০৯ ৰ অধীনত ই ছয় বছৰ বয়সৰ পৰা চৈধ্য বছৰ বয়সলৈ সকলো শিশুৰ বাবে বিনামূলীয়া শিক্ষা এক মৌলিক অধিকাৰ হিচাপে চিহ্নিত কৰিছে।
- ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (RMSA)ঃ- ২০০৯ চনৰ মাৰ্চ মাহত প্ৰৱৰ্তন কৰা এই আঁচনিৰ লক্ষ্য হ'ল সকলোৰে বাবে মাধ্যমিক শিক্ষা উপলব্ধ কৰোৱাৰ লগতে মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰা।
- বিদ্যালয় সমূহত মধ্যাহ্নভোজনৰ ৰাষ্ট্ৰীয় আঁচনি ঃ- এই আঁচনিৰ অধীনত চৰকাৰী স্থানীয় নিকায়, চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু ৰাষ্ট্ৰীয় শিশু শ্ৰমিক প্ৰকল্পৰ অধীনৰ বিদ্যালয়সমূহত প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ বিদ্যালয়ত উপস্থিত থকা সকলো শিশুৰে বাবে মধ্যাহ্ন ভোজন প্ৰদান কৰা।
- স্বাক্ষৰ ভাৰত (S B)/ প্ৰাপ্তবয়স্ক শিক্ষা ঃ- ৰাষ্ট্ৰীয় স্বাক্ষৰতা মিচনৰ অধীনত ২০০৯ চনৰ ৪ চেপ্তেম্বৰত প্ৰৱৰ্তন কৰা স্বাক্ষৰ ভাৰত আঁচনিয়ে বৰ্দ্ধিত প্ৰাপ্তবয়স্ক স্বাক্ষৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।
- প্ৰাথমিক পৰ্যায়ত কন্যাশিশুৰ শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় আঁচনি (NPEGEL) ঃ- এই আঁচনিয়ে কন্যা শিশুৰ শিক্ষাৰ ওপৰত ভৰত চৰকাৰৰ হস্তক্ষেপৰ আৰু গুৰুত্ব প্ৰদান কৰিছে।
- তথ্য যোগাযোগ প্ৰযুক্তিৰ জৰিয়তে ৰাষ্ট্ৰীয় শিক্ষা মিছন ঃ- উচ্চ আৰু কাৰিকৰী শিক্ষা উন্নয়নৰ বাবে ২০১১-১২ চনত ভাৰত চৰকাৰে গ্ৰহণ কৰা ই এক প্ৰধান আঁচনি।
- বিশেষভাবে সক্ষম সকলৰ বাবে মাধ্যমিক স্তৰত শিক্ষাৰ অন্তৰ্ভুক্তি (IEDSS) ঃ- দেশৰ বিশেষভাৱে সক্ষম লোক সকলৰ বাবে মাধ্যমিক শিক্ষা উপলব্ধ কৰোৱাৰ উদ্দেশ্যে ২০০৯-১০ চনত ভাৰত চৰকাৰে এই আঁচনিখন গ্ৰহণ কৰিছে।
- স্বাস্থ্য আৰু চিকিৎসা সেৱা ঃ- ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি ২০০২ ৰ লক্ষ্য হ'ল প্ৰতিৰোধমূলক আৰু আৰোগ্যমূলক স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ যোগেদি দেশৰ জনসাধাৰণৰ মাজত এক গ্ৰহণযোগ্য সু-স্বাস্থ্যৰ মানদণ্ডৰ উপনীত হোৱা। এই আঁচনিৰ কেতবোৰ উল্লেখযোগ্য সফলতা হ'ল সৰু আই, কুষ্ঠ , পলিঅ' আৰু যক্ষ্মা ইত্যাদি ৰোগ নিৰ্মূল আৰু নিয়ন্ত্ৰণ।
- গৃহ নিৰ্মাণ ঃ- ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ অংশীদাৰীত্বৰ যোগেদি গৃহনিৰ্মাণৰ আন্তঃগাঠনিৰ বহনক্ষম উন্নয়নৰ বাবে ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় গৃহ নিৰ্মাণ ৰু আবাস নীতি ১৯৮৮ (National Housing and Habitat Policy, 1988) ৰূপায়ন কৰিছে। এই আঁচনিখনে গ্ৰাম্য আন্তঃগাঠনি নিৰ্মাণৰ ক্ষেত্ৰতও অগ্ৰাধিকাৰ প্ৰদান কৰিছে। জলসিঞ্চন, খোৱা-পানী গ্ৰাম্যপথ নিৰ্মাণ বৈদ্যুতিকৰণ আৰু গ্ৰামাঞ্চলত টেলিফোন সংযোগ আদি প্ৰাথমিক সা-সুবিধা আৰু আন্তঃ গাঠনি নিৰ্মাণৰ উদ্দেশ্যে ২০০৫-০৬ ত প্ৰৱৰ্তন কৰা এনে এখন আঁচনি হ'ল "ভাৰত নিৰ্মাণ"। বস্তি অঞ্চলৰ বাসিন্দাৰ বাবে সম্পত্তিৰ অধিকাৰ প্ৰদান কৰাৰ উদ্দেশ্যে ৰাজ্যসমূহত সহজলভ্য গৃহ নিৰ্মাণৰ সৃষ্টি আৰু পুনঃনিৰ্মানৰ উদ্দেশ্যে "ৰাজীৱ আৱাস যোজনা" (RAY) গ্ৰহণ কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ জনসংখ্যা বিস্ফোৰণ নিয়ন্ত্ৰণ কৰিবলৈ ভাৰত চৰকাৰে গ্ৰহণ কৰা উপায় সমূহ উল্লেখ কৰক।

(৩০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

.....

.....

প্ৰশ্ন ৬ ঃ সৰ্বশিক্ষা অভিযানৰ মূখ্য উদ্দেশ্য কি আছিল। (২০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

.....

.....

১৩. ৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- কোনো এক পূৰ্বনিৰ্ধাৰিত সময়ৰ ভিতৰত কোনো এক নিৰ্দিষ্ট প্ৰকল্পৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন দক্ষতাৰ ব্যক্তিৰ সংখ্যা নিৰ্ধাৰণ কৰা প্ৰক্ৰিয়াই হ'ল মানৱ শক্তি পৰিকল্পনা।
- অৰ্থনীতিত মানৱ সম্পদৰ চাহিদা আৰু যোগানৰ মাজৰ অসমতা দূৰ কৰি দেশৰ মানৱ সম্পদৰ পৰিপূৰ্ণ আৰু আকাংক্ষিত ব্যৱহাৰত মানৱ সম্পদ পৰিকল্পনাই সহায় কৰে। যিয়ে পৰিশেষত জাতীয় আয়ৰ সৰ্বোচ্চ বৃদ্ধিত অৰিহনা যোগায়।
- মানৱ শক্তি পৰিকল্পনাৰ প্ৰয়োজনীতা উদ্ভৱ হয় চাহিদা আৰু যোগানৰ মাজৰ অসমতাৰ বাবে।
- অসমতা উন্নয়নশীল দেশসমূহৰ এটা সাধাৰণ বৈশিষ্ট্য।
- উন্নয়নশীল দেশসমূহে প্ৰকৃততে দুটা সমস্যাত ভোগে- প্ৰথমটো হ'ল সুদক্ষ মানৱ সম্পদৰ নাটনি আৰু দ্বিতীয়টো হ'ল অদক্ষ আৰু অব্যৱহৃত মানৱ সম্পদৰ বিশাল ভাণ্ডাৰ। উপযুক্ত মানৱ সম্পদ পৰিকল্পনাৰ যোগেদি মানৱ সম্পদৰ চাহিদা আৰু যোগানৰ অসমতা দূৰ কৰিব পাৰি।
- মানৱ সম্পদ পৰিকল্পনাৰ গুৰুত্ব তলত উল্লেখ কৰা দিশসমূহত অধ্যয়ন কৰিব পাৰি- ভৱিষ্যত মানৱ সম্পদৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবে, প্ৰশিক্ষিত কৰ্মচাৰীৰ বাছনি, মানৱ সম্পদৰ উন্নয়ন, অনিশ্চয়তা হ্ৰাস।
- মানৱ শক্তি পৰিকল্পনাৰ ক্ষেত্ৰত জড়িত স্তৰ সমূহ হ'ল- প্ৰচলিত কৰ্মশক্তিৰ বুজ লোৱা, ভৱিষ্যত মানৱশক্তিৰ পূৰ্বানুমান কৰা, নিৰ্বাচন আৰু নিয়োগ, প্ৰশিক্ষণ কাৰ্যসূচীৰ আৰ্হি প্ৰস্তুতকৰণ।
- স্বাধীনতাৰ সময়ৰ পৰাই ভাৰতবৰ্ষত পৰিকল্পকসকলৰ মনত মানৱ শক্তি পৰিকল্পনাই আগস্থান পাইছিল।
- ভাৰতবৰ্ষত পৰিকল্পনা আয়োগ (বৰ্তমান নীতি আয়োগ)ৰ হাতত দেশৰ মানৱ সম্পদ নিৰ্ধাৰণৰ দায়িত্ব বিশেষভাৱে ন্যস্ত কৰা হৈছে।
- ৰাষ্ট্ৰীয় উন্নয়নৰ পৰিকল্পনাৰ তুলনাত বৈজ্ঞানিক, প্ৰযুক্তিগত আৰু আভিযান্ত্রিক মানৱ সম্পদৰ চাহিদা আৰু যোগানৰ সমস্যাটো অধ্যয়নৰ বাবে ভাৰত চৰকাৰে ১৯৫৬ চনত অধ্যাপক পি.চি. মহালনবিশ ৰ অধ্যক্ষতাত এখন বৈজ্ঞানিক কৰ্মচাৰী কমিটি গঠন কৰিছিল।
- দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাটো পৰিকল্পনা আয়োগে বিভিন্ন শ্ৰেণীৰ বৈজ্ঞানিক আৰু কাৰিকৰী ব্যক্তিৰ মজুত আৰু বিশেষীকৰণ অনুসৰি তেওঁলোকৰ বিতৰণৰ ওপৰত কেইবালানিও অধ্যয়ন কৰিছিল।
- বিগত সময়ছোৱাত ভাৰত চৰকাৰে জনসংখ্যা পৰিকল্পনা আৰু নিয়ন্ত্ৰণ, শিক্ষা, স্বাস্থ্য, গৃহ নিৰ্মাণ ইত্যাদিত বৰ্দ্ধিত অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে।

১৩. ৬ অধিক জানিবলৈ

1. Lekhi, R.K. & Arati Nayar (2005): Development and Enviromental Economics, New Delhi, Kalyani Publishers.
2. Jhingan. M.L. (1992): Economics of Development and Planning, Delhi, Konark Publishers Pvt. Ltd.
3. Ronald. G. (2014): Development Economics, New York: Routhdge
4. Dreze: J & Amartya Sen (2013) An Unertain Glary: India and its contraditions, U.K. Penguin
5. Ghataks (2003): Introduction to Development economies, New York, Routledge
6. Ray, Debraj (1998) : Development Economies, New Jurney: Princeton University Press.

১৩. ৭ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহ ঃ

১। কোনো এক পূৰ্বনির্ধাৰিত সময়ৰ ভিতৰত কোনো এক নিদিষ্ট্রষ্ট প্রকল্পৰ বাবে প্রয়োজন হোৱা বিভিন্ন দক্ষতাৰ ব্যক্তিৰ সংখ্যা নির্ধাৰণ কৰা প্রক্রিয়াই হ'ল মানৱ শক্তি পৰিকল্পনা।

২। মানৱ শক্তি পৰিকল্পনা প্রয়োজনীয়তা উদ্ভৱ হয় চাহিদা আৰু যোগানৰ মাজৰ অসমতাৰ বাবে। এই অসমতা উন্নয়নশীল দেশসমূহৰ এটা সাধাৰণ বৈশিষ্ট্য। উন্নয়নশীল দেশসমূহে এটা সাধাৰণ বৈশিষ্ট্য উন্নয়নশীল দেশসমূহে প্রকৃততে দুটা সমস্যাত ভুগে- প্রথমটো হ'ল সুদক্ষ মানৱ সম্পদৰ নাটনি আৰু দ্বিতীয়টো হ'ল অদক্ষ আৰু অব্যৱহৃত মানৱ সম্পদৰ বিশাল ভাণ্ডাৰ। উপযুক্ত মানৱ সম্পদ পৰিকল্পনাৰ যোগেদি মানৱ সম্পদৰ চাহিদা আৰু যোগানৰ অসমতা দূৰ কৰিব পাৰি।

৩। ভৱিষ্যতে প্রয়োজন হ'ব পৰা মানৱশক্তিৰ বাবে পৰিকল্পনাৰ আৱশ্যক। ব্যৱসায়িক প্রয়োজনৰ ধাৰাবাহিক পৰিবর্তনৰ লগে লগে কোম্পানী এটাই ভৱিষ্যতৰ ধাৰা আৰু ভৱিষ্যতে প্রয়োজন হ'ব পৰা ধৰণৰ কর্মচাৰীৰ বিষয়ে বুজা উচিত। এইদৰে সংস্থা এটাই তেওঁলোকৰ বাবে ভৱিষ্যতে প্রয়োজন হ'ব পৰা কর্মচাৰীসম্পর্কে পূৰ্বানুমান কৰা উচিত। ইয়ে তেওঁলোকক ভৱিষ্যতে প্রশিক্ষণ প্রাপ্ত মানৱশক্তিৰ নাটনিৰপৰা ৰক্ষা কৰিব।

৪। মানৱ শকি পৰিকল্পনাৰ ক্ষেত্রত জড়িত স্তৰ সমূহ হ'ল- প্রচলিত কর্মশক্তিৰ বুজ লোৱা, ভৱিষ্যত মানৱশক্তিৰ পূৰ্বানুমান কৰা, নির্বাচন আৰু নিয়োগ, প্রশিক্ষণ কার্যসূচীৰ আৰ্হি প্রস্তুতকৰণ।

৫। জনসংখ্যা বিস্ফোৰণৰ সমস্যাৰ সৈতে যুজিবলৈ ভাৰত চৰকাৰে বহুতো উপায় হাতত লৈছে। জনসংখ্যাৰ সুস্থিৰতা নিশ্চিত কৰাৰ উদ্দেশ্য ৰাষ্ট্রীয় জনসংখ্যা নীতি ২০০০ প্রৱর্তন কৰিছে। এই নীতিয়ে সহজলভ্য জননী স্বাস্থ্য যত্ন, প্রাথমিক আৰু মাধ্যমিক শিক্ষা উন্নীতকৰণৰ দ্বাৰা জীৱন ধাৰণৰ মানদণ্ড উন্নয়ন,

অনাময় খোৱা-পানী, গৃহ নিৰ্মাণ, পৰিবহন, যোগাযোগ ইত্যাদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

৬। সৰ্বশিক্ষা অভিযানৰ প্ৰধান উদ্দেশ্য হ'ল শিক্ষাৰ অধিকাৰ আইন ২০০৯ ৰ অধীনত ছয় বছৰ বয়সৰ পৰা ১৪ বছৰ বয়সলৈ সকলো শিশুৰ বাবে বিনামূলীয়া শিক্ষা এক মৌলিক অধিকাৰ হিচাপে চিহ্নিত কৰা।

? ১৩.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ৭৫ টা মান শব্দত উত্তৰ দিয়ক)

১। মানৱশক্তি পৰিকল্পনাই কেনেকৈ সম্পদৰ কাম্য ব্যৱহাৰত সহায় কৰে।

২। প্ৰশিক্ষণ কাৰ্যসূচীয়ে মানৱশক্তি পৰিকল্পনা প্ৰক্ৰিয়াত কেনেদৰে সহায় কৰে।

৩। ভাৰত নিৰ্মাণ আঁচনিৰ উদ্দেশ্য কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

১। মানৱ শক্তি পৰিকল্পনাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

২। মানৱ শক্তি পৰিকল্পনা প্ৰক্ৰিয়াত জড়িত স্তৰ সমূহৰ বিষয়ে আলোচনা কৰক।

৩। ভাৰত চৰকাৰে ভাৰতবৰ্ষত মানৱশক্তি পৰিকল্পনাৰ ক্ষেত্ৰত কি কি ব্যৱস্থা গ্ৰহণ কৰিছে।

*****

অধ্যায় ১৪ ঃ মানৱ সম্পদ উন্নয়ন

অধ্যায় গাঁথনি

১৪.১ শিক্ষণৰ উদ্দেশ্য
১৪.২ পাতনি
১৪.৩ মানৱ সম্পদ উন্নয়ন
১৪.৪ মানৱ সম্পদ উন্নয়নৰ গুৰুত্ব
১৪.৫ মানৱ সম্পদ উন্নয়নৰ উদ্দেশ্য
১৪.৬ মানৱ সম্পদ উন্নয়নৰ সুচক সমূহ
১৪.৭ অধ্যায়টো সামৰো আহক
১৪.৮ অধিক পাঠ
১৪.৯ অগ্রগতিৰ খতিয়ানৰ উত্তৰসমূহ
১৪.১০ আৰ্হি প্ৰশ্নাৱলী

১৪.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- মানৱ সম্পদ উন্নয়নৰ অর্থ বুজিব পাৰিব
- মানৱ সম্পদ উন্নয়নৰ গুৰুত্ব সম্পর্কে জানিব পাৰিব
- মানৱ সম্পদ উন্নয়নৰ উদ্দেশ্য ব্যাখ্যা কৰিব পাৰিব
- মানৱ সম্পদ উন্নয়নৰ বৈশিষ্ট্যসমূহ বুজিব পাৰিব
- মানৱ সম্পদ উন্নয়নৰ সুচকসমূহ উলিয়াব পাৰিব

১৪.২ পৰিচয়

যিকোনো সমাজ বা দেশৰ উন্নয়নৰ কাৰণে মানৱ সম্পদ উন্নয়ন আৱশ্যক। মানৱ সম্পদৰ অসীম সাম্ভাব্য সামর্থ আছে। গতিকে তেওঁলোকে যাতে তেওঁলোকৰ সামর্থক সম্পূর্ণভাৱে ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে তেওঁলোকক প্ৰশিক্ষণপ্ৰাপ্ত কৰাটো লাভজনক। এখন দেশ প্ৰাকৃতিক সম্পদ অবিহনে উন্নয়ন সাধন কৰিব পাৰে, কিন্তু কোনো দেশ পর্য্যাপ্ত মানৱ সম্পদ অবিহনে উন্নয়ন সাধন কৰিব নোৱাৰে। সেই অনুসৰি বহুতো সাম্প্ৰতিক উন্নয়ন আৰ্হিয়ে মানৱ সম্পদ উন্নয়নৰ ওপৰত প্ৰচুৰ গুৰুত্বাৰোপ কৰিছে। মানৱ উন্নয়নে অর্থনীতিৰ সকলো ক্ষেত্ৰত থকা মানুহৰ উৎপাদনশীলতা বৃদ্ধি কৰাত সহায় কৰে। মানুহৰ উচ্চ দক্ষতাই উৎপাদনৰ উন্নত কাৰি-কৌশল তথা সামগ্ৰী আৰু সেৱাৰ বিক্ৰীৰ ক্ষেত্ৰত সহায় কৰে। ইয়ে, অন্য কথাত ক'বলৈ গ'লে দেশখনৰ অর্থনৈতিক বিকাশৰ পথ দেখুৱায়।

ক্ষুদ্ৰ পর্যায়ত মানৱ সম্পদ উন্নয়ন হ'ল মানৱ সম্পদ ব্যৱস্থাপনাৰ এটা অংশ। মানৱ সম্পদ ব্যৱস্থাপনা হ'ল এক প্ৰক্ৰিয়া, যিয়ে তলত দিয়াবোৰ সামৰি লয় —

ক) কর্মচাৰী নিযুক্তি আৰু বাচনি

খ) প্ৰাৰম্ভিক দিকদৰ্শন, প্ৰশিক্ষণ আৰু উন্নয়নৰ সুবিধা প্ৰদান

গ) কর্মচাৰীৰ পাৰদৰ্শিতা মূল্যাংকণ

ঘ) কর্মচাৰীৰ ভৰণ-পোষণ আৰু সা-সুবিধা, নিৰাপত্তা সুনিশ্চিতকৰণ, কল্যান ও সুস্বাস্থ্য ব্যৱস্থাপনা

ঙ) নিয়োগকাৰী আৰু ট্ৰেড ইউনিয়নৰ মাজত সু-সম্পর্ক বর্তাই ৰাখা আৰু ৰাখিবলৈ উৎসাহিত কৰা।

১৪.৩ মানৱ সম্পদ উন্নয়ন

মানৱ সম্পদ উন্নয়ন হ'ল এখন সমাজত থকা সকলো মানুহৰ জ্ঞান, দক্ষতা আৰু সামর্থ বৃদ্ধিৰ প্ৰক্ৰিয়া। অর্থনৈতিক দৃষ্টিভংগীৰ পৰা ইয়াক অর্থনীতি এখনৰ উন্নয়নত মানৱ মুলধনৰ সঞ্চয়ন আৰু ইয়াৰ কার্যকৰী বিনিয়োগ হিচাপে বর্ণনা কৰিব পাৰি। মানৱ সম্পদ উন্নয়ন মূলতঃ শিক্ষা আৰু স্বাস্থ্যৰ ওপৰত নির্ভৰ কৰে। প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি বিভিন্ন দিশৰ মাধ্যমিক শিক্ষা, উচ্চ শিক্ষা, আনুষ্ঠানিক শিক্ষাৰ স'তে মানৱ সম্পদৰ উন্নয়ন হয়।

মানৱ সম্পদ উন্নয়নৰ দ্বিতীয় চর্তটো হ'ল উন্নত চিকিৎসা আৰু জনস্বাস্থ্য কার্যসূচীৰ জৰিয়তে তথা পুষ্টিৰ উন্নয়নেৰে কর্মৰত জনসাধাৰণৰ স্বাস্থ্যৰ উৎকর্ষ সাধন, যিয়ে মানুহৰ কর্মক্ষমতা দৈনিক কর্ম সূচীৰ লগতে কর্মজীৱনৰ ওপৰত ভিত্তি কৰি বৃদ্ধি কৰে।

অর্থ আৰু ব্যাখ্যা ঃ

১) মানৱ সম্পদ উন্নয়ন হ'ল কর্মচাৰী সকলোৰ ব্যক্তিগত তথা সাংগঠনিক দক্ষতা, জ্ঞান আৰু সামর্থ বিকাশত তেওঁলোকক সহায় কৰা বিধান। মানৱ সম্পদ উন্নয়নে কর্মচাৰীৰ প্ৰশিক্ষণ, কর্মচাৰীৰ পেচাগত উন্নয়ন, দিশ নির্দেশনা, উত্তৰসূৰী পৰিকল্পনা, কর্মচাৰী চিনাক্তকৰণ,ৰ চাবিকাঠি সদৃশ, ব্যক্তিগত শিক্ষাদানত সহায় তথা সাংগঠনিক উন্নয়ন আদিৰ দৰে বিষয়সমূহ সামৰি লয়।

২) মানৱ সম্পদ উন্নয়ন মানৱ সম্পদ ব্যৱস্থাপনাৰ সেইটো অংশ যিয়ে বিশেষভাৱে কর্মচাৰীসকলোৰ প্ৰশিক্ষণ আৰু উন্নয়নৰ লগত জড়িত হয়। এগৰাকী নৱনিযুক্ত ব্যক্তিক প্ৰশিক্ষণ দিয়া, নতুন কৌশল আয়ত্ব কৰিবলৈ সুযোগ প্ৰদান কৰা, কর্মচাৰীৰ কার্য সম্পাদনত সুবিধা হ'ব পৰা সম্পদসমূহৰ বিতৰণ আৰু অন্যান্য উন্নয়নমূলক কামকাজক মানৱ সম্পদ উন্নয়নে সামৰি লয়।

মানৱ সম্পদ উন্নয়নৰ ধাৰণাটো পোন প্ৰথমবাৰৰ বাবে লিয়ন নডলাৰে আমেৰিকাত এক সন্মিলনত সূচনা কৰিছিল। তেওঁ মানৱ সম্পদ উন্নয়নক "সেইবোৰ শিক্ষণ অভিজ্ঞতা, যিবোৰ কোনো এক নির্দিষ্ট সময়ত সংগঠিত কৰা হয় আৰু আচৰণগত পৰিৱর্তনৰ সম্ভাৱনাৰ বাবে ৰূপাংকৰ কৰা হয়" বুলি ব্যাখ্যা কৰে। গতিকে মানৱ সম্পদ উন্নয়ন এক প্ৰক্ৰিয়া য'ত কোনো সংস্থাৰ কর্মচাৰীসকলোক তেওঁলোকৰ জ্ঞান, কৌশল, শিক্ষা আৰু সামর্থ বৃদ্ধি কৰাৰ বাবে প্ৰশিক্ষণ আৰু বিকাশৰ সুবিধা প্ৰদান কৰা হয়।

বেলেগ বেলেগ পণ্ডিতে মানৱ সম্পদ উন্নয়নক ভিন্ন ধৰণে ব্যাখ্যা কৰে। মানৱ সম্পদৰ কেতবোৰ গুৰুত্বপূর্ণ ব্যাখ্যা তলত আগবঢ়োৱা হ'ল —

- লিওনার্ড নাডলাৰৰ মতে, "মানৱ সম্পদ উন্নয়ন হ'ল কোনো এক বিশেষ সময়ত আৰু আচৰণগত

পৰিৱৰ্তণ সাধিবলৈ ৰূপাংকৰিত কৰা কেতবোৰ শৃংখলাবদ্ধ কামকাজ"।

- উদয় পাৰিক আৰু টি ভি ৰাও এ মানৱ সম্পদ উন্নয়নক এনেদৰে ব্যাখ্যা কৰে, "মানৱ সম্পদ উন্নয়ন প্ৰাথমিকভাৱে প্ৰশিক্ষণ, সঁহাৰি /মন্তব্য আৰু জেষ্ঠ বিষয়াসকলোৰ দিহা পৰামৰ্শ তথা অন্যান্য উন্নয়নমূলক প্ৰচেষ্টাৰ দ্বাৰা কৰ্মচাৰীসকলোৰ উন্নয়নৰ লগত জড়িত"।
- এম এম খানৰ মতে, "মানৱ সম্পদ উন্নয়ন হ'ল এটা ব্যৱসায়িক প্ৰতিষ্ঠানত কৰ্মৰত সকলো শ্ৰেণীৰ কৰ্মচাৰীৰ জ্ঞান, সামৰ্থ আৰু যোগাত্মক কৰ্ম স্পৃহা বৃদ্ধি কৰা প্ৰক্ৰিয়া"।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মানৱ সম্পদ উন্নয়ন কি? (৩০ টা মান শব্দত উত্তৰ দিয়া)

.....

.....

প্ৰশ্ন ২ ঃ মানৱ সম্পদ উন্নয়নৰ ধাৰণা কোনে প্ৰথমে সূচনা কৰিছিল?

.....

.....

প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক — "মানৱ সম্পদ উন্নয়ন হৈছে মানৱ সম্পদ ব্যৱস্থাপনাৰ এক অংশ"

.....

.....

১৪.৪ মানৱ সম্পদ উন্নয়নৰ গুৰুত্ব / তাৎপৰ্য

অধ্যাপক হাৰ্বিচনে মানৱ সম্পদ উন্নয়নৰ তাৎপৰ্য এনেদৰে ব্যাখ্যা কৰে, "মানৱ সম্পদ - - - - - - - - ৰাষ্ট্ৰৰ সম্পদ চূড়ান্ত উৎস বা ভিত্তিক গঠন কৰে। মুলধন আৰু প্ৰাকৃতিক সম্পদসমূহ হ'ল উৎপাদনৰ নিষ্ক্ৰিয় উপাদান; মানৱ জাতি হ'ল সক্ৰিয় প্ৰতিনিধি যিয়ে মুলধন সঞ্চয়ন কৰে, প্ৰাকৃতিক সম্পদ নিষ্কাশন কৰে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সংস্থাসমূহ সংগঠিত কৰে, তথা ৰাষ্ট্ৰীয় উন্নয়ন চলাই নিয়ে। স্পষ্টভাৱে ক'বলৈ গ'লে এখন দেশে যদি ইয়াৰ জনসাধাৰণৰ কৌশল আৰু জ্ঞান বৃদ্ধি আৰু তেওঁলোকক ৰাষ্ট্ৰীয় অৰ্থনীতিত কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰাত অসমৰ্থ হয়, ই কোনো ধৰণে উন্নয়নৰ পথত আগুৱাব নোৱাৰে।" গতিশীল আৰু বিকাশমুখী হ'ব খোজা যিকোনো প্ৰতিষ্ঠানে ইয়াৰ মানৱ সম্পদৰ উন্নয়ন কৰিবই লাগিব। গতিকে মানৱ সম্পদ উন্নয়নৰ প্ৰধান উদ্দেশ্য হ'ল তেওঁলোকৰ হাতত থকা কৰ্মচাৰীৰ জ্ঞান, কৌশল আৰু সামৰ্থ সমৃদ্ধ কৰিবলৈ প্ৰশিক্ষণ আৰু তদাৰকৰ ব্যৱস্থা কৰা। ৰাষ্ট্ৰ সংঘৰ উন্নয়ন ব্যৱস্থাৰ সক্ষমতাৰ (Capacity of the United Nations Development System) এক অধ্যয়ন মতে, কোৱা হয় যে, মুলধনতকৈ মানৱ সম্পদহে উন্নয়নৰ বাবে অধিক গুৰুত্বপূৰ্ণ"। এটি সংস্থাৰ বিকাশৰ বাবে মানৱ সম্পদৰ গুৰুত্ব তলত উল্লেখ কৰা হ'ল—

১) মানৱ সম্পদ উন্নয়নে ইপ্সিত লক্ষ্যসমূহ সফলতাৰে অর্জন কৰাত সহায় কৰে। অন্যার্থত, মানৱ সম্পদ উন্নয়নে সাংগঠনিক কার্যকাৰিতাক উদগনি যোগায়।

২) মানৱ সম্পদ পৰিকল্পনা আৰু নিয়ন্ত্রণৰ বাবে মানৱ সম্পদ উন্নয়নে বিভিন্ন ধৰণৰ তথ্য যোগান ধৰে।

৩) মানৱ সম্পদ উন্নয়নে কর্মচাৰীৰ সাংগঠনিক আচৰণ উন্নত কৰাত সহায় কৰে আৰু দলীয় কাম উন্নত কৰে।

৪) মানৱ সম্পদ উন্নয়নৰ গুৰুত্বপূর্ণ ভূমিকাসমূহৰ ভিতৰত এটা হ'ল যে ই কর্মচাৰীসকলোৰ কৌশল আৰু পাৰদর্শিতা উন্নত কৰে। ই তেওঁলোকৰ কর্ম পটুতা অধিক উন্নত কৰে।

৫) মানৱ সম্পদ উন্নয়নে কর্মচাৰীৰ কার্যকাৰিতাৰ কৌশল সমৃদ্ধ কৰে।

জানি থোৱা ভাল

যিকোনো সংগঠনৰ ক্ষেত্রত মানৱ সম্পদ উন্নয়নৰ এক গুৰুত্বপূর্ণ তাৎপর্য আছে। ই মানৱ উন্নয়নৰ বাবে প্রয়োজনীয় তথ্য যোগান ধৰে। ই কৌশল, জ্ঞান আৰু পাৰদর্শিতা বৃদ্ধিত সহায় কৰে আৰু সাংগঠনিক কার্যকাৰিতা বৃদ্ধি কৰে। কর্মচাৰী সকলে তেওঁলোকৰ কার্যকাৰিতাৰ কৌশল বৃদ্ধি কৰে আৰু ই তেওঁলোকৰ সাংগঠনিক আচৰণ উন্নত কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ মানৱ সম্পদ উন্নয়নৰ তাৎপর্যসমূহ দেখুওৱাওক। (৬০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন ৫ ঃ শুদ্ধ নে অশুদ্ধ লিখক

ক) মানৱ সম্পদ উন্নয়নে কর্মচাৰীৰ সাংগঠনিক আচৰণ উন্নত নকৰে।

খ) মানৱ সম্পদ উন্নয়নে বিভিন্ন প্রয়োজনীয় তথ্য যোগান ধৰে।

১৪.৫ মানৱ সম্পদ উন্নয়নৰ উদ্দেশ্যসমূহ

মানৱ সম্পদৰ প্রধান উদ্দেশ্যসমূহ হ'ল —

১) কর্মচাৰীসকলোক উৎসাহিত কৰা

২) সংস্থাত থকা প্রতিগৰাকী ব্যক্তিৰ গঠনমূলক মানসিকতা আৰু সামগ্রিক ব্যক্তিত্বৰ বিকাশ সাধন কৰা

৩) প্রতিগৰাকী কর্মচাৰী আৰু তেওঁলোকৰ তত্ত্বাৱধায়ক বিষয়াৰ মাজত সৌহার্দপূর্ণ সম্পর্ক বজাই ৰখা

৪) সংগঠনত দলীয় উদ্যম, দলীয় কাম আৰু আন্তঃদলীয় সহযোগিতাৰ মানসিকতা গঢ় দিয়া।

৫) মানৱ শক্তিৰ পৰিকল্পনা, সংস্থাপন আদিৰ দৰে বিষয়ত মানৱ সম্পদৰ উদ্দেশ্যৰ বাবে সু সংগঠিত তথ্য আহৰণ কৰা।

৬) সংস্থাৰ সামগ্রিক স্বাস্থ্য আৰু সামর্থ উন্নত কৰা।

৭) সংস্থাত থকা ব্যক্তিসকলোৰ সামগ্রিক বিকাশৰ বাবে এক সর্বাত্মক গাঠনিৰ ব্যৱস্থা কৰা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ঃ মানৱ সম্পদ উন্নয়নৰ উদ্দেশ্যসমূহ কি কি? (৬০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

প্রশ্ন ২ঃ শুদ্ধ নে অশুদ্ধ লিখক

ক) মানৱ সম্পদ ব্যৱস্থাপনাই কর্মচাৰী আৰু তেওঁলোকৰ তত্ত্বাৱধায়ক বিষয়াৰ মাজত সৌহার্দ্যপূর্ণ সম্পর্ক বজাই ৰাখে।

খ) মানৱ সম্পদ ব্যৱস্থাপনাই কর্মচাৰীৰ অৱস্থা আৰু সামর্থক বিবেচনা নকৰে।

জানি থোৱা ভাল

মানৱ সম্পদ উন্নয়ন হ'ল এক বিৰামহীন আৰু শংখলাবদ্ধ প্রক্রিয়া য'ত ব্যক্তিৰ বিকাশ সাধন হয়। ই কেতবোৰ কাৰিকৰি কৌশলযুক্ত আৰু এক বহুমুখি বিষয়, কাৰণ ই বিভিন্ন বিষয় বস্তুৰ জ্ঞান ব্যৱহাৰ কৰে। ক্ষুদ্র বা ব্যষ্টিবাদী পর্যায়ত মানৱ সম্পদ উন্নয়নে ব্যক্তিবিশেষৰ গুণগত উৎকর্ষ বুজায় আৰু সমষ্টিবাদী পর্যায়ত ই দেশ এখন বা এটা জাতিৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা বুজায়।

১৪.৬ মানৱ সম্পদ উন্নয়নৰ সুচকসমূহ

ৰাষ্ট্রসংঘৰ উন্নয়ন কার্যসূচী (The United Nations Development Programme)এ মানৱ উন্নয়নৰ মূল তিনিটা সূচক ব্যাখ্যা কৰিছে। সেই কেইটা হ'ল —

ক) আয়ুসৰ দৈর্ঘ্য

খ) শিক্ষা

গ) আয়

এই তিনিওটা একত্রিত কৰি মানৱ উন্নয়ন সূচাংক পাওঁ। মন কৰিবলগীয়া যে এই সূচাংক সমূহ নির্ণয় কৰাৰ পদ্ধতি সময়ে সময়ে সালসলনি হৈ থাকিব পাৰে।

ক) **আয়ুসৰ দৈর্ঘ্য ঃ**ই জন্মৰ সময়ত প্রত্যাশিত আয়ুস বুজায়। অন্য কথাত, এগৰাকী নৱজাতক কিমান বছৰ জীয়াই থাকিব বুলি আশা কৰিব পাৰি, আয়ুসৰ দৈর্ঘ্যই তাকেই বুজায়। আয়ুসৰ দৈর্ঘ্যৰ বাবে বেলেগ কৈ সূচাংক উলিওৱা হয় আৰু এই সূচাংকৰ মান ০-১ ৰ ভিতৰত থাকে।

খ) **শিক্ষা ঃ**এই সূচাংকই মানুহৰ শিক্ষাগত অর্হতা অর্জনৰ পর্যায়ৰ জোখ লয়। স্কুল যোৱা বয়সৰ ল'ৰা-ছোৱালীক স্কুল যোৱাৰ প্রত্যাশিত কাল আৰু প্রাপ্ত বয়স্কলোকৰ স্কুল যোৱা গড় বছৰ হিচাপ কৰা হয়। দীর্ঘায়ু সূচাংকৰ দৰেই শিক্ষাৰ সূচাংকৰ মানো ০-১ ৰ ভিতৰত থাকে। এই সূচাংকৰ মান যিমানেই বেছি হ'ব, সিমানেই শিক্ষাৰ পর্যায় অধিক হয়।

গ) **আয় ঃ**এই সূচাংকই ব্যক্তিৰ জনমুৰি আয়ক সূচায় যিয়ে জীৱন ধাৰণৰ মানদণ্ডৰ ওপৰত ধাৰণা দিব। অধিক আয়ে ব্যক্তিৰ উন্নত জীৱন ধাৰণৰ মান বুজাব আৰু নিম্ন আয়ে নিম্ন জীৱন ধাৰণৰ মান বুজাব। কোৱা হয় যিহেতু জনমূৰি আয়ত কৈ মানুহৰ জীৱন মানৰ উৎকৃষ্ট জোখ হিচাপে প্ৰকৃত জনমূৰি ঘৰুৱা উৎপাদনৰ পৰিমাপ উত্তম, ইয়াৰ বাবে প্ৰকৃত জনমূৰি ঘৰুৱা উৎপাদনকে লোৱা হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৮ ঃ মানৱ সম্পদ উন্নয়নৰ সূচকসমূহ কি কি ? (৬০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

.....

প্ৰশ্ন ৯ ঃ বৰ্তমান ভাৰতবৰ্ষত প্ৰত্যাশিত আয়ু কিমান?

.....

.....

প্ৰশ্ন ১০ঃ শুদ্ধ নে অশুদ্ধ লিখক —

ক) শিক্ষাৰ সূচাংকই মানুহৰ শিক্ষা আহৰণৰ পৰ্যায় বুজায়।

খ) উচ্চ আয়ে উন্নত জীৱন ধাৰণৰ মান সূচায়।

১৪.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- মানৱ সম্পদ উন্নয়ন হৈছে মানৱ সম্পদ ব্যৱস্থাপনাৰ এক অংশ
- মানৱ সম্পদ উন্নয়ন হৈছে এক প্ৰক্ৰিয়া য'ত কোনো এক সংস্থাৰ কৰ্মচাৰীৰ জ্ঞান, কৌশল, শিক্ষা আৰু সামৰ্থ বৃদ্ধিৰ বাবে তেওঁলোকক প্ৰশিক্ষণ আৰু বিকাশৰ সুবিধা প্ৰদান কৰা হয়।
- মানৱ সম্পদ উন্নয়নৰ যথেষ্ট গুৰুত্ব বা তাৎপৰ্য আছে।
- মানৱ সম্পদ উন্নয়নৰ কেতবোৰ উদ্দেশ্য আছে।
- মানৱ সম্পদ উন্নয়নৰ বৈশিষ্ট্যসমূহঃ
  - ক) বিৰামহীন প্ৰক্ৰিয়া
  - খ) শৃংখলাৱদ্ধ ব্যৱস্থা
  - গ) কাৰিকৰি কৌশল
  - ঘ) বহুমুখি বিষয়
  - ঙ) ব্যষ্টিবাদী আৰু সমষ্টিবাদী ধাৰণা
- মানৱ সম্পদ উন্নয়নৰ প্ৰধান তিনিটা সূচাংক আছে — আয়ুসৰ দৈর্ঘ্য, শিক্ষা, আৰু আয়।
  - ক) দীৰ্ঘায়ুৰ জন্মৰ সময়ত প্ৰত্যাশিত জীৱন কাল বুজায়।

খ) শিক্ষাই মানুহৰ শিক্ষার্জনৰ পর্যায় জোখে।

গ) আয়ে মানুহৰ প্রকৃত জনমূৰি ঘৰুৱা উৎপাদন বিবেচনা কৰে। উচ্চ পর্যায়ৰ আয়ে জীৱন ধাৰণৰ উন্নত মান বুজায়।

১৪.৮ অধিক জানিবলৈ

1. Dudeja V. D. (2006) *Human Resource Development:* Global Perspectives. Commonwealth Publishers
2. Harbison, F. and Charles A. Myers (1998). *Education, Manpower and Economic Growth*, New Delhi, Oxford & IBH Publishing Co.
3. Gupta, S.K. & Joshi, R (2010). *Human Resource Management*. New Delhi, Kalyani Publishers
4. Lekhi, R.K. (2014). *Introduction to Development Economics*. New Delhi, Kalyani Publishers
5. Sharma, R. (2010-11). *Human Resource Development*. Delhi, Lakshmi Narayan Agarwal Publisher

১৪.৯ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহ ঃ

১। মানৱ সম্পদ উন্নয়ন হৈছে এক প্রক্রিয়া য'ত কোনো এক সংস্থাৰ কর্মচাৰীৰ জ্ঞান, কৌশল, শিক্ষা আৰু সামর্থ বৃদ্ধিৰ বাবে তেওঁলোকক প্রশিক্ষণ আৰু বিকাশৰ সুবিধা প্রদান কৰা হয়।

২। লিঅন নাডলাৰে পোন প্রথমবাৰ মানৱ সম্পদ উন্নয়নৰ ধাৰণাটো সূচনা কৰিছিল।

৩। শুদ্ধ

৪। মানৱ সম্পদৰ উন্নয়নৰ গুৰুত্বসমূহ হ'ল —

ক) মানৱ সম্পদ উন্নয়নে সংগঠনৰ ঈপ্সিত লক্ষ্যসমূহ সফলতাৰে অর্জন কৰাত সহায় কৰে। অন্যার্থত, মানৱ সম্পদ উন্নয়নে সাংগঠনিক কার্যকাৰিতাৰ উদগনি যোগায়।

খ) মানৱ সম্পদ পৰিকল্পনা আৰু নিয়ন্ত্রনৰ বাবে মানৱ সম্পদ উন্নয়নে বিভিন্ন ধৰণৰ তথ্য যোগান ধৰে।

গ) মানৱ সম্পদ উন্নয়নে কর্মচাৰীৰ সাংগঠিনক আচৰণ উন্নত কৰাত সহায় কৰে আৰু দলীয় কামত উন্নত কৰে।

ঘ) মানৱ সম্পদ উন্নয়নৰ গুৰুত্বপূর্ণ ভূমিকাসমূহৰ ভিতৰত এটা হ'ল যে ই কর্মচাৰীসকলোৰ কৌশল আৰু পাৰদর্শিতা উন্নত কৰে। ই তেওঁলোকৰ কর্ম পটুতা অধিক উন্নত কৰে।

ঙ) মানৱ সম্পদ উন্নয়নে কার্যকৰিতাৰ কৌশল সমৃদ্ধ কৰে।

৫। ক) অশুদ্ধ খ) শুদ্ধ

৬। মানৱ সম্পদৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল —

ক) কৰ্মচাৰীসকলোক উৎসাহিত কৰা

খ) সংস্থাত থকা প্ৰতিগৰাকী ব্যক্তিৰ গঠনমূলক মানসিকতা আৰু সামগ্ৰিক ব্যক্তিত্বৰ বিকাশ সাধন কৰা

গ) প্ৰতিগৰাকী কৰ্মচাৰী আৰু তেওঁলোকৰ তত্ত্বাবধায়ক বিষয়াৰ মাজত সৌহাৰ্দপূৰ্ণ সম্পৰ্ক বজাই ৰখা

ঘ) সংগঠনত দলীয় উদ্যম, দলীয় কাম আৰু আন্ত দলীয় সহযোগীতাৰ মানসিকতা গঢ় দিয়া।

ঙ) মানৱ শক্তিৰ পৰিকল্পনা, সংস্থাপন আদিৰ দৰে বিষয়ত মানৱ সম্পদৰ উদ্দেশ্যৰ বাবে সু সংগঠিত তথ্য আহৰণ কৰা।

চ) সংস্থাৰ সামগ্ৰিক স্বাস্থ্য আৰু সামৰ্থ উন্নত কৰা।

ছ) সংস্থাত থকা ব্যক্তিসকলোৰ সামগ্ৰিক বিকাশৰ বাবে এক সৰ্বাত্মক সজ্জা বা গাঠনিৰ ব্যৱস্থা কৰা।

৭। ক) শুদ্ধ খ) অশুদ্ধ

৮। মানৱ সম্পদ উন্নয়নৰ বৈশিষ্ট্যসমূহ ঃ

ক) বিৰামহীন প্ৰক্ৰিয়া

খ) শৃংখলাৱদ্ধ ব্যৱস্থা

গ) কাৰিকৰী কৌশল

ঘ) বহুমূখী বিষয়

ঙ) ব্যষ্টিবাদী আৰু সমষ্টিবাদী ধাৰণা

৯। ক) অশুদ্ধ খ) শুদ্ধ

১০। **মানৱ উন্নয়নৰ সূচক সমূহ হ'ল ঃ**

ক) **আয়ুসৰ দৈর্ঘ্য ঃ** ই জন্মৰ সময়ত প্ৰত্যাশিত আয়ু বুজায়। অন্য কথাত, এগৰাকী নৱজাতক কিমান বছৰ জীয়াই থাকিব বুলি আশা কৰিব পাৰি, আয়ুসৰ দৈর্ঘ্যই তাকেই বুজায়। আয়ুসৰ দৈর্ঘ্যৰ বাবে বেলেগ কৈ সূচাংক উলিওৱা হয় আৰু এই সূচাংকৰ মান ০-১ৰ ভিতৰত থাকে।

খ) **শিক্ষা ঃ** এই সূচাংকই মানুহৰ শিক্ষাগত অৰ্হতাৰ অৰ্জনৰ পৰ্যায়ৰ জোখ লয়। স্কুল যোৱা ল'ৰা-ছোৱালীৰ স্কুল যোৱাৰ প্ৰত্যাশিত কাল আৰু প্ৰাপ্তবয়স্ক লোকৰ স্কুল যোৱা গঢ় বছৰ হিচাপ কৰা হয়। দীৰ্ঘায়ু সূচাংকৰ দৰেই শিক্ষাৰ সূচাংকৰ মানো ০-১ ৰ ভিতৰত থাকে। এই সূচকৰ মান যিমানেই বেছি হ'ব, সিমানেই শিক্ষাৰ পৰ্যায় অধিক হয়।

গ) **আয় ঃ** এই সূচাংকই ব্যক্তিৰ জনমূৰি আয়ক সূচায় যিয়ে জীৱন ধাৰণৰ মানদণ্ডৰ ওপৰত ধাৰণা দিব। অধিক আয়ে ব্যক্তিৰ উন্নত জীৱন ধাৰণৰ মান বুজাব আৰু নিম্ন আয়ে নিম্ন জীৱন ধাৰণৰ মান বুজাব। ধৰা হয় যিহেতু জনমূৰি আয়ত কৈ মানুহৰ জীৱন মানৰ উৎকৃষ্ট জোখ হিচাপে প্ৰকৃত জনমূৰি ঘৰুৱা উৎপাদনৰ পৰিমাপ উত্তম, ইয়াৰ বাবে প্ৰকৃত জনমূৰি ঘৰুৱা উৎপাদনকে লোৱা হয়।

১১। বর্তমান ভাৰতৰ প্রত্যাশিত আয়ুস হ'ল ৫৭ বছৰ

১২। ক) শুদ্ধ খ) শুদ্ধ

১৪.১০ আৰ্হি প্রশ্ন

(ক) **চমু উত্তৰৰ প্রশ্ন ঃ** (প্রতিটো প্রশ্নৰ ১০০ টা মান শব্দত উত্তৰ দিয়ক)

১। মানৱ সম্পদ উন্নয়ন কি?

২। মানৱ সম্পদ উন্নয়নৰ দুটা উদ্দেশ্য লিখক।

৩। মানৱ সম্পদ উন্নযনে ব্যষ্টিবাদী আৰু সমষ্টিবাদী দুয়োটা দিশকে সামৰি লয়। ব্যাখ্যা কৰক।

৪। মানৱ সম্পদ উন্নয়নৰ সূচক সমূহ উনুকিয়াওক।

(খ) **ৰচনাধর্মী উত্তৰৰ প্রশ্ন ঃ** (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

১। মানৱ সম্পদ উন্নয়নৰ তাৎপর্য লিখক।

২। মানৱ সম্পদ উন্নয়নৰ উদ্দেশ্যসমূহ কি কি?

৩। মানৱ সম্পদ উন্নয়নৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

৪। মানৱ সম্পদ উন্নয়নৰ সূচক সমূহ কি কি? প্রত্যেকটো ব্যাখ্যা কৰক।

*****

অধ্যায় ১৫ ঃ সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়

অধ্যায় গাঁথনি

১৫.১ শিক্ষণৰ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়ৰ (MDGS)

১৫.৩.১ অর্থ আৰু সূত্ৰ

১৫.৩.২ আঠোটা উন্নয়নৰ অভিপ্ৰায়

১৫.৩.৩ সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়ৰ বৈশিষ্ট্য সমূহ

১৫.৪ সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়ৰ গুৰুত্ব

১৫.৫ সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়ৰ সমালোচনাত্মক বিশ্লেষণ

১৫.৫.১ সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়ৰ সফলতা

১৫.৫.২ সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়ৰ বিফলতা

১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৭ অধিক জানিবলৈ

১৫.৮ অগ্ৰগতি খতিয়ান

১৫.৯ আৰ্হি প্ৰশ্ন

১৫.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- সহস্ৰবাদ উন্নয়ন অভিপ্ৰায় বুলিলে কি বুজা হয়
- সহস্ৰবাদ উন্নয়ন অভিপ্ৰায় মূল ধাৰণাসমূহৰ বিষয়ে
- সহস্ৰাবাদ উন্নয়ন অভিপ্ৰায়ৰ মূল লক্ষ্য আৰু সূচক সমূহ চিনাক্ত কৰণ
- উন্নত আৰু উন্নয়নশীল অর্থনীতিৰ বৈশিষ্ট্যসমূহ চিনাক্ত তথা বহলাই বর্ণনা কৰিব পাৰিব
- সহস্ৰবাদ উন্নয়নৰ অভিপ্ৰায়ৰ গুৰুত্ব সম্পর্কে জানিবলৈ
- সহস্ৰবাদ উন্নয়নৰ অভিপ্ৰায়ৰ সফলতা আৰু বিফলতাৰ মান নিদ্ধাৰণ কৰিবলৈ সক্ষম হব।

১৫.২ পৰিচয়

সহস্ৰবাদৰ মাত্ৰ আৰম্ভণিৰ লগে লগে উন্নত দেশ সমূহৰ মাজত পৃথিৱীৰ হাজাৰ হাজাৰ মানুহ যি সকলে দৰিদ্ৰ তথা অন্য বহুত সমস্যাৰে জর্জৰিত হৈ আছে সেই সকলৰ প্ৰতি কিবা এটা কৰাৰ এক নতুন ভাবৰ উদ্ৰেক হৈছিল, যিয়ে এই সকললোকক কিছু পৰিমাণে হলেও উপকৃত কৰে। ২০০০ চনৰ ছেপ্তেম্বৰত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ সহস্ৰবাদৰ বৈধকত পৃথিৱীৰ ১৮৯ খন উন্নত আৰু অনুন্নত দুয়োপ্ৰকাৰ দেশৰেই প্ৰতিনিধি মিলিত হৈছিল আৰু ভৱিষ্যতৰ লক্ষ্য সম্পর্কে আলোচনা কৰিছিল। তেওঁলোক একে লগ হৈ সামুহিক

প্ৰচেষ্টাৰে কাম কৰি ২০১৫ ৰ ভিতৰত এখন উন্নত পৃথিৱী গঢ়াৰ চুক্তি কৰিছিল। দেশসমূহৰ নেতা বিলাকে দ্বিধাহীন ভাবে ইয়াত চহী কৰিছিল আৰু এলানি উন্নয়নৰ আঁচনি হাতত লৈছিল। এইবোৰৰ বৈশিষ্ট আছিল- দৰিদ্ৰতা নিবাৰণ, সামাজিক অন্যায় আৰু অসমতা দূৰ কৰা, ছোৱালীকে ধৰি সকলো শিশুক স্কুললৈ যাবলৈ বাধ্য কৰোৱা, মাক আৰু শিশুৰ বাবে উন্নত পৰিবেশ সৃষ্টি কৰা, শিশুৰ শিক্ষা উন্নত কৰা, মহিলা সকলৰে সমানে সুযোগ প্ৰদান কৰা, (HIV/AIDS) প্ৰতিহত কৰি সুস্বাস্থ্যৰ অধিকাৰী হোৱা লগতে বহনক্ষম উন্নয়নৰ ওপৰত ভিত্তি কৰি স্বাস্থ্য খণ্ডৰ উন্নতি কৰা।

এই গোটেই আচঁনি খন আঠোটা মূল লক্ষ্যৰে অন্তৰ্ভুক্ত কৰি পৃথিৱীৰ দেশ সমূহৰ মাজত উন্নয়নৰ পৰিকল্পনা হাতত লোৱা হৈছিল আৰু প্ৰতিটো লক্ষ্য বাস্তৱত ৰূপায়িত হোৱাৰ সময়সীমা বান্ধি দিয়া হৈছে যাতে উন্নয়নৰ খতিয়ান নিদিষ্ট সময়ৰ ভিতৰত জুখিব পাৰি। সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়ৰ আঠোটা লক্ষ্যৰ ভিতৰত আঁচনিখনৰ বৈশিষ্ট্য অনুসৰি দৰিদ্ৰতা নিৰ্মূলৰ পৰা আৰম্ভ কৰি এইড্চ প্ৰতিৰোধ আৰু সাৰ্বজনীন প্ৰাথমিক শিক্ষা প্ৰদান আদি সুনিদ্দিষ্টকৈ সন্নিবিষ্ট কৰা হৈছে।

১৫.৩ সহস্ৰবাদ উন্নয়নৰ অভিপ্ৰায়ৰ

ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ সভা ২০০০ চনত এক ঐতিহাসিক ৰায়েৰে সমাপ্তি ঘটিছিল কিয়নো ই সহস্ৰবাদ উন্নয়নৰ আঁচনিৰ ঘোষণা হাতত লৈছিল। এই ঘোষণাই পৃথিৱীৰ বিভিন্ন দেশ সমূহৰ চৰকাৰ বোৰ একেলগ হৈ দৰিদ্ৰতাৰ নিৰ্মূল কৰাৰ হকে মুকলি মনেৰে কাম কৰাৰ সংকল্প লোৱাৰ সুবিধা দিছিল। ইয়াৰে পৰিসমাপ্তি হিচাপে আন্তৰ্জাতিক উন্নয়ন লক্ষ্য ২০১৫ ৰ উদ্ভব হৈছিল। ইয়াৰ অন্তৰ্গত বিষয় সমূহ- দৰিদ্ৰতাৰ লগত সহবাস কৰা মানুহৰ সংখ্যা হ্ৰাস কৰা, বিশুদ্ধ খোৱাপানী যোগান ধৰা, ভোকাতুৰ মানুহৰ অনুপাত আধা কৰা, সাৰ্বজনীন প্ৰাইমেৰী শিক্ষা প্ৰদান কৰা। লিঙ্গ বৈষম্য আঁতৰ কৰা প্ৰসূতি মৃত্যুৰ হাৰ চাৰিভাগৰ তিনিভাগ হ্ৰাস কৰা; ৫ বছৰৰ তলৰ শিশুৰ মৃত্যুহাৰ তিনি অংশ হ্ৰাস কৰা, (HIV/AIDS) আকান্ত লোকৰ সংখ্যা হ্ৰাস কৰা আৰু ইয়াৰ প্ৰসাৰ সম্পূৰ্ণৰূপে বন্ধ কৰা, AIDS আকান্ত মাউৰা শিশু সকলক বিশেষ সুবিধা প্ৰদান কৰা, বস্তি অঞ্চলত বাস কৰা ১০০ মিলিয়ন লোকৰ অৱস্থা উন্নত কৰা ইত্যাদি। এই সহস্ৰবাদ ঘোষণাৰ পৰাই সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়ৰ জন্ম হৈছিল।

১৫.৪ আঠোটা সহস্ৰবাদ উন্নয়ন লক্ষ্য

সহস্ৰবাদ উন্নয়ন অভিপ্ৰায়ৰ আঠটা উদ্দেশ্য আছে. প্ৰতিটো উদ্দেশ্য এটা বা তাতকৈ বেচি লক্ষ্যত অনুবাদ কৰা হৈছে আৰু এই লক্ষ্যবোৰ বিভিন্ন সূচকৰ মাজেৰে প্ৰকাশ কৰা হয়। যিবোৰে প্ৰতিতো উদ্দেশ্য লক্ষ্যত উপনীত হোৱাৰ হাৰ সম্পৰ্কে অৱগত কৰে। আঠোটা উদ্দেশ্যৰ মুঠ লক্ষ্য হৈছে ১৮ টা আৰু মুঠ সূচকৰ সংখ্যা ৪৮ টা। প্ৰতিটো উদ্দেশ্য এনেভাবে সজোৱা হৈছে যাতে প্ৰতিটো উদ্দেশ্য সহজতে বুজিব পাৰি আৰু তাক ব্যৱহাৰ আৰু জুখিবও সহজতে পাৰি।

তালিকা-১

ক্ৰমিক নং	উদ্দেশ্য	লক্ষ্য	সূচক
১।	ক্ষুধা আৰু দৰিদ্ৰতা নিবাৰণ কৰা	● ১৯৯০ আৰু ২০১৫ চনৰ মাজৰ মানুহ যি সকলৰ আয় দৈনিক ১ ডলাৰ তকৈ কম ● ১৯৯০ আৰু ২০১৫ চনৰ ভিতৰৰ যি সকল ক্ষুধাতুৰ	৫
২।	সাৰ্বজনীন প্ৰাথমিক শিক্ষা প্ৰদান	● ২০১৫ চন পৰ্য্যন্ত যি কোনো অঞ্চলৰ ল'ৰা বা ছোৱালী নিৰ্বিশেষে সকলোৱে প্ৰামমিক শিক্ষা বাধ্যতা মূলক ভাবে সম্পূৰ্ণ কৰিব লাগিব।	৩
৩।	লিঙ্গ সমতা সৃষ্টি কৰা আৰু মহিলাক সবল কৰা	● ২০০৫ চন পৰ্য্যন্ত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত লিঙ্গ বৈষম্য আতৰ কৰা আৰু ২০২৫ চন পৰ্য্যন্ত সকলো শিক্ষাতে লিঙ্গ বৈসম্য আঁতৰ কৰা।	৪
৪।	শিশুৰ মৃত্যু হাৰ হ্ৰাস	● ১৯৯০ চনৰ পৰা২০১৫ চনৰ ভিতৰৰ ৫বছৰৰ তলৰ শিশুৰ মৃত্যুৰ হাৰ ৩ ভাগৰ ২ ভাগ হ্ৰাস কৰা ।	৩
৫।	প্ৰসূতি স্বাস্থ্য খণ্ডৰ উন্নতি সাধন কৰা	● ১৯৯০ চনৰ পৰা২০১৫ চন পৰ্যন্ত প্ৰসূতি খণ্ডৰ মৃত্যুৰ হাৰ ৩ অংশ হ্ৰাস কৰা।	২
৬।	HIV/AIDS ,মেলেলিয়া আৰু অন্য বেমাৰ প্ৰতিৰোধ কৰা।	● ২০১৫ চন পৰ্যন্ত এই ৰোগ প্ৰতিৰোধ কৰা আৰু তাৰ পিছত মেলেৰিয়াকে ধৰি অইন বেমাৰ প্ৰতিৰোধ কৰা	৭
৭।	পৰিবেশৰ বহনক্ষম ক্ষমতা বৃদ্ধি কৰা	● দেশৰ নীতি নিদ্ধাৰণত বহনক্ষম উন্নয়ন প্ৰৱৰ্তন কৰা আৰু পৰিবেশ বিনষ্ট কৰি সম্পদ ধংস বন্ধ কৰা। ● ২০১৫ চনৰ ভিতৰত বহনক্ষম	৮

		পদ্ধতিৰে বিশুদ্ধ পানী যোগানৰ ব্যৱস্থা কৰা। ● কম পক্ষেও বস্তি অঞ্চলত বাস কৰা ১০০ মিলিয়ন বস্তি অঞ্চলত বাস কৰা লোকৰ বসবাস উন্নত কৰা	
৮।	উন্নয়নৰ কাৰণে গোলকীয় অংশীদাৰ বৃদ্ধি কৰা।	● মুক্ত নীতিভিত্তিক, নিশ্চিত, বৈষম্যহান ব্যবসায় আৰু বিত্তীয় পদ্ধতি ভিত্তিক সাম্য আৰু বিত্তিয় পদ্ধতি প্ৰবৰ্তন কৰা। ● উন্নয়নশীল দেশৰ বিশেষ প্ৰয়োজনবোৰ নিৰ্বাচন কৰা। ● ভূমি বন্ধ দেশ আৰু সৰু দ্বীপৰ উন্নয়নশীল ৰাজ্য বোৰৰ বিশেষ প্ৰয়োজন বোৰ বহুল ভাবে আলোচনা কৰা। ● দীৰ্ঘকালত উন্নয়নশীল দেশসমূহৰ ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় আঁচনি সমূহৰ দ্বাৰা বহনক্ষম ঋনৰ বিষয়ে সবিশেষ আলোচনা কৰা। ● উন্নয়নশীল দেশৰ লগত সহযোগ কৰি উন্নত দেশ সমূহে যুব প্ৰজন্মক উৎপাদন মূলক আৰু সংগঠিত হৈ কাম কৰাৰ কৌশল আয়ত্ব কৰোৱা ● ঔষধ প্ৰতিষ্ঠান আৰু কোম্পানী সমূহৰ লগত একত্ৰিত হৈ উন্নয়নশীল দেশ সমূহে প্ৰয়োজনীয় দৰৱৰ যোগান ধৰা। ● ব্যক্তিগত খণ্ডৰ লগত লগ হৈ নতুন প্ৰযুক্তিগত কৌশলৰ বিশেষকৈ তথ্য আৰু যোগা-যোগ ব্যৱস্থা সহজ লভ্য কৰা।	১৬

১৫.৫ সহস্ৰবাদ উন্নয়নৰ অভিপ্ৰায়ৰ গুৰুত্ব

MDG য়েই আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু এতিয়ালৈকে প্ৰসাৰিত উন্নয়নৰ লক্ষ্য যিয়ে বাস্তৱত প্ৰত্যেকজন মানুহকে 'উন্নয়ন' তেওঁলোকৰ অধিকাৰ বুলি ভাবিবলৈ বাধ্য কৰায় MDG ৰ গুৰুত্ব বিভিন্ন ক্ষেত্ৰত আলোচনা কৰিব পাৰি-

(১) MDG ৰ প্ৰধান গুৰুত্ব এয়ে যে এইবোৰে কামৰ এটা স্পষ্ট ধাৰণাৰ যোগান ধৰে যি বোৰে পৃথিৱীৰ পৰা সামাজিক অন্যায় আৰু অসমতা দুৰ কৰিবলৈ সক্ষম হয়।

(২) MDG ৰ প্ৰধান-লক্ষ্য হ'ল পৃথিৱীৰ হাজাৰ হাজাৰ মানুহ যিয়ে বৰ্ত্তমানেও দৰিদ্ৰতাৰ কবলত আছে তাক উদ্ধাৰ কৰা।

(৩) MDG ৰ মূল লক্ষ্য দৰিদ্ৰতা নিমূল কৰা। গৱেষণাৰ ফলাফলে দেখুৱাই যে স্থিৰতা আৰু নিৰাপত্তাজনিত দৰিদ্ৰতাৰ হাৰ কমিছে। আনহাতে আন এটা তাৎপয্যপূৰ্ণ কথা এয়ে যে আয় বৃদ্ধিৰ ঋনাত্মক প্ৰভাবে মানুহৰ মাজত এখন অসামৰিক (Civil) যুদ্ধৰো আংশকা আনে।

(৪) দুখীয়াৰ মাজত অৰ্থনৈতিক সম্পদ বৃদ্ধিয়ে ভোগ্য সামগ্ৰীৰ নতুন বজাৰ আৰু বানিজ্যিক কাৰ্য্যকলাপ মুকলি কৰাৰ পৰিবেশ সৃষ্টি কৰে।

(৫) MDG ৰ আন এটা গুৰুত্ব এয়ে যে ই সকলোৰে মাজত এনে এটা বাৰ্তা বিয়পাবলৈ সক্ষম হৈছে যে আজি গোটেই পৃথিৱীৰ মানুহে যিবোৰ সমস্যাৰ সন্মুখীন হব লগা হৈছে। সেইবোৰ উন্নয়নশীল আৰু উন্নত দেশৰ মূৰব্বীজনে অকলে সমাধান কৰিব লগা বিষয় নহয়। এইবোৰ প্ৰত্যেকেই একেলগে বহি উমৈহতীয়া প্ৰচেষ্টাৰেহে সম্ভৱ সেইয়া সকলোৰে বোধগম্য হৈছে।

(৬) সহস্ৰবাদৰ প্ৰকল্পই যুক্তি আগবঢ়াই যে পোন প্ৰথম বাৰৰ বাবে গোটেই পৃথিৱীয়ে দ্ৰৰিদ্ৰতা নিৰ্মূলত উচ্চ আসন লাভ কৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ লিখক -

(ক) MDG উন্নয়ন লক্ষ্য সমূহৰ মাজৰ আটাইতকৈ অভিলাসী লক্ষ্য (শুদ্ধ/অশুদ্ধ)

(খ) MDG ত 'উন্নয়ন' মানুহৰ অধিকাৰ নহয় । (শুদ্ধ/অশুদ্ধ)

(গ) দৰিদ্ৰতা দূৰীকৰণৰ নিৰাপত্তা আৰু স্থিৰতাৰ লগত যোগাযোগ নাই। (শুদ্ধ/ অশুদ্ধ)

প্ৰশ্ন ৫ ঃ MDGয়ে আন্তৰ্জাতিক সহযোগিতা বৃদ্ধিত কিদৰে গুৰুত্ব আৰোপ কৰে উল্লেখ কৰা।
(৫০ টা শব্দৰ ভিতৰত)

.....

.....

১৫.৬ সহস্ৰবাদ উন্নয়নৰ অভিপ্ৰায়ৰ সমালোচনাত্মক বিশ্লেষণ

উন্নয়নৰ লক্ষ্য সমূহৰ ভিতৰত আটাইতকৈ অভিলাসী লক্ষ্য হৈছে MDG ই বিভিন্ন ক্ষেত্ৰত কৃতকাৰ্য্যতা লাভ কৰিছে। প্ৰায় বেচিভাগ উন্নয়নশীল দেশৰে উন্নয়ন খতিয়ান জানিবলৈ ব্যৱহাৰ কৰা চৰকাৰী নীতি নিদ্ধাৰণত

MDG য়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। একেদৰে ই এইটোও চিহ্নিত কৰে যে উন্নত দেশবোৰ নিজে উন্নয়নশীল দেশ বোৰৰ উন্নয়নৰ হেঙাৰ হিচাপে থিয় দিয়ে।

১৫.৬.১ সহস্ৰাবাদ উন্নয়ন অভিপ্ৰায়ৰ সাফল্য

UNDP ৰ ২০১৫ চনৰ MDG ৰ তথ্যই MDGৰ সাফল্যৰ হাৰ প্ৰতিফলিত কৰিছে। ৮ টা শক্তিশালী উদ্দেশ্য গোটেই বিশ্বত সাফল্যমণ্ডিত হোৱাটো ১৫ বছৰৰ কষ্টকৰ যাত্ৰাৰ সফলতা প্ৰাপ্তি বুলি তথ্যত প্ৰকাশ পাইছে। এই তথা মতে MDGৰ গুৰুত্বপূৰ্ণ সফলতা বোৰ হ'ল-

(১) দৰিদ্ৰসীমা ৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা আধাতকৈও বেচি হ্ৰাস পাইছে। ১৯৯০ চনৰ ১.৯ বিলিয়ন লোকৰ পৰা ২০১৫ চনলৈ ৮৩৬ মিনিয়নলৈ হ্ৰাস পাইছে।

(২) সাধাৰণ মধ্যবৰ্তী শ্ৰেণীত বাস কৰা লোকৰ সংখ্যা দৈনিক ৪ ডলাৰতকৈ বেচি অৰ্থাৎ ১৯৯১ আৰু ২০১৫ চনৰ ভিতৰত ৩ গুণৰ ওচৰ হৈছে।

(৩) ১৯৯০ চনৰ পৰা উন্নয়নশীল দেশত অস্বাস্থ্যবান লোকৰ অনুপাত প্ৰায় আধাই হ্ৰাস পাইছে।

(৪) গোটেই পৃথিৱীতে প্ৰাথমিক স্কুল পঢ়ি থকা বয়সৰ ল'ৰা ছোৱালীৰ স্কুল পৰিত্যাগ কৰা সংখ্যা প্ৰায় আধা হৈছে। এটা তথ্য মতে ২০০০ চনৰ ১০০ মিলিয়নৰ পৰা ২০১৫ চনত ৫৭ মিলিয়নলৈ হ্ৰাস পাইছে।

(৫) প্ৰায় বেচিভাগ দেশৰেই প্ৰাথমিক স্কুলত লিঙ্গ বৈষম্য আঁতৰ কৰা লক্ষ্যত উপনীত হৈছে।

(৬) ১৯৯০ চনৰ পিছত ৫ বছৰৰ তলৰ শিশুৰ মৃত্যুৰ হাৰ আধাতকৈ বেচি হ্ৰাস হৈছে।

(৭) গোটেই পৃথিৱীতে ১৯৯০ চনৰ পিছত প্ৰসূতি মৃত্যু হাৰ ৫০ % হ্ৰাস হয়।

(৮) ২০০০ ৰ পৰা ২০১৫ চনৰ ভিতৰত মেলেৰীয়াত আক্ৰান্ত মৃত্যু ৬.২ মিলিয়ন নিবাৰণ কৰা হৈছিল।

(৯) ২০০০ ৰ পৰা ২০১৩ চনৰ ভিতৰত প্ৰায় ৪০ % লোক নতুন HIV সংক্ৰামনৰ পৰা আঁতৰ কৰা হৈছিল।

(১০) ২০১৪ চনৰ জুন মাহলৈ ১৩.৬ মিলিয়ন HIV লগত জীয়াই থকা লোকে প্ৰতিৰোধক ৰোগ চিকিৎসা গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। যাৰ সংখ্যা ২০১৩ চনত মাত্ৰ ৮০০,০০০ আছিল।

(১১) ২০০০ ৰ পৰা ২০১৩ চনৰ মাজৰ সময়ছোৱাত যক্ষ্মা ৰোগৰ প্ৰতিৰোধ, চিনাক্তকৰণ আৰু নিৰাময় কৰণ কৰি ৩৭ মিলিয়ন লোক উপকৃত হৈছিল।

(১২) গোটেই পৃথিৱীৰ ২.১ বিলিয়ন লোক উন্নত স্বাস্থ্য সেৱা ব্যৱস্থাৰ দ্বাৰা উপকৃত হৈছিল।

(১৩) সমগ্ৰ পৃথিৱীৰ ১৪৭ খন দেশে MDGৰ বিশুদ্ধ খোৱা পানীৰ যোগান লক্ষ্যত উপনীত হৈছে। ইয়াৰে ৯৫ খন দেশে MDGৰ স্বাস্থ্য সেৱা লক্ষ্যত উপনীত হৈছে আৰু ৭৭ খন দেশে দুয়োটা লক্ষ্যতেই উপনীত হৈছে।

(১৪) ২০০০ ৰ পৰা ২০১৪ চনৰ ভিতৰত উন্নত দেশৰ পৰা অহা কাৰ্য্যালয় উন্নয়ন সাহায্য প্ৰকৃতাৰ্থত ৬৬ % অৰ্থাৎ ১৩৫.২ বিলিয়ন ডলাৰ।

১৫.৬.২ সহস্ৰাব্দ উন্নয়ন অভিপ্ৰায়ৰ বিফলতা

যদিও যথেষ্ট সংখ্যক MDG লক্ষ্যত উপনীত হ'বলৈ সক্ষম হৈছে তথাপিও সাৰ্বজনীন ভাবে এইবোৰ সকলো অঞ্চলতে সমানে সফলতা লাভ কৰা নাই।

উদ্দেশ্য	বিফলতা
১। দৰিদ্ৰতা আৰু ক্ষুধা নিবাৰণ	যদিও যথেষ্ঠ সংখ্যক লোক দৰিদ্ৰতা সীমা ৰেখাৰ ওপৰত আছে। তথাপিও প্ৰায় ৪০০ মিলিয়ন লোক এতিয়াও দৰিদ্ৰতা আৰু ক্ষুধা সহ্য কৰি আছে। তথাপিও প্ৰায় ৪০০ মিলিয়ন লোক এতিয়াও দৰিদ্ৰতা আৰু ক্ষুধা সহ্য কৰি আছে। প্ৰায় ১৬০ জনতকৈ বেচি ৫ বছৰীয়া শিশুয়ে খাদ্যৰ অভাবত কষ্ট সহ্য কৰিব লগা হৈ আছে।
২। সাৰ্বজনীন প্ৰাথমিক শিক্ষা	(১) ২০১৫ চনলৈ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিবলগীয়া প্ৰৱৰ্তন কৰা ৫৭ মিলিয়ন শিশুৰ বিদ্যালয় যোৱা নাছিল। (২) ধনী আৰু দুখীয়াৰ তুলনামূলক অধ্যয়ন কৰিলে দেখা যায় যে ধনী শিশুতকৈ দুখীয়া শিশু স্কুল পৰিত্যাগ কৰা সংখ্যা এতিয়াও ৪ গুন বেচি।
৩। লিঙ্গ বৈষম্য আঁতৰ আৰু	(১) লিঙ্গ বৈষম্য আঁতৰ কৰাৰ চেষ্টা কৰা হৈছিল মহিলা সবলীকৰণ যদিও পৃথিৱীৰ বিভিন্ন ঠাইত সম্পদ আহৰণ, ৰাজহুৱা আৰু ব্যক্তিগত ঠাইত সিদ্ধান্তগ্ৰহণৰ ক্ষেত্ৰত এতিয়াও মহিলা সকল পুৰুষৰ সমানে আগবাঢ়িব পৰা নাই। এতিয়াও তেওঁলোকে দৰিদ্ৰ সীমাৰেখাৰ তলত আছে। (২) কেৰেবিয়ান আৰু লেটিন আমেৰিকাৰ বিভিন্ন অঞ্চল সমূহত যদিও দৰিদ্ৰতাৰ হাৰ কমিছে তথাপিও এতিয়াও এই অঞ্চল সমূহৰ দুখীয়া ঘৰ বিলাকত মহিলাৰ আৰু পূৰুষৰ অনুপাত ক্ৰমে প্ৰতি ১০০ জন পুৰুষৰ বিপৰীতে ১০৮ গৰাকী মহিলা আৰু ১০০ জন পুৰুষৰ বিপৰীতে ১১৭ গৰাকী মহিলা ক্ৰমে ১৯৯৭ আৰু ২০১২ চনত বৃদ্ধি হৈছিল। (৩) সমগ্ৰ পৃথিৱীৰ শ্ৰম বজাৰত মহিলাই এতিয়াও পুৰুষৰ তুলনাত পিচপৰা অৱস্থাত আছে। কৰ্মৰত পুৰুষৰ ৩ ভাগেই শ্ৰমৰ বজাৰত সংলগ্ন হৈ আছে আৰু তেওঁলোকে পুৰুষতকৈ ২৪% কমকৈ উপাৰ্জন কৰে।
৪। শিশুৰ মৃত্যু হাৰ হ্ৰাস	(১) পাচ বছৰৰ বয়সৰ তলৰ ১৬০০০ শিশুৰ প্ৰতিদিনে মৃত্যু মুখত পৰে। ইয়াৰে বেচিভাগেই প্ৰতিষেধকৰ অভাবৰ বাবেই। (২) ধনী আৰু দুখীয়া পৰিয়ালৰ মাজত এতিয়াও মৃত্যু হাৰৰ বৃহৎ পাৰ্থক্য পৰিলক্ষিত হয়। (৩) পাঁচ বছৰৰ তলৰ দুখীয়া পৰিয়ালৰ শিশুৰ মৃত্যুহাৰ ধনী পৰিয়ালতকৈ

প্ৰায় ২ গুণতকৈও বেচি।

৫। প্ৰসূতি স্বাস্থ্যৰ উন্নত কৰণ (১) প্ৰসূতি মৃত্যুৰ অনুপাত উন্নত দেশতকৈ উন্নয়নশীল দেশৰ১৪ গুন বেচি ।

(২) উন্নয়নশীল দেশৰ ৫০% গৰ্ভবতী মহিলাই মাত্ৰ ৪ বাৰ হে নিৰ্দেশাত্মক নিম্নতম স্বাস্থ্য সম্পৰ্কীয় চিকিৎসা সেৱা গ্ৰহণ কৰিবলৈ সুবিধা পায়।

(৩) গাওঁ অঞ্চলত ৪৪% আৰু নগৰ অঞ্চলত ১৩% শিশুৰ জন্ম দক্ষ স্বাস্থ্য কৰ্মীৰ অনুপস্থিত সমাধা হয়।

৬। HIV, AIDS আৰু ২০১৩ চনলৈ উন্নয়নশীল দেশৰ ৩১.৫ মিলিয়ন HIVত আক্ৰান্ত লোকৰ মাত্ৰ ৩৬% যে ART পাবলৈ সক্ষম হৈছে।

৭। বহনক্ষম পৰিবেস সৃষ্টি কৰা (১) ২০১০ চনলৈ ৫.২ হেক্টৰ বনাঞ্চল হ্ৰাস হৈছে।

(২) জলবায়ু পৰিবৰ্তন আৰু অসুৰক্ষিত বনাঞ্চল সৃষ্টিৰে উন্নয়ন সম্ভব কৰি তোলা হৈছে।

(৩) ১৯৯০ চনৰ পিছত কাৰ্বন-সৃষ্টিৰ দ্বাৰা গোলকীয় উষ্ণতা প্ৰায় ৫০% বৃদ্ধি পাইছে। গ্ৰীন হাউচ গেছ নিষ্কিৰণ হৈ জলবায়ু পৰিবৰ্তন হৈছে আৰু বতৰ অস্বাভাৱিক ৰূপত পৰিবৰ্তন হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ফলস্বৰূপে পৰিৱেশ তন্ত্ৰৰো পৰিবৰ্তন হৈছে।

(৪) ১৯৭৪ চনৰ পৰা ২০১১ চনৰ ভিতৰত সাগৰীয় মাছৰ অত্যাধিক শোষণ কৰি জমা কৰি যোৱাৰ বাবে জৈৰ নিৰাপদ পৰিসীমা হ্ৰাস পাইছে।

(৫) পানীৰ অভাবে গোটেই বিশ্বৰ ৪০% জন সংখ্যাক প্ৰভাব পেলাইছে আৰু ইয়াৰ পৰিমান ভৱিষ্যতে বৃদ্ধি হ'ব বুলি আংশকা কৰিছে।

(৬) প্ৰায় ৫০% বিশ্বৰ শ্ৰমিকে এতিয়াও অস্বাস্থ্যকৰ তথা অনুন্নত অৱস্থাত কাম কৰি আছে মাত্ৰ অলপ সংখ্যকেহে উন্নত তথা সুন্দৰ কামৰ পৰিৱেশৰ লগত জড়িত হৈ আছে।

(৭) ২০১৫ চনৰ এটা হিচাপ মতে ৮৮০ মিলিয়ন মানুহ এতিয়াও উন্নয়নশীল দেশৰ চহৰৰ ওচৰৰ বস্তি অঞ্চলত বাস কৰে।

৮। উন্নয়নৰ কাৰণে গোলকীয় (১) উন্নত দেশবোৰে অনুন্নত দেশৰ লগত সহজলভ্য অংশীদাৰ তৈয়াৰ কৰা বজাৰ সৃষ্টি কৰিবলৈ অস্বীকাৰ কৰিছে।

(২) মানব উন্নয়নৰ ক্ষেত্ৰত সংঘাট সৃষ্টিয়েই আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।

(৩) ২০১৫ চনলৈ সংঘাতে ৬.০ মিলিয়ন লোকক ঘৰ এৰিবলৈ বল প্ৰয়োগ কৰিছিল।

(৪) গোটেই পৃথিৱীৰ ভগনীয়া জনসংখ্যাৰ ৫০% লোকেই শিশু, যিবোৰৰ ভিতৰত স্কুল পৰিত্যাগ কৰা শিশুৰ সংখ্যা ১৯৯৯ চনৰ পৰা ২০১২ চনৰ ভিতৰত ৩০%ৰ পৰা ৩৬% বৃদ্ধি হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ লিখক -

(ক) MDG সামগ্ৰিক ভাবে ব্যৰ্থ হৈছিল। (শুদ্ধ/অশুদ্ধ)

(খ) MDG ৰ সামগ্ৰিক উন্নয়ন সকলো অঞ্চলতে সমানে হৈছে। (শুদ্ধ/অশুদ্ধ)

(গ) MDG গ্ৰহন কৰাৰ পিছত HIVৰ বীজাণু পৃথিৱীৰ সকলো ঠাইতে বিয়পি পৰিছে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৭ ঃ দৰিদ্ৰতা নিৰ্মূলৰ সময়ত MDG ৰ বৰঙনি বাখ্যা কৰা (৪০ টা শব্দৰ ভিতৰত)

.....

.....

১৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- MDG বুলিলে ৮ টা অভিপ্ৰায় বুজায় যি কেইটা সহস্ৰাব্দৰ ঘোষণাত ধৰি লোৱা হৈছিল।
- MDG ৰ আঠোটা অভিপ্ৰায়ৰ প্ৰত্যেকৰে এটা বা তাতকৈ বেচি লক্ষ্যবোৰ কিছুমান সূচকৰ সহায়ত প্ৰকাশ কৰা হয় যিবোৰে অভিপ্ৰায় সমূহৰ বিপৰীতে থকা লক্ষ্যৰ সফলতাৰ হাৰ নিৰ্ধাৰণ কৰে।
- আঠোটা MDG ৰ মুঠ লক্ষ্য সংখ্যাত ১৮ টা আৰু সূচকৰ সংখ্যা ৪৮ টা।
- ১৯৯০ ৰ সময়ছোৱাত ৰাষ্ট্ৰসংঘৰ দ্বাৰা আয়োজিত পৃথিৱীৰ দেশ-সমূহৰ মাজত অনুষ্ঠিত হোৱা আলোচনা সভাত গ্ৰহণ কৰা চুক্তি আৰু প্ৰতিজ্ঞাৰ দ্বাৰা MDG ৰ উন্নয়নৰ সিদ্ধান্ত গ্ৰহন কৰিছিল। বিশেষকৈ আন্তজাৰ্তিক উন্নয়নৰ লক্ষ্যত MDG ৰ গুৰুত্ব লাভ কৰিছিল।
- দৰিদ্ৰতা, নিৰক্ষৰতা আৰু স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত থকা অসমতা দূৰ পৃথিৱীৰ বিভিন্ন দেশৰ নেতা সকলে লোৱা দৃষ্টান্তমুলক পদক্ষেপ MDG য়ে প্ৰতিফলিত কৰিছে।
- MDG য়ে আন্তজাৰ্তিক সহযোগিতা বৃদ্ধিত সহায় কৰিছে। পৃথিৱীৰ দেশ সমূহৰ মাজত এনেকুৱা বাৰ্তা প্ৰেৰণ কৰিছে যে গোটেই পৃথিৱী বাসীয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যা সমূহ যেনে দৰিদ্ৰতা, নিৰক্ষৰতা আদি উন্নত বা উন্নয়নশীল দেশৰ নেতা সকলে অকলে সমধা কৰিব নোৱাৰে এইবোৰ প্ৰত্যেকে লগ হৈ এক উমৈহতীয়া যৌথ প্ৰচেষ্টাৰে কৰা কাম হে ।
- ১৫ বছৰৰ পিছত MDG ৰ আঠোটা বিশেষ অভিপ্ৰায় গোটেই পৃথিৱীত বহুল ভাবে কৃতকাৰ্য্য হ'বলৈ চেষ্টা কৰা হৈছে।
- UNDP ৰ তথ্যই নিশ্চিত কৰিছে যে MDG য়ে হাজাৰ হাজাৰ মানুহক দৰিদ্ৰতাৰ পৰা দূৰ কৰিব, মহিলা আৰু শিশুক সবল কৰিব; স্বাস্থ্যৰ উন্নতি কৰিব আৰু উন্নত জীৱন অতিবাহিত কৰিবলৈ নতুন সুযোগ প্ৰদান কৰিব।
- MDG ৰ অগ্ৰগতি সকলো অঞ্চলতে একে হাৰত হোৱা দেখা নাযায়।
- যদিও MDG য়ে কিছুমান বিশেষ অঞ্চলত অসফলতা অৰ্জন কৰিছে তথাপিও উন্নয়নশীল দেশৰ

উন্নয়নৰ পথত MDG য়ে এক যুগান্তকাৰী পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে।

১৫. ৮ অধিক জানিবলৈ

1. Minhra, R.K & Jayasree Raveendran (ed)(2011) Millennium Development Goals and India, New Delhi Allied Publishers Pvt. Ltd.
2. Agarwal, M. & A.S. Ray (ed) (2007). Glabalization and the Millinnuim Development Goals. Negotiating the Challengers, New Delhi, Social Sciencepress
3. Clark. M & Simon Funy (2013). Millinnum Development Goals Looking Beyond 2015, Newyark, Routledge
4. Mahanta. P.J.,C Sharma & B. Saikia (ed) (2012), MDGs and Human Development Performances a North East India,
5. Marigaon, Assam, Meregaon Callege
6. UNDP, Human Development Repart, New York: Oxford University Press.

১৫.৯ অগ্ৰগতিৰ খতিয়ান

উত্তৰসমূহ ঃ

১। (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ

২। MDG হৈছে এটা পৰিকল্পনাৰ সংহতি যিয়ে পৃথিৱীৰ দেশ সমূহৰ পৰা ক্ষুধা আৰু দৰিদ্ৰতা দূৰ কৰে পৰিবেশ উন্নত কৰে আৰু উন্নয়নশীল দেশৰ অনান্য সমস্যা সমূহ আতৰ কৰাত সহায় কৰে। MDG আৰম্ভ হৈছিল ৰাষ্ট্ৰসংঘৰ সহস্ৰাব্দ ঘোষণা পত্ৰত, MDG ৰ আঠোটা মূল অভিপ্ৰায় আছে। ইয়াৰ ভিতৰত আন্তৰ্জাতিক ক্ষেত্ৰত দৰিদ্ৰতা নিৰ্মূল কৰা লক্ষ্যটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু সুদূৰ প্ৰসাৰী।

৩। MDG ৰ আঠোটা মূল লক্ষ্য আছে। এইবোৰ হ'ল- ক্ষুধা আৰু দৰিদ্ৰতা নিমূল, সাৰ্বজনীন প্ৰাথমিক শিক্ষা আহৰণ কৰা, লিঙ্গ বৈষম্য আতৰ কৰা, মহিলা সবলীকৰণ, শিশুৰ মৃত্যু হাৰ হ্ৰাস প্ৰসূতি খণ্ডৰ উন্নতি কৰা, HIV, AIDS নিয়ন্ত্ৰণ কৰা। মেলেৰীয়া আৰু অন্যান্য বেমাৰ প্ৰতিৰোধ কৰা, বহনক্ষম পৰিবেস সৃষ্টি কৰা আৰু উন্নয়নৰ গোলকীয় অংশীদাৰ তৈয়াৰ কৰা।

৪। (ক)শুদ্ধ (খ) অশুদ্ধ (গ) অশুদ্ধ

৫। MDG য়ে গোটেই বিশ্বক এনেকুৱা এটা বাৰ্তা বিয়পাবলৈ সক্ষম হৈছিল যে পৃথিৱীয়ে সন্মুখীন হোৱা সমস্যাবোৰ কেৱল উন্নত অথবা উন্নয়নশীল দেশৰ নেতা সকলৰ দ্বাৰা সমাধা কৰা সম্ভব নহয়। এইবোৰ সমস্যা প্ৰত্যেক মানুহৰ সামুহিক প্ৰচেষ্টাৰেহে সমাধা কৰিব পৰা যায়।

৬। (ক)অশুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

৭। অত্যাধিক দৰিদ্ৰতাৰ লগত বাস কৰা মানুহৰ সংখ্যা ১৯৯০ চনৰ ২.৯ বিলিয়ন ৰ পৰা ২০১৫ চললৈ ৮৩৬ মিলিয়নলৈ হ্ৰাস হৈছে যিতো আধাতকৈও বেচি। MDG প্ৰথমে গ্ৰহণ কৰাৰ পিছত কৰ্ম মধ্যবৃত্ত শ্ৰেণীৰ দৈনিক আয় ৪ ডলাৰতকৈ বৃদ্ধি পাইছে। এই বৃদ্ধিৰ হাৰ প্ৰায় ৩ গুনৰ সমান।

১৫.১০ আৰ্হি প্ৰশ্ন

(ক) **চমু উত্তৰৰ প্ৰশ্ন ঃ** (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। MDG বুলিলে কি বুজা।

২। MDG গ্ৰহন কৰাৰ পটভূমি সম্বন্ধে লিখা।

৩। 'MDG কেৱল লক্ষ্যই নহয় তাতকৈ বেচি' অভিমত দিয়া

৪। MDG ৰ বৈশিষ্ট সমূহ কি কি?

(খ) **ৰচনাধৰ্মী উত্তৰৰ প্ৰশ্ন ঃ** (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

১। MDG ৰ আঠোটা অক্ষ্যৰ বিষয়ে বাখ্যা কৰা।

২। MDG ৰ গুৰুত্ব সমূহ আলোচনা কৰা।

৩। MDG ৰ সফলতা সম্বন্ধে বিশ্লেষণ কৰা।

৪। MDG ৰ বিফলতা সম্বন্ধে বিশ্লেষণ কৰা।

*****